


গুৱাহাটী আৰু
ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

ত্ৰয়োদশ বছৰ ■ সংখ্যা ৫৭ ■ গুৱাহাটী ■ দেওবাৰ, ২ অক্টোবৰ, ২০২২, ১৫ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 57 Dainandin Barta ■ Guwahati, Sunday ■ 2 October, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




আদ্ৰিজাৰ পাছত আৰক্ষীৰ জালত পৰিল 'ৰাঘৱ'

## 'ৰাঘৱ' নামৰ নৈশ বাছত গৰু সৰবৰাহ

### কলিয়াবৰত পুনৰ গৰু সৰবৰাহ কৰা যাত্ৰীবাহী বাছ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১ অক্টোবৰ ঃ** অবৈধ গৰু সৰবৰাহকাৰীৰ গৰু সৰবৰাহৰ নিত্য-নতুন কৌশলে ■ ৮ পৃষ্ঠাত

## মেৰাপানী সীমাত পিষ্টলসহ তিনি নগা যুৱকক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১ ছেপ্টেম্বৰ ঃ** মেৰাপানী সীমাত দুৰ্গা পূজাৰ ষষ্ঠীৰ দিনাই ভাণ্ডাৰীস্থিত অসম ৰাইফলছ আৰু মেৰাপানীস্থিত ১৪২নং চি আৰ পি ■ ৮ পৃষ্ঠাত

## ১৪২ বছৰৰ কাৰাদণ্ড

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১ অক্টোবৰ ঃ** ১৪২ বছৰৰ কাৰাদণ্ড! নাবালিকাক। ধৰ্ষণৰ অপৰাধত কেৰালাৰ এজন লোকক আদালতে বিহিলে এই শাস্তি। সঁচাকৈয়ে শেহতীয়াকৈ কেৰালাৰ এজন লোকক নাবালিকাক ধৰ্ষণ কৰাৰ অপৰাধত ১৪২ বছৰৰ ■ ৮ পৃষ্ঠাত



# ভাৰতত ৫জি মোবাইল সেৱা আৰম্ভ

### ৫ জি প্ৰযুক্তি ব্যৱহাৰ কৰি দিল্লীত বহি থাকিয়েই ছুইডেনত গাড়ী চলালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে !



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰতত ৫জি মোবাইল সেৱা আৰম্ভ কৰিছে। আজি একেই প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীত বহি থাকিয়েই ■ ৮ পৃষ্ঠাত

আজি মহাসপ্তমী



# দেৱীৰ বোধনেৰে মুখৰ ৰাজ্য

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১ অক্টোবৰ ঃ** হিন্দু ধৰ্মাৱলম্বীসকলৰ অন্যতম শাৰদীয় আয়োজন 'দুৰ্গোৎসৱ'ৰ আজি মহাষষ্ঠী, কাইলৈ মহাসপ্তমী। দেৱী দুৰ্গাৰ উপাসনাৰে আজি আৰম্ভ হৈছে শাৰদীয় দুৰ্গা পূজা। আজি কল্পৰাম্ভত ঘট স্থাপন, বিল্ব বোধন, অধিবাসৰ শেষত দেৱীক আমন্ত্ৰণ জনোৱা ■ ৮ পৃষ্ঠাত

কংগ্ৰেছৰ সভাপতি নিৰ্বাচন

## ৰাজ্যসভাৰ বিৰোধী দলপতি পদৰ পৰা পদত্যাগ খাৰ্গেৰ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১ অক্টোবৰ ঃ** কংগ্ৰেছৰ সভাপতি নিৰ্বাচনৰ প্ৰাৰ্থী মল্লিকাৰ্জুন খাৰ্গেই আজি ৰাজ্যসভাৰ বিৰোধী দলৰ নেতাৰ পদৰ পৰা পদত্যাগ কৰা বুলি ছোনিয়া গান্ধীৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰিছে। এজন নেতা এটা পদ নীতিৰ আধাৰতে তেওঁ পদত্যাগ ■ ৮ পৃষ্ঠাত

## ধেমাজি জিলাক ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠাৰ আহ্বান শিক্ষামন্ত্ৰী ডাঃ পেগুৰ

### কাহিলি পুৱাৰ পৰা মাজনিশালৈ বিস্তৃত কাৰ্যসূচীৰে ধেমাজিত জিলা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ১ অক্টোবৰ ঃ** ধেমাজি জিলাক এটা ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনাইছে ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। আজি জিলা দিৱস উপলক্ষে ধেমাজিৰ কাছাৰী ময়দানত অনুষ্ঠিত এখন ৰাজহুৱা সভাত মুখ্য অতিথি হিচাপে ভাষণ দি তেওঁ কয় যে, ■ ৮ পৃষ্ঠাত

## কাছুমাৰাত নৈৰ কোবাল সোঁতে উটুৱাই নিলে বৃহৎ কাঠৰ দলং

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ অক্টোবৰ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা এন চি আৰু কাছুমাৰা বজাৰ সংযোগী ব্ৰহ্মপুত্ৰ সুঁতি নৈৰ ■ ৮ পৃষ্ঠাত

### আজি গুৱাহাটীত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ দ্বিতীয় টি-২০

# বৰ্ষামুক্ত হ'ব নে বৰ্ষাপাৰা





## গুৱাহাটীৰ উইকেট ভাল, জয়ৰ আশা দক্ষিণ আফ্ৰিকাৰ

**দৈনন্দিন বাৰ্তাৰ সংবাদ, ১ অক্টোবৰ ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে টীম ইণ্ডিয়াই প্ৰথমখন মেচত আঠ উইকেটত হেলাৰঙে জয়লাভ কৰি ইতিমধ্যে ■ ৮ পৃষ্ঠাত

ধনশিৰি মহকুমাৰ খৰাংপীড়িত কৃষকক চেক বিতৰণ

## বিধায়ক বিশ্বজিৎ ফুকনৰ তৎপৰতাত ৯ কোটি ৯২ লাখ ক্ষতিপূৰণ লাভ কৰিব কৃষকে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি, ১ অক্টোবৰ ঃ** অসমৰ ভিতৰতে উন্নত মানৰ ধান খেতি হোৱা গোলাঘাট জিলাৰ অন্তৰ্গত সৰুপথাৰ সমষ্টিৰ ধনশিৰি মহকুমাত যোৱা ■ ৮ পৃষ্ঠাত

# অসম আৰক্ষী দিৱস উদ্‌যাপন

### ২৬১গৰাকী আৰক্ষী আৰু প্ৰশাসনিক বিষয়ালৈ ২০২১-২২ বৰ্ষৰ আৰক্ষী সঞ্চালকপ্ৰধানৰ প্ৰশংসা পদক



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ অক্টোবৰ ঃ** 'অসম আৰক্ষী অসমৰ সমাজ জীৱনৰ এক অপৰিহাৰ্য অংগ। নিয়মানুৱৰ্তিতা, দায়িত্ববোধ আৰু নিৰ্ভীকতা অসম আৰক্ষীৰ মূল চালিকা শক্তি। বিগত দিনবোৰত আৰক্ষীৰ বহু লোকে ৰাজ্যবাসীৰ সুৰক্ষাৰ স্বাৰ্থত নিজৰ প্ৰাণ পৰ্যন্ত উছৰ্গা কৰিছে।' অসমৰ মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰে আজি কাহিলিপাৰাস্থিত চতুৰ্থ অসম আৰক্ষী বাহিনীৰ 'পেৰেড গ্ৰাউণ্ড'ত আয়োজিত 'অসম আৰক্ষী দিৱস'ৰ কেন্দ্ৰীয় অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি এই মন্তব্য ■ ৮ পৃষ্ঠাত

শিৱসাগৰৰ কোঁৱৰপুৰত নিশা ভয়াৱহ পথ দুৰ্ঘটনা


## ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰাটে খেলুৱৈসহ থিতাতে নিহত দুজন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১ অক্টোবৰ ঃ** শাৰদীয় দূৰ্গোৎসৱৰ উছাহৰ মাজতেই যোৱানিশা সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত এজন ৰাষ্ট্ৰীয় ■ ৮ পৃষ্ঠাত

# মুছলপুৰত ৫৯১জন শিক্ষকক নিযুক্তি-পত্ৰ প্ৰদান বিটিচি চৰকাৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১ অক্টোবৰ ঃ** অৱশেষত ২২ বছৰৰ পিছত আজি ন্যায় লাভ কৰিলে ১৯৯৯ চনত নিযুক্তি লাভ কৰা ৫৯১গৰাকী শিক্ষকে। উল্লেখ্য যে ১৯৯৯ চনত জিলা শিক্ষা বিষয়া আৰু বিদ্যালয় পৰিদৰ্শকে নলবাৰী জিলাত নিযুক্তি দিছিল এইসকল শিক্ষকক। তেতিয়াৰ নলবাৰী জিলাত প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ত নিযুক্তি লাভ কৰা শিক্ষকসকল ২০03 চনত বিটিচিত অন্তৰ্ভুক্ত হয় আৰু বিভিন্ন সমস্যাৰ সন্মুখীন হয়। এটা সময়ত নিয়মিত দৰমহা লাভ কৰি থকা ■ ৮ পৃষ্ঠাত





# শোণিতপুৰ জিলা সমাজ কল্যাণ বিষয়াৰ বিৰুদ্ধে উপায়ুক্তক অভিযোগ দাখিল দিব্যাংগ মহিলাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ১ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ শিশু সমাজ কল্যাণ বিষয়াৰ বিৰুদ্ধে মানসিক অত্যাচাৰ চলোৱাৰ অভিযোগ তুলি শোণিতপুৰ জিলাৰ উপায়ুক্তক অভিযোগ দাখিল কৰিলে এগৰাকী দিব্যাংগ মহিলাই। এই বিষয়টো এতিয়া জিলাখনত চৰ্চাৰ বিষয় হৈ পৰিছে। উল্লেখ্য যে শোণিতপুৰ জিলাৰ ৭২নং বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰছলা সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ পদুমপুখুৰী গাঁৱত থকা অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী পদ বিগত বহুদিনৰ পৰাই খালী হৈ আছিল। কেন্দ্ৰটোত কৰ্মী নথকাৰ সুযোগতে উক্ত কেন্দ্ৰৰ সহায়িকাগৰাকীয়ে বিভাগীয় একাংশ বিষয়া-কৰ্মচাৰীৰ লগত মিলি নিজৰ খেয়াল-খুচি মতে কেন্দ্ৰটো বিগত বহু দিনৰ পৰাই পৰিচালনা কৰি আহিছিল। শেহতীয়াকৈ ৰাজ্য চৰকাৰে এক প্ৰতিবেদনযোগে খালী হৈ থকা কৰ্মী পদ পূৰণৰ নিৰ্দেশ জাৰি কৰাত উক্ত অংগনৱাড়ী কেন্দ্ৰ এলেকাৰ জেছমিন বেগম নামৰ এগৰাকী দিব্যাংগ তথা শিক্ষিত মহিলাই কৰ্মী পদৰ বাবে আবেদন দাখিল কৰিছিল। সমান্তৰালভাৱে উক্ত কৰ্মী পদটোৰ কাৰণে কেন্দ্ৰটোৰ সহায়িকাগৰাকীয়ে পুত্ৰ-বোৱাৰীৰ জৰিয়তে আবেদন দাখিল কৰে। ইমানতে ক্ষান্ত নাথাকি সহায়িকাগৰাকীয়ে জেছমিন বেগম উক্ত এলেকাৰ বাসিন্দা নহয় বুলি বিভাগীয় কাৰ্যালয়লৈ এক প্ৰতিবেদন দাখিল কৰে। পিছলৈ নিৰুপায় হৈ দিব্যাংগ মহিলাগৰাকীয়ে অঞ্চলটোৰ ৰাইজৰ সহযোগত শোণিতপুৰ জিলা উপায়ুক্তৰ ওচৰত ন্যায় বিচাৰি ৰাইজৰ স্বাক্ষৰিত এখন পত্ৰ প্ৰদান কৰে। উপায়ুক্তক ন্যায় বিচাৰি পত্ৰ প্ৰদান কৰাত ২৭ ছেপ্টেম্বৰত নং ICDS/BSL/08/2022-23/272 1 official order কপি জেছমিন বেগমৰ হোৱাটছএপত প্ৰেৰণ কৰি পিছ দিনা অৰ্থাৎ ২৮ ছেপ্টেম্বৰত শুনানিৰ বাবে মাতি পঠিয়ায়। সেই মৰ্মে জেছমিন বেগমে ২৮ ছেপ্টেম্বৰত জিলা সমাজ কল্যাণ তথা বৰছলা সংহত শিশু উন্নয়ন প্ৰকল্পৰ (CDPO) দায়িত্বত থকা বিষয়াৰ কাৰ্যালয়ত উপস্থিত হয়। উপায়ুক্তক দাখিল কৰা অভিযোগ অনুসৰি ২৮ ছেপ্টম্বৰত সমাজ কল্যাণ বিষয়াগৰাকীৰ কাৰ্যালয়ত উপস্থিত হোৱাত জেছমিন বেগমৰ লগতে অইন পাঁচগৰাকী লগত যোৱা লোকক বিষয়াগৰাকীৰ কক্ষত মাতি নি দৰ্জা বন্ধ কৰি নানান ভয়-ভাবুকি দেখুৱাই উকা কাগজত চহী কৰিবলৈ দিয়ে। তেতিয়া তেওঁলোকে উকা কাগজত চহী কৰাত অমান্তি হোৱাত সকলোৰে হাতত থকা মোবাইল ফোন কাঢ়ি নি পুলিচ মাতি এৰেষ্ট কৰাৰ ভাবুকি দিয়ে। বিষয়াগৰাকীৰ এনে আচৰণত উপায়ান্তৰ হৈ উকা কাগজত সকলোৱে চহী কৰিবলৈ বাধ্য হয়। শুনানিৰ নামত মাতি নি এগৰাকী বিষয়াই এনে মানসিক অত্যাচাৰ চলোৱাৰ বাবে ন্যায় বিচাৰি আজি উপায়ুক্তক জেছমিন বেগমৰ লগতে অইন পাঁচগৰাকীয়ে স্বাক্ষৰ কৰি অভিযোগ দাখিল কৰে। এতিয়া আগন্তুক সময়ত তদন্ত প্ৰক্ৰিয়া কোনদিশে গতি কৰে সেয়া সময়ত লক্ষণীয় হ'ব।



## নগৰবেৰা আৰক্ষীৰ বৃহৎ সফলতা, তামিলনাডুৰ পৰা উদ্ধাৰ অপহৃত নাবালিকা, আটক অপহৰণকাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ অক্টোবৰ ঃ** নগৰবেৰাৰ আৰক্ষীৰ বৃহৎ সফলতা, এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তামিলনাডুৰ পৰা অপহৃত নাবালিকাক উদ্ধাৰ কৰাৰ লগতে অপহৰণকাৰীকো আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে কিছু দিনৰ পূৰ্বে নগৰবেৰাৰ ভখুৱাদিয়া অঞ্চলৰ এগৰাকী দশম মানৰ ছাত্ৰীক অপহৰণ কৰে নগৰবেৰাৰ থানাৰ অন্তৰ্গত নায়টৰ অঞ্চলৰ আশ্বাদ আলীৰ পুত্ৰ আব্দুছ ওৱাহেব, আৰক্ষীয়ে ১২ ছেপ্টেম্বৰত এই সন্দৰ্ভত এটা গোচৰ পঞ্জীয়ন কৰি অনুসন্ধান চলায় আৰু সেই মৰ্মে নগৰবেৰা থানাৰ উপ-পৰিদৰ্শক (প) শিশিৰ কুমাৰ বসুমতাৰী, নায়ক নৰ ৰাভা আৰু মহিলা আৰক্ষী কনিষ্টবল ৰোজ মেৰী টিগা তামিলনাডুলৈ গৈ তামিলনাডু আৰক্ষীৰ সহযোগত কাৰখানাত কৰ্মৰত অৱস্থাত নাবালিকা গৰাকীক উদ্ধাৰ কৰাৰ লগতে অভিযুক্ত অপৰহৰণকাৰী ওৱাহাবক আটক কৰিবলৈ সক্ষম হয়। শনিবাৰে অপহৃত ছাত্ৰীগৰাকীৰ স্বাস্থ্য পৰীক্ষাৰ বাবে জি এম চি এইচলৈ প্ৰেৰণ কৰাৰ উপৰি অপহৰণকাৰী আব্দুল ওৱাহাবক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। নগৰবেৰা আৰক্ষীৰ এই সফলতাক সকলোৱে শলাগিছে।

### শনিবাৰৰ দিনটোত শনিৰ কোপদৃষ্টি পৰিল আমিনগাঁৱত

## পৃথক পৃথক দুটা পথ দুৰ্ঘটনাত জীয়াতু ভুগিলে যাত্ৰীৰ লগতে যান-বাহনৰ গৰাকীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১ অক্টোবৰ ঃ** আজি মহাষষ্ঠীৰ পুৱাই অস্বস্তিত ভুগিল হাজাৰ হাজাৰ যান-বাহনৰ যাত্ৰীৰ লগতে গৰাকীসকলে। শনিবাৰৰ দিনটোত দুটা পৃথক পৃথক পথ দুৰ্ঘটনাত তীব্ৰ যান-জঁটৰ সৃষ্টি হয় আমিনগাঁৱৰ নাৰায়ণা হাস্পতালৰ সমীপত। গুৱাহাটীৰ পৰা ৰঙিয়া অভিমুখী এখন ট্ৰাক চলন্ত অৱস্থাত বিপৰীত দিশৰ পৰা ৰং ছাইডেৰে অহা এখন অন্য ট্ৰাকৰ মুখামুখি হোৱাত নিয়ন্ত্ৰণ হেৰুৱাই প্ৰথমে দলঙৰ ৰেলিঙত খুন্দা মাৰি ৰাজপথৰ ওপৰতে বাগৰি পৰে। দুৰ্ঘটনাটোত ট্ৰাকখনৰ যথেষ্ট ক্ষতি হয় যদিও চালক, পৰিচালকৰ কথমপি প্ৰাণৰক্ষা পৰে। ইফালে আন এখন যাত্ৰীবাহী বাছৰ লগত হোৱা দুৰ্ঘটনাত মাৰুতি ভান এখন প্ৰায় আশী শতাংশ বিধ্বস্ত হয়। ঈশ্বৰৰ ইচ্ছাত দুয়োটা দুৰ্ঘটনাত কোনো লোকৰ হানি-বিঘিনি হোৱা নাই যদিও দুৰ্গা ষষ্ঠীৰ দিনটোত এই অঞ্চলত তীব্ৰ যান-জঁটত আবদ্ধ হয় হাজাৰৰো অধিক যান-বাহন। উলহ-মালহেৰে শাৰদীয় দুৰ্গোৎসৱ পালনৰ নিমিত্তে মহানগৰীৰ পৰা নামনি অসমৰ বিভিন্ন প্ৰান্তৰ নিজ গৃহাভিমুখী যাত্ৰীসকল ঘণ্টাৰ পিছত ঘণ্টা ধৰি আবদ্ধ হৈ থাকিল আমিনগাঁৱত। উত্তৰ গুৱাহাটী থানাৰ অধীনস্থ গৌৰীপুৰ আৰক্ষীয়ে ইতিমধ্যে গাড়ী দুখন উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰাৰ লগতে পথছোৱা মুকলি কৰি দিয়ে।


**নিবিদা জাননী**

ইয়াৰ দ্বাৰা ইচ্ছুক নিবিদাকাৰীৰ পৰা লাহৰীঘাট প্ৰাথমিক বিদ্যালয়ৰ ২০২২-২৩ শিক্ষা বৰ্ষৰ ৫৮৫ জন ছাত্ৰ ছাত্ৰীৰ ঐক্য পোছাক যোগানৰ নিবিদা অহা ইং ৬-১০-২২ তাৰিখৰ পৰা ১৪-১০-২২ তাৰিখৰ দিনৰ ২ বজাৰ ভিতৰত বিদ্যালয়ৰ কাৰ্যালয়ত জমা দিবলৈ আহ্বান জনোৱা হ'ল।


## সোঁৱৰণি



অসমৰ এগৰাকী সফল শক্তি উত্তোলনক তথা আগশাৰীৰ শৰীৰ চৰ্চাবিদ ৰাহুল শৰ্মা আমাৰ মাজৰ পৰা অকালতে আঁতৰি গল চিৰদিনৰ বাবে।যোৱা ২৫ ছেপ্টেম্বৰৰ পুৱা আমাক সকলোকে কন্দুৱাই ৰাহুল আঁতৰি গল অজান দেশলৈ। ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত শক্তি উত্তোলন প্ৰতিযোগিতাত একাধিক বাৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হোৱা ৰাহুলে এগৰাকী শৰীৰ চৰ্চাবিদ হিচাবেও জনাজাত আছিল। সুন্দৰ শৰীৰৰ অধিকাৰী ৰাহুলে তেওঁৰ লগতে আন বহুজনৰ নিৰোগী আৰু শক্তিশালী শৰীৰৰ পৰিকল্পনাৰে ঘৰতে এটা শৰীৰ চৰ্চা কেন্দ্ৰ সাজি লৈছিল। আইৰণ ৰাৰিয়ৰ জীম নামৰ শৰীৰ চৰ্চা কেন্দ্ৰটোত মহানগৰীৰ বিভিন্ন স্থানৰ লগতে ৰাজ্যৰ বহুত। অঞ্চলৰ পৰা অহা নৱ প্ৰজন্মৰ যুৱক যুৱতীয়ে শৰীৰ চৰ্চা কৰিছিল।

মাত্ৰ ৩২ বছৰ বয়সতে ৰাহুলে শক্তি উত্তোলন আৰু শৰীৰ চৰ্চাত নিজকে প্ৰতিষ্ঠা কৰিছিল। ৰিহাবাৰিৰ সমাজ কৰ্মী প্ৰবীণ শৰ্মা আৰু অঞ্জো শৰ্মাৰ বৰ পুত্ৰ ৰাহুল শৰ্মাৰ পবিত্ৰ সোঁৱৰণত আমি সহৃদয় সহযোগী আৰু পৰিযাল বৰ্গই ৰহুলৰ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

পৰিয়াল আৰু বন্ধুবৰ্গৰ হৈ
**মানস গোস্বামী**
ৰিহাবাৰি
ফোন ঃ ৯১০১৮৬০৫২৯

## যোৰহাটৰ পশ্চিম ৰাজহ চক্ৰৰ ১৬ গাঁওপ্ৰধানক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ১ অক্টোবৰ ঃ** যোৰহাট জিলাৰ পশ্চিম ৰাজহ চক্ৰ কাৰ্যালয় আৰু পশ্চিম ৰাজহ চক্ৰ গাঁওপ্ৰধান সমিতিৰ উদ্যোগত ৩০ ছেপ্টেম্বৰত অৱসৰপ্ৰাপ্ত গাঁওপ্ৰধানসকলক বিদায় সম্বৰ্ধনা জনায়। চক্ৰ বিষয়া ভাস্কৰ তালুকদাৰৰ সভাপতিত্বত যোৰহাট ছেণ্ট্ৰেল ক্লাবৰ সভাগৃহত অনুষ্ঠিত বিদায় সভাত ১৬জন অৱসৰপ্ৰাপ্ত গাঁওপ্ৰধানক গামোচা, চেলেং, অভিনন্দন-পত্ৰৰে বিদায় সম্বৰ্ধনা জনায়। গাঁওপ্ৰধান সন্থাৰ চক্ৰ সম্পাদক অচিন্ত দত্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাত যোৰহাট জিলা গাঁওপ্ৰধান সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি বিপুল শইকীয়াই বৰ্তমান সময়ত গাঁওপ্ৰধানসকলৰ সামাজিক দায়বদ্ধতা আৰু কামৰ বোজা অধিক হৈছে বুলি উল্লেখ কৰি সময়ৰ লগত অগ্ৰসৰ হ'ব লাগিব বুলি কয়। সমাজকৰ্মী জগন্নাথ অগ্নিবৰাই গাঁওপ্ৰধানসকলৰ কামৰ দায়িত্ব বেছি যদিও চৰকাৰে আগবঢ়োৱা মাহিলি মাননি পুতৌ লগা বুলি উল্লেখ কৰি ৰজাঘৰীয়াক এই বিষয়ে চকু দিবলৈ আহ্বান জনায়। পশ্চিম ৰাজহ চক্ৰৰ কাননগু অমূল্য কলিতা, নিতুল দত্ত, যোৰহাট জিলা গাঁওপ্ৰধান সন্থাৰ সম্পাদক মহেন্দ্ৰ শইকীয়া, পশ্চিম ৰাজহ চক্ৰৰ গাঁওপ্ৰধান সন্থাৰ সভানেত্ৰী পূৰ্ণিমা দত্ত, দিব্যজ্যোতি কলিতা, জিলাৰ প্ৰতিনিধি উপস্থিত থকা সভাত বিদায়ী গাঁওপ্ৰধান বংশীধৰ শইকীয়া, সুকুমল গগৈয়ে কৰ্মজীৱনৰ ৰোমন্থন কৰে।

## ছিপাঝাৰত কেঁচু সাৰৰ প্ৰয়োগ আৰু উপকাৰিতা সন্দৰ্ভত প্ৰশিক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুমুনিচকী, ১ অক্টোবৰ ঃ** ছিপাঝাৰত কেঁচু সাৰৰ প্ৰয়োগ আৰু উপকাৰিতা সন্দৰ্ভত প্ৰশিক্ষণ সামৰণি। ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ ছিপাঝাৰ কৃষি উন্নয়ন খণ্ডৰ অধীনত ২১ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হোৱা ছদিনীয়া কৰ্মশালাৰ বুধবাৰে সামৰণি পৰে। কৃষি উন্নয়ন খণ্ডটোৰ অধীনৰ এখন গাঁও পঞ্চায়ত এলেকাৰ কেইবাগৰাকীও কৃষকক এই কৰ্মশালাত কৃষিত কেঁচু সাৰৰ প্ৰয়োগ আৰু উপকাৰিতা সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৰ্মশালাৰ সামৰণি উপলক্ষে লাউজানস্থিত লোক্ৰাই গাঁও পঞ্চায়ত সভাগৃহত এখন সভা অনুষ্ঠিত কৰা হয়। সভাত বিষয় সন্দৰ্ভত উন্নয়ন বিষয়াৰ খণ্ড প্ৰযুক্তি প্ৰবন্ধক শংকৰ নাথৰ তত্বাৱধানত সূচাৰুৰূপে সমাপ্ত হোৱা ছদিনীয়া প্ৰশিক্ষণ শিবিৰৰ প্ৰশংসা-পত্ৰ বিতৰণ কৰা হয়। কৃষকসকলে গীত-নৃত্য পৰিৱেশনৰে জীপাল কৰি তোলা কৰ্মশালাৰ সামৰণী সভাত কেঁচু সাৰৰ প্ৰয়োগ আৰু উপকাৰিতাৰ বিষয়ে বিতংভাৱে বক্তব্য প্ৰদান কৰে মহকুমা উন্নয়ন কৃষি বিষয়া ড° মনোৰঞ্জন শৰ্মা, ছিপাঝাৰ কৃষিখণ্ডৰ কৃষি উন্নয়ন বিষয়া সংঘমিত্ৰা শ্যামে। কৰ্মশালাৰ সামৰণী সভাখনত লোক্ৰাই গাঁও পঞ্চায়তৰ সভাপতি কুমাৰ চন্দ্ৰ নাথ, মিডিয়া এক্সপাৰ্ট জ্যোতিষা শইকীয়া, সহকাৰী খণ্ড প্ৰযুক্তি প্ৰবন্ধক ৰেখাৰাণী নাথৰ লগতে কৃষি বিভাগৰ বহুকেইগৰাকী বিষয়া উপস্থিত থাকে।

## অসম আৰক্ষী দিৱস উপলক্ষে প্ৰথম অসম আৰক্ষী বাহিনী ছাউনীত ৰক্তদান শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১ অক্টোবৰ ঃ** আজি অসম আৰক্ষী দিৱস উপলক্ষে সমগ্ৰ অসমতে আৰক্ষীয়ে অতি উলহ-মালহেৰে পালন কৰে। নাজিৰাৰ লিগিৰী পুখুৰীস্থ প্ৰথম অসম আৰক্ষী বাহিনীৰ মুখ্য ছাউনীত আৰক্ষী দিৱস পালন কৰাৰ উপৰি এক ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰে প্ৰথম অসম আৰক্ষী বাহিনীৰ জোৱানসকলে। প্ৰায় অৰ্ধশতাধিক আৰক্ষী জোৱানে লিগিৰীপুখুৰীস্থ ছাউনীৰ স্বাস্থ্য কেন্দ্ৰত ৰক্তদান কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰথম অসম আৰক্ষী বাহিনীৰ জোৱানৰ এনে প্ৰশংসনীয় পদক্ষেপক সচেতন ৰাইজে শলাগ লৈছে।

### চিৰাজুলি শাখা যুৱ-ছাত্ৰ পৰিষদৰ যোগাত্মক পদক্ষেপ

## স্ব-গৃহত গৈ কৃতী শিক্ষক আৰু মেধাৱী পৰিক্ষাৰ্থীক জনালে সম্বৰ্ধনা-অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিৰাজুলি, ১ অক্টোবৰ ঃ** সভ্যতাৰ প্ৰাণশক্তিস্বৰূপ 'শিক্ষা'ৰ জ্যোতিৰে সমাজক পলসুৱা কৰিবলৈ পাৰ্যমানে আগবঢ়োৱা সেৱা আৰু সামাজিক ক্ষেত্ৰতো যোগোৱা অৱদানৰ স্বীকৃতিস্বৰূপে চলিত বৰ্ষৰ শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি শোণিতপুৰ জিলা প্ৰশাসন আৰু শিক্ষা বিভাগে কৃতী শিক্ষকৰ বঁটাৰে সন্মানিত কৰি অঞ্চলবাসীক গৌৰৱান্বিত কৰা বৃহত্তৰ চিৰাজুলিৰ তিনিগৰাকী শিক্ষক ৰাধেশ্যাম মিশ্ৰ (চিৰাজুলি), নাৰায়ণপুৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক প্ৰবীণ শইকীয়া (ভোটপাৰা) আৰু নতুনপামৰ টংকেশ্বৰ ৰাজবংশীক সম্বৰ্ধনা জ্ঞাপনৰ লগতে সদ্যঘোষিত সৰ্বভাৰতীয় স্তৰৰ বাছনি পৰীক্ষা 'নীট'ত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৃহত্তৰ চিৰাজুলি অঞ্চলটিলৈ সুনাম কঢ়িয়াই আনি সবাকে উৎফুল্ল কৰি তোলা কৃতীমান বিদ্যাৰ্থী নুৰপুৰজুটৰ আশিকুৰ ৰহমান আৰু নতুনপামৰ হৃষীকেশ ৰাজবংশীক ২৮ ছেপ্টেম্বৰৰ বিয়লি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয়, আঞ্চলিক আৰু চিৰাজুলি শাখা সমিতিৰ নেতৃবৃন্দ স্বগৃহলৈ আহি পলমকৈ হ'লেও তেওঁলোকক অভিনন্দিত কৰি ধন্য হয়। পৰিষদৰ চিৰাজুলি শাখাৰ উদ্যোগত সম্পন্ন আৰু কেন্দ্ৰীয় সাহিত্য সম্পাদক সুজিৎ কটকীৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে প্ৰথমতে নাৰায়ণপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা নিজৰ যোগাত্মক কৰ্মৰে শিক্ষা সচেতন মহল আৰু জনমানসত এগৰাকী কৃতীমান শিক্ষক হিচাপে নিজৰ ভাবমূৰ্তি উজ্জ্বলাই ৰখাৰ প্ৰয়াস অব্যাহত ৰখা অগ্ৰণী শিক্ষক-সমাজ সচেতন আৰু অধ্যয়ন প্ৰিয় ব্যক্তি-সাহিত্য-সংস্কৃতি অনুৰাগী প্ৰবীণ শইকীয়াৰ গৃহত উপস্থিত হৈ সম্বৰ্ধিত কৰে। শিক্ষা-সামাজিক-সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত শইকীয়াই ইতিমধ্যে সৰ্বশিক্ষা অভিযানৰ পৰা জিলা ভিত্তিত কৃতী শিক্ষকৰ বঁটা আৰু তেওঁৰ নেতৃত্বত শিক্ষাদান কৰা বিদ্যালয়খনে জিলা পৰ্যায়ত শ্ৰেষ্ঠ বিদ্যালয়ৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পাছত পৰিষদৰ দলটো ঢেকীয়াজুলিৰ ৰাষ্ট্ৰভাষা বিদ্যাপীঠ হাইস্কুলৰ প্ৰধান শিক্ষক ৰাধেশ্যাম মিশ্ৰৰ বাসগৃহত উপস্থিত হৈ তেওঁক সম্বৰ্ধনা জনায়। সুদীৰ্ঘ বছৰীয়া শিক্ষকতা জীৱনত বিদ্যাৰ্থীৰ বুনিয়াদ গঢ়া আৰু শৈক্ষিক উন্নয়ন তথা সামগ্ৰিক বিকাশত আত্মোৎসৰ্গ কৰা অগ্ৰজ শিক্ষক মিশ্ৰৰ বৃহত্তৰ চিৰাজুলি-ঢেকীয়াজুলি অঞ্চলত হিন্দী শিক্ষাৰ প্ৰচাৰ-প্ৰসাৰত অৰিহণা অনস্বীকাৰ্য। এগৰাকী পুৰোহিত আৰু সংগীতানুৰাগী হিচাপেও ৰাধেশ্যাম মিশ্ৰ পৰিচিত। এইবাৰ পৰিষদৰ দলটো নুৰপুৰজুটৰ মেধাৱী ছাত্ৰ আশিকুৰ ৰহমানক স্বগৃহলৈ গৈ অভিনন্দন জনায়। মনকৰিবলগীয়া যে নীট পৰীক্ষাত ৫৭৭ নম্বৰলৈ উত্তীৰ্ণ হোৱা ১নং নুৰপুৰজুটৰ কৃষক এমদাদুল হোছেইন আৰু অংগনৱাড়ী কৰ্মী মাৰ্জিয়া বেগমৰ পুত্ৰ আশিকুৰ ৰহমানে মেট্ৰিকত চিৰাজুলিৰ নিউ হৰাইজন ইংলিছ স্কুলৰ পৰা ৮৮.৫ শতাংশ লৈ ডিষ্টিংচনসহ আৰু উচ্চতৰ মাধ্যমিকত হোজাইৰ আজমল ছুপাৰ-৪০ৰ পৰা ৯২ শতাংশ নম্বৰলৈ ডিষ্টিংচনসহ সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। তাৰ পিছতে দলটো বৰগাঁৱৰ প্ৰজাপতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অগ্ৰণী বিজ্ঞান শিক্ষক-লেখক-সচেতন অভিভাৱক তথা অসম সাহিত্য সভা-মানৱ অধিকাৰ সংগঠন আৰু স্কাউট গাইডৰ সৈতে জড়িত এগৰাকী সাহিত্য-সাংস্কৃতিক-সামাজিক কৰ্মী টংকেশ্বৰ ৰাজবংশীৰ নতুনপাম পথাৰৰ বাসগৃহত গৈ সম্বৰ্ধিত কৰে। সিফালে নীট পৰীক্ষাত প্ৰথম খোজতে ৫০৫ নম্বৰলৈ উত্তীৰ্ণ হোৱা ৰাজবংশীৰে সুযোগ্য সন্তান তথা মেধাৱী ছাত্ৰ হৃষীকেশ ৰাজবংশী নিজৰ গৃহত উপস্থিত নথকাৰ বাবে তেওঁৰ শিক্ষয়িত্ৰী মাতৃ জিলমিল ৰাজবংশীক পুত্ৰৰ হৈ অভিবাদন জনোৱা হয়। উল্লেখ্য, কৃতীমান ছাত্ৰ হৃষীকেশ ৰাজবংশীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত চিৰাজুলিৰ নিউ হৰাইজন ইংলিছ স্কুলৰ পৰা ৯৪.৮ শতাংশ নম্বৰ লৈ ডিষ্টিংচন সহকাৰে আৰু উচ্চতৰ মাধ্যমিকৰ শেহান্ত পৰীক্ষাত নগাঁৱৰ ৰামানুজনৰ পৰা ৯৪.২ শতাংশ নম্বৰলৈ ডিষ্টিংচনসহ উত্তীৰ্ণ হৈছিল। ঘৰে-ঘৰে গৈ সম্পাদন কৰা এই অনুষ্টুপীয়া কাৰ্যসূচীৰ উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰি পৰিষদৰ কেন্দ্ৰীয় সাহিত্য সম্পাদক সুজিৎ কটকীয়ে প্ৰতিখন ঘৰতে শুভেচ্ছামূলক চমু বক্তব্য দাঙি ধৰে। পৰিষদৰ প্ৰতিনিধি দলটোত ঢেকীয়াজুলি আঞ্চলিকৰ শিক্ষা সম্পাদক ৰঞ্জিত বণিয়া, শাখাৰ সভাপতি ছাদ্দুলা আহমেদ, সাধাৰণ সম্পাদক ৰঞ্জন ৰাজখোৱা আৰু উপদেষ্টা বাসু হালৈ উপস্থিত থাকি সহযোগ আগবঢ়ায়। ইপিনে সম্বৰ্ধনা-অভিনন্দন জ্ঞাপনৰ প্ৰত্যুত্তৰত কৃতী শিক্ষকত্ৰয় আৰু মেধাৱী ছাত্ৰদ্বয়ৰ পৰিয়ালে চিৰাজুলি শাখা যুৱ-ছাত্ৰ পৰিষদৰ এই যোগাত্মক পদক্ষেপক একেমুখে প্ৰশংসা কৰাৰ লগতে অঞ্চলটোৰ সচেতন ৰাইজেও শলাগ লয়।



## আজি হাতখন কঁপিছে মোৰ

মোৰ দেউতাৰ মৃত্যু হ'ল। এই কথাষাৰ লিখোতে আজি হাতখন কঁপিছে মোৰ। কিন্তু এয়াই সত্য। হয় যোৱা ১ ছেপ্তেম্বৰ' ২০২২ তাৰিখে মোৰ দেউতা বিপিন নাথ পাটোৱাৰীয়ে ৭৩ বছৰ বয়সত মৃত্যুবৰণ কৰে। তেওঁৰ কথা লিখি হয়তো শেষেই কৰিব নোৱাৰিম তথাপি তেওঁৰ বিষয়ে চমুকৈ কিছু লিখাৰ চেষ্টা কৰিলোঁ।

গুৱাহাটীৰ হেঙেৰাবাৰীত বসবাস কৰা মোৰ দেউতা শ্ৰদ্ধাৰ বিপিন নাথ পাটোৱাৰীৰ জন্ম হয় ইংৰাজী ১৯৪৯ চনৰ জুন মাহৰ ৪ তাৰিখে। তেওঁ বৰপেটা জিলাৰ গোৱৰ্দ্ধনা হাইস্কুলৰ পৰা স্কুলীয়া শিক্ষা সাং কৰি সৰভোগৰ বৰনগৰ কলেজৰ পৰা কলা শাখাত কলেজীয়া শিক্ষা সমাপ্ত কৰে। ১৯৭৪ চনত মোৰ মা শ্ৰীমতী জয়মতী পাটোৱাৰীৰ লগত বিবাহপাশত আৱদ্ধ হয়।

দেউতা বিপিন নাথ পাটোৱাৰী ব্যস্ততাপূৰ্ণ কৰ্মময় জীৱনত হেজাৰ ধুমুহাকো নেওচি ১৯৭০ চনৰ ২০ জানুৱাৰী তাৰিখে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া লোকগীতৰ শিল্পী হিচাপে প্ৰতিষ্ঠা লাভ কৰি একেৰাহে বিশ বছৰ কাল গীত গাই হেজাৰ শ্ৰোতাৰ মন মোহে। তদুপৰি সদৌ বৰনগৰ আঞ্চলিক ছাত্ৰসন্থাৰ সাধাৰণ সম্পাদক হিচাপেও তেওঁ নিয়োজিত হয়। ১৯৭২ চনত হোৱা অসমৰ ভাষা আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী হৈ তেওঁ আন্দোলন কৰে আৰু দিশপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক হিচাপে তেওঁ নিয়োজিত হয়।

১৯৭৭ চনত অসম সচিবালয়ত সুদীৰ্ঘ ৩২ বছৰ চাকৰি কৰাৰ পিছত ২০০৯ চনত অৱসৰ গ্ৰহণ কৰে। গুৱাহাটীৰ হেঙেৰাবাৰীৰ মধুবন শঙ্কৰী কীৰ্ত্তনঘৰৰ তেওঁ আছিল প্ৰতিষ্ঠাপক সম্পাদক।

পৰিয়ালৰ গুৰি বঠা ধৰি সাম্প্ৰতিক সমাজ জীৱনত তেওঁ এগৰাকী উত্তম সেনানীৰূপে থিয় হৈ থকাৰ ফলস্বৰূপে হয়তো তেওঁৰ সুযোগ্যা জীয়ৰী (বৰ জীয়ৰী) শ্ৰী কল্পনা পাটোৱাৰীয়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ এগৰাকী সুকণ্ঠী গায়িকা হিচাপে প্ৰতিষ্ঠিত হৈ দেশৰ হেজাৰ হেজাৰ শ্ৰোতা দৰ্শকৰ আদৰ বুটলিবলৈ সক্ষম হৈছে।


সঙ্গীতৰ পথাৰখনত দখল সাব্যস্ত কৰি অসমীয়া লোক-সঙ্গীতৰ তানেৰে কৃষ্টি তথা সংস্কৃতিক প্ৰাণৱন্ত কৰাৰ উপৰিও হেজাৰ শ্ৰোতাৰ অন্তৰ চুই তেওঁ এগৰাকী সু-গায়ক হিচাপে পৰিচিত হয়।

দেউতা আদৰ্শ হৈ ৰওঁক তোমাৰ কৰ্ম-সংস্কৃতি। তোমাক শত শতবাৰ প্ৰণাম জনালোঁ দেউতা। তুমি য'তেই আছা সদায় যেন সুখত থাকা। তোমাৰ আত্মাই চিৰশান্তি লাভ কৰক এয়াই মোৰ ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

তোমাৰ মৰমৰ জীয়ৰী
**মাইনা** ( গীতালি)

### বঙাইগাঁৱৰ বৰঘোলাত বালি মাফিয়াৰ দপদপনি

## স্থানীয় ৰাইজে বন বিভাগক অভিযোগ দিয়াৰ পিছতো গুৰুত্ব নিদিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১ অক্টোবৰ ঃ** বঙাইগাঁও বৰঘোলা আৰক্ষী চকীৰ অন্তৰ্গত বৰঘোলা আই নদীত অবৈধ খনন কাৰ্য অব্যাহত ৰখাত স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বালি মাফিয়া চন্দন ৰায়, লুতফৰ আলী আৰু উদয় ৰায়ৰ নেতৃত্বত দিনে-নিশাই চলাই আছে খনন কাৰ্য। নৈখনত একাংশ লোকে ট্ৰাকেৰে খনন কৰাত কেইবাখনো গাঁৱত তীব্ৰ ভাবুকিৰ সৃষ্টি হৈছে। নৈখনত খনন কাৰ্য অব্যাহত ৰখাৰ বাবে কেইবাখনো গাঁৱত খহনীয়া আৰম্ভ হৈছে। বৰঘোলা অৰ্ধনিৰ্মিত ব্ৰীজৰ লগতে মাথাউৰিৰ প্ৰতিও ভাবুকি আহি পৰিছে। স্থানীয় ৰাইজে বন বিভাগক অবৈধ খনন কাৰ্য বন্ধ কৰিবলৈ দাবী জনোৱাৰ পিছতো কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। বন বিভাগৰ লগত গোপন বুজাবুজি কৰি খনন কাৰ্য অব্যাহত ৰখাৰ সন্দেহ প্ৰকাশ কৰিছে ৰাইজে। শীঘ্ৰেই খনন কাৰ্য বন্ধ কৰি অৰ্ধনিৰ্মিত ব্ৰীজ আৰু মথাউৰি ৰক্ষা কৰিবলৈ বন বিভাগক দাবী জনাইছে।

## পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হ'ল ওৰাং ৰাষ্ট্ৰীয় উদ্যান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দলগাঁও, ১ অক্টোবৰ ঃ** বান ভয়াৱহতাৰ বাবে কে'বামাহ ধৰি বন্ধ হৈ আছিল উদ্যানখন। বানপানীয়ে বিনষ্ট কৰা বাট-পথ সম্পূৰ্ণ ৰূপে মেৰামতি কৰি আজি আনুষ্ঠানিকভাৱে পৰ্যটকৰ বাবে মুকলি কৰা হ'ল ওৰাং ৰাষ্ট্ৰীয় উদ্যান। মংগল উৰুলিৰে মুখৰিত হ'ল ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ওৰাং ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ প্ৰৱেশদ্বাৰ। ভিন্ন জীৱ জন্তুৰ বাবে ওৰাং উদ্যানখন আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে পৰ্যটকসকলৰ বাবে। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ মুকলি কৰিলে উদ্যানখনৰ ফ্ৰণ্টলাইন কৰ্মী ৰামুল বড়োৱে। উল্লেখযোগ্য যে বহু বছৰ ধৰি উদ্যানখনত সততাৰে দায়িত্ব পালন কৰা বাবে বড়োলৈ এই সন্মান যাচে উদ্যান কৰ্তৃপক্ষই। ইফালে আৰটিআই কৰ্মী দিলীপ নাথৰ অভিযোগ- ওৰাং ৰাষ্ট্ৰীয় উদ্যানখনক মাহীআইৰ চকুৰে চাইছে বৰ্তমানৰ চৰকাৰখনে। কাজিৰঙাৰ তুলনাত ওৰাং ৰাষ্ট্ৰীয় উদ্যানক প্ৰচাৰ কৰাত কমকৈ গুৰুত্ব দিয়ে চৰকাৰে। যাৰ বাবে পৰ্যটকৰ সংখ্যা কমিছে ওৰাং ৰাষ্ট্ৰীয় উদ্যানত। আজি উদ্যানখন মুকলি হোৱাৰ পিছতেই উদ্যানখনৰ মনোমোহা দৃশ্য উপভোগ কৰিবলৈ ভীৰ কৰে পৰ্যটকসকলে। পৰ্যটকসকলে ওৰাং উদ্যানখন পৰিদৰ্শন কৰি অভিভূত হৈ পৰে। পৰ্যটকসকলে হাতী, গঁড়ৰ লগতে বহুতো জীৱ-জন্তু প্ৰত্যক্ষ কৰে।

## তামুলপুৰত মহাপুৰুষৰ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্মোৎসৱৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ অক্টোবৰ ঃ** তামুলপুৰ জিলা সদৰস্থ মটঙা চ'ক শ্ৰীমন্ত শংকৰদেৱ শাখা সত্ৰৰ উদ্যোগত ৫, ৬ আৰু ৭ অক্টোবৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্মোৎসৱৰ আয়োজন কৰা হৈছে। ইতিমধ্যেই অনুষ্ঠান সুপৰিচালনাৰ বাবে ফণীধৰ গায়নক সভাপতি, তপন দাস আৰু নাৰায়ণ পাঠকক যুটীয়া সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী মতে ৫ অক্টোবৰৰ পুৱা প্ৰভাত ফেৰী, ঊষা কীৰ্তন, আইসকলৰ নাম আৰু ৮ বজাত ধৰ্মীয় পতাকা উত্তোলন কৰিব মটঙা চ'ক শ্ৰীমন্ত শংকৰদেৱ শাখা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি হিতেশ পাঠকে। পুৱা ন বজাত বাপসকলৰ নাম-প্ৰসংগ, ১১ বজাত গছপুলি ৰোপণ, খেল-ধেমালি প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা, সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী, সন্ধিয়া ছয় বজাত বীৰনাম পৰিৱেশন কৰা হ'ব। নিশা প্ৰয়াত লেহোৰাম বড়ো সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰা হ'ব। ৬ অক্টোবৰৰ পুৱা ঊষা কীৰ্তন, নাম-প্ৰসংগ, সাহিত্য প্ৰতিযোগিতা, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিশা বীৰনাম আৰু নাগাৰা নাম দলৰ নাম পৰিৱেশন। ৭ অক্টোবৰৰ পুৱা ঊষা কীৰ্তন, আই আৰু বাপসকলৰ নাম-প্ৰসংগৰ উপৰি দুপৰীয়া দুই বজাত গুৰুজনাৰ সৃষ্টিৰাজিৰ ওপৰত আলোচনা-চক্ৰ, আবেলি চিত্ৰাংকন প্ৰতিযোগিতা, সন্ধিয়া বন্তি প্ৰজ্বলন, বঁটা বিতৰণী অনুষ্ঠান, নিশা সম্বৰ্ধনা অনুষ্ঠানৰ লগতে স্থানীয় শিল্পীসকলৰ দ্বাৰা প্ৰদীপ শৰ্মা ৰচিত আৰু অনুপ নাথ পৰিচালিত নাট 'জিভা' মঞ্চস্থ কৰা হোৱাৰ কথা। উদ্যোক্তাসকলে সকলো ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।


## দেৱী দুৰ্গাক আদৰিবলৈ সৰ্বত্ৰ সাজু নলবাৰীৰ ডেৰ শতাধিক পূজাস্থলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গা পূজাত নলবাৰী জিলাৰ প্ৰায় ডেৰ শতাধিক পূজাথলী উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। বিগত দুটা বছৰ ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে দুৰ্গোৎসৱৰ ৰং-ৰহইচৰ কিছু ম্লান পৰিছিল যদিও এইবেলি স্বতঃস্ফূৰ্তভাৱে মানুহৰ মাজত উছাহৰ ধল বোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে পশ্চিম নলবাৰীৰ ঐতিহাসিক শক্তিপীঠ বেলশৰ বিল্বেশ্বৰ দেৱালয়, শক্তিপীঠ বালিলেছাৰ শ্ৰীশ্ৰীদেৱালয়, আদাবাৰীৰ বাঘেশ্বৰীৰ দেৱালয়কে ধৰি জিলাখনৰ প্ৰায়বোৰ পূজাস্থলীতে দেৱী মাৰ আৰাধনাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। প্ৰতিমাসমূহ আকৰ্ষণীয়াকৈ সজোৱা হৈছে আলোকসজ্জাৰ কাৰিকৰী প্ৰযুক্তিৰ লগতে ৰং-বিৰঙৰ নিয়ন চাকিৰ পোহৰেৰে চালে চকুৰোৱা কৰি তোলা হৈছে। নলবাৰী চহৰৰ কলেজ চ'ক, হৰি মন্দিৰ, ফৰেষ্ট ক'লনী, বৰনৰ্দ্দী, বিহামপুৰ, চামতা, সাহপুৰ, ৰাজঘাট, বানেকুছি, বৰবৰী আদি পূজাসমূহৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। ইফালে আদাট্ৰাৰীত নৱৰাত্ৰি দুৰ্গা পূজাৰ আয়োজন কৰিছে। নৱমী পূজাৰ দিনা ৯গৰাকী কুমাৰীক দুৰ্গাৰ ৯টা ৰূপত প্ৰতিষ্ঠা কৰি কুমাৰী পূজাৰ আয়োজন কৰি আহিছে। বিল্বেশ্বৰ দেৱালয়তো অনুৰূপ ধৰণে চলিছে দুৰ্গাপূজাৰ মহা আয়োজন। দেৱালয়খনত এইবাৰ বৰ্তমানলৈকে প্ৰায় তিনিকুৰি ম'হ বলি আৰু উচৰ্গাৰ বাবে ভক্তই আগবঢ়োৱাৰ কথা জানিব পৰা গৈছে। ইপিনে, অঞ্চলটোৰ বৰনৰ্দ্দীৰ আহোম ৰজাদিনীয়া ৫২২বছৰীয়া ঐতিহ্যমণ্ডিত পূজাখোলা চুবুৰিৰ দুৰ্গা পূজাখনৰো আধ্যাত্মিক আৰু ধৰ্মীয় পৰম্পৰাৰে উদ্‌যাপনৰ মহা আয়োজন চলিছে। ভক্তিপ্ৰাণ ৰাইজৰ স্বতঃস্ফূৰ্ত দান-বৰঙনিৰে উদ্‌যাপিত পূজাখনত চান্দা সংগ্ৰহ আৰু কোনো উদ্‌যাপন সমিতিৰ ব্যৱস্থা তাহানিৰ পৰা আজিলৈকে কৰা হোৱা নাই। পূজাৰ আটাইকেইদিনতে স্থানীয় ৰাইজে সভক্তিৰে পূজাভাগ সমাপন কৰে আৰু লক্ষাধিক ভক্তক আপ্যায়ন কৰি মনৰ ধৰ্মীয় তৃপ্তি লাভ কৰে।

## ৰাশিফলত আজিৰ দিনটো

**১৫ আহিন, দেওবাৰ, ২ অক্টোবৰ, ১৪২৯ ভাস্কৰাব্দ**

**সূৰ্যোদয়- ৫-১৯-৪১ সূৰ্যাস্ত- ৫-৭-৩১**



■ **মেষ** ঃ কৰ্মব্যস্ততা বৃদ্ধি ■ **বৃষ** ঃ ৰাইজৰ লগত ■ **মিথুন** ঃ আত্মীয়জনৰ কাষত ■ **কৰ্কট** ঃ উৎসৱত অংশগ্ৰহণ ■ **সিংহ** ঃ তৃপ্তিৰে ভোজন ■ **কন্যা** ঃ উত্তম বস্ত্ৰ লাভ ■ **তুলা** ঃ উৎসৱমুখৰ পৰিৱেশ ■ **বৃশ্চিক** ঃ সাংবাদিকৰ সুনাম ■ **ধনু** ঃ ধনৰ নাটনি ■ **মকৰ** ঃ পুৰণি বন্ধুৰ লগ ■ **কুম্ভ** ঃ ৰাজসাহায্য ■ **মীন** ঃ প্ৰেমত আনন্দ।




*গুৱাহাটীৰ অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত স্বাস্থ্য বিভাগৰ উদ্যোগত অনুষ্ঠিত ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী ৰক্তদান দিৱস কাৰ্যসূচীত কৃষিমন্ত্ৰী অতুল বৰা*

### বঙাইগাঁও জিলা বিজেপি কাৰ্যালয়ত প্ৰবুদ্ধ ব্যক্তি সন্মিলন

# আন বহু ৰাজ্যৰ তুলনাত অসমত আমি পেট্ৰ'ল কম মূল্যতে দি আছোঁ ঃ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২সংখ্যক জন্মদিৱস উপলক্ষে উদ্‌যাপন হৈ থকা সেৱা পষেকৰ অংশ হিচাপে শুকুৰবাৰে বঙাইগাঁও জিলা বিজেপি কাৰ্যালয়ত এখন 'প্ৰবুদ্ধ ব্যক্তি সন্মিলন' অনুষ্ঠিত হয়। এই সন্মিলনত বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকি ভাষণ আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জীৱন সংগ্ৰাম, ৰাজনৈতিক জীৱনৰ লগতে সেৱা পষেক সম্পৰ্কে আৰু ভাৰত চৰকাৰৰ বিভিন্ন অভিলাসী আঁচনি সন্দৰ্ভত বিশোদভাৱে ব্যাখ্যা দাঙি ধৰে। সন্মিলনত জিলাখনৰ ৯টা মণ্ডলৰ পৰা আমন্ত্ৰিত জ্যেষ্ঠ বিশিষ্ট ব্যক্তিসকলক জিলা বিজেপিৰ তৰফৰ পৰা একোখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সন্মিলনত জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰী, প্ৰভাৰী ব্ৰজ কুমাৰ দাস, উপ-সভাপতি কৌস্তভ কুমাৰ দাস প্ৰমুখ্যে জিলা বিষয়ববীয়া, মণ্ডল সভাপতি-সভানেত্ৰীসকল, মৰ্চাৰ বিষয়ববীয়া, পৌৰসভাৰ প্ৰতিনিধিসকল, পঞ্চায়ত প্ৰতিনিধিসকল, শক্তিকেন্দ্ৰৰ প্ৰমুখ আৰু বুথৰ সভাপতিসকল উপস্থিত থাকে। ইপিনে, সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত শেহতীয়াভাৱে ৰাজ্য চৰকাৰে পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত 'ভেট' আৰোপ কৰিবলৈ ওলোৱা সিদ্ধান্ত সন্দৰ্ভত সাংবাদিকে সোধাত মন্ত্ৰীগৰাকীয়ে কয় যে এই সন্দৰ্ভত যি চৰ্চা চলি আছে আচলতে আমি বহুতে বিভিন্ন ডাটাসমূহ নাজানো বা জ্ঞাত নহওঁ। বিজেপিৰ কোনো কাৰ্যকৰ্তায়ো নাজানে। আনকি মুখপাত্ৰয়ো নাজানে। সেই কাৰণে এই প্ৰচাৰটো বেছি হৈছে। আমি যদি চাওঁ যে ১৮খন ৰাজ্যত বা স্থানত পেট্ৰ'লৰ মূল্য কেতিয়াবা ১০০ টকাৰ ওপৰত হৈছে। তেওঁ ১০০ টকাৰ ওপৰত থকা ভূপাল, মুম্বাই, ভুৱনেশ্বৰ আদি স্থানৰ পেট্ৰ'লৰ মূল্যসমূহ উল্লেখ কৰি কয় যে ইয়াৰ বিপৰীতে আমি গুৱাহাটীত বা অসমত ৯৭ টকাৰ কিছু ওপৰত দি থকা হৈছে। এইখিনি কিন্তু প্ৰচাৰ হোৱা নাই অসমৰ জনসাধাৰণৰ মাজত। কিন্তু যেতিয়া মূল্য বৃদ্ধি হোৱাৰ কথা হয় তেতিয়া অধিক চৰ্চা হয়। অসমত ভাৰতবৰ্ষৰ আন ৰাজ্যৰ তুলনাত মূল্যবৃদ্ধি হোৱা নাই বুলিও কয়। লগতে আন ৰাজ্যৰ সৈতে অসমৰ ডিজেলৰ মূল্যৰো তুলনা কৰে। তেওঁ কয় যে কোৰোনা, ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধ আদিৰ কাৰণে বিভিন্ন দেশৰ অৰ্থনীতি বিধ্বস্ত হৈ পৰিছে যদিও ভাৰতৰ অৰ্থনীতি সুস্থিৰ অৱস্থাতে আছে। যেতিয়ালৈকে নৰেন্দ্ৰ মোদী দেশৰ প্ৰধানমন্ত্ৰী হিচাপে থাকিব তেতিয়ালৈকে আমি এই বিষয়টোক লৈ চিন্তিত হোৱাৰ কাৰণ নাই বুলি ভাবোঁ। আনহাতে, ধুবুৰীৰ নাও দুৰ্ঘটনা সন্দৰ্ভত তেওঁ কয় যে চৰকাৰৰ পৰা বাৰম্বাৰ কোৱা আছে যে জনসাধাৰণে নাওযোগে যাতায়াত কৰাৰ ক্ষেত্ৰত যিসমূহ ব্যৱসায়িক সংস্থাৰ দ্বাৰা চলোৱা হয়, সেইবোৰৰ জৰিয়তে যাত্ৰীসকলে যাতায়াত কৰিব লাগে। কিন্তু ব্যক্তিসকল অধিক আত্মবিশ্বাসী যে ইমান দিনে একো নোহোৱাকৈয়ে চলি আছো যেতিয়া কি হ'ব বুলি ভবাৰ বাবে এনে দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হয় বুলি কয়। তেওঁ এনেকুৱা দুৰ্ভাগ্যজনক ঘটনাৰোধ কৰাৰ বাবে চৰকাৰে প্ৰয়াস চলাই আছে যদিও জনসাধাৰণো সচেতন হ'ব লাগিব। নাও দুৰ্ঘটনা সন্দৰ্ভত তদন্ত কৰা হ'ব বুলিও কয়। ইপিনে, খাদ্য সুৰক্ষা বিভাগৰ তৰফৰ পৰা বৃহস্পতিবাৰে বঙাইগাঁৱত গাখীৰ, মিঠাই আদিৰ গুণগত মানৰ পৰীক্ষা কৰাত গাখীৰত ভেজাল পোৱাৰ লগতে মিঠাইৰ ক্ষেত্ৰতো কিছু স্বাস্থ্যৰ হানিকাৰক পদাৰ্থ আদি ব্যৱহাৰ কৰা হয় বুলি সদৰী কৰা বিষয়টো সন্দৰ্ভত মন্ত্ৰীগৰাকীক সাংবাদিকে অৱগত কৰাত তেওঁ বিষয়টো জিলা উপায়ুক্তক তদন্ত কৰাৰ বাবে নিৰ্দেশ দিব বুলি কয়। ইপিনে, প্ৰবুদ্ধ ব্যক্তি সন্মিলনৰ পূৰ্বে জিলা কাৰ্যালয়ত পুৱাৰ ভাগত এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰীকৰি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা। সভাত ভাৰতীয় জনতা পাৰ্টীৰ বিতং ব্যাখ্যা দাঙি ধৰে। সাংগঠনিক দিশৰ ওপৰত আগন্তুক ৮ অক্টোবৰত গুৱাটীত অনুষ্ঠিত হ'বলগীয়া কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত বিশেষভাৱে পৰামৰ্শ আগবঢ়ায়।

# লাভলীনা বৰগোহাঁই বক্সিং একাডেমী মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ১ অক্টোবৰ ঃ** ক্ৰীড়াৰ প্ৰাণকেন্দ্ৰত পৰিণত হোৱা ধনশিৰি মহকুমাত আজি অলিম্পিক পদক জয়ী লাভলীনা বৰগোহাঁইৰ নামেৰে এখন বক্সিং একাডেমীৰ শুভ উদ্বোধন কৰা হয়। মহকুমাটোৰ বৰপথাৰ নগৰত অ'এনজিচিৰ অৰ্থসাহায্যৰে নিৰ্মাণ কৰা হৈছে লাভলীনা বৰগোহাঁই বক্সিং একাডেমী। শনিবাৰে শুভ উদ্বোধনী অনুষ্ঠানত স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনৰ লগতে উপস্থিত থাকে অ'এনজিচিৰ অসম তথা অসম আৰাকান বেচিনৰ কাৰ্যবাহী সঞ্চালক আৰু বেচিন মেনেজাৰ সুষমা ৰাৱট। ইপিনে, ধনশিৰি জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ধনশিৰি মহকুমাধিপতি দিনছেংফা বৰুৱা, মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূএগ আৰু বক্সাৰগৰাকীৰ পিতৃ টিকেন বৰগোহাঁইও উপস্থিত থাকে। আজিৰ এই অনুষ্ঠানত লাভলীনা বৰগোহাঁই বক্সিং একাডেমীৰ শুভ উদ্বোধন কৰে অ'এনজিচিৰ বেচিন মেনেজাৰ সুষমা ৰাৱটে। বক্সাৰগৰাকীৰ নামত নিৰ্মিতবক্সিং একাডেমীয়ে খেলুৱৈসকলে ভুগি অহা দীৰ্ঘদিনীয়া সমস্যা দূৰ কৰিব বুলি সকলোৰে আশা প্ৰকাশ কৰিছে। আনহাতে, বিধায়ক বিশ্বজিৎ ফুকনে সাংবাদিকৰ আগত ধনশিৰি মহকুমাত ক্ৰীড়াৰ ক্ষেত্ৰত আজি এক নতুন দিগন্তৰ সূচনা হ'ল বুলি মত প্ৰকাশ কৰাৰ লগতে এই একাডেমীয়ে ধনশিৰি মহকুমাক অসমৰ ক্ৰীড়াৰ ৰাজধানী কৰাৰ দিশত আৰু এখোজ আগুৱাই নিলে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

### শাৰীৰিক প্ৰতিবন্ধকতা আৰু দৰিদ্ৰতা নেওচি স্নাতক ডিগ্ৰী লাভ

# স্নাতকোত্তৰ হ'বলৈ মন মাহতলীৰ মনীষা ৰাজবংশীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১ অক্টোবৰ ঃ** শাৰীৰিক প্ৰতিবন্ধকতা আৰু দৰিদ্ৰতা কেতিয়াও শিক্ষাৰ অন্তৰাই হ'ব নোৱাৰে, তাক প্ৰমাণ কৰি দেখুৱালে আন্ধেৰীঘাটৰ বিশেষভাৱে সক্ষম এজগৰাকী ছাত্ৰীয়ে। জন্মৰে পৰা নিজৰ শৰীৰৰ কোনোমতে ভাৰসাম্য ৰক্ষা কৰি চলা আনকি মুখেৰে স্পষ্টকৈ কথা ক'ব নোৱাৰা দিবাংগ ছাত্ৰীজনীয়ে শিক্ষাতত্ত্ব বিভাগত মেজৰসহ প্ৰথম শ্ৰেণী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক ডিগ্ৰী লাভ কৰে। পশ্চিম দৰঙৰ আন্ধেৰীঘাটৰ নিকটৱৰ্তী মাহতলীৰ বিশেষভাৱে সক্ষম এই ছাত্ৰীজনীৰ নাম হ'ল মনীষা ৰাজবংশী। মনীষাৰ বয়স ২২ বছৰ। পিতৃ ধনেশ্বৰ ৰাজবংশী আৰু মাতৃ তৰুলতা ৰাজবংশীয়ে দিব্যাংগ মনীষাক লৈ দুশ্চিন্তাত ভুগিছিল যদিও সন্তানক শিক্ষিত কৰি তোলাৰ যি দায়িত্ব অইন ল'ৰা-ছোৱালীবোৰৰ দৰে নিকটৱৰ্তী প্ৰাথমিক বিদ্যালয়ত নাম লগায় দিয়ে। সেয়াই আছিল মনীষাৰ শিক্ষা গ্ৰহণৰ আৰম্ভণি। মাতৃ তৰুলতা ৰাজবংশীয়ে কোলা-বোকোচাত লৈ প্ৰত্যেক দিনাই অনা-নিয়া কৰিব লগাত পৰিছিল। অতি কষ্টসাধ্য আছিল মনীষাক পঢ়ুৱাটো। এফালে দৰিদ্ৰতা আৰু আনফালে মনীষাক স্কুললৈ অনা-নিয়া কৰাটো এক দুৰুহ কাম আছিল পিতৃ-মাতৃৰ। ইফালে দিন হাজিৰা কৰিবলৈ নগ'লে সন্ধিয়া জুহালত চৌকা নজ্বলে, নাজল-নাথল অৱস্থাৰ মাজেৰে আঙুলিৰ মূৰত দিন গণি পাৰ কৰিব লগাত পৰিছিল মনীষাৰ পিতৃ-মাতৃয়ে। প্ৰাথমিক পৰ্যায়ৰ সমাপ্তিৰ পিছত অতি মেধাৱী কন্যাৰ আগ্ৰহ আৰু একাগ্ৰতা দেখি সাত বন কাতি কৰি থৈ হ'লেও সন্তানৰ প্ৰতি দায়িত্বশীল পিতৃ-মাতৃয়ে অদম্য হেঁপাহ আৰু সাহস বুকুত বান্ধি লৈ পঢ়ুৱাবলৈ ল'লে। প্ৰাথমিক বিদ্যালয় সাং কৰাৰ পিছত ঘৰৰপৰা ডেৰ কিঃমিঃ নিলগৰ বামুণঝাৰ মধ্য ইংৰাজী বিদ্যালয়ত নাম লগায় দিয়ে। প্ৰতিদিনে দেউতাকে চাইকেলেৰে পিছত বহুৱাই অনা-নিয়া কৰিব লগাত পৰিছিল, কিয়নো তেতিয়া মনীষা একলা-দুকলাকৈ ডাঙৰ হৈ আহিছিল। এনেদৰেই ২০১৫ চনত হাইস্কুল শিক্ষান্ত পৰিক্ষাত অৱতীৰ্ণ হৈ ৫৪ শতাংশ নম্বৰ লৈ নিজৰ গাঁৱৰ লগতে ঘৰখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয় মনীষা। স্বাভাৱিকতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাত মনীষাৰ এই শৈক্ষিক উত্তৰণৰ সাফল্যই সকলোৰে মাজত আনন্দপ্ৰাপ্তিৰ ধল বোৱাই আনে। পুনৰ উচ্চতৰ শিক্ষা গ্ৰহণৰ বাবে ঘৰৰ পৰা প্ৰায় ২ কিঃমিঃ নিলগৰ বিষ্ণুজ্যোতি কনিষ্ঠ মহাবিদ্যালযত নামভৰ্তি কৰি দিয়ে। অৱশেষত ইয়াতো ৫৬ শতাংশ নম্বৰ লৈ সুখ্যাতিৰে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উৰ্ত্তীণ হয়। পুনৰ মনীষা স্নাতক ডিগ্ৰী ল'বলৈ সাজু হ'ল। ওচৰত এই উচ্চ শিক্ষা গ্ৰহণৰ সুবিধা নথকা বাবে ঘৰৰ পৰা প্ৰায় ১৫ কিঃমিঃ নিলগৰ গোৰেশ্বৰ মহাবিদ্যালয়ত স্নাতক মহলাত নামভৰ্তি কৰে। শেষত মনীষাৰ কঠোৰ সংগ্ৰাম, সাধনা আৰু পৰিশ্ৰমৰ বলত শিক্ষাতত্ত্ব বিভাগত মেজৰসহ প্ৰথম শ্ৰেণী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক ডিগ্ৰীধাৰী হয়। সৰুৰে পৰাই মেধাসম্পন্ন মনীষাই পঢ়িব নাজানিছিল কিন্তু সকলো আয়ত্ত কৰিব জানিছিল, নিত্য নৈমিত্তিক কামবোৰত মাক আৰু দেউতাকে চম্ভালি দিছিল। মুঠতে স্নাতক ডিগ্ৰীধাৰী মনীষাই এই কঠিন প্ৰত্যাহ্বানৰ মাজেৰে পাৰ হৈ স্নাতক ডিগ্ৰী লাভ কৰাটো সকলোৰে বাবে এক আদৰ্শ আৰু প্ৰেৰণা হৈ ৰ'ব।

### মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ নৱাগত আদৰণী অনুষ্ঠান


# ত্যাগ, সেৱা, সাধনা তথা সৃষ্টিক একাকিত্ব কৰিব নোৱাৰিলে শিক্ষাৰ্থীৰ জীৱন সেন্দূৰীয়া নহয় ঃ বাবুল বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ নৱাগত আদৰণি অনুষ্ঠান শুক্ৰবাৰে সফলতাৰে সামৰণি পৰে । খগেন মহন্ত প্ৰেক্ষাগৃহত দিনজোৰাকৈ গীত-মাত-কথাৰে এই অনুষ্ঠান সম্পন্ন হয় । পুৱা ৯ বজাৰ পৰা ন-পুৰনি ছাত্ৰ-ছাত্ৰীসকলৰ চিনাকি পৰ্বৰ পিছতে আনুষ্ঠানিক অনুষ্ঠান দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিৱেশিত বিশ্ববিদ্যালয় সংগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানলৈ অতিথি, অভিভাৱক, সংবাদকৰ্মী আৰু নৱাগত শিক্ষাৰ্থীসকলক আদৰণি জনাই শপত বাক্য পাঠ কৰোৱাই পঞ্জীয়ক অধ্যাপক মৃণাল কুমাৰ বৰাই। ইয়াৰ পিছতে ভাষণ আগবঢ়াই বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ কমলাকান্ত গগৈয়ে ন-পুৰনি শিক্ষাৰ্থীক আশীষ বচন প্ৰদান কৰি একো একোজন সৎ চৰিত্ৰবান ব্যক্তিহৈ সমাজৰ এজন সফল হ'বলৈ আহ্বান জনায়। 'বিশ্ববিদ্যালয়খনৰ প্ৰতিটো চুকে-কোণে শংকৰদেৱৰ গুৰুজনাৰ আত্মা নিহিত হৈ আছে। 'ত্যাগ, সেৱা, সাধনা তথা সৃষ্টিক একাকিত্ব কৰিব নোৱাৰিলে জীৱন সেন্দূৰীয়া নহয়' আদৰণি অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অংশলৈ এই তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়াই বিশ্ববিদ্যালয়খনৰ সঞ্চালক (বিত্ত আৰু পৰিকল্পনা), মুখ্য সমন্বয়ক তথা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদক বাবুল বৰাই । শিক্ষাৰ্থীসকলক নিজ লক্ষ্যৰ পৰা বিচলিত নহ'বলৈ পৰামৰ্শ আগবঢ়াই বৰাই কয়, চাকৰি পিছত দৌৰি নাথাকি শিক্ষাৰ্থীসকলে সমাজখনক ভাল পাব লাগিব । যি শিক্ষাৰ্থীয়ে অজুহাত দেখুৱাব, ফাঁকি দিব সেই ছাত্ৰ কেতিয়াও প্ৰকৃত ছাত্ৰ হ'ব নোৱাৰে। 'কষ্ট, ধৈৰ্য আৰু বহনক্ষমতা একাকিত্ব কৰি মাক-দেউতাকৰ শ্ৰমৰ মূল্য দিব লাগিব প্ৰতিজন শিক্ষাৰ্থীয়ে।' শিক্ষাৰ্থীসকলক একো একোজন সামাজিক-অৰ্থনৈতিক-ৰাজনৈতিক বিপ্লৱী আখ্যা দি সকলো শিক্ষাৰ্থীক শিক্ষিত আৰু দীক্ষিত হ'বলৈ পৰামৰ্শ আগবঢ়াই অনুষ্ঠানটোৰ আমন্ত্ৰিত অতিথি প্ৰতিদিন টাইমৰ যুটীয়া সম্পাদক শোণিত কুমাৰ ভূঞাৰ। তেওঁ আৰু কয় 'নিজৰ মাজত থকা দক্ষতা, অৰ্হতাক হৃদয়ঙ্গম কৰিব পাৰিলে এজন মানুহ সফল হ'ব পাৰে। বিশ্ববিদ্যালয়খনৰ শিক্ষাৰ্থীসকল অসমীয়াৰ সুযোগ্য সন্তান হোৱাৰ পৃষ্ঠভূমি বিশ্ববিদ্যালয়খনে গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি সকলোকে শুভকামনা জনায়। অনুষ্ঠানত কবিতা পাঠ কৰে অৰ্থনীতি বিভাগৰ প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী মৃদুস্মিতা দাস, অনুভৱ প্ৰকাশ কৰে শিক্ষাতত্ত্ব বিভাগৰ ছাত্ৰী ববিতা নাথে। সমান্তৰালকৈ ইংৰাজী বিভাগৰ অধ্যাপক ড° জয়ন্ত মাধৱ তামুলী আৰু শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী ত্ৰিৱেণী শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি নিজা বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ শেষৰ ফালে উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই শিক্ষাৰ্থীক মৃদুভাষী, বিনয়ী আৰু অধ্যয়নপিপাসু হোৱাৰ পোষকতা কৰি ভাল সংগই কিদৰে মানুহৰ জীৱন পৰিৱৰ্তন কৰিব পাৰে তাক উদাহৰণ সহ উল্লেখ কৰে । ছাত্ৰীদ্বয় মৃধুস্মৃতা হাজৰিকা আৰু অন্তৰা পৰাশৰে আঁত ধৰা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই সহকাৰী গ্ৰন্থাগাৰিক শেখৰজ্যোতি নেওগে। আনহাতে, বিয়লি ২ বজাৰ পৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে বিশ্ববিদ্যালয়ৰ প্ৰতিটো বিভাগৰে ন-পুৰণি শিক্ষাৰ্থীসকলে।

## পূব ঢকুৱাখনা সমবায় সমিতিৰ বছৰীয়া সাধাৰণ সভা সম্পন্ন

**বিশেষ বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১ অক্টোবৰ ঃ** ঢকুৱাখনা মহকুমাৰ অন্তৰ্গত পূব ঢকুৱাখনা সমবায় সমিতিৰ বছৰীয়া সাধাৰণ সভাখনি পূব ঢকুৱাখনা সমবায় সমিতিৰ সভাপতি ভৱেশ দলেৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আজি সফলতাৰে সামৰণি পৰে।ভাৰতীয় জনতা পাৰ্টীৰ সমৰ্থিত ১০জন সদস্যৰ বিপৰীতে ৫জন অন্যান্য দলৰ প্ৰাৰ্থী জয়ী হোৱা লোকসকলক লৈ আগন্তুক ৫ বছৰৰ বাবে সমবায় সমিতিৰ এখন সঞ্চালক মাণ্ডলী গঠন কৰা হয়। সভাখনত নিৰ্বাচনী বিষয়া লক্ষী পেগু, দীপ সন্দিকৈ, পৰ্যৱেক্ষক হিচাপে তৰুণ মিলি, ঢকুৱাখনা মহকুমাৰ কাৰ্যবাহী দণ্ডাধীশ মানৱজ্যোতি দাস আৰু পূব ঢকুৱাখনা সমবায় সমিতিৰ সচিব ৰঞ্জিত পেগু উপস্থিত থাকে।

## শ্ৰদ্ধাঞ্জলি



মৃত্যু চিৰন্তন, সেই কথাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সেই সত্যক আঁকোৱালি লৈ যোৱা ২৮ ছেপ্টেম্বৰ ২০২২ চনত মৃত্যুবৰণ কৰে হোজাই জিলাৰ কপাহবাৰী মৌজাৰ পাবিজুৰী গাঁৱৰ সৰবৰহী ব্যক্তি আব্দুল ছাত্তাৰে। ০১-০২-১৯৫৩ চনত জন্ম গ্ৰহণ কৰা আব্দুল ছাত্তাৰে মৃত্যুৰ আগলৈকে স্থানীয় বহুকেইটা অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদ দলৰ যমুনামুখ সমষ্টি সমিতিৰ এসময়ৰ সম্পাদক, পাবিজুৰী গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাপক সম্পাদক, পাবিজুৰী গাঁৱৰ প্ৰবীণ সুলভ মূল্যৰ দোকানী ৰূপে সমাজত যথেষ্ট অৰিহণা আগবঢ়াইছে। প্ৰয়াত আব্দুল ছাত্তাৰে ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা নৱম শ্ৰেণীত অধ্যয়ন সামৰি পৰৱৰ্তী সমাজ সেৱাৰ সৈতে জড়িত হৈ পৰে। মৃত্যুৰ আগলৈকে তেওঁ স্থানীয় কপাহবাৰী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সভাপতি, সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদ অলংকৃত কৰি সামাজিক কামত জড়িত থাকে। মৃত্যুৰ সময়ত তেওঁ সাতজন পুত্ৰ, দুজনী ছোৱালী আৰু নাতি-নাতিনীসহ অগণন গুণমুগ্ধক এৰি যায়। এজন পুত্ৰক উচ্চ শিক্ষাৰে শিক্ষিত কৰি সাংবাদিক আৰু এজন ল'ৰা ইঞ্জিনীয়াৰ আৰু বাকীসকল ব্যৱসায়-বাণিজ্যৰ সৈতে জড়িত কৰাই প্ৰতিষ্ঠিত কৰি থৈ যায়। তেওঁৰ মৃত্যু অঞ্চলটোৰ বাবে এক অপূৰণীয় ক্ষতি। তেওঁলৈ আমাৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলোঁ।

নাম ঃ **আব্দুল ছাত্তাৰ**
পিতৃ ঃ হাজী ছাদুল্লা
গাঁও ঃ পাবিজুৰী
ডাক ঃ বুৰুঙ্গাতলী বজাৰ
থানা ঃ মোৰাঝাৰ
জিলা ঃ হোজাই

# ভাষাই হৈছে প্ৰতিটো জাতি-জনগোষ্ঠীৰ আয়ুসৰেখা, ভাষা জীয়াই থাকিলেই জাতি জীয়াই থাকিব ঃ বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ১ অক্টোবৰ ঃ** 'বিটিচিত প্ৰমোদ বড়োৰ চৰকাৰ গঠনৰ পূৰ্বে বিটিআৰ বড়োভূমিত বাস কৰা প্ৰতিটো জাতি জনগোষ্ঠীৰ ভাষা সাংস্কৃতি ৰক্ষণাবেক্ষণ আৰু উন্নয়নৰ স্বাৰ্থত কাম কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই মৰ্মে আজি বিটিচি চৰকাৰৰ দ্বাৰা উড়িয়া জনগোষ্ঠীৰ ভাষা আৰু সাংস্কৃতি সংৰক্ষণৰ বাবে ওদালগুৰি জিলা পানেৰীত গৱেষণা কেন্দ্ৰ নিৰ্মাণৰ বাবে ২৫ লাখ টকা আৰু অন্যান্যৰ বাবে ১০ লাখ টকা মুঠ ৩৫ লাখ টকাৰ সাহায্য উড়িয়া যুৱ ছাত্ৰ পৰিষদলৈ আগবঢ়াই। আৰু সেই মৰ্মে গৱেষণা কেন্দ্ৰটি নিৰ্মাণৰ কাম শুভাৰম্ভণিৰ বাবে আজি বিটিচি মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ দ্বাৰাই আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন কৰি বড়োয়েঃ ভাৰতৰ আন এটা আগশাৰীৰ বিশ্বস্ত জাতি হৈছে উড়িয়া জাতি, যি জাতিৰ কথা দেশৰ সকলো নাগৰিকেই ভালকৈ জানে বুলি মন্তব্য কৰে, লগতে ভাষাই হৈছে প্ৰতিটো জাতি জনগোষ্ঠীয় আয়ুশ ৰেখা "ভাষা সাংস্কৃতি থাকিলেই জাতি জীয়াই থাকিব। সেয়েহে জাতি জনগোষ্ঠী সমূহৰ ভাষা সাংস্কৃতি জীয়াই ৰাখিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগতে আমি বিটিচি চৰকাৰেও প্ৰচেষ্টা অব্যাহত ৰাখিছো বুলি কয়। লগতে "ৰঞ্জন দৈমাৰীৰ যাৱজ্জীৱন কাৰাদণ্ড বাহাল ৰাখাৰ শুনানিক একাংশই চৰকাৰ তথা বিটিচিৰ মুৰব্বীৰ সদিচ্ছাৰ অভাৱত মুকলি আকাশত ওলাই আহিব নোৱাৰ অভিযোগত আজি বিটিচি মুখ্য কাযাবাহী গৰাকীয়েঃ- আমি সকলোৰে বিছাৰু ৰঞ্জন দৈমাৰী কাৰাদণ্ডৰ পৰা মুক্ত হৈ ৰাইজৰ হকে কাম কৰক কিন্তু "চৰকাৰ আৰু ন্যায় পালিকা সম্পূৰ্ণ সুকীয়া বস্তু, তেখেতৰ মুক্তি আৰু অপৰাধ কমোৱাৰ বাবে আমি চেষ্টা চলাইছিলো যদিও বৰ্তমান সম্ভৱপৰ হোৱা নাই কাৰণ আমি কনোৱে ন্যায় ব্যৱস্থাক অৱমাননা কৰিব নোৱাৰোঁ। কিন্তু আমি তেখেতৰ কাৰণে চুপ্ৰিম কোৰ্ডত কাষ চাপিম বুলি মন্তব্য আগবঢ়ায়।

NEMCARE
Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Assam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Assam-781125

# কন্যা মহাবিদ্যালয়ত তোৰণ-পুথিভঁৰাল, মুকলি মঞ্চৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ অক্টোবৰ ঃ** যোৱা বৃহস্পতিবাৰে গুৱাহাটী গীতানগৰস্থিত কন্যা মহাবিদ্যালয়ত ড° নিৰ্মলপ্ৰভা বৰদলৈ স্মাৰক তোৰণ আৰু ডাঃ নগেন্দ্ৰ নাথ বুজবৰুৱা স্মাৰক পুথিভঁৰালউন্মোচনকৰা হয়। তোৰণখনি উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ বিমলাপ্ৰসাদ চলিহা, কলেজৰ প্ৰাক্তন অধ্যক্ষ সাহিত্যচাৰ্য্য ড° পৰাগ কুমাৰ ভট্টাচাৰ্যই । আনহাতে, নৱনিৰ্মিত পুথিভঁৰালটি উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, বিশিষ্ট শিক্ষাবিদ, কবি, আবৃত্তিকাৰ ড° অমৰজ্যোতি চৌধুৰীয়ে। উল্লেখ্য যে ড° নিৰ্মলপ্ৰভা বৰদলৈৰ সুযোগ্য কন্যা ড° স্বপ্না দেৱী আৰু ব্ৰজেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই আগবঢ়োৱা আৰ্থিক অনুদানেৰে তোৰণখন নিৰ্মাণ কৰা হৈছে। আনহাতে, ডাঃ নগেন্দ্ৰ নাথ বুজবৰুৱা স্মাৰক পুথিভঁৰালটি নিৰ্মাণৰ ক্ষেত্ৰত বিশিষ্ট শিক্ষাবিদ, সংগীতজ্ঞ তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য ড° অপৰ্ণা বুজৰবৰুৱাই আৰ্থিক অনুদান আগবঢ়াইছে। ইয়াৰ মাজতে ইংৰাজী বিভাগৰ প্ৰচীন পত্ৰিকাখনি উন্মোচন কৰে ড° অমৰজ্যোতি চৌধুৰীদেৱে। ইয়াৰ পিছতে প্ৰস্তাৱিত নগেন্দ্ৰ কুমাৰ চমুৱা মুকলি মঞ্চৰ আধাৰশিলা স্থাপন কৰে তেওঁৰ সুযোগ্য সন্তান তথা দাতা ৰমেন্দ্ৰ কুমাৰ চমুৱাই। লগতে মহাবিদ্যালয়ৰ নৱনিৰ্মিত কেণ্টিনখন উন্মোচন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য শিক্ষাবিদ ড° সুশীল কুমাৰ শৰ্মাই। উন্মোচনী কাৰ্যসূচীৰ পিছতে মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত পৌৰোহিত্য কৰে শিক্ষাবিদ, বিশিষ্ট কবি, সাহিত্য সমালোচক আৰু পৰিচালনা সমিতিৰ সদস্য ড° পূৰ্ণ ভট্টাচাৰ্য্যই। ড° নৱকান্ত শৰ্মাই আঁত ধৰা এই সভাখনত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যজিৎ কলিতাই। ভাষণ প্ৰসংগত অধ্যক্ষই মহাবিদ্যালয়ৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত সকলোৰে সহায়-




সহযোগিতা কামনা কৰাৰ লগতে মহাবিদ্যালয়লৈ আৰ্থিক অনুদান আগবঢ়োৱা দাতাসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰে। এই অনুষ্ঠানত তোৰণ দাতা ব্ৰজেন্দ্ৰ নাথ ভট্টাচাৰ্য, পুথিভঁৰাল দাতা ড° অপৰ্ণা বুজৰবৰুৱা, মহাবিদ্যালয়ৰ আলোচনী 'প্ৰজ্ঞা'ৰ দাতা দিলীপ কুমাৰ কলিতা, প্ৰেক্ষাগৃহৰ আসন দাতা অসম শাখা ভাৰতীয় চাহ সন্থাৰ প্ৰতিনিধি সত্যেন গোস্বামীক মহাবিদ্যালয়ৰ তৰফৰ পৰা একোখনকৈ সম্বৰ্ধনা-পত্ৰ আৰু গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যজিৎ কলিতা, ড° নমিতা বৰ্মন, অনন্যা ৰয়, বিনীতা গগৈ, গুপ্তজিৎ পাঠক, শিখা শৰ্মা, বৰ্ণালী চৌধুৰী, ৰূপামণি তালুকদাৰ আৰু দীন বৰ্মন, পুতুলী বৰ্মন তথা পলাশজ্যোতি ভৰালীকো সম্বৰ্ধনা-পত্ৰ প্ৰদান কৰা হয়। মুকলি সভাত বিশিষ্ট অতিথিৰূপে ভাষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰীয়ে। ভাষণ প্ৰসংগত তেওঁ কন্যা মহাবিদ্যালয়ৰ বিদ্যায়তনিক আৰোহণ আৰু গ্ৰন্থ অধ্যয়নৰ মহত্ত্বৰ বিষয়ে আলোকপাত কৰে। চৌধুৰীয়ে সুধাকণ্ঠৰ স্মৃতিত প্ৰকাশিত প্ৰখ্যাত কবিতাটি আবৃত্তি কৰে। সন্মানীয় অতিথিৰূপে ভাষণ প্ৰদান কৰে সাহিত্যাচাৰ্য ড° পৰাগ কুমাৰ ভট্টাচাৰ্যই। উক্ত সভাতে মহাবিদ্যালয়ৰ ২০১৯-২০২০, ২০২০-২০২১ আৰু ২০২১-২০২২ বৰ্ষৰ সংযুক্তৰূপত প্ৰকাশিত আলোচনী 'প্ৰজ্ঞা'ৰ উন্মোচন কৰা হয়। লগতে যৌথ সাহিত্য মঞ্চৰ তৰফৰ পৰা প্ৰস্তুত কৰা হাতে লিখা আলোচনী 'বোধিদ্ৰুম'ৰ দ্বিতীয় সংখ্যা উন্মোচন কৰা হয়। দুয়োখন আলোচনী উন্মোচন কৰে শিক্ষাবিদ বিশিষ্ট কবি আৰু সমালোচক ড° পূৰ্ণ ভট্টাচাৰ্য্যই। সভাপতিৰ ভাষণত ভট্টাচাৰ্য্যদেৱে মহাবিদ্যালয়ৰ বিদ্যায়তনিক গুণগত দিশৰ উত্তৰণৰ বিষয়ে সাৰুৱা বক্তব্য আগবঢ়ায়। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই অধ্যাপিকা বিনীতা গগৈয়ে।




*নলবাৰীৰ বাৰোৱাৰী পূজা মণ্ডপৰ ছবি*

No.SDM.638/ 2022-23/10/8109

**NOTICE INVITING QUOTATION**

Sealed quotation in prescribed form affixing court fee stamp of Rs. 8.25/- (Rupees Eight and Paisa Twenty Five) only are invited from Govt. registered Firms/Suppliers/Contractors for the Supply of rearing appliances under the scheme"Providing Rearing Equipment/ Appliance to Elderly Person (40 Nos.) under SOPD-G for the year 2022-23at different Districts/ sub-divisionin Assamnamely, ADS Cachar, ADS Dhemaji, SS Hailakandi, ADS Kamrup, ADS Karimganj, ADS Lakhimpur, SS Jonai, SS Majuli to be supplied.

The quotation will be received up to 1.30 pm on. 03/11/2022 in the office of the Director, Sericulture, Assam, Khanapara, Guwahati-22 and the same will be opened on the same day at. 2.00 PM in presence of the Suppliers/Firms or their authorized representatives.lf the last date of receiving quotation is notified as Govt. holiday, quotation will be received in the next working day.

The quotation paper along with the detailed terms & conditions will be issued to the Contractors/ Firms/ Suppliers w.e.f 6 /10/2022 to 03/11/2022 upto 1.30 PM during office working hours on payment of Rs.100.00 (Rupees One hundred) only in the form of Demand Draft (non-refundable) pledged in favour of the Director, Sericulture, Assam, Khanapara, Guwahati-22

Sd/-
Director,
Sericulture, Assam, Guwahati-22.

*Janasanyog /C/11249/22*

NO. SDM.626/2022-23/15/5113

**NOTICE INVITING QUOTATION**

Sealed quotation in prescribed form affixing Court Fee Stamp of Rs.8.25 (Rupees Eight and twenty-five paisa) only are invited from intending Govt. registered Firms/Suppliers/Contractors for the Supply of rearing appliances under the scheme "Providing Rearing Equipment/Appliances to Divyang persons (Seri Farmers)40 Nos. district/sub-division namely ADS, Tinsukia/ ADS, Dibrugarh/ ADS, Sivasagar/ ADS, Jorhat/ SS, Charaideo/ ADS, Golaghat/ SS, Sadiya/ ADS, Nagaon/ ADS, Morigaon SS, Hojai/"under SOPD-G for the year 2022-23.

The Quotation will be received up to 1:30 P.M. on 3/11/2022 in the office of the Director, Sericulture, Assam, and Guwahati-22. and the same will be opened on the same day at 2:00 P. M in presence of the Suppliers/ Firms or their authorised representatives. If the last date of receiving quotation is notified as Govt. holiday, quotation will be received in the next working day.


The Quotation papers will be issued to the Contractors/ Firms/ Suppliers w.e.f. 6/10/2022 to 3/11/-2022 up to 1:30 PM during office working hours on payment of Rs.100.00 (Rupees One hundred) only in the form of non-refundable DD pledged in favour of "Director, Sericulture, Assam, Khanapara, Guwahati-22".

Details of Supply of Articles & Estimate, Terms & Conditions and Tender Papers may be obtained from the office of the Director of Sericulture, Khanapara, Guwahati-22.

Sd/-
Director,
Sericulture, Assam, Guwahati-22.

*Janasanyog/C/11229/22*

# শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ স্বাৱলম্বিতাৰ আৰ্হি মহামানৱৰ মহাত্মা গান্ধীৰ ভেটি আছিল



■ অজয় বৰুৱা

অসাধাৰণ প্ৰতিভাৰ আঁকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাই উত্তৰ-পূব ভাৰতৰ ধৰ্ম, সাহিত্য, সমাজ-সংস্কৃতি, শিক্ষা, সংগীত, গীত-নৃত্য-বাদ্য, চিত্ৰকলা, আধ্যাত্মিক চিন্তা, ধৰ্মীয় ঐক্যৰ সাধন কৰাৰ লগতে সু-স্বাস্থ্য, সুষম আহাৰ, থলুৱা খাদ্য-বস্ত্ৰ, ব্যায়াম, কুটীৰ শিল্পৰ প্ৰস্তুত প্ৰয়োগ আদিৰে কৰ্মসংস্কৃতি তথা স্বাৱলম্বিতাৰ নিদৰ্শন দি গৈছে। উদাৰতা, সহনশীলতা, প্ৰেম, দয়া, অহিংসা, কৰুণা আদিৰে পঞ্চদশ শতিকাতে বৰ অসমৰ ভেটি নিৰ্মাণ কৰি কৃষ্ণ সংস্কৃতি-কৰ্ম সংস্কৃতিৰ সমন্বয় গঢ়ি শান্তিৰ বিমল ধাৰা বোৱাই মানৱৰ কল্যাণ সাধি গৈছে।

সেইদৰে ঊনৈশ শতিকাত মহামানৱ মহাত্মা গান্ধীয়ে মহাপুৰুষ শ্ৰীমন্ত। শংকৰদেৱৰ গুৰুজনাৰ সেই আদৰ্শ, দৰ্শন, কৰ্মসংস্কৃতিৰ গুৰুত্ব উপলব্ধি কৰিয়েই আৰম্ভ কৰিছিল অহিংসা, নৈতিকতা, স্বাৱলম্বিতাৰ চৰ্চা, আধ্যাত্মিকতাৰ চৰ্চা।

ধৰ্মীয় দৃষ্টিকোণক বাদ দি শংকৰদেৱৰ আৰু মহাত্মা গান্ধীৰ দৰ্শন তথা সমাজমুখী লক্ষ্যৰ বহু ক্ষেত্ৰত মিল আছে। ভাৰতীয় সভ্যতাত ধৰ্মীয় আন্দোলনেৰে নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠা কৰি আধ্যাত্মিকতাৰ লগতে নৈতিকতাক গুৰুত্ব দিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। সেই একেখিনি কামে আধুনিক ভাৰতত কৰিছিল মহাত্মা গান্ধীয়ে। সু-স্বাস্থ্য আৰু সুষম আহাৰ, উপবাসৰ উপকাৰিতাৰ ওপৰত গুৰুত্ব দি শংকৰদেৱৰ গুৰুজনাই মাটি আখৰা কৰিবলৈ শিষ্যক পৰামৰ্শ দিছিল। মাটি আখৰা হৈছে সত্ৰীয়া নৃত্যৰ পূৰ্ব পাঠ। অৰ্থাৎ, সত্ৰীয়া নৃত্যৰ শিক্ষা গ্ৰহণ কৰাৰ পূৰ্বে শিক্ষাৰ্থীজনৰ শৰীৰ ঠিক নৃত্যৰ উপযোগী কৰি তুলিবৰ বাবে এই মাটি আখৰাৰ প্ৰশিক্ষণ দিয়া হয়। যিদৰে, কোনো এটি ভাষাৰ শিক্ষাৰ বাবে ব্যাকৰণ জনাটো আৱশ্যক, ঠিক সেইদৰে সত্ৰীয়া নৃত্যৰ শিক্ষাৰ বাবেও মাটি আখৰা শিক্ষা অপৰিহাৰ্য। মাটিক আলম হিচাপে লৈ শৰীৰৰ অংগ-প্ৰত্যংগ আৰু উপাংগসমূহৰ সঞ্চালন কৰি শৰীৰৰ শিথিলতাক দূৰ কৰি নৃত্যৰ উপযোগী কৰি তুলিবৰ বাবে সত্ৰীয়া নৃত্য শিক্ষাৰ পূৰ্বে যি সমূহ নৃত্য আৰু ব্যায়াম ভংগিমাৰ অভ্যাস (আখৰা) কৰা হয় তাকেই মাটি আখৰা বোলা হয়। মাটি আখৰাৰ শিক্ষাৰ অবিহনে এজন বা একোগৰাকী নৃত্য শিল্পীৰ সত্ৰীয়া নৃত্যৰ বাবে শৰীৰটি উপযোগী হৈ নুঠে আৰু শৰীৰৰ শিথিলতা দূৰ নহয়। সেয়েহে, সত্ৰীয়া নৃত্য শিক্ষাৰ প্ৰথমে মাটি আখৰাৰ শিক্ষা গ্ৰহণ কৰা অতিকৈ প্ৰয়োজন। গুৰুজনাৰ এই মাটি আখৰাৰ প্ৰতিফলন ঘটিছিল জাতিৰ পিতাৰ জীৱন ধাৰণতো। ভাৰতৰ গ্ৰাম্য অঞ্চলসমূহত উৎপাদিত থলুৱা সামগ্ৰী ব্যৱহাৰে কুটীৰ শিল্প স্থাপনৰ লক্ষ্যৰে গ্ৰাম্য অৰ্থনীতিক টনকিয়াল কৰিব বিচাৰিছিল মহাত্মা গান্ধীয়ে। ঘৰতে নিজহাতে গঢ়া সাধাৰণ সা-সঁজুলিৰ সহায়ত নিজ ঘৰৰ পৰিসৰৰ ভিতৰত থলুৱা কেঁচা সমগ্ৰীৰে যিবোৰ উদ্যোগ গঢ়ি উঠে সেইবোৰ উদ্যোগকে 'কুটীৰ উদ্যোগ' বা 'কুটীৰ শিল্প' বুলি কোৱা হয়। প্ৰাচীন কালৰ পৰাই ভাৰত কুটীৰ শিল্পত চহকী। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য অসমো কুটীৰ শিল্পত আগবঢ়া। আনকি কেইবাটাও ক্ষেত্ৰত ই অন্যান্য ৰাজ্যৰ তুলনাত অধিক চহকী। অসমত থকা কুটীৰ শিল্পসমূহৰ ভিতৰত বয়ন শিল্প, বাঁহ-বেতৰ শিল্প, ভাস্কৰ্য শিল্প, মৃৎ শিল্প, হাতী দাঁতৰ শিল্প, কাঁহ-পিতলৰ শিল্প, কাঠ শিল্প আদিয়েই প্ৰধান। ১৫শ শতিকাতে সেই কাম কৰিছিল শংকৰদেৱৰ গুৰুজনাই। থলুৱা শিপিনীসকলক তেওঁ উদগনি দিছিল। বৃন্দাবনী বস্ত্ৰ হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তত্ত্বাৱধানত অসমীয়া শিপিনীয়ে বৈ উলিওৱা এখন দীঘলীয়া বস্ত্ৰ। বস্ত্ৰখনত বৃন্দাবনত থাকোঁতে কৰা শ্ৰীকৃষ্ণৰ বাল্যকালৰ লীলাসমূহৰ চিত্ৰসহ বৰ্ণনা কৰা আছে। প্ৰকৃত বৃন্দাৱনী বস্ত্ৰখনত খোদিত চিত্ৰই মধ্য যুগৰ অসমীয়া শিপিনীৰ কলা-কৌশলতাৰ নিদৰ্শন দাঙি ধৰে। মহাত্মা গান্ধীয়ে বিদেশী বস্ত্ৰ বৰ্জন আৰু যঁতৰত সূতা কাটি খাদী বস্ত্ৰ প্ৰস্তুত কৰা প্ৰভৃতি নীতি গ্ৰহণ কৰিছিল। প্ৰতিজন ভাৰতীয়ই পৰমুখাপেক্ষী নহৈ নিজৰ ভৰিত নিজে থিয় হৈ আত্মনিৰ্ভৰশীলতাৰে কেনেকৈ এখন সুস্থ সমাজ গঢ় দিব পাৰি, তেনে নীতিও গ্ৰহণ কৰিছিল। মহামানৱ মহাত্মা গান্ধীৰ এই আন্দোলনৰ ফলতেই কুটীৰ শিল্পৰ ওপৰত মাত্ৰাধিক গুৰুত্ব আৰোপ কৰা হৈছিল। ভাৰতবৰ্ষৰ নিচিনা উন্নয়নশীল দেশ এখনত যঁতৰৰ লগতে অন্য কুটীৰ শিল্পৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ মূল কাৰণ আছিল জনসাধাৰণক স্বাৱলম্বী কৰা। গান্ধীজীয়ে কৈছিল— 'সাক্ষৰতা কেৱল শিক্ষাকেই নুবুজায়, সেয়ে মই শিশুৰ শিক্ষা এটি আৱশ্যকীয় হস্তশিল্পৰ দ্বাৰাইহে আৰম্ভ কৰিব বিচাৰোঁ, যাৰ ফলত প্ৰশিক্ষণৰ আৰম্ভণিতে উৎপাদন কৰিবও পাৰে।' গান্ধীজীয়ে প্ৰতিষ্ঠা কৰা সবৰমতী আশ্ৰমখন ভাৰতৰ ঐতিহ্যমণ্ডিত স্থানসমূহৰ ভিতৰত এখন লেখত ল'বলগীয়া স্থান। এই আশ্ৰমতে তেখেতে পোনতে যঁতৰত সূতা কাটিবলৈ লৈছিল। আশ্ৰমবাসীয়ে যাতে নিজে যঁতৰত সূতা কাটি নিজৰ বস্ত্ৰ তৈয়াৰ কৰিব পাৰে তাৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰিছিল, লগতে কুটীৰ শিল্পকো বিশ্বৰ দৰবাৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছিল।

অসমীয়া শিপিনীয়ে কাপোৰত তোলা ভমকাফুলীয়া ফুলৰ চানেকি দেখি এসময়ত গান্ধীজীয়ে কৈছিল— 'অসমীয়া শিপিনীয়ে কাপোৰত পৰীৰ সাধু ৰচিব পাৰে।' অসমীয়া পাট, মেজাংকৰী কিংখাপে ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ সকলো জীয়ৰী-বোৱাৰীকে চমক লগাইছিল। 'ছাঁতে শুকোৱা আৰু মুঠিতে লুকোৱা' বস্ত্ৰ তৈয়াৰ কৰি অসমীয়া তিৰোতাই নিপুণ শিপিনী হিচাপে পৰিচয় দি গৌৰৱ অনুভৱ কৰিছিল। অতীতৰে পৰা অসমৰ জনজীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত বস্ত্ৰ শিল্পৰ জৰিয়তে গাঁৱৰ মহিলাসকলে মহাত্মা গান্ধীৰ আদৰ্শৰে গঢ় লৈ উঠা এই বৃহৎ কুটীৰ শিল্পটোক আজিও জীয়াই ৰাখিবলৈ সক্ষম হৈছে।

ভাওনাৰ বাবে মুখা নিৰ্মাণ কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্ম তথা গুৰুজনাৰ অপূৰ্ব সৃষ্টি। গুৰুজনাৰ সৃষ্টিৰাজিৰ এক অপূৰ্ব নিদৰ্শন হ'ল মুখা শিল্প। পোন্ধৰ শতিকাতে মুখাই বিশেষভাৱে ভাওনাৰ অভিনয়ত স্থান পাইছিল। এই মুখা অসমৰ পৰম্পৰাগত লোক কলা। স্বাৱলম্বিতা আছিল শংকৰদেৱৰ লক্ষ্য। শংকৰদেৱে যেনেদৰে গোষ্ঠীবাদক পৰিহাৰ কৰি সমাজৰ নিম্ন শ্ৰেণীৰ লোকসকলক তুলি ধৰিছিল, ঠিক একেদৰে সমাজৰ অৱহেলিত হৰিজন শ্ৰেণীক উন্নতিৰ হকে জীৱন উৎসৰ্গা কৰিছিল মহাত্মা গান্ধীয়ে। গান্ধীয়ে ১৯৩৩ চনত সমাজত অস্পৃশ্য বুলি বিবেচনা কৰা লোকসকলক হৰিজন নামেৰে নামকৰণ কৰিছিল। হৰিজনৰ অৰ্থ হৈছে হৰি বা ভগৱানৰ লোক। হৰিজন শব্দটো পিছলৈ মৰ্যাদাহানিকৰ আৰু অনুপালক বুলি বিবেচনা কৰা হৈছিল। সেয়ে এই শব্দটো বৰ্তমানে ব্যৱহাৰ কৰা নহয়। এখন সুস্থ সমাজ, নৈতিকতাপূৰ্ণ সু-শৃংখল সমাজ ব্যৱস্থাৰ প্ৰতি সজাগ আছিল মহাত্মা গান্ধী। জাতীয় অৰ্থনীতিৰ ভেটি টনকিয়াল কৰিবলৈ মহাত্মা গান্ধীয়ে থলুৱা কুটীৰ শিল্পৰ জৰিয়তে দেশবাসীক স্বাৱলম্বী কৰাৰ সপোন দেখিছিল। খাদী ব'ৰ্ডৰ জৰিয়তে বস্ত্ৰৰ পৰা আৰম্ভ কৰি মৌ-মাখিলৈকে সকলোখিনি উৎপাদন আৰু ইয়াৰ উৎপাদিত সামগ্ৰীৰ এখন বৃহৎ বজাৰৰ সপোন দেখিছিল গান্ধীয়ে। বিভিন্ন ৰাজ্যত সেই থলুৱা সামগ্ৰীসমূহৰ কুটীৰ শিল্প স্থাপনত তেওঁ গুৰুত্ব দিছিল। মহাত্মা গান্ধীৰ এই দৰ্শনৰ ভেটি শংকৰদেৱে তেতিয়াই নিৰ্মাণ কৰিছিল। তেওঁ জানিছিল গ্ৰামীণ অৰ্থনীতিয়ে এদিন জাতীয় অৰ্থনীতি গঢ়িব পাৰিলে সি সবল আৰু দৃঢ় হ'ব। গ্ৰামীণ অৰ্থনীতিৰ এই স্বাৱলম্বী ধাৰাক চৰকাৰে আগবঢ়াই নিব নোৱাৰিলে। কংগ্ৰেছ দলে গান্ধীৰ আদৰ্শ আৰু দৰ্শনক ব্যৱহাৰিক ক্ষেত্ৰত ব্যৱহাৰ কৰাৰ সলনি অত্যধিক ৰাজনৈতিক ক্ষেত্ৰত ব্যৱহাৰ কৰি ইয়াক এনে পৰ্যায়লৈ লৈ গ'ল যে সেয়া গণমুখী হোৱাৰ সুযোগ থকা সত্ত্বেও বহু সময়ত এক কংগ্ৰেছ সংস্কৃতি হৈ ৰৈ গ'ল। কিন্তু এইবোৰ কাম চৰকাৰে ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে আগুৱাই নিয়া হ'ল পৰিৱৰ্তনশীল অৰ্থনীতিৰ এক সুন্দৰ ভেটি গঢ় লৈ উঠিলহেঁতেন।

শংকৰদেৱৰ ধৰ্মীয় চেতনা কেৱল নৱ-বৈষ্ণৱ আন্দোলনৰ মাজতেই আবদ্ধ হৈ থকা নাছিল। সমাজ সংস্কাৰৰ প্ৰতি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আছিল সচেতন। সেয়েহে পূজা-অৰ্চনাৰ বিৰোধ কৰি বৈজ্ঞানিক দৃষ্টিভংগীৰে তেওঁ এখন সুস্থ সমাজ গঢ়াৰ সপোন দেখিছিল। য'ত শ্ৰেণী বিভাজনৰ কোনো লক্ষ্য নাছিল। এক ঈশ্বৰবাদত বিশ্বাসী হৈ কৰ্মৰ মাজেৰে ধৰ্মক তুলি ধৰাৰ লক্ষ্য লৈছিল শংকৰদেৱৰ গুৰুজনাই। ধৰ্মৰ সৈতে সমাজ সংস্কাৰ, সামাজিক দৃষ্টিভংগীৰ সৈতে আধুনিক মনৰ যোগসূত্ৰ স্থাপন আৰু সবল অসমীয়া জাতি গঠনৰ এই প্ৰক্ৰিয়াও মাজে মাজে স্থবিৰ হৈ ৰ'ল। মহাত্মা গান্ধীয়ে যি বুনিয়াদেৰে ভাৰতক গঢ়ি তুলিব খুজিছিল, একেই লক্ষ্য আৰু আদৰ্শৰে শংকৰদেৱ গুৰুজনাই সেই সময়ৰ সমাজখনক গঢ়িব চেষ্টা কৰিছিল।

মহামানৱ মহাত্মা গান্ধী আৰু শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ দৰ্শনৰ মাজেৰে সংমিশ্ৰিত এক ধাৰাৰে জাতীয় সত্তাক গণমুখী কৰি স্বাৱলম্বিতাৰ নতুন সপোন ৰচিবলৈ নতুন প্ৰজন্মক উৎসাহিত কৰিছিল আৰু কাৰ্যকৰী কৰিবলৈ চেষ্টা কৰিছিল। গুৰুজনা আৰু গান্ধীৰ জনসাধাৰণক স্বাৱলম্বী কৰাৰ যি দৃষ্টিভংগী সেয়া এক। পঞ্চদশ শতিকাত অনুভৱ কৰি গুৰুজনাই হাতে-কামে কৰা সেই আৰ্হি ঊনৈশ শতিকাত আকৌ মহামানৱ মহাত্মা গান্ধীয়ে উপলব্ধি কৰি কাৰ্যকৰী কৰিছিল।

*ফোন ঃ ৯৭০৭৭-৩০৪২৭*


■ দিতিমণি বুঢ়াগোহাঁইৰ ■

# 'এই বাটেই সেই বাট'ত জীৱন-জিজ্ঞাসাৰ প্ৰতিচ্ছবি

■ হৰেন চন্দ্ৰ নাথ

কবিতা কি বুলি ক'লে এক নিৰ্দিষ্ট সংজ্ঞাত আবদ্ধ কৰিব নোৱাৰি। কবিতা হৃদয়ৰ মণিকোঠাত বহুৰঙী ভাৱনাৰ এখন পালতৰা নাও। যিখন নাৱত উঠি কল্পনাৰ আৱেশেৰে দূৰ দিগন্তলৈ মন ঘোঁৰাটিক চেকুৰাই লৈ যাব পাৰি। কবি মনৰ বিচিত্ৰ ভাৱ-অনুভূতিবোৰ কবিতাৰ মাজেৰে প্ৰকাশ পায়। কিন্তু ইয়াৰ অৰ্থ এইটোও নহয় যে, মনৰ অনুভৱ মানেই কবিতা। কবিতা শব্দৰে নিৰ্মিত ভাষাৰ শিল্প। হৃদয়ৰ ভাৱ-অনুভূতিবোৰ, স্তূপীকৃত যন্ত্ৰণা-বেদনা, নিঃসংগতাবোধ, নিঃস্বজনৰ অন্তহীন কাৰুণ্যতাৰে ভৰা যন্ত্ৰণাজৰ্জৰ পৃথিৱীখনৰ সংবাদ কবিতাৰ মাজেৰে, সু-নিৰ্বাচিত শব্দ, ধ্বনি, ব্যঞ্জনা, অলংকাৰ আদিৰে মালা গাঁঠি প্ৰকাশ কৰা যিমান সহজ সাহিত্যৰ আন বিভাগত সেই সুবিধা নাই। সেয়ে কবিতা লিখা বা চৰ্চা কৰা মানুহৰ সংখ্যা সৰহ। কিন্তু কবিতা লিখা কামটো টান। বহুতে এই 'টান' শব্দটোৰ সন্মুখীন নোহোৱাকৈয়ে কবিতা লিখে। ফলাফল সময়ৰ সোঁতত কবিৰ স্ব-নিৰ্বাসন বা আত্মজাহ। তদুপৰি গাঁঠিৰ ধন ভাঙি কবিতা পুথি প্ৰকাশৰ পিছত কবিতা পঢ়িবলৈ পাঠক বিচৰাৰ দৰে কঠিন কাম এটাৰো ভাৰ কবিয়েই বহন কৰিব লাগে। পৰিচিত কবি-সমালোচক এজনে অলপতে কোৱা এই কথাষাৰ মনত বাজি থাকে।

আখৰ জোটাই পঢ়িব পৰা হোৱাৰে পৰা তেওঁ কবিতা ভাল পায়। কবিতা তেওঁৰ হৃদয়ৰ গান। সময়ৰ অভাৱত লিখিব নোৱাৰিলে যন্ত্ৰণাত ছটফটায়। কেতিয়াবা শব্দবোৰে অভিমান কৰি আঁতৰি যায়। অশেষ কষ্টৰে শব্দবোৰ বুটলি পুনৰ মালা গাঁথে শব্দৰ। এয়া এগৰাকী কবিৰ আত্মকথা। তেওঁৰ হৃদয় উজাৰি অহা অনুভৱৰ শৰালিজাকক তেওঁ কলমেৰে বন্দী কৰিছে। কোমল কঁহুৱাৰ দৰে শব্দপুঞ্জক অৱশ্যে তেওঁ কবিতা আখ্যা দিয়া নাই। তথাপি পঢ়ুৱৈৰ অকণি আদৰ, মৰম পাবলৈ আকুল কবি-হৃদয়ৰ গানবোৰক, মন ডিঙৰাৰ শুকুলা পাল এখনৰ দৰে গ্ৰন্থৰ ফ্ৰেমত আবদ্ধ কৰি বাট চাইছে হৃদয় মৰুৰ ধ্বনি-প্ৰতিধ্বনি শুনিবলৈ। শিৱসাগৰৰ 'বাক্য বুকছে' আকৰ্ষণীয় প্ৰচ্ছদ, ছপা-বন্ধাৰে প্ৰকাশ কৰা (২০১৮-নৱেম্বৰ) মুঠ ৬৮ পৃষ্ঠাৰ কাব্য সংকলনটিৰ নাম 'এই বাটেই সেই বাট'। কবি দিতিমণি বুঢ়াগোহাঁই। পেছাত এগৰাকী শিক্ষয়িত্ৰী দিতিমণিৰ এইখন প্ৰথমখন কাব্য সংকলন। সংকলনটিত তেওঁ মুঠ ৪৬টি কবিতা সন্নিৱিষ্ট কৰিছে। শব্দক লৈয়ে কবি অন্তহীন বেদনা, ৰহস্য আৰু সৃষ্টি যন্ত্ৰণাৰ মুখামুখি হৈছে। 'শব্দৰ বেদনা', 'শব্দবোৰ শব্দ হৈয়ে থাককচোন', 'শব্দৰ অভিমান', 'শব্দৰ বান্ধোন', 'শব্দৰ পৃথিৱী' আদি কবিতাই কবিৰ শব্দৰ প্ৰতি নিৰন্তৰ হেঁপাহ, আকৰ্ষণ, দৰদ, মান-অভিমানবোৰকে সূচাইছে। তেনেই কম কথাৰে দুঃসময়ৰ এখন নিটোল ছবি প্ৰকাশ কৰা এটি কবিতাৰ কেইটামান শাৰী— শব্দবোৰ বাক্য হ'লেই/শব্দৰ উৎপীড়নত/শব্দৰ অত্যাচাৰত/শব্দৰ শোষণত/শব্দৰ মিথ্যাচাৰত/তেজবোৰ খমলা বান্ধে/চপৰা চপৰে/কলিজাবোৰ ক'লা পৰে/ঠিক এঙাৰৰ দৰে (শব্দবোৰ শব্দ হৈয়ে থাককচোন)। দিখৌৰ বুকুত জঁপিয়াই আত্মহত্যা কৰা ঘটনাবোৰে কবিৰ হৃদয়খন মুচৰি নিছে। কলমেৰে নিগৰিছে 'দিখৌক কলংকিত নকৰিব' কবিতা, য'ত তেওঁ নিজৰ শৈশৱৰ সোঁৱৰণী দেখা পায়, যাৰ বুকুৰ সোণালী পৃষ্ঠাবোৰ কলংকিত হোৱাটো কবিৰ কেতিয়াও কাম্য নহয়। এই বিৰাটকায় ব্ৰহ্মাণ্ডখনত আমাৰ অস্তিত্ব মাথোঁ ধুলিকণাসদৃশ। দিতিমণিৰ কলমেৰে সেয়ে নিগৰিছে 'মই' নামৰ কবিতা। য'ত তেওঁ নিজকে এটা বিৰাট শূন্য হিচাপে উপলব্ধি কৰিছে। কবিতাৰ মাজেৰে সমাজ চেতনা ব্যক্ত কৰাত কবিগৰাকীৰ সফলতা মন কৰিব লগা। তেওঁৰ আশা, কৰাল বন্ধা মলিনতাবোৰ ধুৱ পৰাকৈ এজাক বৰষুণ হ'ব। যি জাক বৰষুণে—শিলাময় হিয়াখন/বৰফ গলোৱাদি গলাব পাৰে/যাৰ পৰশত জীপাল হৈ/সেউজীয়াখিনি ক্ৰমান্বয়ে/গাঢ় হ'ব পাৰে/যাৰ ঔৰসত/এখনি ধৰণী/জনম ল'ব পাৰে (এজাক বৰষুণ লাগে)। মহাসতী জয়মতী কুঁৱৰীক লৈয়ো সংকলনটিত এটি কবিতা সন্নিৱিষ্ট কৰা হৈছে, য'ত জয়মতী কুঁৱৰীৰ আত্মবলিদানৰ কাহিনীটোক যথাযথ উপস্থাপন কৰি সতীৰ জয়গান গোৱা হৈছে। 'এই বাটেই সেই বাট'ৰ অন্তিম দফাত এঘাৰটা খণ্ডত কবিয়ে সৰু সৰুকৈ অনুভৱ প্ৰকাশ কৰিছে এইদৰে— মই কিমান দুখী হ'লে/তুমি সুখী হ'বা/ সিমান দুখী হ'ম/ মাথোঁ তুমি সুখী হোৱা। প্ৰিয়জনৰ বাবে সৰ্বোচ্চ ত্যাগৰ ইয়াতকৈ আৰু কি প্ৰতিশ্ৰুতি থাকিব পাৰে! কবি হিচাপে দিতিমণিৰ নিজস্বতা আছে। গড্ডলিকা প্ৰবাহত উটি-ভাহি তেওঁ নিজকে হেৰুৱাব নোখোজে। কবিতাৰ মাজেৰে তেওঁ হৃদয়ত দোলা দি থকা বিভিন্ন ঘটনাৰাজিয়ে চেপা-খুন্দা খাই নিগৰি অহা অনুভৱবোৰৰ সুন্দৰ ছবি অংকনত সফল হৈছে বুলিব পাৰি। কবিতা লিখিলেই নহ'ব। মানুহৰ বাবে লিখা কবিতাবোৰ মানুহে পঢ়িব লাগিব। তেওঁ যে কবিতা লিখা কামটোক সহজভাৱে লোৱা নাই তাৰ স্বাক্ষৰ কবিতাসমূহত পোৱা যায়। কবিতা লিখাৰ 'টান' কামটোৰ লগত তেওঁৰ পৰিচয় আছে। ভাল কথাটো হ'ল- শব্দৰ শক্তি, শব্দৰ ধ্বনিময়তা, শব্দৰ ব্যঞ্জনা প্ৰকাশত তেওঁ যথেষ্ট সাৱধান হোৱা যেন ধাৰণা হয়। কবিতাৰ অভিপ্ৰায় তেওঁৰ কবিতাত স্পষ্ট। নিয়মীয়া চৰ্চা অব্যাহত ৰাখিলে




কবিতাৰ স'তে তেওঁ গঢ়ি তোলা আত্মিক সম্বন্ধ আৰু একাত্ম সম্পৰ্কই নিঃসন্দেহে এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন কবিক সময় বলুকাত প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হ'ব। অভিনন্দনসহ সেই বাটলৈ কবিক আগুৱাই যাবলৈ আন্তৰিক তাগিদা দিলো, যি বাটত গভীৰ বিশ্বাস আৰু আত্মপ্ৰত্যয়ৰ সোণালী পাত এখিলা তেওঁৰ বাবে সদায় উন্মুক্ত হৈ আছে।

*ফোন ঃ ৮১৩৩৯-২৪২১৪*

## চেতন আৰু অৱচেতন মনৰ শক্তি

আমাৰ মস্তিষ্কই আচলতে দুটা ভাগত কাম কৰে। এটা হ'ল চেতন আৰু এটা অৱচেতন। চেতনে আচলতে জাগ্ৰত কামখিনি কৰে। মগজুৱে বাস্তৱ কামখিনি কৰে।

বিশিষ্ট মনোবিজ্ঞানীসকলে বিভিন্ন গৱেষণাৰ জৰিয়তে উল্লেখ কৰিছে যে, মনৰ ৯০ শতাংশ অৱচেতন মন আৰু ১০ শতাংশ চেতন মনৰ দখলত থাকে। আমি সাধাৰণতে চেতন মনৰ দ্বাৰা জাগ্ৰত সকলো কাম প্ৰত্যক্ষভাৱে কৰো। কিন্তু অৱচেতন মনে চেতন মনৰ যিকোনো নিৰ্দেশ পালন কৰে। ড° জোচেফ মাৰফিয়ে তেওঁৰ কিতাপ এখনত উল্লেখ কৰিছে যে, আমাৰ সপোন আমি নিজেই পূৰণ কৰিব পাৰো। তাৰ বাবে নিজৰ অৱচেতন মনক বুজি পাব লাগিব। আমাৰ ভৱিষ্যৎ আমাৰ ইচ্ছা অনুসৰি সজাই ল'ব পাৰিম। তাৰ বাবে লাগিব নিজৰ অন্তৰৰ অদম্য হেঁপাহ বা প্ৰাৰ্থনা।

উদাহৰণ স্বৰূপে, ৰাজু নামৰ সোতৰবছৰীয়া ল'ৰাজনক বাছি লোৱা হ'ল। তেওঁৰ এটাই সপোন অলিম্পিক খেলত সোণৰ পদক আনিব। ৰাজুৰ যদি এই সপোন চেতন মনে অৱচেতন মনৰ হাৰে হিমজুৰে সুমুৱাই দিয়ে, তেতিয়া তেওঁ লক্ষ্যত উপনীত হ'বই এদিন। কিয়নো অৱচেতন মনে চেতন মনৰ সকলো আদেশ পালন কৰে।


অৱচেতন মনে ৰাজুৰ সপোন দিঠকত পৰিণত কৰাৰ বাবে কোনো কৃপণালি নকৰে। অৱচেতন মনৰ অদৃশ্য হেঁচা এটা আহি যাব যাৰ বাবে ৰাজুৱে সদায় লক্ষ্যত উপনীত হ'বলৈ দুগুণ মানসিক আৰু শাৰীৰিক শক্তি পাব দৈনিক নিজকে সাজু কৰিবলৈ। তেওঁৰ ইচ্ছা বা সপোন দিঠকত পৰিণত কৰিবলৈ দৈনিক প্ৰস্তুতি চলাই যাব ভাগৰি পৰিলেই সপোনে পুনৰ শক্তি দিব। এটা সময়ত দিন বাগৰাৰ লগে লগে সপোনো বাস্তৱত পৰিণত কৰিব।

■ইমৰাণ আলী

*ফোন ঃ ৭০০২৭-০৯১৩৩*

ৰঞ্জু হালৈ মুনিৰ উপন্যাস

# জোন গলা জাৰৰ নিশা





■ ধৰ্মেন্দ্ৰ বৰুৱা

ৰঞ্জু হালৈ মুনি নৱ-প্ৰজন্মৰ এগৰাকী প্ৰতিভাৱান লেখিকা। ৰকষ্টাৰ, মৈথেলীৰ দৰে সুন্দৰ উপন্যাসৰ স্ৰষ্টা ৰঞ্জু হালৈ মুনিয়ে শেহতীয়াভাৱে প্ৰকাশ কৰি উলিয়াইছে 'জোন গলা জাৰৰ নিশা' শীৰ্ষক উপন্যাস। 'জোন গলা জাৰৰ নিশা' উপন্যাসখন গ্ৰাম্য জীৱনৰ পটভূমিত ৰচনা হৈছে। উপন্যাসখনৰ জৰিয়তে গ্ৰাম্য সমাজ জীৱনৰ ভিন্ন চিত্ৰ প্ৰতিফলিত হৈছে। গাঁৱৰ সামাজিক পৰিৱেশ, মিলাপ্ৰীতি, সহায়-সহযোগিতা উপন্যাসখনৰ মাজেৰে সুন্দৰ ৰূপত ফুটি উঠিছে। তদুপৰি উপন্যাসখনত দৰিদ্ৰ আৰু মধ্যবিত্ত পৰিয়ালৰ চিত্ৰও প্ৰতিফলিত হৈছে। উপন্যাসখনৰ জোন চৰিত্ৰটোৰ জৰিয়তে প্ৰতিগৰাকী দৰিদ্ৰ আৰু মধ্যবিত্ত পৰিয়ালৰ সন্তানে নিজক বিচাৰি পাবলৈ সক্ষম হ'ব। উপন্যাসখনত লেখিকাই জোনক সাহসী আৰু ইতিবাচক চিন্তাধাৰাৰ গৰাকী হিচাপে উপস্থাপন কৰিছে। প্ৰবল আত্মবিশ্বাসী, সাহসী আৰু মেধাৱী জোনে সীমাহীন অভাৱৰ মাজতো পঢ়ি প্ৰতিষ্ঠিত হৈছিল। আনৰ বাবে কাম কৰি ভালপোৱা জোনে শিক্ষয়িত্ৰী হিচাপে নিযুক্তি পোৱাৰ পিছত গাঁৱৰ আন আন মানুহৰ উন্নয়নৰ বাবে ভিন্ন পদক্ষেপ হাতত লৈছিল। তেওঁ গাঁৱৰ পৰা দৰিদ্ৰতা আৰু নিৰক্ষৰতা দূৰ কৰাৰ বাবে পদক্ষেপ হাতত লৈছিল। এই পদক্ষেপেৰে তেওঁ এখন অনাথ আশ্ৰম খুলিছিল। তদুপৰি গাঁৱৰ নিৰক্ষৰ লোকক আবেলি আবেলি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল, যুৱ সমাজক আগুৱাই নিয়াৰ ক্ষেত্ৰত গাঁৱত সেউজ বিপ্লৱ আনিছিল। উপন্যাসখনৰ মূল চৰিত্ৰ জোনৰ লগতে আন আন চৰিত্ৰসমূহেও উপন্যাসখনত সুন্দৰ ৰূপত আগবাঢ়ি যোৱাত সহায় কৰিছে। উপন্যাসখনত অভিজিত আৰু আভিজিতৰ দেউতাকৰ চৰিত্ৰ দুটাৰ মাজেৰে ইতিবাচক দিশ প্ৰতিফলিত হৈছে। জোনৰ সপোনক বাস্তৱ কৰাৰ ক্ষেত্ৰত অভিজিৎ আৰু আভিজিতৰ দেউতাকে যথেষ্ট সহায় সহযোগিতা আগবঢ়াইছিল। মেঘা চৰিত্ৰতো প্ৰথমতে নিগেটিভ আছিল যদিও পিছত নিজৰ ভুল বুজি ইতিবাচক দিশেৰে আগবাঢ়ে। উপন্যাসখনত লেখিকাই পাঠক সমাজলৈ ইতিবাচক বাৰ্তা প্ৰেৰণ কৰি সুন্দৰ ৰূপত পৰিসমাপ্তি ঘটাইছে। ইলয়দ প্ৰকাশকে প্ৰকাশ কৰি উলিওৱা এই উপন্যাসখনক ৰাইজে আদৰি ল'ব, মৰম দিব, আমি আশাবাদী। অনাগত দিনতো তেওঁৰ সাহিত্য চৰ্চা অব্যাহত থাকক, নতুন নতুন গ্ৰন্থ পাঠকক উপহাৰ দি যাওক।

# গান্ধী জয়ন্তী আৰু কিছু কথা

■আকতাৰুজ জামান



প্ৰত্যেক বছৰ ২ অক্টোবৰত গান্ধী জয়ন্তী পালন কৰা হয়। এইটো ভাৰতৰ অন্যতম এটা জাতীয় চৰকাৰী ছুটীৰ দিন। এই দিনটোত ভাৰতৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত যথাযথ মৰ্যাদাৰে গান্ধী জয়ন্তী পালন কৰা হয়।

সমগ্ৰ ভাৰততে প্ৰাৰ্থনা আৰু শ্ৰদ্ধাৰ মাধ্যমৰে গান্ধী জয়ন্তী পালন কৰা হয়। বিশেষভাৱে দিল্লীৰ ৰাজঘাট, গান্ধীৰ স্মৃতিস্তম্ভে, য'ত তেওঁক দাহ কৰা হৈছিল, সেই ঠাইত সকলোৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কলেজ, স্থানীয় চৰকাৰী প্ৰতিষ্ঠান আৰু বিভিন্ন সামাজিক আৰু ৰাজনৈতিক প্ৰতিষ্ঠানবিলাকত প্ৰাৰ্থনা সভা, স্মৰণ আদি কৰি এই দিনটো উদ্‌যাপন কৰা হয়। বিভিন্ন ঠাইত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। চৰকাৰী ভৱন, বেংক আৰু ডাকঘৰ সেইদিনা বন্ধ থাকে।

মহাত্মা গান্ধীৰ বিষয়ে কিছু তথ্য ঃ

১) মোহন দাস কৰমচাঁদ গান্ধী ১৮৬৯ চনত পোৰবন্দৰৰ হিন্দু পৰিয়ালত জন্মগ্ৰহণ কৰে। তেওঁৰ পিতা কৰমচাঁদ উত্তমচাঁদ গান্ধী। মাকৰ নাম পুতলীবাই।

২) ১৮৮৩ চনত মহাত্মা গান্ধী কস্তুৰবা মাখান্‌জীক (কাস্তবাই নামেৰেও পৰিচিত আছিল) বিয়া কৰায়।১৮৮৮ চনত বেৰিষ্টাৰী পঢ়াৰ কাৰণে তেওঁ লণ্ডনলৈ যায়।

৩) ১৯২১ চনৰ ডিচেম্বৰ মাহত মহাত্মা গান্ধী ভাৰতীয় জাতীয় কংগ্ৰেছৰ নিৰ্বাহী দায়িত্বপ্ৰাপ্ত হয়। তেওঁৰ নেতৃত্বত কংগ্ৰেছ স্বৰাজৰ লক্ষ্যক সন্মুখত ৰাখি নতুন সংবিধান গ্ৰহণ কৰে।

৪) গান্ধী তেওঁৰ অহিংস নীতিৰ পৰিবৰ্ধন কৰি স্বদেশী নীতি যোগ কৰে। স্বদেশী নীতি মতে সকলো বিদেশী পণ্য বিশেষত ব্ৰিটিছ পণ্য বৰ্জন কৰা। ব্ৰিটিছৰ কাপোৰৰ বদলি খাদী কাপোৰ পিন্ধাৰ আহ্বান জনায়।

৫) ১৯২২ চনত ১০ মাৰ্চত ৰাষ্ট্ৰৰ বিৰুদ্ধে অপৰাধৰ অভিযোগত তেওঁক ৬ বছৰ কাৰাদণ্ড বিহা হয়। ১৯২৮ চনৰ ফেব্ৰুৱাৰী মাহত তেওঁক মুক্তি দিয়া হয়।


৬) ১৯৩০ চনত গান্ধী ভাৰতীয়সকলৰ লৱণ কৰৰ বিৰুদ্ধে প্ৰতিবাদত ৪০০ কিলোমিটাৰ দৈৰ্ঘ্য ডাণ্ডি লৱণ কুচকাৱাজত নেতৃত্ব দিয়ে। যিটো ১৯৪২ চনত ইংৰাজ শাসকৰ প্ৰতি মুকলিকৈ ভাৰত ত্যাগ আন্দোলনৰ সূত্ৰপাত ঘটায়।

৭) ১৯৩০ চনৰ ৮ মে'ত তেওঁ হৰিজন আন্দোলনক আগুৱাই লৈ যোৱাৰ উদ্দেশ্যে ২১ দিন অনশন কৰে।

৮) ১৯৪৮ চনৰ ৩০ জানুৱাৰীত গান্ধীক গুলী কৰি হত্যা কৰা হয়। সেই সময়ত তেওঁ দিল্লীৰ বিড়লা ভৱনত পথসভা কৰিছিল। তেওঁৰ হত্যাকাৰী নাথুৰাম গড়ছে আছিল এজন হিন্দু মৌলবাদী। যাৰ লগত চৰমপন্থী হিন্দু মহাসভাৰ যোগাযোগ আছিল।

*ফোন ঃ ৮৮২২৯-৯৫২১৯*

# উৎসৱৰ মাহ ঃ অক্টোবৰ মাহ



■ অনিন্দিতা ৰাভা

অক্টোবৰ !৩১দিনীয়া এক সুকীয়া মাহ। আন আন মাহসমূহতো বহুতো বিশেষ বিশেষ অনুষ্ঠান, উৎসৱ-পাৰ্বণ অনুষ্ঠিত হয় যদিও অক্টোবৰ মাহতো যেন বেছিকৈ সুকীয়া। বৰ্ষটোত অনুষ্ঠিত হোৱা উৎসৱ-পাৰ্বণবোৰৰ ভিতৰত প্ৰায় ৪৫ উৎসৱ-পাৰ্বণেই অনুষ্ঠিত হয় এই অক্টোবৰ মাহটোত। দুৰ্গা পূজা, লক্ষ্মী পূজা, কাতি বিহু আৰু যে কত কি। আনকি জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম-জয়ন্তীও অক্টোবৰ মাহতে। অক্টোবৰ মাহতেই শৰতৰ আগমন ঘটে। শৰতৰ পৰশ পাই শেৱালি ফুলে। তাৰ লগে লগে শৰতৰ ৰাণী, শক্তিৰ দেৱী মা দুৰ্গা ধৰালৈ প্ৰৱেশ কৰে। শৰতৰ সন্ধ্যাৰ ৰাগী এই অক্টোবৰতেই শুনিবলৈ পোৱা যায়। শৰতৰ শেৱালিৰ সুগন্ধি ভৰা নিশাৰ কবিতা কবিসকলে এই অক্টোবৰতেই ৰচনা কৰে। শেৱালিৰ সুগন্ধি আৰু কুঁৱলীয়ে আৱৰা এক সেমেকা অক্টোবৰৰ পুৱাই সজীৱ কৰি তোলে সকলোৰে মন। অক্টোবৰ মাহতেই অনুষ্ঠিত হয় ঐশ্বৰ্যৰ দেৱী মহালক্ষ্মীৰ পূজা। পূৰ্ণিমা তিথিত অনুষ্ঠিত হোৱা হেতুকে লক্ষ্মী পূজাৰ দিনা ৰাতি গোটেই ধৰা দোকমোকালিৰ দৰে পোহৰ হৈ থাকে। এন্ধাৰ ফালি অহা জোনাকৰ পোহৰ আৰু শৰতৰ চেঁচা পৰশে এক কাব্যিক নিশাৰ সৃষ্টি কৰে। লগতে অক্টোবৰ কৃষকৰো প্ৰধান মাহ। মাহটোৰ মাজ ভাগতে অসমীয়া কাতি মাহৰ অন্ত পৰি আঘোণ মাহ আৰম্ভ হয়। কাতি মাহৰ শেষ দিনা কাতি বিহু উদ্‌যাপন কৰা হয়। কৃষকে আবেলি পথাৰলৈ গৈ সন্ধিয়া হোৱাৰ আগে আগে নিজৰ খেতি কৰা মাটিডৰাত বন্তি জ্বলাই থৈ আহে। কোমল হৈ থকা সেউজীয়া ধানৰ ভালদৰে বৃদ্ধিৰ বাবে, যাতে ভঁৰাল উপচি ধান লাভ কৰে তাৰ বাবে প্ৰাৰ্থনা কৰে। আৰু আঘোণ মাহত কৃষকসকলে শস্য চপোৱা কাম আৰম্ভ কৰে। শীতৰ আৰম্ভণিও অক্টোবৰ মাহৰ শেষৰ ফালৰ পৰাই আৰম্ভ হয়।

এয়াই হৈছে আনন্দৰে ভৰা এটা মাহ, অক্টোবৰ। য'ত এটা আনন্দৰ ওৰ নপৰোতে আৰু এক নতুন আনন্দই মনত বাহ লয়। এই অক্টোবৰৰ প্ৰথম সপ্তাহটোত বৰ্তমান গোটেই দেশতে দুৰ্গা পূজাৰ উখল-মাখল। দোকান-পোহাৰত পূজাৰ বজাৰ কৰা মানুহৰ ভিৰ। প্ৰত্যেক চহৰতে, প্ৰত্যেক সৰু-বৰ ঠাইতে জক্‌-মকাই আছে পূজা মণ্ডপ। আবেলিৰ পৰা নতুন সাজ পিন্ধি পূজা চোৱা মানুহৰ ভিৰ, দোকানসমূহত ৰং- বিৰঙৰ পুতলা, বেলুন, পিষ্টল। আৰু দুৰ্গা পূজাৰ শেষত, আহি আছে লক্ষ্মী পূজা এক নতুন আনন্দ লৈ। সেয়ে ক'ব পাৰি, অক্টোবৰ উৎসৱৰ মাহ, আনন্দৰ মাহ।

*ফোন ঃ ৭৬৩৫৯-৯৬০৫০*

# ঐতিহাসিক বিল্বেশ্বৰ দেৱালয়

■চন্দ্ৰপ্ৰভা বৰ্মন



নামনি অসমৰ নলবাৰী জিলাৰ অন্যতম ইতিহাসপ্ৰসিদ্ধ শৈৱশক্তিপীঠ বিল্বেশ্বৰ দেৱালয়ত আৰম্ভ হৈছে দুৰ্গতি নাশিনী দেৱীৰ পূজা-অৰ্চনা। লৌহিত্য বংশৰ নাগাক্ষ বা নাগশংকৰ ৰজাৰ দিনৰে এই দেৱালয়ত মৃন্ময় মূৰ্তি পূজাৰ বিপৰীতে ৰাম কলগছক সাজ-সজ্জা কৰাই দেৱীৰ ৰূপত সজাই পূজা কৰা হয়। পৰম্পৰাগতভাৱে বিল্বেশ্বৰ দেৱালয়ত দহদিনীয়া কাৰ্যসূচীৰে শুক্লা প্ৰতিপদ তিথিৰ পৰাই বিজয়া দশমীলৈ সম্পূৰ্ণ বৈদিক প্ৰথাৰে পূজা-অৰ্চনা অনুষ্ঠিত কৰা হয়। নৱৰাত্ৰিৰ ভিতৰত দেৱীক নটা ৰূপত পূজা কৰা হয়। দেৱী দুৰ্গাক সন্তুষ্ট কৰিবলৈ বলি-বিধান, উচৰ্গা দেৱীৰ চৰণত আগবঢ়াই দিয়া হয়। এইবেলিও আজিৰে পৰাই দুৰ্গতিনাশিনী দুৰ্গাৰ পূজা-অৰ্চনা আৰম্ভ হৈছে। লাখ লাখ ভক্তক আদৰিবলৈ বিশাল আয়োজন চলিছে। 'হাতীত আগমন আৰু নৌকাত গমন।' এইবাৰৰ দেৱী দুৰ্গাক মুক্ত মনে আদৰিবলৈ সাজু দেৱালয় কৰ্তৃপক্ষ। নাগাক্ষ ৰজাই নিৰ্মিত মঠটো হয়তো এতিয়া নাই, যিটো আছে লক্ষীসিংহই নতুনকৈ নিৰ্মাণ কৰাই থৈ যোৱা মঠ। দেৱালয়ত প্ৰাপ্ত শিলৰ ফলিত এই কথা উল্লেখ আছে— বিল্বেশ্বৰ-জীৰ্ণ-মঠোদ্ধাৰ শ্ৰীশ্ৰীলক্ষীসিংহেন উদ্ধাৰিত...জীৰ্ণমঠঃ। দেৱালয় চৌহদৰ দেৱান পুখুৰীটো কোচ ৰজা নৰনাৰায়ণৰ ভাতৃ চিলাৰায় দেৱানে খন্দোৱা বুলি জনশ্ৰুতিত আছে।

*ফোন ঃ ৯৯৫৪১-৫৩২৭৯*

## কুমাৰীকাটাত অম্বিকাগিৰি জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ অক্টোবৰ ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত কুমাৰীকাটা মৌজাৰ এখন আগশাৰীৰ অসমীয়া মাধ্যমৰ বিদ্যালয় অম্বিকাগিৰি জাতীয় বিদ্যালয়ৰ গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী উৎসৱ ১১,১২ নৱেম্বৰ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে জাতীয় বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। উক্ত ৰূপালী জয়ন্তী উৎসৱটি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ইতিমধ্যে বীৰেণ দাসক সভাপতি, তাহেৰ আলীক কাৰ্যকৰী সভাপতি আৰু নিৰঞ্জন দাস, মকবুল আলীক সম্পাদক হিচাপে লৈ এখন শক্তিশালী আদৰণি সমিতি গঠন কৰি ৰূপালী জয়ন্তী উৎসৱৰ প্ৰস্তুতি চলাই থকা হৈছে।

## নগাঁৱত বাহনসহ ৯টা চোৰাং গৰু জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ অক্টোবৰ ঃ** নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী বৰঘাট বাইপাছত শুকুৰবাৰে বিয়লি আৰক্ষীয়ে তালাচী চলাই এখন মিনিট্ৰাকত চোৰাংকৈ সৰবৰাহ কৰা ৯টা গৰু জব্দ কৰে। ধেমাজিৰ বগীবিলৰ পৰা এ এছ ০৫ এচি ১৬০৫ নম্বৰৰ মিনি ট্ৰাকখনত আৰক্ষীৰ চকুত ধূলি দি ধানৰ বস্তাৰ মাজত লুকুৱাই অনা অৱস্থাত নগাঁও আৰক্ষীয়ে গৰু কেইটা জব্দ কৰে। আৰক্ষীয়ে বাহনখনৰ চালক আছাদুল ইছলাম আৰু হেণ্ডিমেন অমিত নায়কক সোধ পোছৰ বাবে আটক কৰে বুলি জানিব পৰা গৈছে।

## সমাজকৰ্মী কমল গগৈৰ মৃত্যুত নকছাৰিত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ১ অক্টোবৰ ঃ** নকছাৰি পাঁচ চমুৱাগাঁৱৰ নিবাসী এগৰাকী সমাজ সেৱক, ধৰ্ম প্ৰাণ ব্যক্তি কমল গগৈ ৭২ বছৰ বয়সত কালি নিশা প্ৰায় ২ বজাত উচ্চ ৰক্তচাপত মৃত্যুক আকোঁৱালি লয়। যোৱা নিশা ঘৰৰ পৰা বাহিৰলৈ যাওঁতেই ঢলি পৰে। নাক মুখেদি ৰক্ত ক্ষৰণ হোৱা বুলি জানিব পৰা গৈছে। কিছু সময়ৰ পিছত পৰিয়ালৰ লোকবাহিৰলৈ যোৱাতহে কথাটো জানিব পাৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুজন পুত্ৰ, এগৰাকী কন্যা, দুগৰাকী বোৱাৰী-নাতি-নাতিনীকে ধৰি বহুজন আত্মীয়- স্বজনক এৰি থৈ যায়। তেওঁৰ মৃত্যুত গাৱঁৰ দীপজ্যোতি সংঘ আৰু পুথিভঁৰাল, দীপজ্যেতি মইনা পাৰিজাত আৰু বীৰ লাচিত সেনা, নকছাৰি আঞ্চলিক সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰে আৰু সকলোৰে তেখেতক শেষ শ্ৰদ্ধাঞ্জলি জনায়।



মহানগৰীৰ গীতানগৰত সাজু কৰি তোলা হৈছে দুৰ্গা দেৱীৰ প্ৰতিমা

## নগাঁৱৰ পৰা কেৰালালৈ ড্ৰাগছ সৰবৰাহৰ চেষ্টা

### কেৰালাৰ বাছত অভিযান চলাই জব্দ বুজন পৰিমাণৰ হেৰইন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ অক্টোবৰ ঃ** নগাঁৱৰ পৰা যাত্ৰীবাহী বাছেৰে কেৰালালৈ সৰবৰাহ হয় নিষিদ্ধ ড্ৰাগছ। বুধবাৰে নিশা নগাঁও আৰক্ষীৰ এক অভিযানত পোহৰলৈ আহিছে নগাঁৱৰ পৰা কেৰালালৈ ড্ৰাগছ সৰবৰাহৰ ভয়ংকৰ তথ্য। কেৰালা অভিমুখে গৈ থকা এখন নৈশ বাছত অভিযান চলাই নগাঁও আৰক্ষীয়ে জব্দ কৰে বৃহৎ পৰিমাণৰ হেৰইন। হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আভা জ্যোতি ৰাভাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে চলোৱা অভিযানত চিৰাৰ পেকেটত হেৰ'ইন ভৰ্তি দুটাকৈ চাবোন বাকচ বাছখনৰ ভিতৰৰ পৰা জব্দ কৰিবলৈ সক্ষম হয়। লগতে ড্ৰাগছৰ সৰবৰাহৰ লগত জড়িত তিনিটাকৈ সৰবৰাহকাৰীকো আটক কৰিবলৈও সক্ষম হয় আৰক্ষীৰ দলটোৱে। বুধবাৰে বিয়লি হয়বৰগাঁও আৰক্ষীৰ দলটোৱে ড্ৰাগছসহ প্ৰথমে গ্ৰেপ্তাৰ কৰিছিল বৌচন আলী নামৰ আন এটা ড্ৰাগছ সৰবৰাহকাৰীক। গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰী বৌচন আলীৰ স্বীকাৰোক্তিৰ ভিত্তিত হয়বৰগাঁও আৰক্ষীয়ে তালাচী চলাইছিল কেৰালা অভিমুখে যাত্ৰা আৰম্ভ কৰা কে এল-০২ বি এক-৫০১২ নম্বৰৰ নৈশ বাছখনত। কেৰালালৈ ড্ৰাগছ সৰবৰাহত জড়িত ৰূপহীহাটৰ তাফাজুল ইছলাম, ছফিকুল ইছলাম আৰু বাহাৰুল ইছলাম নামৰ তিনি সৰবৰাহকাৰীকো নৈশ বাছৰ পৰা গ্ৰেপ্তাৰ কৰে আৰক্ষীৰ দলটোৱে। ৰূপহীহাটৰ খালেক নামৰ এগৰাকী ব্যক্তিয়ে তাফাজুল ইছলামক হেৰ'ইনখিনি কেৰালালৈ সৰবৰাহ কৰাৰ বাবদ ১০ হাজাৰ টকা দিয়া বুলি স্বীকাৰোক্তি দিছে কৰিছে ধৃত সৰবৰাহকাৰীকেইটাই। হয়বৰগাঁও থানাৰ উপ-পৰিদৰ্শক আভা জ্যোতি ৰাভাৰ নেতৃত্বত চলোৱা অভিযানৰ পিছতেই বাছখনৰ আন যাত্ৰীসকলক কেৰালালৈ পুনৰ যাত্ৰা আৰম্ভ কৰিবলৈ দিয়ে আৰক্ষীয়ে। উল্লেখ্য যে, বিগত কিছুদিন ধৰি নগাঁও চহৰকে ধৰি বিভিন্ন প্ৰান্তত ড্ৰাগছৰ সৰবৰাহ বৃদ্ধি পোৱাৰ বাতৰি সম্প্ৰচাৰ হোৱাৰ পিছত পুনৰ অভিযান আৰম্ভ কৰিছে নগাঁও আৰক্ষীয়ে।

# নগৰবেৰাৰ জলজলী নৈৰ ওপৰৰ বৃহৎ কাঠৰ দলং মেৰামতিৰ অভাৱত বিধ্বস্ত

### যিকোনো মুহূৰ্তত ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা ঃ শীঘ্ৰে পকী দলং নিৰ্মাণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ অক্টোবৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ নগৰবেৰাৰ জলজলী নৈৰ ওপৰত বৃহত্তৰ অঞ্চলৰ সৰ্বস্তৰৰ ৰাইজে এখন পকী দলং নিৰ্মাণৰ বাবে বহুত বছৰ ধৰি চৰকাৰক আবেদন-নিবেদন কৰি আহিছে যদিও আজিকোপতি উক্ত নৈখনৰ ওপৰত পকী দলং নিৰ্মাণ নহ'ল। বৃহত্তৰ অঞ্চলটোৰ লক্ষাধিক লোকৰ যাতায়াত আৰু যোগাযোগৰ গুৰুত্বপূৰ্ণ স্থান নগৰবেৰাৰ জলজলী নদীৰ দোকুছি-ভগুৰাদিয়া-বংগেশ্বৰী-পীজুপাৰা পাৰঘাটেদি জনসাধাৰণে প্ৰায় টুলুঙা নাও অথবা যন্ত্ৰচালিত নাৱেৰে এক বিপদসংকুল পৰিৱেশৰ মাজেৰে পাৰাপাৰ হৈ আহিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে কোনো এখন চৰকাৰে যাত্ৰীসকলৰ যাতায়াতৰ সু-ব্যৱস্থা গ্ৰহণ নকৰিলে। শেহতীয়াকৈ জলজলী নদীখনৰ ওপৰত দলং নিৰ্মাণ দাবী সমিতি উদ্যোগত পকী দলং নোহোৱালৈ যাতায়াতৰ বাবে একাংশ লোকে নিজৰ গাঁঠিৰ ধন দি প্ৰায় এক কোটি চৈধ্য লাখ টকা ব্যয় কৰি বৃহৎ কাঠৰ দলং নিৰ্মাণ কৰি উলিয়াই যাতায়াত ব্যৱস্থা পৰিচালনা কৰি আহিছিল। যদিও যোৱা ৭ মাৰ্চত চৰকাৰীভাৱে এপ্ৰকাৰ কমিটিৰ অনুমোদন সাপেক্ষে কাঠৰ দলংখন লোকনিৰ্মাণ বিভাগক হস্তান্তৰ কৰি এ পি ডব্লিউ আৰ ডি অনুসৰি পুনৰ্নিৰ্মাণ কৰি পৰৱৰ্তী সময়ত পৰিচালনা কৰিবলৈ নিৰ্দেশ দিয়ে। সম্প্ৰতি বৃহৎ কাঠৰ দলংখনেৰে নিতৌ শ শ সৰ্বসাধাৰণ ৰাইজৰ লগতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, কৰ্মচাৰী, ৰোগী আদিয়ে যাতায়াত অব্যাহত ৰাখিছে যদিও প্ৰয়োজনীয় মেৰামতিৰ অভাৱত দলংখন অতি দুৰ্বল হৈ পৰিছে। দলংখনৰ ওপৰেদি এক বিপদ সংকুল পৰিৱেশৰ মাজেৰে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে। ফলত যিকোনো মুহূৰ্তত ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাত ভুগিছে ৰাইজ। দলংখন দুৰ্বল হৈ পৰাত এম্বুলেঞ্চৰ লগতে চাৰিচকীয়া বাহনসমূহ ইতিপূৰ্বে বন্ধ হৈ পৰিছে। ফলত জলজলী নৈখনৰ পূব প্ৰান্তৰ বৃহৎ অঞ্চলটোৰ ৰোগী, প্ৰসূতি আৰু গৰ্ভৱতী মহিলাক চিকিৎসালয়লৈ অনাৰ ক্ষেত্ৰত নৰকক যন্ত্ৰণাৰ সমুখীন হ'বলগীয়াত পৰিছে। তদুপৰি জলজলী নৈখনৰ গাতে লাগি থকা নগৰবেৰা বজাৰখন বৃহত্তৰ অঞ্চলটোৰ ব্যৱসায়-বাণিজ্যৰ প্ৰাণ কেন্দ্ৰস্বৰূপ যদিও যাতায়াতৰ অসুবিধাৰ বাবে কৃষকসকলে উৎপাদন কৰা শস্যৰ উচিত মূল্য নাপাই মুখে-কপালে হাত দিব লগা হৈছে। উল্লেখ্য যে শীঘ্ৰে বৃহৎ অঞ্চলটোৰ যাতায়াতৰ গুৰুত্বপূৰ্ণ বৃহৎ কাঠৰ দলংখন প্ৰয়োজনীয় মেৰামতি তথা পুনৰ নিৰ্মাণ কৰা নহ'লে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে অচিৰেই যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰাৰ লগতে বাইজে পুনৰ পূৰ্বৰ দৰে নৌকাৰে অতি বিপদসংকুলভাৱে যাতায়াত কৰিবলগীয়া হ'ব পাৰে বুলি স্থানীয় একাংশ লোকে সন্দেহ ব্যক্ত কৰিছে। ৰাইজৰ অভিযোগ, চৰকাৰৰ গুৰুত্বহীনতা, বিভাগীয় কৰ্তৃপক্ষৰ অমনোযোগিতা আৰু জনপ্ৰতিনিধিৰ আন্তৰিকতাৰ অভাৱৰ বাবেই নৈখনত এখন পকী দলং আজিলৈ নহ'ল। বিগত দিনত প্ৰতিটো নিৰ্বাচনৰ পূৰ্ব একাংশ নেতা-পালি নেতা, মন্ত্ৰী-বিধায়ক আৰু সাংসদে জলজলী নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণৰ সপোন দেখুৱাই অঞ্চলটোৰ ৰাইজৰ ভোট আদায় কৰি আহিছে যদিও নিৰ্বাচনৰ পিছত সকলো ফুটুকাৰ ফেন হৈ পৰাৰ অভিযোগ উত্থাপিত হৈছে। তদুপৰি শেহতীয়াকৈ স্থানীয় বিধায়িকা নন্দিতা দাসৰ নেতৃত্বত দলং নিৰ্মাণ দাবী সমিতিৰ এটি সঁজাতী দলে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে দুগৰাকীকৈ মন্ত্ৰী ক্ৰমে চন্দ্ৰমোহন পাটোৱাৰী আৰু কেশৱ মহন্তক সাক্ষাৎ কৰি জলজলী নৈখনৰ ওপৰত পকী দলং নিৰ্মাণৰ দাবী জনায় যদিও আজিলৈ কোনো সুফল পোৱা নগ'ল। বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ যাতায়াতৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি নগৰবেৰাৰ জলজলী নৈৰ বুকুত এখন পকী দলং নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাস, কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লী আৰু সংশ্লিষ্ট উৰ্দ্ধতন কৰ্তৃপক্ষক অঞ্চলটোৰ সৰ্বস্তৰৰ ৰাইজ আৰু বিভিন্ন দল-সংগঠনে দাবী জনাইছে।

## বৰচিলা কণপাই বৰদলৈ ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ নৱাগত আদৰণী সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ১ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ বৰচিলা কনপাই বৰদলৈ ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয় আৰু কনপাই বৰদলৈ মহাবিদ্যালয়ৰ ১৯তম নৱাগত আদৰণী সভাখন শুকুৰবাৰে দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হৈ যায়। সমাজ কৰ্মী অনন্ত কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা নৱাগত আদৰণী সভাখনত শিলপুখুৰী মৌজাৰ বিশিষ্ট সমাজ কৰ্মী তথা মহাবিদ্যালয় দুখনৰ প্ৰতিষ্ঠাপক সম্পাদক ৰমেশ চন্দ্ৰ বৰদলৈ উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক উদ্দেশি কয়, অকল বিদ্যালয়লৈ অহা ল'ৰা-ছোৱালীয়েই ছাত্ৰ নহয়, যিসকলে নিজৰ পাঠ সুকলমে পঢ়ে সেইজনহে প্ৰকৃত ছাত্ৰ। তেওঁ লগতে আৰু কয় যে এই প্ৰতিযোগিতাৰ যুগত তোমালোক সফল হ'বলৈ হ'লে কাঠোৰ অধ্যয়ন কৰিব লাগিব। সভাখনত সাংবাদিক ৰাহুল বৰদলৈ আৰু তিৱা স্বায়ত্তপৰিষদৰ সদস্য টংকেশ্বৰ বৰদলৈ উপস্থিত থাকি প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সপোনক বাস্তৱিত কৰিবলৈ হ'লে কঠোৰ অধ্যয়ন কৰিব লাগিৱ বুলি ভাষণত কয়। ইয়াৰ পিছতেই সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয়। নৱাগত আদৰণী সভাখনত সমাজকৰ্মী জানকী হীৰা, প্ৰধান শিক্ষক মাণিক চন্দ্ৰ দাস, শিক্ষক ৰাজেন কোঁৱৰ, টুকটুকী প্ৰেছ ক্লাবৰ সভাপতি জালালউদ্দিন আহমেদকে আদি কৰি মহাবিদ্যালয় দুখনৰ প্ৰবক্তা শিক্ষকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত আছিল।

## মৈৰাবাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ১ অক্টোবৰ ঃ** ১৯৮১ চনত স্থাপন হোৱা মৰিগাঁও জিলাৰ একমাত্ৰ আগশাৰীৰ শিক্ষানুষ্ঠান মৈৰাবাৰী মহাবিদ্যালয়ত বৃহস্পতিবাৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ এখনি সন্মিলন সভা অনুষ্ঠিত হৈ যায়। ২০১৬ চনত গঠিত হোৱা পুৰণি প্ৰাক্তন ছাত্ৰ সমিতিখন ভংগ কৰি এখন নতুন সমিতি গঠন কৰা হয়। নতুন প্ৰাক্তন ছাত্ৰ সমিতিখনৰ সভাপতি হিচাপে জেহিৰুল ইছলাম মুক্তাৰক দায়িত্ব দিয়াৰ লগতে উপ সভাপতি হিচাপে ফাৰুক চৌধুৰী ওৰফে এয়াচিবক দায়িত্ব দিয়া হয়। সাধাৰণ সম্পাদক হিচাপে জহিৰুল ইছলাম,কাৰ্যালয় সম্পাদক হিচাপে আবু হানিফ, আলোচনী সম্পাদক হিচাপে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ অধ্যাপক মুহাম্মদ আফজাল আৰু ইছফাকুৰ ৰহমান ওৰফে ৰুয়েলক দায়িত্ব দিয়াৰ লগতে মৈৰাবাৰী মহাবিদ্যালয়ত অধ্যয়ন কৰা ৩১গৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক সামৰি এখনি প্ৰাক্তন ছাত্ৰ সন্মিলনি সমিতি গঠন কৰা হয়। প্ৰাক্তন ছাত্ৰ সন্মিলনি সভা খনত মৈৰাবাৰীৰ জ্যেষ্ঠ সাংবাদিক ছামচুল আলম, মহাবিদ্যালয়ৰ প্ৰবক্তাসকলৰ লগতে প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

## গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ মাৰ্ঘেৰিটা মহকুমা সমিতিৰ কাৰ্যনিৰ্বাহ সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা মাৰ্ঘেৰিটাৰ, ১ অক্টোবৰ ঃ** সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ মাৰ্ঘেৰিটা মহকুমা সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহ সভা শুকুৰবাৰে মাৰ্ঘেৰিটাত অনুষ্ঠিত হৈ যায়। উক্ত সভাখনত সভাপতিত্ব কৰে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ মাৰ্ঘেৰিটা মহকুমা সমিতিৰ সভাপতি ৰমজান আলীয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধৰণ সম্পাদক ৰাজু হাজৰিকাই। অসমৰ এটি অন্যতম পুৰণি জনগোষ্ঠী হ'ল গৰিয়া- মৰিয়াসকল। জনগোষ্ঠীটোৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবেই গঠন কৰা হৈছিল সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদ। সংগঠনটোৱে জন্মলগ্নৰে পৰা জনগোষ্ঠীটোৰ লোকসকলৰ সৰ্বাঙ্গীণ উন্নয়নৰ হকে কাম কৰি আহিছে।ইয়াৰ অংশ হিচাপে কালি মাৰ্ঘেৰিটা উন্নয়ন খণ্ডৰ সভাগৃহত অনুষ্ঠিত হোৱা সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ মাৰ্ঘেৰিটা মহকুমা সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাৰ্যনিৰ্বাহক সভাখনত সংগঠনটোৰ প্ৰতিগৰাকী কাৰ্যনিৰ্বাহক সদস্য-সদস্যা উপস্থিত থাকে।

## চতিয়াৰ ইটাখোলাত প্ৰশাসনৰ দ্বিতীয়বাৰৰ বাবে উচ্ছেদ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১ অক্টোবৰ ঃ** বিশ্বনাথ জিলাৰ ইটাখোলাত বিশ্বনাথ জিলা প্ৰশাসনে শুকুৰবাৰে পুৱাৰ পৰাই চলায় উচ্ছেদ অভিযান। ইটাখোলা ব্যৱসায়িক কেন্দ্ৰস্থলৰ মাজমজিয়াত একাংশ পকী দোকানগৃহৰ ওপৰত চলিছে এই উচ্ছেদ অভিযান। চৰকাৰী ভূমি বেদখল কৰি একাংশ বেপাৰীয়ে পকী দোকানগৃহ নিৰ্মাণ কৰি ব্যৱসায় কৰি অহাৰ পিছত অঞ্চলটোত দিকৰাই সাপ্তাহিক বজাৰত সমস্যাৰ সৃষ্টি হোৱাৰ লগতে ইটাখোলা ব্যৱসায়িক কেন্দ্ৰস্থলতো যান-জঁটৰ সৃষ্টি হৈছিল। বিশ্বনাথ জিলা প্ৰশাসনে দুমাহ পূৰ্বেও জাননীৰ ভিত্তিত উচ্ছেদ অভিযান চলাইছিল যদিও কিছু আইনী বাধা থকাত অৰুণাচল প্ৰদেশৰ চিজুছা পথৰ দাঁতিত থকা কে'বাটাও ব্যৱসায়িক দোকানগৃহ উচ্ছেদ কৰিব পৰা নাছিল। সম্প্ৰতি আইনী বাধা সমাধানৰ অন্তত কালি প্ৰশাসনৰ জাননীৰ ভিত্তিত আজি উক্ত চৰকাৰী ভূমি বেদখলমুক্ত কৰে। উচ্ছেদ অভিযানৰ সময়ত ইটাখোলাত বৃহৎসংখ্যক আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱান নিয়োজিত কৰা হয়। দণ্ডাধীশ তথা নদুৱাৰ ৰাজহ চক্ৰ বিষয়া আকাশদীপ কাকতিৰ উপস্থিতিত বিশ্বনাথ জিলা প্ৰশাসনে এই উচ্ছেদ অভিযান চলায়। উচ্ছেদৰ সময়ছোৱাত কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা পৰিলক্ষিত নহ'ল।

## সদৌ অসম কবি সন্মিলনৰ ২০১৯-২০২২ বৰ্ষৰ সন্মানপ্ৰাপকসকলৰ নাম ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১ অক্টোবৰ ঃ** ৭, ৮ আৰু ৯ অক্টোবৰৰ পৰা যোৰহাটৰ ড° কুতুবুদ্দিন আহমেদ ক্ষেত্ৰত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া সদৌ অসম কবি সন্মিলৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক পূৰ্ণাংগ যোৰহাট অধিৱেশনৰ অন্তিম দিনাৰ মুকলি সভাত অসমৰ কাব্য আৰু সাহিত্যৰ পথাৰলৈ অনন্য অৱদান আগবঢ়োৱা বিশিষ্ট কবি-সাহিত্যিকসকলক তেওঁলোকৰ জীৱনজোৰা সাধনাৰ বাবে সদৌ অসম কবি সন্মিলনে প্ৰদান কৰিব লগা ২০১৯-২০২২ বৰ্ষৰ বঁটাসমূহৰ প্ৰাপকসকলৰ নাম ঘোষণা কৰিছে। সেই অনুসৰি সাহিত্যাচাৰ্য ড° নাহেন্দ্ৰ পাদুনক 'সাহিত্য ভাস্কৰ', প্ৰথিতযশা কবি, সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাক 'কাব্যৰত্ন', বিশিষ্ট কবি, সাহিত্যিক তথা সমালোচক ড° মাণিক শইকীয়াক 'কবিপ্ৰাণ', বিশিষ্ট কবি, আবৃত্তিকাৰ জুলিয়ানা বেগমক 'কাব্য মহীয়সী', বিশিষ্ট কবি, কাব্য সংগঠক তথা সমালোচক পৰাগজ্যোতি মহন্তক 'ড° কুতুবুদ্দিন আহমেদ কাব্য বঁটা' প্ৰদান কৰিব। ইয়াৰ উপৰি 'পৃথিৱীৰ কবি ৰাম গগৈ বঁটা', 'কবিপ্ৰাণ আনন্দ দত্ত কাব্য বঁটা, 'কাব্যপ্ৰাণ চুজাউদ্দিন আহমদ বঁটা', 'অৱনী চক্ৰৱৰ্তী বঁটা', 'বেণু চিৰিং বঁটা', 'সমাজকৰ্মী ইন্দ্ৰেশ্বৰ মিলি বঁটা', 'জনাৰ্দন শইকীয়া আৰু জয়মতী শইকীয়া সোঁৱৰণী বছৰৰ শ্ৰেষ্ঠ কবিৰ সন্মান', 'সম্প্ৰীতি (টুকটুক) শইকীয়া সোঁৱৰণী বছৰৰ শ্ৰেষ্ঠ যুৱ কবিৰ সন্মান', মিলাৰাম নাথ আৰু অমূল্য শইকীয়া সোঁৱৰণী এককালীন আৰ্থিক সাহায্য' আৰু 'কাব্যশ্ৰী হাজৰিকা বঁটা' প্ৰদান কৰা হ'ব বুলি সদৌ অসম কবি সন্মিলনৰ প্ৰচাৰ সম্পাদক হেমন্ত ভাৰতী আৰু বিশাল অনুৰাগে এই প্ৰতিবেদকক জানিবলৈ দিয়ে।



তেজপুৰত দুৰ্গা দেৱীৰ প্ৰতিমাত অন্তিম পৰশ দিছে মৃৎশিল্পীয়ে

### দলগাঁৱত গাঁওবুঢ়া নিযুক্তিৰ বাছনি তালিকাত ব্যাপক অনিয়ম

## গাঁওবুঢ়া পদত বাছনি কৰা দালালৰ নিযুক্তি বাতিলৰ দাবীত উপায়ুক্তক অভিযোগ দাখিল ৰাইজৰ

**দৈনন্দিন বাৰ্তা সেৱা, খাৰুপেটীয়া, ১ অক্টোবৰ ঃ** দৰঙৰ দলগাঁৱত গাঁওবুঢ়াৰ নিযুক্তিৰ বাছনি তালিকাত ব্যাপক অনিয়মৰ অভিযোগ ৰাইজৰ। প্ৰাপ্ত অভিযোগটোত উল্লেখ থকা মতে, দলগাঁও ৰাজহ চক্ৰ কাৰ্যালয়ৰ অন্তৰ্গত কপাটি আৰু ঘিলাধাৰী গাঁৱৰ গাঁওবুঢ়াৰ মৃত্যুৰ পিছত ২৩ আগষ্টত দলগাঁও ৰাজহ চক্ৰ কাৰ্যালয়ৰ মাটিৰ দালাল প্ৰশান্ত কুমাৰ ডালুক নিযুক্তিৰ বাবে বাছনি কৰিছে বিভাগীয় কৰ্তৃপক্ষই। শোণিতপুৰ জিলাৰ সীমালৈকে ব্যাপক জনবসতিপূৰ্ণ বিস্তৃত এলেকাৰে গঠিত ঘিলাধাৰী আৰু কপাটি গাঁৱৰ গাঁওবুঢ়া পদত প্ৰশান্ত কুমাৰক নিযুক্তিৰ বাছনিভুক্ত তালিকাক লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দূৰত্ব হিচাপতো বাছনি কৰা গাঁওবুঢ়াৰ ঘিলাধাৰীৰ ঘৰ বহুত দূৰত অৱস্থিত। লগতে দলগাঁও থানাত প্ৰশান্ত কুমাৰৰ বিৰুদ্ধে ৩৫৭ /২২/৪১৯/৪২০ নম্বৰত এটি গোচৰ চলি আছে। তেওঁ ঘিলাধাৰীৰ গাঁৱৰ অহিজল হক নামৰ এজন মানুহৰ পৰা মাটি-বাৰী কামৰ বাবে ৩০,০০০ টকা লৈছিল যদিও কাম কৰি নিদি পুনৰ ২০,০০০ টকা খুজি আছে। উল্লেখ্য, প্ৰশান্ত কুমাৰ ডালুৰ বিৰুদ্ধে দৰং জিলাৰ বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ সভাপতি উপেন ডেকা আৰু সচিবপ্ৰধান বিচিত্ৰ শৰ্মাই অসামাজিক কাৰ্যকলাপৰ সৈতে জড়িত বুলি আৰু তেওঁক গাঁওবুঢ়াৰ পদত নিযুক্তি দিব নালাগে বুলি দৰং জিলাৰ উপায়ুক্তক এখন অভিযোগ দাখিল কৰিছিল। লগতে অন্যান্য সংগঠনেও প্ৰশান্ত কুমাৰৰ নিযুক্তি দিব নালাগে বুলিও উপায়ুক্তক অৱগত কৰিছিল। কিন্তু এই বোৰ অভিযোগক আওকাণ কৰি দৰং জিলাৰ উপায়ুক্ত দলগাঁও ৰাজহ চক্ৰ বিষয়াই এজন অসামাজিক তথা মাটিৰ দালাল প্ৰশান্ত কুমাৰক গাঁওবুঢ়াৰ পদত নিযুক্তি দিয়ে। অসামাজিক কাৰ্যকলাপ আৰু দালালী কাৰ্যত জড়িত লোকক গাঁওবুঢ়াৰ দৰে পবিত্ৰ বৃত্তিত নিযুক্তিৰ বাবে বাছনি কৰা প্ৰশান্ত কুমাৰ ডালুৰ নিযুক্তি শীঘ্ৰে বাতিলৰ দাবী জনাইছে ৰাইজে। অন্যথা প্ৰশান্ত কুমাৰক গাঁওবুঢ়াৰ পদত নিযুক্তিৰ বাছনি তালিকাৰ পৰা নাম বাতিলৰ দাবীত গণতান্ত্ৰিক ৰাজহুৱা প্ৰতিবাদত নামিবলৈ বাধ্য হব গাঁওবাসী।

### অসমীয়া যুৱ মঞ্চৰো অভিযোগ দাখিল

### লাহৰীঘাটত গৰু চোৰৰ নতুন কৌশল

## গৰু লৈ নগৈ ৰাজহুৱা শ্মশানৰ মাজত গৰু কাটি লৈ যায় মাংস


**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১ অক্টোবৰ ঃ** সাৱধান, এইবাৰ গৰু চোৰে সলাইছে গৰু চুৰিৰ কাৰ্য। গৰু লৈ নগৈ কোনোবা ৰাজহুৱা শ্মশান, পথাৰৰ মাজত গৰু কাটি লৈ যায় মাংস। লাহৰীঘাটৰ লাউভূৰুঙ্গাত এইবাৰ সংঘটিত হৈছে তেনে এক আজব ঘটনা। মৰিগাঁও জিলাৰ লাহৰীঘাটৰ লাউভূৰুঙ্গাত সংঘটিত হৈছে এই আজব কাণ্ড। লাউভূৰুঙ্গাৰ ৰাজহুৱা শ্মশানৰ কাষত ২৯ ছেপ্টেম্বৰত চোৰে তিনিটাকৈ গৰু কাটি লৈ গ'ল মাংস। পেলাই থৈ গ'ল ছাল, ঠেং, ভোঁৰ ইত্যাদি। শুকুৰবাৰে পুৱাতে স্থানীয় লোকে দেখা পাই অঞ্চলটোত লাগিল হুৱাদুৱা। ইফালে খবৰ পাই ঘটনাস্থলীত উপস্থিত হ'ল লাহৰীঘাট থানাৰ আৰক্ষী। পিছত আৰক্ষীয় গৰুৰ গৰাকী আৰু স্থানীয় লোকৰ সহযোগত চোৰে পেলাই থৈ যোৱা ছাল, ঠেং, ভোঁৰ আদি পুতি থোৱা ব্যৱস্থা কৰে। উল্লেখ্য যে অঞ্চলটোৰ হাৰিয়াবিল গাঁৱৰ বিপুল বৰদলৈ নামৰ লোকজনৰ ঘৰৰ পৰা বৃহস্পতিবাৰে নিশা দুটা গাভিনী গাই আৰু এটা পোৱালি চোৰে চুৰি কৰি লৈ যায়। এনে অৱস্থাত শুকুৰবাৰে পুৱাতে এইখবৰ পাই গৰুৰ গৰাকীয়ে লাউভূৰুঙ্গাৰ শ্মশানত উপস্থিত হৈ চোৰে কাটি লৈ যোৱা গৰুকেইটাৰ ছাল প্ৰত্যক্ষ কৰি চিনাক্ত কৰে গৰুকেইটা তেওঁলোকৰ বুলি। ইফালে সম্পূৰ্ণ এটা হিন্দু এলেকাত নৃশংসভাৱে গো হত্যা কৰি মাংস লৈ যোৱা কাৰ্যক মানি ল'ব পৰা নাই অঞ্চলটোৰ ৰাইজে। এই কাৰ্যক তীব্ৰ ধিক্কাৰ দিয়াৰ লগতে এনে অপকৰ্মৰে জড়িত দুষ্কৃতিকাৰীৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় লোকে দাবী জনাইছে। অৱশ্যে ইয়াৰ দুদিন আগে জলকীয়া বৰি শ্মশানৰ নিলগতো অমৰাগুৰি গাঁৱৰ ৩ টা গৰু চুৰি কৰি একেই কাৰ্য কৰিছিল।



## 'দঃ আফ্ৰিকা আৰু ডেনমাৰ্কৰ উচ্চ শিক্ষা' সম্পৰ্কে আন্তঃৰাষ্ট্ৰীয় বক্তৃতা

### ব্যৱহাৰিক শিক্ষাইহে শিক্ষাৰ্থীৰ জীৱন গঢ়ি তুলিব পাৰে ঃ ড° গগৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১ অক্টোবৰ ঃ** 'দক্ষিণ আফ্ৰিকাৰ শিক্ষা ব্যৱস্থা প্ৰকল্প ভিত্তিক। প্ৰকল্প ভিত্তিক শিক্ষা ব্যৱস্থা সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ পৰিছে। ব্যৱহাৰিক শিক্ষাইহে শিক্ষাৰ্থীৰ জীৱন গঢ়ি তুলিব পাৰে।' দক্ষিণ আফ্ৰিকাৰ কেপটাউন বিশ্ববিদ্যালয়ৰ গৱেষক, অসম সন্তান ড° চিৰঞ্জীৱ গগৈয়ে এইদৰে কয়। স্নেহবন্ধন, ডিব্ৰুগড় সাহিত্য সভা, ডি এইচ এচ কানৈ মহাবিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগ, শদিয়া মহাবিদ্যালয় আৰু ডিগবৈ মহিলা মহাবিদ্যালয়ৰ উদ্যোগত ২৮ ছেপ্টেম্বৰত অনলাইন মাধ্যমত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত ড° গগৈয়ে কয়— দক্ষিণ আফ্ৰিকাৰ কলেজ, বিশ্ববিদ্যালয়সমূহত ব্যৱহাৰিক শিক্ষাক অধিক গুৰুত্ব দিয়াৰ বাবে শিক্ষাৰ্থীসকলে অধ্যয়নৰ আজৰি সময়খিনি হোটেল, ক্লাব বা অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানত কাম কৰিবলৈ সুবিধা লাভ কৰে। নম্বৰতকৈ বিষয়বস্তুৰ জ্ঞান আৰু শিক্ষা আহৰণৰ ওপৰত অধিক গুৰুত্ব দিয়ে। দক্ষিণ আফ্ৰিকাৰ বিভিন্ন বিশ্ববিদ্যালয়সমূহৰ শিক্ষা ব্যৱস্থাৰ বিশ্লেষণ কৰি ড° গগৈয়ে কয়— তেওঁ অসমীয়া মাধ্যমত পঢ়ি গুৱাহাটী আই আই টিকে ধৰি দেশৰ বহুকেইটা উন্নতমানৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰি দক্ষিণ আফ্ৰিকাৰ কেপটাউন বিশ্ববিদ্যালয় পায়গৈ। ইচ্ছা কৰিলে মানুহে সকলো কাম কৰিব পাৰে বুলি উল্লেখ কৰি তেওঁ কয়— দক্ষিণ আফ্ৰিকাৰ ছাত্ৰ-ছাত্ৰীসকলে গ্ৰীষ্মকালীন 'ইন্টাৰ্নশ্বীপ'ৰ যোগেদি বহু ধন উপাৰ্জন কৰাৰ লগতে অধ্যাপক-অধ্যাপিকাসকলৰ পৰাও যথেষ্ট জ্ঞান আহৰণ কৰিব পাৰে। অসমৰ বিশ্ববিদ্যালয়সমূহত বৃত্তি প্ৰদান কৰি কিছু আসন বৃদ্ধি কৰাৰ পোষকতা কৰে তেওঁ। আনহাতে ডেনমাৰ্কৰ আৰ্লবাৰ্গ বিশ্ববিদ্যালয়ৰ গৱেষক ড° অভিজিৎ মজুমদাৰেও কয়— তেওঁ বিজয় নগৰ ওপৰশালি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক সম্পূৰ্ণ কৰি, অসম অভিযান্ত্ৰিক কলেজৰ পৰা স্নাতক ডিগ্ৰী, আই আই টি গুৱাহাটীৰ পৰা পি এইচ ডি ডিগ্ৰী লৈ বহু সংগ্ৰামৰ অন্তত ডেনমাৰ্কত গৱেষণা কৰিবলৈ সুযোগ লাভ কৰে। ডেনমাৰ্কত শিক্ষাগত বৃত্তি, বৃত্তিগত স্নাতক, বিশ্ববিদ্যালয়ৰ শিক্ষা আৰু অন্যান্য শিক্ষাৰ পাঠ্যক্ৰম ভিত্তিক শিক্ষা ব্যৱস্থাক সজাই তোলা হয় বুলি উল্লেখ কৰি কয়— সাধাৰণতে ডেনমাৰ্কৰ শিক্ষা ব্যৱস্থা ডেনিছ বা ইউৰোপিয়ান দেশৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিনামূলীয়া। ডেনমাৰ্কত যুৱ প্ৰজন্মই কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে। তেওঁলোকে সকলো কামেই কৰে। ডেনমাৰ্কৰ শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্ৰম প্ৰায়ে উদ্যোগসমূহে নিৰ্ধাৰণ কৰে বুলি উল্লেখ কৰি কয়— ডেনমাৰ্কৰ ভাষা ডেনিছ। শিক্ষানুষ্ঠানসমূহৰ পৰা ইংৰাজীক আঁতৰাবলৈ চেষ্টা কৰি থকা বুলিও তেওঁ কয়। ডেনমাৰ্কত অতিৰিক্ত সময় কাম কৰা লোকক এলেহুৱা বুলি আখ্যা দিয়া হয় বুলি উল্লেখ কৰি কয়— সেই দেশৰ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম তিনি বা পাঁচ বছৰৰ মূৰে মূৰে সলনি কৰা হয়। ডেনমাৰ্কত দূৰ্নীতি অতি কম বুলি উল্লেখ কৰি তেওঁ কয়— সময়ৰ লগে লগে ডেনমাৰ্কৰ শিক্ষা ব্যৱস্থাও সঘনে সলনি কৰে। ডি এইচ এচ কানৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা আৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে পৰিচালনা কৰা বক্তৃতানুষ্ঠানটিত শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে গ্ৰেট বৃটেইন নিৱাসী স্নেহবন্ধনৰ সভানেত্ৰী মঞ্জিৰা চৌধুৰীয়ে। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকন আৰু সমাজশাস্ত্ৰ বিভাগৰ মুৰব্বী অধ্যাপিকা মনচুমী ভূএগ্ৰাই মুখ্য আৰু বিশিষ্ট ব্যক্তিৰ পৰিচয় দাঙি ধৰা বক্তৃতানুষ্ঠানটিত উদ্দেশ্য ব্যাখ্যা কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, স্নেহবন্ধনৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট লেখক, সাহিত্যিক, কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা স্নেহবন্ধনৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতাই উদ্বোধন কৰা বক্তৃতানুষ্ঠানটিত স্কটলেণ্ডৰ নিৱাসী, স্নেহবন্ধনৰ উপ-সভানেত্ৰী নিৰলা বৰুৱা, দক্ষিণ আফ্ৰিকাৰ নিৱাসী বিশিষ্ট বিজ্ঞানী, স্নেহবন্ধনৰ সহকাৰী সম্পাদক ড° মুকুট গোহাঁই, ডিগবৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জিত চেতিয়া, কানৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা স্নেহবন্ধনৰ উপ-সভানেত্ৰী ড° চুলতানা হাজৰিকা, কানৈ মহাবিদ্যালয়ৰ উদ্যোগ আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰক্ষী ভাৰপ্ৰাপ্ত অধ্যাপিকা ড° সুনন্দা চাহু, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, ডনবস্ক বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বুলজিৎ বুঢ়াগোহাঁইকে ধৰি দেশ বিদেশৰ ভালেসংখ্যক গন্যমান্য ব্যক্তি, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়াই।



ছায়ানিকা অধিকাৰী, ব্ৰাইট বিগিনিং স্কুল, প্ৰথম শ্ৰেণী, হেঙেৰাবাৰী, গুৱাহাটী

## মৰমৰ অকণিহঁত-

দুৰ্গা পূজাৰ শুভেচ্ছা দিলো দেই সকলোকে । তোমালোক আটায়ে চাগে ইতিমধ্যে নতুন কাপোৰ লৈছা পূজালৈ বুলি। খুব আনন্দ লাগিছে নহয়নে এইকেইদিন। পূজা বুলিলেই সকলোৰে মনবোৰ উলাহে নধৰা হৈ পৰে। কিমান যে পৰিকল্পনা। মা-দেউতাৰ লগত পূজা চাবলৈ যাবা, বাহিৰতে এসাঁজ সকলোৰে মিলিজুলি খাবা। কিমান যে স্ফূৰ্তি তোমালোকৰ। আমিও সৰু থাকোতে পূজাৰ সময়ত খুব স্ফূৰ্তি কৰিছিলো। পিছে এতিয়াৰ দিনবোৰ আগৰ দৰে নহয়। গতিকে অকলে অকলে পূজালৈ নোযোৱাটোৱেই ভাল তোমালোকৰ বাবে। আজিকালি পূজাত ভক্তিভাৱতকৈ ৰং-ৰহইচ, আলোকসজ্জাৰ বা অন্যান্য বাজ্যিকতাইহে বেছিকৈ প্ৰাধান্য পায়। পূজাত গৈ ভক্তিভাৱেৰে দেৱী মাৰ ওচৰত সেৱা লৈ তোমালোকে নিজৰ মংগলৰ লগতে দহৰো মংগল কামনা কৰিবা। প্ৰাৰ্থনা হ'ব লাগে আত্মশুদ্ধিৰ প্ৰাৰ্থনা আৰু অজ্ঞান অন্ধকাৰৰ পৰা আত্মাক উদ্ধাৰ কৰাই হ'ল প্ৰাৰ্থনা। হৃদয়পূৰ্ণ শব্দৰে আত্মা জাগৃত হোৱা প্ৰাৰ্থনাহে প্ৰকৃত প্ৰাৰ্থনা। গতিকে একান্ত ভক্তিভাৱেৰে প্ৰাৰ্থনা কৰিলেহে বিচৰা ফল পোৱা যায়। লগতে প্ৰাৰ্থনাই আমাক অনুশাসন আৰু সংযমী হ'বলৈও শিকায়। গতিকে পূজালৈ গৈ ভক্তিভাৱেৰে পূজা-অৰ্চনা কৰিলেহে আকাংক্ষিত ফল লাভ কৰিব পাৰিবা। পূজালৈ গৈ উচ্ছৃখল আচৰণ কেতিয়াও নকৰিবা দেই। পূজা আৰু আনন্দ দুয়োটা বেলেগ বস্তু । বাৰু পূজা-সেৱা কৰাৰ পিছত বেলুন-পুতলা লৈ আনন্দ মনেৰে ফুৰি-চাকি ঘৰলৈ আহিবা আনন্দ মনেৰে। মা-দেউতাই তেওঁলোকৰ সামৰ্থ্য অনুসৰি পূজা বুলি যি দিছে তাকে আনন্দ মনেৰ ল'বা। তেওঁলোকে মনত দুখ পোৱাকৈ একো নিবিচাৰিবা দেই। আজিলৈ বাৰু এৰিছো। সকলোৰে কুশলে থাকা।



তোমালোকৰ
**ভূপেন মামা**

গল্প • • •

# বিদ্যোৎসাহ

■ **পল্লৱী ডেকা ৰয় অধিকাৰী**

নিম্নবিত্ত পৰিয়ালত জন্মলাভ কৰা বাপুকণৰ পঢ়াত বহুত ৰাপ। কিন্তু দিন হাজিৰা কৰা দেউতাকে টকা-পইচাৰ অভাৱৰ বাবে তাক পঢ়াব পৰা নাই আৰু সেয়ে সি পঢ়াৰ কথা ক'লেই দেউতাকৰ টিঙিচকৈ খংহে উঠে। এদিন গাঁৱৰ ভোলানাথ মহাজনে ঘৰুৱা কিবা কাম কৰাবলৈ বাপুকণৰ দেউতাকক সিহঁতৰ ঘৰলৈকে বিচাৰি আহিল। দেউতাক ঘৰত নাছিল। সেয়ে সিয়েই তেওঁক বহিবলৈ দি তেওঁৰ আদৰ-আপ্যায়ন কৰিলে। নিজেই ছাল ছিগা ভিকহু। তেনেস্থলত আপ্যায়ন নো বিশেষ কি কৰিব ততাতৈয়াকৈ তামোল এখনকে কাটি বটাটোত আনি সি মহাজন বৰদেউতাকক যাচিলে।

মহাজন বাৰবছৰীয়া বাপুকণৰ ব্যৱহাৰত নথৈ আনন্দিত হ'ল। ঘৰত আন কোনো নথকা সেই নিৰিবিলি ক্ষণটোত দুয়ো কিছু সময় কথা পাতিলে।

: তই কেতিয়াৰ পৰা স্কুললৈ যোৱা নাই?

: যোৱা বছৰলৈকে চতুৰ্থ শ্ৰেণীলৈ পঢ়িলোঁ গাঁৱৰ এল পি স্কুলত বৰদেউতা। হাইস্কুল দূৰত যে সেয়ে তাৰ পিছত আৰু এতিয়া পঢ়া হোৱা নাই। কিন্তু মোৰ স্কুললৈ...।

ক'ম বুলি ভবা কথাষাৰ নকৈ বাপুকণে আধাতে থৈ দিলে।

: অঁ তাৰ পিছত কি ক আকৌ কথাষাৰ পূৰাকৈ।

: স্কুললৈ যাবলৈ আৰু পঢ়িবলৈ মোৰ বৰ মন আছিল। দেউতাৰো গা ভাল নহয়। সেয়ে আজিকালি সদায় কাম কৰিবলৈ যাব নোৱাৰে। মায়েও অসুখীয়া গাৰে টান কাম একো কৰিব নোৱাৰিছিল। আমাৰ ঘৰখনত টকা-পইচাৰ বহুত অভাৱ।

: ওঁ কি কৰিবি বোপাই। মাৰৰ মেলেৰিয়া হৈছিল ন?

: হয়, মায়েও আমাক এই পৃথিৱীৰ পৰা এৰি গুচি গ'ল চিকিৎসাৰ অভাৱতে।

সি হুকহুকাই কান্দি দিলে।

: তই নাকান্দিবি ৰ'। মই কিবা এটা কৰিব পাৰোঁ নেকি চাওঁ। এতিয়া আহোঁ দে। দেউতাৰ আহিলে মই মতা বুলি ক'বি।

: হ'ব মহাজন বৰদেউতা।

আবেলি বাপুকণৰ দেউতাক বলোৰাম কামৰ পৰা উভতি অহাত বাপুকণে মহাজনৰ ঘৰলৈ মাতি যোৱাৰ কথাটো ক'লে। সেয়ে তেওঁ অকণো পলম নকৰি মহাজনৰ ঘৰ পালেগৈ।

: মহাজন দেউতা। আপুনি মোক বিচাৰিছিলে হেনো।

: অ' বলো। মোৰ ঘৰত অলপ কাম আছিল। তই কৰিব পাৰিবি নেকি?

: অঁ কৰিম দেউতা। পিছে কি কাম?

: নতুনকৈ ফলমূল আৰু শাক-পাচলিৰ বাগিচা পাতিম বুলি ভাবিছোঁ। সেয়ে তোৰ নিচিনা এজন কাম জনা আৰু বিশ্বাসী মানুহৰ প্ৰয়োজন। তই এদনীয়াকৈ কামটো কৰিব পাৰিবি নে?

: হ'ব দেউতা পাৰিম। মই কাইলৈৰ পৰাই আহিম।

: অ' আৰু শুন, তই কাইলৈ আহোঁতে তোৰ ল'ৰা বাপুকণকো লগত লৈ আহিবি।

: বাপুকণক? বাপুকণক কিয় দেউতা? সিতো সৰু হৈ আছে!

: কাম কৰিবলৈ নহয় ঔ। এনেয়ে লগতে লৈ আহিবিচোন বাৰু।

: হ'ব দেউতা। মই এতিয়া আহোঁ।

পিছদিনা পুৱা বাপুকণক লগত লৈ বলোৰাম ভোলানাথ মহাজনৰ ঘৰলৈ আহিল।

মহাজনে বলোৰামক কি কাম কৰিব লাগে বুজাই দি চাহ এটুপি খাবলৈ দি কামখিনি কৰিবলৈ যাবলৈ দিলে।

: বাপুকণ।

: হয়। মহাজন বৰদেউতা।

: তোৰ এতিয়া আকৌ স্কুল যাবলৈ মন গৈছে নে?

: মন গৈছে। কিন্তু বৰদেউতা, মন গ'লেইনো কি হ'ব? আমাৰ ঘৰত ভাতেই নাথাকে কেতিয়াবা। পেটৰ ভোকটোৰ বাবে চিন্তা কৰিব লাগে দেউতাই। কেতিয়াও পঢ়াৰ কিতাপ আনি দিয়াৰ কথা নাভাবেই। মই আৰু অলপ ডাঙৰ হ'লে কিবা এটা কামহে...!

: হ'ব হ'ব। আগতে অলপ পঢ়া-শুনা কৰি ল'। তাৰ পিছত কাম কৰাৰ কথা চিন্তা কৰিবি।

: মানে? মানে কি বৰদেউতা? কিতাপ নাই, বহী নাই, কিনিবলৈ দেউতাৰ পইচা নাই। মইনো কেনেকৈ পঢ়া-শুনা কৰিম?

: ব'ল এতিয়া মোৰ লগত। কেনেকৈ তই পঢ়া-শুনা কৰিবি মই দেখুৱাই দিম।

মহাজনে বাপুকণক দুই কিলোমিটাৰ দূৰত থকা হাইস্কুলখনলৈ লৈ গৈ পঞ্চম শ্ৰেণীত নাম লগাই দিলে।

উভতি আহি মহাজনে কাম কৰি থকা বলোৰামক কথাটো ক'লে। কি ক'ব কি নক'ব দোধোৰ-মোধোৰত পৰি দুচকুৰেদি সৰসৰকৈ বৈ অহা চকুপানী দুধাৰি মহাজনে গম নোপোৱাকৈ বলোৰামে হাতেৰে মোহাৰি আনি বাৰীত মাৰি থকা কোৰখনৰ নালটোতে ঘঁহি থ'লে। বলোৰামক ৰঙা-ছিঙা পৰা দেখি মহাজনে ক'লে, 'তই চিন্তা কৰিব নালাগে দে। আজিৰ পৰা বাপুকণৰ পঢ়া-শুনাৰ নামত যত যি খৰচ কৰিব লাগে মই কৰিম। মই তাক বুজি পাইছোঁ, সি পঢ়াৰ প্ৰতি বহুত আগ্ৰহী। চাচোন, মই মোৰ ল'ৰাটোৰ কাৰণে কি কৰা নাছিলোঁ। কিন্তু সি কি কৰিলে নিজেই দেখিছ তহঁতে। সি মোক বহুত অপমানিত কৰিলে সমাজৰ আগত। মেট্ৰিক পৰীক্ষাৰ সময়ত নকল পেপাৰ ক'তবা পাইছিল সি মই একোৱেই নাজানো। অথচ সমাজে মোকেই দূষিলে। পুলিচে ইমানকৈ পিটিলে সেই ফুকলীয়া ল'ৰাটোক আৰু শেষত? তাৰ মৃত্যু মোৰ চকুৰ আগতে হ'ল আৰু মই...?



: হ'ব দিয়ক। মহাজন দেউতা। আপুনি আৰু এতিয়া সেইবোৰ কৈ দুখ নকৰিব। বাপুকণ আজিৰ পৰা আপোনাৰো ল'ৰা। আপুনি যি বিচাৰে তাকে মই...।

: ঠিক আছে। এতিয়া এই পইচাকেইটা লৈ যাগৈ যা। কি ক'ত নাই কিনি ল'গৈ। কাইলৈ পুৱাই বাপুকণক স্কুলত থৈ তই আহিবি কামলৈ। মই আজিয়েই স্কুলৰ সকলো সামগ্ৰী হেডমাষ্টৰৰ জৰিয়তে দিয়াই দিম।

বাপুকণে একাগ্ৰতাৰে পঢ়া-শুনা কৰিবলৈ ধৰিলে। বলোৰামৰো আৰ্থিক অৱস্থা ভালৰ পিনে আহিল মহাজনৰ ঘৰত কাম কৰি থাকি। আজি বাপুকণৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ওলাইছে। সি অসমৰ ভিতৰতে পঞ্চম স্থান লাভ কৰি উত্তীৰ্ণ হৈছে।

বাপুকণৰ সফলতাত মহাজন বৰদেউতাৰ আনন্দৰ সীমা নাই। বাপুকণৰ দেউতাকে মহাজনক কৃতজ্ঞতা যাচিলে। তেওঁৰ দুচকুৰে আনন্দৰ চকুলো বৈ আহিল। বাপুকণৰ পৰীক্ষাৰ ফলাফল সমাজত আদৰ্শৰূপে পৰিগণিত হৈ ৰ'ল। সকলোৱে বুজি পালে যে কেৱল টকা-পইচাই সকলো নহয়, পঢ়া-শুনা কৰিবলৈ পঢ়াৰ প্ৰতি আগ্ৰহী মন এটাৰো প্ৰয়োজন।

*ফোন ঃ ৭০০২১-৪৬৩১০*

# মামন আৰু শৰতৰ কথাৰে



■ **গায়ত্ৰী দেৱী বৰঠাকুৰ**

অ' মা অ' মা শুনাচোন শুনা। কথা এটা সোধো, বুজাই মোক দিয়া। শৰত আহি বোলে পদূলিমুখত আছেহি বৈ। সকলোৱে লগাই আছে ইমান হৈ-চৈ। অ'ত বেলি ৰ'লো মই পদূলিমুখত মা। ক'তা ক'তোৱেই নাইচোন শৰত মামা নে খুৰাৰ ছাঁ। মিছা কথা কৈছে তাৰ মানে সকলোৱে। শৰত নামৰ কোনোৱেই নাই আচলতে। মামনৰ কথাত মাকৰ উঠিল খুব হাঁহি। কাষলৈ আনিলে মৰমেৰে হাতত ধৰি। অ' মামন তুমি জানো নাজানা ঋতু ছটাৰ নাম। দিনে-নিশাই পঢ়াওচোন এৰি আন কাম। তুমি পিছে মামন বৰ সৰু চিনি পাবলৈ মোহনীয় শৰতক। তথাপি চিনি পাবা আজিৰ পিছত। লগ পালেই তেন্তে তুমি শৰতক দিবা নমস্কাৰ। আকাশো হৈ পৰে শৰতত পৰিষ্কাৰ। নীলা আকাশ আৰু শুকুলা ডাৱৰ নাম শৰতৰ। আৰু এক নাম শেৱালি চোতালৰ। আহিন আহিলেই আহে শৰত। নিয়ৰক আনে জানা সদায়েই লগত। সেউজীয়া ধাননিত জিলিকে মুকুতা মণি। লাহে লাহে নামি আহে অপৰূপ কুঁৱলী। আকাশ ভৰি পৰে শৰালিৰ জাকে। ঔষধি দুবৰিৰ মহিমা ক'ম বেলেগ এদিন তেনে। মহিষমৰ্দিনী আই দুৰ্গাৰ পূজা হয় এই শৰত কালত। শ্ৰীৰামে আৰাধিছিলে আইক ৰাৱণ বধৰ পৰত। আইৰ কাহিনীবোৰ বৰ ভাল পোৱাচোন তুমি। দুৰ্গোৎসৱে শ্যামল কৰে আমাৰ ধৰিত্ৰী। এতিয়া কোৱাচোন শৰত মামা নে খুৰা। লগ পালে তুমি নিশ্চয় ধন্যবাদ দিবা। প্ৰকৃতিক সুন্দৰ ৰূপত সজাই তোলে শৰতে। নৈ পাৰৰ কঁহুৱাইয়ো মন-প্ৰাণ হৰে। অ' মা অ' মা চিনি পালো মই শৰত মামাক। ইমান যে ভালপায় আমাক। বেলুন-পুতলা-মিঠাইৰে ভৰি পৰে ঘৰ। মিলিজুলি থাকো সৰে, নাই আপোন-পৰ। শৰতক মই পিছে মাজে মাজে মাতিম খুৰা বুলি। নতুন কাপোৰ পিন্ধি পূজা চাবলৈ যাম নহ'লে কাৰ গাড়ীত উঠি? মামনৰ মনৰ কথা মাকে পালে বুজি। মৰমতে দিলে মামনৰ গালত এটি চুমা আঁকি।

*ফোন ঃ ৮৮২২৯-৪৩০৬৪*



## শৰৎকাল

■ **পূৰবী তালুকদাৰ**

শৰৎ ঋতুৰ ৰূপ অতি মনোৰম
দেখিলেই লাগে ভাল,
বাৰিষাৰ ডাৱৰ আঁতৰি পলায়
আকাশ হয় ফৰকাল।
শেৱালি বকুল আৰু নানা ফুল
ফুলে জাতিস্কাৰ হৈ,
দুবৰি বনত নিয়ৰৰ টোপাল
উজলে এটি এটিকৈ ।
চৰাই-চিৰিকটিয়ে কলৰৱ তুলি
চৌপাশ মুখৰিত কৰে,
শুকুলা কঁহুৱাই হালি-জালি নাচে
শৰালি জাকপাতি উৰে ।
দেৱালী লক্ষ্মীপূজা কাতি বিহু দুৰ্গা পূজা
শৰততেই হয় পালন,
শিশুসকলৰে নহয় ডেকা-বুঢ়াৰো
নাচি উঠে হিয়া মন ।

*ফোন ঃ ৮৯৫১৮-১৯২৬৭*

## জীৱন

ভৰসা নাই এই জীৱনৰ
জীয়াই আছোঁ অজ্ঞাতৰ প্ৰাসাদত
প্ৰতিটো ক্ষণত।
নাই, একো নাই এই নাটকত
অভিনয় শেষ হ'ব
আৰু গুচি যাব ইটো লোকত।
জীৱনটোৱে দুদিনীয়া,
জীউ গুচি যায় জানা,
ই যে আদিতেই ইপুৰীয়া।
অৰ্থৰ পিছে পিছে
দৌৰি দৌৰি ভাগৰুৱা,
তথাপি বুজনি নাহে,
নাই, একো লাভ নাই,
এইবোৰ ক্ষন্তেকীয়া।
আহোতেও অকলে, যাওঁতেও অকলে
নাই, কোনো নাই জানা লগৰীয়া
সকলো মোহ-মায়াৰ অন্ত হ'ব
—সেই সন্ধিয়া।

■ **গুণ্জন শইকীয়া**
*সপ্তম শ্ৰেণী*
*ধলপুৰ জাতীয় বিদ্যালয়, লখিমপুৰ*
*ফোন ঃ ৮০৯৯৭-৩০৮১২*

## কলীয়া পক্ষীৰ বিলৈ

■ **গৌৰী মহন্ত**

এঙাৰ বৰণীয়া পাখিৰে পক্ষীটি
দুখতে মনটো মাৰি,
বগা হোৱাৰ উপায় ভাবি আছিল সি
গছৰ ডালত বহি।
ৰাজহংস এহাল পুখুৰীত দেখিলে
জলকেলি কৰি ফুৰা,
ৰ'দত জিলমিল ধুনীয়া পাখিবোৰ
গাখীৰৰ দৰে বগা।
গছৰ ডালৰ পৰাই মুৰটো দোঁৱাই
জনালে সি সম্ভাষণ,
ৰাজহংস সখী দিবানে বুধি এটি
মোৰো বগা হ'বৰ মন।
আমাৰ দৰে তুমি পানীত সাতুৰিবা
ঘাঁহ বন পাত খাবা,
পুখুৰীৰ পানীকে আপোন কৰি ল'বা
দেখাত ধুনীয়া হ'বা।
সখীৰ উপদেশত কলীয়া পক্ষীটি
নামি শীতল পানীত,
সাতুৰি নাদুৰি সময়বোৰ কটালে
ল'লে জিৰণি দাঁতিত।
নিজৰ খাদ্য খাবলৈ নাপায় তাৰ
স্বাস্থ্যৰ অৱনতি হ'ল,
গছৰ চৰাই পানীলৈ অহাত
পাখিবোৰ সৰি গ'ল।
নৰিয়াত পৰিল কলীয়া পক্ষীটি
প্ৰাণবায়ু উৰি গ'ল,
মৰমৰ সখীৰ বিয়োগত ৰাজহংস
শোকাত বিহ্বল হ'ল।
ঈশ্বৰৰ দান তোমাৰ এই শৰীৰ
তাতে সুখী হোৱা ভাল,
ধুনীয়া হ'বলৈ আনক অনুকৰণ
মিলিব মহাকাল।

*ফোন ঃ ৯৪৩৫৭-৪২০৮৪*




পখী ভূএগা, তৃতীয় শ্ৰেণী, শংকৰদেৱ বিদ্যাপীঠ, ৰঙিয়া

শিশু গল্প...

# মামনৰ পূজা



■ **টুনমণি বৰদলৈ**

পূজাৰ বতৰ। সাবিত্ৰী দেৱীয়ে দিন হাজিৰা কৰা মানুহ কেইঘৰত সোনকালেই কাম-বন কৰি আজৰি হৈ আহিল। কিয়নো ঘাতমাউৰা মামনৰ আপোন বুলিবলৈ এই সংসাৰত আইতাকৰ বাহিৰে কোনোৱেই নাই। মামনৰ আইতাকৰ দুখ-কষ্টবোৰ দেখি মাজে মাজে দুখ লাগে, সেয়ে পঢ়াৰ মাজতে ঘৰৰ দুই-এটা কাম কৰি আইতাকক সহায় কৰি দিয়ে। সেইদিনা আইতাক কামৰ পৰা সোনকালে অহাৰ বাবে মামনে বৰ আনন্দ পালে আৰু দুয়ো খৰধৰকৈ পূজাৰ বেদীত গোসাঁনী সেৱা কৰিবলৈ ওলাই গ'ল। পথৰ দুয়োকাষে ৰং-বিৰঙী বেলুন, পুতলা, পিষ্টল, গাড়ী, বাঁহী, হুইছেলৰ শব্দ, লগতে বিভিন্ন ধৰণৰ মিঠাই, মণি-মুকুতাৰে সজ্জিত হৈ পৰিৱেশটো ৰঙীণ কৰি তুলিছে। তাই ৰং-বিৰঙী বেলুনবোৰ দেখি আইতাকক সুধিলে— আইতা, বেলুনবোৰ কি পদাৰ্থ দি তৈয়াৰ কৰা হয়? আইতাকে ক'লে— অতীজতে গাহৰিৰ মুত্ৰস্থলীৰ লগতে অন্য জন্তুৰ নাড়ী-ভুৰুৰ পৰা বেলুন তৈয়াৰ কৰা হৈছিল। অৱশ্যে আধুনিক আৰ্হিৰ বেলুনৰ উদ্ভাৱক হৈছে ইংলেণ্ডৰ মাইকেল ফেৰাডে। তেখেতে আজিকালিৰ আধুনিক বেলুনবোৰ তৈয়াৰ কৰিছিল ৰবৰ, ল্যাটেক্স, পলিক্লোৰোফেৰেন, নাইলন আদি সংমিশ্ৰণ কৰি। আইতা, বেলুন ফুটিলে ডাঙৰকৈ শব্দ হয় কিয়? -ল'ৰা এটাৰ হাতত থকা বেলুন এটা ধুমকৈ ফুটি যোৱা শুনি তাই আইতাকক সুধিলে। বায়ুভৰ্তি বেলুন এটা ফুটিলে তাৰ ভিতৰত থকা বায়ুখিনি হঠাতে আঁতৰি যায় আৰু সেই বায়ুবিহীন ঠাই টুকুৰা পূৰ্ণ কৰিবৰ কাৰণে চাৰিওফালৰ পৰা অহা বতাহৰ সংঘৰ্ষৰ ফলতে ডাঙৰ শব্দৰ সৃষ্টি হয়। দুয়ো গৈ গোসাঁনী ওচৰত মূৰ দোৱাই সেৱা কৰিলে আৰু নিৰ্মালি গ্ৰহণ কৰিলে। তাই ইমান সুন্দৰ প্ৰতিমা দেখি মনলৈ অলেখ প্ৰশ্ন উদয় হ'বলৈ ধৰিলে। তাই কাষতে ৰৈ থকা আইতাকক সুধিলে- আইতা, দুৰ্গা দেৱীৰ প্ৰতিমা সজাওঁতে কি মাটি ব্যৱহাৰ কৰা হয়? আইতাকে ক'লে- দুৰ্গা দেৱীৰ প্ৰতিমা সাজোতে ৮-৯ বিধমান মাটিৰ প্ৰয়োজন হয়। সেই মাটিসমূহ বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰে যেনে- বেশ্যা দ্বাৰৰ মাটি, নদীৰ উভয় পাৰৰ মাটি, চাৰিআলিৰ মাটি, বৰাহ দন্ত মাটি আদি। ঠিক সেইদৰে ৮-৯ বিধ ঠাইৰ পানীৰো প্ৰয়োজন হয়। সেই পানী সংগ্ৰহ কৰা হয় নিয়ৰ, বৰষুণ, সাত সমুদ্ৰৰ পানী, তীৰ্থস্থানৰ পানী আদিৰ পৰা। তদুপৰি ৮-৯ বিধ তেল আৰু ৰঙৰ প্ৰয়োজন হয়। প্ৰতিমা সজাওঁতে মাটিখিনি ধৰি ৰাখিবলৈ আৰু কি কি প্ৰয়োজন হয় আইতা? মাটিখিনি ধৰি ৰাখিবলৈ বাঁহ, মৰাপাটৰ ৰছী, খেৰ আদিৰ প্ৰয়োজন হয় মামন। প্ৰথমে বাঁহেৰে কাঠামোটো তৈয়াৰ কৰি লয়। তাৰ পিছত খেৰেৰে মূৰ্তিৰ আকাৰ দিয়ে। তাৰ পিছতহে আঠালেটিয়া ক'লা মাটিৰে খেৰৰ ওপৰত প্ৰতিমাক শেষবাৰৰ বাবে আকাৰ দি তিনি-চাৰি দিন শুকাবলৈ দিয়ে। শুকুৱাৰ পিছত প্ৰতিমাক ৰঙেৰে বোলাই দিয়ে। এটা কথা মন কৰিবা মহালয়াৰ দিনাহে মা দুৰ্গাৰ চকুত ৰং কৰা হয় আৰু সেইদিনাৰ পৰাই মাটিৰ প্ৰতিমাবোৰত জীৱনৰ সঞ্চাৰ হয় বুলি বিশ্বাস কৰা হয়। দুয়ো পুনৰ গোসাঁনীলৈ মূৰ দোৱাই সেৱা কৰি বাহিৰলৈ ওলাই আহিল আৰু মেলাত অলপ সময় ইফালে-সিফালে ফুৰিলে, দুই-এটা বস্তুৰ দৰদামো কৰিলে। আইতাকে খাৰু এযোৰ আৰু পায়েল এযোৰ তাইক কিনি পিন্ধাই দিলে। তাই শিশু সুলভ হাঁহিটোৱে আইতাকৰ সকলো মনৰ দুখ ক্ষন্তেকতে যেন শেষ কৰি পেলালে। দুয়ো ঘৰমুৱা হওঁতেই চাইকেলত ৰঙা-নীলা বল দেখা পায় আইতাকে তাইক বেলুনৰ সলনি বলকে এটা কিনি দিলে অন্ততঃ তাই দুদিন মান বলটোৰ লগতে ওমলিব পাৰিব। তাই বলটো হাতত লৈ আনন্দ মনেৰে ঘৰলৈ উভতিল।

*ফোন ঃ ৯৯৫৪৬-৪৮০২২*



ইশিতা অধিকাৰী, চতুৰ্থ শ্ৰেণী, কেন্দ্ৰীয় বিদ্যালয়, খানাপাৰা

# সৃষ্টিশীলতাৰ প্ৰতীক শেৱালি

■ **বন্দনা মহন্ত**

পুৰণি কালৰে পৰা ভাৰতীয় জনমানসত শেৱালি ফুলে এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে।
'শেৱালি নেৱালি পলাশ পাৰলি
পাৰিজাত যুতি জাঁই
বকুল বন্দুলি আছে ফুলি ফুলি
তাৰো সীমা-সংখ্যা নাই'
কীৰ্তনৰ হৰমোহন অধ্যায়ত স্বৰ্গৰ বৰ্ণনাত শেৱালি ফুলৰ বিষয়ে মহাপুৰুষজনাই উল্লেখ কৰিছে। শেৱালি ফুলক সেই বাবে বহুতে স্বৰ্গৰ পাৰিজাত বুলিও অভিহিত কৰে। শেৱালি ফুলৰ বৈজ্ঞানিক নাম (NYCTANTHES ARBOR TRISTIS), ইয়াক দক্ষিণ এছিয়াৰ দক্ষিণ-পূব থাইলেণ্ডৰ পৰা পশ্চিমে বাংলাদেশ, ভাৰত, উত্তৰে নেপাল আৰু পূবে পাকিস্তান পৰ্যন্ত দেখা পোৱা যায়। শেৱালি ফুল সকলোৰে প্ৰিয়। ইয়াৰ মূলতে হয়তো ফুলৰ বৰণ আৰু সুগন্ধ । শেৱালি ফুলে আমাৰ মনোজগতক প্ৰশান্তি যোগাব পাৰে। শেৱালি ফুলৰ কোমল আলসুৱা পৰশত সকলো মুগ্ধ হয়। বহুতো লোকে নিজৰ ঘৰৰ চৌপাশত অন্ততঃ এজোপা হ'লেও



শেৱালি গছ থকাটো বিচাৰে। দুবছৰৰ ভিতৰতে এই গছত ফুল পোৱা যায়। শেৱালি ফুলৰ বিশেষত্ব এয়ে যে শৰতৰ আগমনৰ লগে লগে ফুল ওলাব ধৰে। ফুলবোৰ ৰাতিৰ ভিতৰতে ফুলি পুৱা সৰি পৰে। শৰতৰ শেৱালিৰ সুগন্ধই চৌদিশ আমোলমোলাই তোলে। শেৱালি ফুলৰ সৌন্দৰ্যই সুকীয়া। আকাৰত সৰু হ'লেও বগা পাহিৰ লগত সংযুক্ত নিম্নাংশৰ উজ্জ্বল ৰঙে শেৱালি ফুলক আকৰ্ষণীয় কৰি তোলে। পৰম্পৰাগত থলুৱা খাদ্যৰ তালিকাত শেৱালি ফুলৰ বৰ, খাৰ দি বনোৱা শেৱালি ফুলৰ আঞ্জা, শুকান শেৱালি ফুলৰ ভাজি, কেঁচা শেৱালি ফুলৰ চাটনি ইত্যাদি অন্তৰ্ভুক্ত কৰা হয়। সৌন্দৰ্যৰ ফালৰ পৰা যেনেদৰে শেৱালি ফুল মনোমোহা, ঠিক সেইদৰে স্বাস্থ্য ৰক্ষা বা ৰোগৰ চিকিৎসাতো ইয়াৰ ভূমিকা মন কৰিবলগীয়া। প্ৰাচীন আয়ুৰ্বেদ শাস্ত্ৰত জ্বৰ, কাহ, গাঁঠি বিষ আদি বিভিন্ন ৰোগৰ চিকিৎসাত শেৱালি গছৰ ফুল, পাত ব্যৱহাৰ কৰাৰ কথা জনা যায়। এইবিধ ঔষধি গছে আমাক বিভিন্ন ৰোগৰ পৰা ৰক্ষা কৰি আহিছে। শেৱালি ফুলক বিষাদ আৰু ৰোমাঞ্চৰ প্ৰতীক হিচাপে স্বীকাৰ কৰা হয়। এই কোমল ফুলপাহক লৈ অলেখ কবিতা, গীত আৰু সাহিত্যৰ সৃষ্টি হৈ আহিছে। শেৱালি ফুল সৃষ্টিশীলতাৰ প্ৰতীক। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ 'শৰতৰ শেৱালিৰ নতুন নিয়ৰশুভ্ৰ ছবি আঁকে' গীতটিত ভাবৰ সৌন্দৰ্য বৰ মধুৰভাৱে প্ৰকাশ পাইছে। গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাদেৱৰ 'আহিনমহীয়া শেৱালি সৰিলে নিয়ৰত তিতিলে বন' গীতটিয়ে সকলোৰে হৃদয় জুৰ পেলাবলৈ সক্ষম হৈছে। জ্যোতিষ ভট্টাচাৰ্যৰ 'যোৱাৰ পৰত সৰা শেৱালি বুটলি কি হ'ব কোৱা, নাই যে সময় উভতি চোৱাৰ এতিয়া বিদায় দিয়া' গীতটিয়ে হৃদয়ত স্পন্দন তোলে যেন সকলোৰে। শেৱালি ফুলৰ ৰূপৰ বৰ্ণনাই সৃষ্টিৰ পথাৰখন তাহানিৰে পৰা এতিয়ালৈকে জীপাল কৰি ৰাখিছে।

শেৱালি ফুলৰ সৃষ্টিৰ সম্পৰ্কে বহুতো কাহিনী বা লোক-কথা শুনিবলৈ পোৱা যায়। ভাগৱত, পুৰাণ, বিষ্ণুপুৰাণ আৰু মহাভাৰততো শেৱালি ফুলৰ বিষয়ে কিছু কাহিনী আছে। জনশ্ৰুতি মতে দেৱতা আৰু অসুৰে অমৃতৰ সন্ধানত সমুদ্ৰ মন্থন কৰোতে শেৱালি ফুলৰ গছৰ সৃষ্টি হৈছিল। অন্য এক জনবিশ্বাস অনুসৰি এবাৰ এগৰাকী সুন্দৰী ৰাজকুমাৰী সূৰ্যদেৱতাৰ প্ৰেমত পৰে। কিন্তু সূৰ্য দেৱতাক স্বামীৰূপে পাবলৈ অক্ষম হ'ল। সূৰ্য দেৱতাই কোনো ধৰণৰ সঁহাৰি নজনোৱাত ৰাজকুমাৰীগৰাকী শোকত ম্ৰিয়মাণ হ'ল। তেওঁ মৃত্যুক সাবটি ল'লে। ৰাজকুমাৰীৰ মৃতদেহ সৎকাৰ কৰাৰ পিছত ৰৈ যোৱা ছাইখিনিৰ মাজতে এজোপা গছৰ সৃষ্টি হয়। এইজোপাই হ'ল শেৱালি ফুলৰ গছ। সূৰ্যক নোপোৱাৰ বেদনাত সূৰ্যৰ উপস্থিতি সহ্য কৰিব নোৱৰাৰ বাবে ফুলবোৰ ৰাতিহে ফুলে আৰু দিনত মৰহি যায়। এয়া হৈছে শেৱালিৰ জন্মৰ হৃদয়স্পৰ্শী প্ৰেমৰ কাহিনী। তদুপৰি শেৱালিক লৈ ভাৰতৰ বিভিন্ন ভাষাত বিভিন্ন ধৰণৰ কাহিনী পোৱা যায়। শেৱালি যেন মাথোঁ এপাহ ফুল নহয়, শেৱালি শাৰদীয় জোনাকৰ উজলি উঠা স্নিগ্ধ হৃদয়ৰ মনোমোহা ৰূপ। শেৱালিৰ সুবাসে হৃদয়ত বিষাদ মধুৰ প্ৰেমৰ নীড় সাজে। সৃষ্টিশীলতাৰ প্ৰতীক শেৱালি। শেৱালি শৰতৰ হেঁপাহ। শেৱালি আলসুৱা নিয়ৰৰ সুকোমল হৃদয়। শৰতৰ সৌন্দৰ্যৰ প্ৰতীক শেৱালি ফুলে সকলোৰে মনলৈ আনক আনন্দৰ মাদকতা আৰু প্ৰশান্তিৰ জোৱাৰ।

*ফোন ঃ ৯৪৩৫৫-৩০৪৪৭*



অয়নীশ কৃষ্ণাত্ৰেয়, দ্বিতীয় শ্ৰেণী, অ'ল ছেইণ্ট'ছ স্কুল, তেজপুৰ

## ছবি

■ কুঁকি কল্পিতা বৰা

কঁহুৱা ফুলিলেই আবেলি
চকুৰে চিনিলেই গোল বেলি,
এৰা কমলা গোন্ধোৱা নৈৰ পানী
আজলী ছোৱালীৰ চকুৰ মণি

চকু জপাই থ'লে ৰাতি
মেলিলেই পৰি থকা শেৱালি
তোমালোকৰ চোতালৰ ন-বোৱাৰী

বগা ডাৱৰ মানে বগীবাই নহয়
বগীমাই মানে 'বিধৱা' নহয়
কিহৰ 'বিধৱা'
কোন 'বিধাতা'
এতিয়া
তুমি কৈ দিয়া
এইখন পৃথিৱীতে পোহৰৰ মেলা

ফোন ঃ ৮৮১১৮০৩৪২৩

## অ' মই পানাসক্ত

■ নৱ কাশ্যপ

আৰে ভাই, মই পানাসক্ত
পানাসক্ত মানেইতো নিষ্ঠুৰ নহওঁ , নহওঁ অশ্লীলো
বিষাক্ত নহয় মোৰ চিন্তা, চেতনা, মানৱীয় প্ৰমূল্য
ভদ্ৰলোকে কয়, মই হেনো পানাসক্ত
বহু দিন, বহু বছৰ, বহু ঘাত-প্ৰতিঘাত, পাৰ হ'ল মোৰ কলিজাত
এটি সুখৰ জীৱন মোৰোতো কাম্য আছিল
মোক পানাসক্ত বুলি কোৱাসকলে কি জানিব
হেৰুৱাৰ যন্ত্ৰনা কিমান বিষাক্তদায়ক
মই বাৰু কিদৰে পাহৰিব পাৰোঁ
প্ৰসৱ যন্ত্ৰনাত ছট্ফটাই মৃত্যুবৰণ কৰা
মোৰ দুৰ্ভগীয়া পত্নীৰ কথা
মাতৃৰ গাখীৰৰ অভাৱত টিলটিলকৈ
মৃত্যুৰ যাতনাত থকা
মোৰ কণমানিজনীৰ কথা
আৰু............
দাৰ ঘাপত যেতিয়া মোৰ ডাঙৰ ছোৱালীজনী
চাৰিআলিটোত ছট্ফটাই আছিল
তেতিয়াতো কোনো ভদ্ৰলোক আগবাঢ়ি যোৱা নাছিল
আজি মোৰ চৰিত্ৰৰ কথা লৈ
কিয় চুবুৰিয়ে-চুবুৰিয়ে মেল বহাইছ ?
অ' হয় মই পানাসক্ত হয়
পানাসক্তই মোৰ জীৱনৰ একমাত্ৰ সম্বল
তাকো তহঁতে মোৰ পৰা লৈ যাব খুজিছ
কিয় বাৰু কিয় এনে কৰিছ
আৰে ভায় ভদ্ৰসমাজ...
কেতিয়াবা চুবুৰিয়ে-চুবুৰিয়ে মেল পাতি আনৰ চৰিত্ৰ সমালোচনা
কৰাতকৈ নিজ নিজ ভদ্ৰতাৰ আৱৰণ গুচাই
এবাৰ মোক সুধি চাবিছোন
মোৰ মনৰ যন্ত্ৰণা কিমান গভীৰ
আজি মই ভোক আৰু অভাৱত দিন পাৰ কৰোঁ
সেই খবৰ এবাৰলৈ ৰাখিছনে তহঁতে
শুনা হে ভদ্ৰসমাজ.....
মোৰো আছে স্বাভিমান, আত্মসন্মান
কিন্তু.......কিন্তু........
এই যে স্বাৰ্থপৰ সমাজৰ মায়াৱী পিঞ্জৰাত কোনো দিন
আবদ্ধ নহয় মোৰ প্ৰাণ মোৰ স্বাভিমান।

## সম্ভবা

■ ৰূপজ্যোতি চাংমাই

জয়াল নিশাৰ নীৰৱতা ভাঙি
চিনাকি সুহুৰি এটি বুকুত বাজি উঠে

সম্ভবা পথাৰৰ সোণগুটিডৰাত দাৰনী হাঁহিৰ কোলাহল উঠে

ক্ৰমশঃ তেনেকৈয়ে কেতিয়াবা ধমনী আৰু কলিজাত
আবতৰীয়া ব'হাগ আহে

হেঙুলী মেঘৰ কোনো ৰাগীয়াল সন্ধিয়া ঘন স্পন্দনত উন্মাদ
হৈ আহে বৰষুণজাক . . .

ফোন ঃ ৯৯৫৪২৯৬১৩০

## শৰৎ

■ তপন কুমাৰ দাস

শৰতৰ নিয়ৰসিক্ত এটি পুৱা
শেৱালিৰ কোলাত নিয়ৰৰ মুকুতাত
জিলিকে এখন ছবি
অঁকা আছিল অতীতৰ স্মৃতি উমাল
ধৰাৰ লগতে মনবোৰ হৈছে জীপাল
কাচৰ দৰে স্বচ্ছ স্মৃতিত
মৰীচিকা খেদি মন মৰে বিস্মৃতত

সঁজাল ধাননিডৰাত ঢৌ তুলি
চেঁচা বতাহজাকে
শৰতৰ বতৰা আনি কলিজাত
গুঁজি দিয়ে শীতৰ আৱেগ

আকাশত শুকুলা ডাৱৰ ভাহি ৰয়
মূৰ দাঙি কঁহুৱাই মৰতৰ কথা কয়

নিঃশব্দে দিয়ে শৰতৰ মায়াসনা
স্বচ্ছ প্ৰকৃতিৰ বতৰা
নৈখন এতিয়া শান্ত হৈ বয়
এটি প্ৰেমৰ বীজ প্ৰস্ফুটিত হয়
হৃদয়ে হৃদয়ে
বিস্তাৰিত হ'ব খোজে চৌপাশে
মায়াসনা শৰৎ
মোহমুগ্ধ হয় গধূলি পৰত

শৰতৰ সন্ধ্যা স্নিগ্ধ জোনাকত
শেৱালিৰ সুবাসত বাঢ়ি আহে হেঁপাহ
হৃদয়ত কোণত বয় প্ৰশান্তিৰ বতাহ
কঁহুৱাৰ ভাজত লৱে অশান্ত মন
গাভিনী নিশা বুকুয়ে বিচাৰে
কলিজাৰ গোন্ধ থকা আঁচলখন।

ফোন ঃ ৭০০২৪৬২৫২৩

## শৰতৰ স্মৃতি

■ সুৰভি বৰপাত্ৰ গোহাঁই

নিয়ৰসনা দূবৰিৰ বুকুত
দুভৰিত হিমচেঁচা পৰশ
কুঁৱলিৰ চাদৰৰ আভৰণ ফালি
চিকুণ ঘুমটি শেতেলীত এৰি
প্ৰাতঃভ্ৰমণ কৰা সোণালী বাটে
ৰিণি ৰিণি মাতে হাতবাউলি।

দেউতাৰ পদূলিৰ জপনামুখত
আইৰ হেঁপাহৰ চোতালত
তলসৰা শেৱালিৰ উদুলি মুদুলি
দূবৰি দলিচাত শুই, এঙামূৰি দি উঠে,
নিয়ৰৰ জিলিকা হাঁহিটিত
প্ৰত্যয়ৰ ঘুমতি মাৰি।

যেন যুগ যুগান্তৰৰ প্ৰতিশ্ৰুতি
নিয়ৰ দূবৰিৰ গোপন মেলাত মিলিত হোৱাৰ
পুবাকাশৰ দিনমণিয়ে
মুকুতা নিঃশেষ কৰে দূবৰি পাতে পাতে
সুগন্ধি বা গাতে মেৰিয়াই
তাপিত শেৱালি ম্লান পৰি যায়।

অভিমানি কলিটিয়ে অপেক্ষা কৰে
শৰতৰ সন্ধিয়াৰ সুমধুৰ ক্ষণলৈ
ৰিব্ ৰিব্ কৈ মলয়া বলিব
জকমক কৰি শেৱালি ফুলিব
চন্দ্ৰাৱলীয়ে তৰালীক জোকাব
হৃদয় স্ৰোতস্বিনীত প্ৰতিবিম্বিত হ'ব
সোণালী শৈশৱৰ
শৰতৰ এখনি অনন্য চিত্ৰপট।

ফোন ঃ ৯১০১৪৩০৯২৬

## ৰত্নাকৰ আবেলি

■ দিব্যজ্যোতি বৰুৱা

সেউজীয়াত স্নিগ্ধতা ছটিয়াবলৈ
অৰণ্য মাধুৰী ফুলিবলৈ
ৰিংটোৰ বাটত
সময়ো ৰৈ থকা নাছিল
উশাহত গজি উঠিছিল
এটা ৰত্নাকৰ আবেলি

যেনিয়ে চাওঁ
সিফালেই পাওঁ
উগ্ৰ প্ৰসাধনৰ প্ৰলেপ
মেলখোৱা মুখবোৰত
এটা ভোকাতুৰ অজগৰ

হেঁপাহ য'ত
উশাহ ত'ত
মাতৃদুগ্ধ পান কৰাই
বুকুত গুঁজি দিয়াৰ আকুল বাসনা
মেঘ-মাটি-অৰণ্যৰ স্বৰলিপি

জীৱনৰ ৰূপকথা
বুকুৰ বিলাসিতা
সুখৰ কৰমৰ্দনেৰে বন্ধা
ঋতু পৰিৱৰ্তনৰ হাঁহিফুল।

ফোন ঃ ৬০০০২৩৯৫৭৬

## মাজনিশা খিৰিকী খুলি নথ'ব

■ ৰিমজিম দেৱী

(১)
নিঃসংগতাই মোৰ হৃদয়খন কুতি পেলাইছিল
আৰু মই মুক্তি বিচাৰি খুলি দিছিলোঁ মোৰ কোঠাৰ ভঙা খিৰিকী
তেতিয়া পৰাই কিজানি আপুনি আৰু খিৰিকীখন মোৰ চিনাকি
নিশাটোৰ সংগী।

(২)
আপোনাৰ দৰে মোৰো কোঠাৰ খিৰিকীখন
এতিয়া ওৰে ৰাতি খোলা থাকে
হিচাপহীন ৰাতি উজাগৰে থকা মোৰ শেঁতা চকুৰে আপোনাক
চাই থাকে
আপোনাৰ কোঠাৰ পৰা মোৰ বুকুৰ দূৰত্ব কিমান হ'ব পাৰে
মই ইয়াৰ পৰা চিঞৰিলে আপুনি শুনি পাব নে

(৩)
চিগাৰেটৰ ধোঁৱাৰ কুণ্ডলীবোৰ লাইটৰ পোহৰত জিলিকি থাকে
তাৰ গোন্ধ মোৰ কোঠালৈকে বিয়পি পৰে
আৰু উশাহ বন্ধ কৰি নিজকে শেষ কৰাৰ প্ৰয়াস কৰোঁ
আৰু নোৱাৰোঁ
যেনেকৈ নোৱাৰো ধোঁৱাবোৰ সহ্য কৰিব।
আপুনি কেনেকৈ পাৰে
বিষবোৰ গিলিব ?

(৪)
আনে কয় আপুনি হেনো বদনামী পুৰুষ
কিন্তু পুৰুষ জানো বদনামী হয় ?
জানেনে দুৰ্বল ৰাতিবোৰত
বদনামী পুৰুষবোৰেই নিঃসংগ নাৰীক সংগ দিয়ে
নিঃসংকোচে গোপনীয়তা ভাঙে।

(৫)
সেয়ে কৈছোঁ মাজনিশা আপোনাৰ কোঠাৰ খিৰিকী খুলি নথ'ব
নিঃসংগ নাৰীবোৰ আপোনাৰ প্ৰেমত পৰিব।
আপোনাৰ ওচৰত চিঞৰি চিঞৰি আত্মসমৰ্পণ কৰিবলৈও ক্ষন্তেক
নাভাবিব।

মাজনিশা নিঃসংগতাৰ সুযোগ
খুলি থোৱা খিৰিকীখনক নিদিব
আপোনাৰ নিঃসংগতাক বদনামী নকৰিব।

ফোন ঃ ৯৫৭৭৬৬৩৩৮৯

## বৰষুণ

■ ছায়া শইকীয়া

তুমি জানানে.....?
বৰষুণ যে মোৰ কিমান প্ৰিয়
তুমি বাৰু জানানে...
এই বৰষুণজাকত তিতি ভালপোৱা
ছোৱালীজনী যে মই
তুমি জানিব বিচাৰিবা জানো
মোৰ এই অনুভৱবোৰৰ মাজতেই
সদায় লুকাই থকা তুমি
এজাক বৰষুণ হৈ

## শিলগছ

■ ৰাগিণী আলম্যান

ৰিক্ত হৃদয়ৰ বন্ধ কোঠাত
মোৰ সমস্ত সত্তাই প্ৰশ্ন কৰে
কাৰ বাবে এই ভালপোৱা
কাৰ বাবে এই জীৱনৰ বেলা ?

মেঘৰ গাজনিত সিক্ত হৈ
অৱৰুদ্ধ মনে আন্দোলন কৰে
প্ৰাপ্তি আৰু বিশ্বাসৰ তুলাচনীত
কাৰ পাল্লা ভাৰী হয় ?

মৰুভূমিৰ পানীত হাত পখালি
দুহাত মেলি দিওঁ বিশ্বাসৰ দিশে
হাতখন চুটি হৈ মাতৃৰ উদৰত সোমায়
বাকৰুদ্ধ হৈ পৰে উদাসী সময়।

জৰায়ু ফালি মুক্ত হোৱাৰ ক্ষমতা মোৰ নাই
হয়তো তোমাৰো নাই
বিশ্বাসবোৰ এনেকৈয়ে পানীমেটেকা হৈ পৰে।

ৰ'দৰ তাপত গজি উঠা শিল গছডালে
মোৰ বুকুত কাঁইট হৈ বিন্ধে
দুখ মই নকৰোঁ,
দোষ তোমাৰো নাই
অথচ জোনাকবিহীন গভীৰ নিশা
তৰাফুল এটা বুকুতে ঢিমিককৈ জ্বলি ৰয়।

ফোন ঃ ৯১০১৪ ৭৬০৬৫

## সপোনৰ ক'লাজ

■ গৌতম মালাকাৰ

আমি তেনেই সাধাৰণ মানুহ
সাধাৰণ মানুহৰ ক্ৰয় ক্ষমতা সীমিত,
সেয়ে আমি সপোন কিনিব নোৱাৰোঁ।
সপোনৰ ক'লাজ বুকুত সাবটি
আমি উজাগৰে থাকোঁ।

ডাঙৰ মানুহবোৰৰ সীমাহীন সপোন,
সিহঁতৰ প্ৰতিটো সপোন সহজে বাস্তৱ হয়।
সিহঁত নেতাবোৰৰ বুকুৰ কুটুম,
নেতাবোৰ গণতন্ত্ৰৰ ঈশ্বৰ

ঈশ্বৰে সংগ্ৰাম ভাল পায়
সাধাৰণ মানুহৰ সংগ্ৰামে
নতুন নতুন ঈশ্বৰৰ জন্ম দিয়ে।
ঈশ্বৰবোৰে জন্মদাতাক পাহৰি পেলায়,
জন্মদাতাৰ শূন্য বুকুত
সপোনবোৰ ক'লাজ হৈ ৰয়

ফোন ঃ ৯৪৩৫১৬৮৩৭৮

## অপ্ৰাপ্তি

■ জিতুমণি বৰদলৈ

ৰ'দ এচেৰেঙা হৈ
সোমাই আছহি বুকুত
আন্ধাৰত দুঃখবোৰ
আঁৰি থৈ গোপনে
জোনটোকে আঁকি দিম ৰ
তোৰ দুচকুত...।

ফোন ঃ ৯১০১৪১৩৫২৬

## নৈ

■ দিব্যজ্যোতি বৰুৱা

ছিৰাল ফাঁট দিয়া পথাৰখনৰ
অবুজ প্ৰাৰ্থনাত
নৈখন জী উঠে
বতাহে ছটিয়াই দিয়া ভাটিয়লী গীতৰ মূৰ্ছনা
নৈয়ে কাণপাতি শুনে

শুকান হাবিক নিচুকাই
নৈয়ে লয় উচ্ছল গতি
বুকুৰ উদাস ঢাকন খুলি
ঢালি দিয়ে মৃতসঞ্জীৱনী

নৈৰ এচলু পানী পি
শাঁত পৰে কলহৰ তৃষ্ণা
নৈয়ে আঁকি লোৱা পানীৰ দাপোণত
বেলিয়ে মুখনি সজায়
নল-খাগৰিৰ কথকতাত
লাজুকী বেলিৰ মনৰ আঁত হেৰায়

নাগৰিক সভ্যতাই উজলাই তোলা
গাঁৱবোৰ যেতিয়া পোহৰ হৈ পৰে
নৈখন তেতিয়া নিঃহপালি দি শুই পৰে
আওৱাই জীৱনৰ পুৰাতন পাঠ

কাৰ বুকুৰ বান
কাৰ বুকুৰ ধান
কথিত-অকথিত অযুত কাহিনী লৈ
নিৰৱধি বৈ যায় নৈ

অ' মোৰ হেঁপাহৰ স্ৰোতস্বিনী
মেলি দে তোৰ বুকু
খুলি দে তোৰ চকু
তোৰ বুকুতে এপাহ খৰিকাজাঁই ছটিয়াই
আঁকি ল'ম সুখৰ নিহালিৰে এখন পানচৈ।

ফোন ঃ ৬০০০২৩৯৫৭৬

## তুমি যদি

■ এন হক

তুমি যদি নিৰৱধি সোঁত হৈ
ঢৌ খেলি ভাল পোৱা
ওৰে জীৱন তোমাৰ বাবে নৈ হৈ ৰ'ম।

চেনেহৰ মোহনাত ওপঙি তুমি যদি থাকিব পাৰা
তোমাকে আলফুলে সাবটি ল'ম
হাতত যদি বিশ্বাসখিনি আঁজুৰি থোৱা
তোমাৰ বাবে মই এটি আকাশ হ'ম।

তুমি যদি নভবাকৈয়ে ভাবি যোৱা কথাবোৰ
এয়াই জানো ভৰসা নহয়
প্ৰেমৰ বৰষুণত তিতি যদি উন্মাদ হোৱা
ময়েই বৰষুণ হৈ তোমাক তিয়াম

মেলি দিয়া দুবাহুত লৈ ফুৰা আকাশখন
তুমি জানো দেখা নাই
তুমি জানো অনুভৱ কৰা নাই হাতৰ স্পৰ্শ
তোমাৰ হাততেই দেখোন মোৰ হাত...

হাতখন কিয় লাগে .....
তুমি যদি কোৱা
কলিজাটোৰে উভালি দিম তোমাৰ দুহাতত ....।

ফোন ঃ ৯১০১৮২৮১৫৯

## অভিশাপ দিয়া

■ নৱজিৎ দেউৰী

মোক অভিশাপ দিয়া
যেন পাৰমাণৱিক প্ৰেমিক হ'ব পাৰোঁ
যেন তোমাৰ ওঁঠৰ জড়তা শুহি ল'ব পাৰোঁ।

মোক অভিশাপ দিয়া
যেন মোৰ আঙুলিবোৰে তোমাক বজাব পাৰে সুনিপুণ
যেন জ্যামিতিক স্পৰ্শত তৃপ্ত হয় তোমাৰ শৰীৰ।

মোক অভিশাপ দিয়া
যেন গাব পাৰো নিখুঁত মাংসৰ গান
যেন আঁকিব পাৰোঁ চুম্বনৰ জটিল ছবি।

মোক অভিশাপ দিয়া
যেন পাপী হ'ব পাৰোঁ
যেন পাপে পাপে বিন্ধা কৰিব পাৰোঁ তোমাৰ হৃদয়।

মোক তীব্ৰ অভিশাপ দিয়া
যেন তোমাৰ বাবে সৃষ্টি কৰিব পাৰোঁ নিবিড় আলিংগন
যেন তোমাৰ বাবে চহ কৰিব পাৰো অব্যৰ্থ সংগম
যেন তোমাৰ বাবে ফুলাব পাৰো শুদ্ধতম চুম্বন।



## শৰৎ


■ পবিত্ৰ কুমাৰ দাস

শৰতৰ সিক্ত দূবৰিত
সুখ-দুখৰ এখন মেলা
শেৱালি ফুলে নিতাল মাৰি
শুই যায়
বহুত সপোন পাহৰি।
আলোকিত কৰি তোলে
এটি জীপাল পুৱা ।

আহিনৰ শুকুলা ডাৱৰে
ৰাগিনী তোলে শৰতৰ,
কোলাহল আঁতৰাই
প্ৰতিশ্ৰুতিৰে বাট চায়
প্ৰিয় শৰতলৈ।

আদ্ৰ্য এটা ঋতুৰে
সজাই তোলে আকাশখন
কঁহুৱা ফুলে প্ৰেমৰ ৰাগীত
ঝঙ্কাৰ তুলি নাচে।
বাস্তৱবোৰে মূৰ দাঙি উঠে।

বুকুৰ আশাবোৰে সাৰ পাই
আগুৱাই যায়
নীলা ডাৱৰৰ মাজেৰে উথলি উঠা
আলোকৰ সন্ধান বিচাৰি।



## সূৰ্যৰ দেশ কিমান দূৰ

■ ৰফিক উদ্দিন

শব্দ হেৰাই গ'ল;
বিচাৰি বিচাৰি হাইৰাণ
খবৰ পালোঁ বৰ্যাৰণ্যত
শব্দই আছে খেলি
জীৱনক বাজি কৰি
আগুৱাই যাওঁ...
বাটতে লগ পাওঁ জলধাৰ
জলধাৰক সুধিলো-
সূৰ্যৰ দেশ কিমান দূৰ ?
ভূপেন দাৰ সুৰত ক'লে-
"ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ।

ফোন ঃ ৯৮৬৪৭৯২৩৫৫

## মা

■ ৰাতুল শৰ্মা

মা
এটি মিঠা শব্দ
য'ত লুকাই আছে
সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ড
জীৱনৰ আদি আৰু অন্ত।
মা
মমতাৰ জীৱন্ত প্ৰতিমূৰ্তি
স্নেহৰ নিৰ্মল নিজৰা
জীৱনৰ আদিম গান
ভগৱানৰ অনবদ্য দান।
মা
এটি বৰ্ণৰ এক শব্দ
প্ৰেৰণাৰ অন্তহীন উৎস
অকৃত্ৰিম মৰমৰ দাপোণ
মা আমাৰ প্ৰাণৰ আপোন।
মা
জীৱনৰ প্ৰথম গুৰু
যৌৱনৰ প্ৰকৃত বন্ধু
প্ৰেমৰ অনুপম দৃষ্টান্ত
স্বাৰ্থবিহীন এক পৱিত্ৰ সম্বন্ধ।
মা
এক অনন্য সুখানুভূতি
যিয়ে দিয়ে জীৱনৰ গতি
পৃথিৱীৰ সবাতোকৈ সুৰক্ষিত ঠাই
চিৰ পূজনীয়া আমাৰ আই।

ফোন ঃ ৭০০২১৭২৯১৮

## শৰৎ

■ অৰুণ গগৈ

সুতীব্ৰ শেৱালিৰ সুগন্ধি সুঘ্ৰাণত
বুকুলৈ উজাই আহিছে
ফেহু বৰণীয়া হেঁপাহ
সুহুৰি বজাই বাউলি নৈপৰীয়া বতাহ

কোমল দূবৰিত ৰ'দ এচেৰেঙা বান্ধি
তিৰবিৰ নিয়ৰৰ মণি
ৰ'দালি বুকুত বাজে
মিঠা শৰতৰ ৰাগিনী

স্নিগ্ধ জোনাকৰ সেলেঙি বোৱাই
পাহাৰখনে জীয়া শিলৰ কাহিনী কয়
নীলাভ আকাশে মেৰিয়াই ধৰা সময়খিনিক
পাহাৰটোৱে বুকুৰ মাজত গুঁজি থয়



শৰতৰ কথা কৈ
বৈ বৈ গৈ থাকে নৈ
মেলি দিয়ে সুখৰ পানচৈ

শুকুলা কঁহুৱাৰ আঁচল খহি
শৰতে বজাই আহিনৰ বাঁহী

হেঁপেহুৱা জোনৰ ওৰণি খহাই
এহেজাৰ এটা সাধু শুনাই
ৰাতি ৰাতি উৰি যায়
শৰতৰ প্ৰেমিক চৰাই।

ফোন ঃ ৯৭০৭৩৯০৫৪০

## ৰঙা চকুযুৰিৰ সন্ধানত

■ সবিতা দাস

সিদিনা ৰঙা চকুযুৰিয়ে হাঁহিছিল..
তিৰবিৰাই থকা নেত্ৰযুগলে যেন
বিচাৰি আছিল এটি ঠিকনা।
মায়াসনা চকুযুৰিয়ে লাজ লাজকৈ চাইছিল
থৰ হৈ পৰিছিলোঁ
কি আছে এই চাৱনিত ...
আৱেগত বুকুখন কঁপি উঠিছিল।
হঠাৎ চকুযুৰিৰ সৈতে বিচ্ছেদ হ'ল
কিন্তু ...
ৰঙা চকুযুৰিৰ যাদুকৰী চাৱনিয়ে মনটো হৰি নিলে;
পুনৰ চকুযুৰি চোৱাৰ হেঁপাহটোৰে
নিশাৰ ঘুমতি হৰিলে।
জালুকবাৰী, আদাবাৰী, গণেশগুৰি বিচাৰি
চলাথ কৰিলোঁ।
জোনাক ভৰা নিশা জোনবাইক
কাকূতি কৰিলোঁ,
'দিয়া মোক উপহাৰ সেই ৰঙা চকুযুৰি'
নাই নাপালোঁ জোনবাইৰ প্ৰত্যুত্তৰ।
পাহাৰীয়া জুৰিটিক সুধিলোঁ ?
'আনি দিয়া ৰঙা চকুযুৰি,
একেলগে গীত জুৰিম তোমাৰ পাৰত বহি নাই নিদিলে উত্তৰ,
নিৰৱধি মাথোঁ বৈ থাকিল।
আৰু এয়া চোৱা...
সাগৰৰ তীৰত মই অকলে
যাত্ৰা কৰিছোঁ ৰঙা চকুযুৰিৰ সন্ধানত।

ফোন ঃ ৮৭৬১০৩৪২১৬

## সম্পৰ্ক

■ মেঘদীপ প্ৰিয়ম

কিবা এটা ভাল লগাই সম্পৰ্কটো গতি কৰিলে
দিনক দিনে বাঢ়ি থাকিল তাৰ ঘনত্ব
মানুহে তাক সূৰ্যৰ ৰঙেৰে নামাংকিত কৰিলে
পাহাৰ সিপাৰে জিলিকি থাকিল
স্বস্তিৰ এমুঠি ৰ'দৰ সুঘ্ৰাণ।

সম্পৰ্কটো ঠিক নৈৰ দৰে, সদায় বৈ নাথাকে
কেতিয়াবা খৰালিত শুকান বালিচৰত হাহাকাৰ কৰে
কেতিয়াবা বাৰিষাৰ তেজাল বসন্তত
ষোড়শী গাভৰু হৈ নৃত্য কৰে
সকলো সময়ৰ নিৰ্ভুল নিৰ্দেশনা
অথবা সকলো প্ৰয়োজন অপ্ৰয়োজন নিৰ্মম প্ৰকৃতিৰ

সম্পৰ্ক সদায় পোহৰৰ দিশেই গতি নকৰে
কেতিয়াবা আন্ধৰতো গতি কৰে মসৃণভাৱে
তোমাৰ মোৰ এতিয়া আন্ধাৰ সম্পৰ্কৰ নীৰৱতা

সম্পৰ্ক যিয়েই নহওক
তাক জীয়াই ৰখাৰ দায়িত্ব কিন্তু আমাৰেই
সম্পৰ্কৰ বাটত তুমি হাত উজান দিলেও
মই কিন্তু ধৰি ৰাখিম আন্ধাৰৰ মসৃণ বাটত
নিতৌ জিলিকি থাকিব আমাৰ সম্পৰ্কটো
সূৰ্য উঠা আকাশৰ বাগিচাত ভালপোৱাৰ বৰ্ণ হৈ ।

ফোন ঃ ৯১০১৭৩৭৩৩৬

## বুঢ়া আঁহতজোপাৰ ডালত

■ দিব্যজ্যোতি বৰুৱা

দুহাত মেলি সাবটিব নোৱাৰা
বুঢ়া আঁহতজোপাৰ ডালত
লেটা বন্ধা সপোনবোৰ ওলমি আছিল

কিবা এটা সংকোচত
কিবা এটা আশংকাত হেৰায়
কঁপহুৱা বেলিৰ আঁচল

অতীতৰ উষ্ম হেন্দালি
কঁপহুৱা মেঘৰ ৰ'দালি
আদিম পৰিমণ্ডলত ঘূৰি ফুৰে
অৰণ্য আৰু মফচলীয় চহৰৰ আবেলি

অভ্যাসৰশতঃ
পদূলি শুঙা কীটানুৰ দৃষ্টিত
নকঁপে দুহাতৰ মালা
চাবুক মৰা পিঠিত নাবান্ধে
দুৰ্বোধ্য যন্ত্ৰণাৰ কৰাল
অপ্ৰয়োজনত মাটিত সৰি পৰে
তপত বেলিৰ এফাল

দৰকাৰী-অদৰকাৰী
প্ৰয়োজন-অপ্ৰয়োজন
কাৰণ-অকাৰণত
গলিত হয় কুষ্ঠ ৰোগীৰ ঘাঁ
বহিৰ্প্ৰকাশ হয়
অতীত-বৰ্তমানৰ এটা অবাঞ্ছিত অধ্যায়।

ফোন ঃ ৬০০০২৩৯৫৭৬

তৃতীয় পৃষ্ঠাৰ পৰা—

## বৰ্ষামুক্ত হ'ব নে বৰ্ষাপাৰা

শৃংখলাটোত ১-০ৰ অগ্ৰগতি লৈছে। কাইলৈৰ মেচত জয়ৰে ভাৰতৰ লক্ষ্য শৃংখলা দখল কৰা। উল্লেখ্য যে চলিত মাহতে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হৈছে যদিও টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন টি-২০ মেচ খেলিছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত এতিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ ৰ এক শৃংখলাত অংশ লৈছে টীম ইণ্ডিয়াই। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে শৃংখলা দখল কৰা ভাৰতীয় দলৰ লক্ষ্য দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে এই গৌৰৱ অৰ্জন কৰি দৃঢ়তা আৰু শক্তিশালী মানসিকতাৰে কেংগাৰুৰ দেশলৈ আই চি চি টি-২০ বিশ্বকাপ খেলিবলৈ যোৱা। বিপৰীতে কাইলৈৰ শৃংখলাৰ দৃষ্টিৰে মৰণপণ মেচখনত জয় অৰ্জন কৰি প্ৰত্যাৱৰ্তনৰ আশা দক্ষিণ আফ্ৰিকাৰো। কিন্তু প্ৰথম মেচৰ বেটিং ব্যৰ্থতাই দক্ষিণ আফ্ৰিকাক যে কাইলৈ গুৱাহাটীতো চাপৰ মাজত ৰাখিব সেয়া নিশ্চিত। বিপৰীতে ভাৰতীয় দলৰ আত্মবিশ্বাস এতিয়া তুংগত। ৰোহিত শৰ্মা আৰু বিৰাট কোহলিৰ ব্যৰ্থতাৰ পাছতো দলে প্ৰথম মেচত হেলাৰঙে পৰাস্ত কৰিছে শক্তিশালী দক্ষিণ আফ্ৰিকাক। লোকেশ ৰাহুল আৰু সূৰ্যকুমাৰ যাদৱৰ ফৰ্ম তথা মধ্যক্ৰমত ঋষভ পন্ত, দীনেশ কাৰ্তিক তথা শ্ৰেয়াছ আয়াৰৰ প্ৰত্যাৱৰ্তনে টীম ইণ্ডিয়াৰ বেটিং বিভাগক ভাবনামুক্ত কৰি দিছে। আনহাতে, যশপ্ৰীত বুমৰাহ নাথাকিলেও টীম ইণ্ডিয়াই নৱাগত পেচাৰে বিপক্ষক আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰাইছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চলিত শৃংখলাত ভাৰতীয় দলত কিছু সাল-সলনি হৈছে। কৰ'নাৰ বাবে মহম্মদ ছামি দলৰ পৰা ইতিমধ্যে বাহিৰ হোৱাত তেওঁৰ স্থানত উমেশ যাদৱক অন্তৰ্ভুক্ত কৰা হৈছে দলত। আনহাতে, হাৰ্দিক পাণ্ডিয়াৰ স্থানত দলত লোৱা হৈছে শ্বাহবাজ আহমেদক। তদুপৰি দীপক হুদাৰ স্থানত শ্ৰেয়াছ আয়াৰে দললৈ আহিছে। আঘাত পোৱা যশপ্ৰীত বুমৰাহৰ স্থানত মহম্মদ চিৰাজক টীম ইণ্ডিয়াত অন্তৰ্ভুক্ত কৰা হৈছে।

**গুৱাহাটীৰ উইকেট ভাল, জয়ৰ আশা দক্ষিণ আফ্ৰিকাৰ**

প্ৰথম মেচত পৰাস্ত হোৱাৰ পাছত কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত খেলিব লগা দ্বিতীয়খন টি-২০ ত জয়ৰ আশা কৰিছে দক্ষিণ আফ্ৰিকাই। আজি সংবাদমেলত এই কথা ব্যক্ত কৰি আলহী দলৰ অভিজ্ঞ পেচাৰ ৱেইন পাৰ্ণিলে কয় যে বৰ্ষাপাৰা ষ্টেডিয়ামৰ উইকেট প্ৰথম মেচৰ উইকেটতকৈ পৃথক। গতিকে দলে প্ৰথম মেচখনত বেটিংৰ সময়ত যি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল, কাইলৈ সেয়া নহ'ব। 'আমাৰ বেটাৰসকলে যোৱা ছমাহ ধৰি সুন্দৰ বেটিং কৰি আহিছে। সেয়ে এখন মেচৰ বিফলতাই এয়া নুবুজায় যে আমি বেটিংত দুৰ্বল। প্ৰথম মেচৰ উইকেট বেটিং সহায়ক নাছিল। যাৰবাবে আমি প্ৰথমে বেটিং কৰাৰ পৰিনাম ভুগিব লগা হৈছিল। কিন্তু বৰ্ষাপাৰাৰ উইকেট সম্পূৰ্ণ পৃথক। উইকেটত ঘাঁহ আছে। এয়া আমাৰ বাবে অনুকূল। গতিকে আশা কৰিছো আমি কাইলৈৰ মেচত জয়েৰে সমতা স্থাপন কৰিব পাৰিম।' পাৰ্ণিলে প্ৰকাশ কৰে। ইফালে, আসন্ন আই চি চি টি-২০ বিশ্বকাপলৈ দক্ষিণ আফ্ৰিকা কিমান সাজু হৈছে বুলি প্ৰশ্ন কৰাত অভিজ্ঞ পেচাৰজনে কয় যে বিশ্বকাপৰ প্ৰস্তুতি দক্ষিণ আফ্ৰিকাই ইতিমধ্যে আৰম্ভ কৰিছে। ভাৰতত শৃংখলা খেলাৰ পূৰ্বে ইংলণ্ড আৰু অষ্ট্ৰেলিয়াতো টি-২০ শৃংখলাত অংশ লৈছো। এয়া আমাৰ প্ৰস্তুতি। আমি আত্মবিশ্বাসী হৈ অষ্ট্ৰেলিয়ালৈ যাম।' ইফালে, কাইলৈৰ মৰণ মেচখনত দক্ষিণ আফ্ৰিকা দলত সাল-সলনি হ'ব নে নহয় সেই বিষয়ে আজিলৈকে সিদ্ধান্ত লোৱা নাই আলহী দলটোৱে। উল্লেখ্য যে চলিত তিনিখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন মেচত আঠ উইকেটত পৰাস্ত হৈছে দক্ষিণ আফ্ৰিকা। তিৰুৱনন্তপুৰমত হোৱা মেচত পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই ২০ অভাৰত আঠ উইকেট হেৰুৱাই মাত্ৰ ১০৬ ৰাণতে ইনিংছ সামৰে। আলহী দলৰ চাৰিজন বেটাৰ শূণ্যতে আউট হয়। কিন্তু কেশৱ মহাৰাজে ৪১, মাৰ্কৰামে ২৫ আৰু পাৰ্ণিলে ২৪ ৰাণ কৰি দক্ষিণ আফ্ৰিকাৰ দলীয় স্ক'ৰ শতক পাৰ কৰায়। ভাৰতৰ হৈ অৰ্শদীপ সিঙে তিনিটা তথা দীপক চাহাৰ আৰু হাৰ্ছল পেটেলে দুটাকৈ উইকেট পায়। অভিজ্ঞ অশ্বিনে উইকেট নাপালেও চাৰি অভাৰত মাত্ৰ আঠ ৰাণহে খৰচ কৰে। প্ৰত্যুত্তৰত, ভাৰতে ১৬.৪ অভাৰত দুটা উইকেট হেৰুৱাই ১১০ ৰাণ কৰি জয় অৰ্জন কৰে আৰু তিনিখনীয়া টি-২০ শৃংখলাটোত ১-০ ত অগ্ৰগতি লয়। ভাৰতৰ ৰোহিত (০) আৰু বিৰাট (৩) ব্যৰ্থ হয় যদিও লোকেশ ৰাহুল (৫১) আৰু সূৰ্যকুমাৰ যাদৱে (৫০) অপৰাজিত অৰ্ধশতকৰে দলক বিজয়লক্ষ্যত উপনীত কৰায়।

## ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰাটে

পৰ্যায়ৰ কাৰাটে খেলুৱৈসহ দুজন যুৱক থিতাতে নিহত হোৱাৰ ঘটনাই সমগ্ৰ শিৱসাগৰ জিলাখনতে গভীৰ শোকৰ ছাঁ পেলাইছে। শিৱসাগৰ সদৰ থানাৰ অন্তৰ্গত ঐতিহাসিক কৌৱৰপুৰ কাৰিগাঁৱত সংঘটিত এই ভয়াবহ পথ দুৰ্ঘটনাত থিতাতে নিহত হোৱা দুজন যুৱক হৈছে উক্ত অঞ্চলৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰাটে খেলুৱৈ শিৰোমণি কোঁৱৰ (২৫) আৰু আনজনক অজয় কোঁৱৰ (২৪) বুলি জানিব পৰা গৈছে। এই দুৰ্ঘটনাত প্ৰদ্যুম্ন বৈৰাগী নামৰ আন এজন যুৱকো গুৰুতৰভাৱে আহত হৈ বৰ্তমান চিকিৎসালয়ত জীৱন-মৃত্যুৰ যুঁজি থকা বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি মতে নিহত শিৰোমণি আৰু অজয় সম্পৰ্কত এক পৰিয়ালৰ ভাতৃপ্ৰতীম। আনহাতে, আহত প্ৰদ্যুম্ন বৈৰাগী নিহত শিৰোমণি আৰু অজয়ৰ বন্ধু। শিৱসাগৰ আৰক্ষীৰ সূত্ৰই সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে কালি নিশা প্ৰায় সাত মান বজাত এ এছ-০৪ ভি-১১২৪ নম্বৰৰ স্কুটীখন লৈ তিনিও বন্ধুৰে নকটানি অঞ্চলৰ এটা পৰিয়ালৰ ঘৰলৈ গৈছিল। নিশা প্ৰায় ১০ বজাৰ পিছত একেখন স্কুটীৰে তিনিও বন্ধুৰে নিজ গৃহ অভিমুখে তীব্ৰগতিৰে আহি থকাৰ সময়ত হঠাৎ নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ এজোপা গছত প্ৰচণ্ড জোৰেৰে খুন্দিয়ায়। গ্ৰাম্য অঞ্চলটোৰ ৰাইজে শোভাপাটীলৈ যোৱাৰ সময়ত প্ৰচণ্ড শব্দ শুনি ঘটনাস্থলীলৈ আহি তিনিওজনক আহত অৱস্থাত পৰি থকা প্ৰত্যক্ষ কৰে। নিজ গৃহৰ সমীপতেই সংঘটিত দুৰ্ঘটনাৰ পিছতে ৰাইজে তৎপৰতাৰে আহতসকলক শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। চিকিৎসকে তিনিওকে প্ৰাথমিক চিকিৎসা প্ৰদান কৰি লগে লগেই উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও বাটতে শিৰোমণিৰ মৃত্যু হোৱাৰ লগতে চিকিৎসালয়ত অজয় কোঁৱৰৰ মৃত্যু হয়। একেখন স্কুটীৰে আহত হোৱা তৃতীয়জন আৰোহী প্ৰদ্যুম্ন বৈৰাগীক যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে। এগৰাকী সম্ভাৱনাময় ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰাটে খেলুৱৈসহ দুজন ব্যক্তি থিতাতে নিহত হোৱাৰ ঘটনাই সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পেলাইছে। শিৱসাগৰৰ ক্ৰীড়াপ্ৰেমী ৰাইজকো মিয়মান কৰি তুলিছে। আজি দুপৰীয়া শিৱসাগৰ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ অন্তত দুয়োগৰাকী যুৱকৰ মৃতদেহ পৰিয়াল বৰ্গই চমজি লৈছে। বিয়লি স্ব-গৃহত দুয়োগৰাকী যুৱকৰে মৃতদেহ লৈ উপস্থিত হোৱাৰ পিছতে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। দুয়োগৰাকী যুৱকৰে নশ্বৰ দেহত জিলাখনৰ বহুকেইটা আগশাৰীৰ অনুষ্ঠানৰ শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ অন্তত শেষকৃত্য সম্পন্ন কৰা হয়। কালি নিশাই ঘটনাস্থলীলৈ উপস্থিত হোৱা শিৱসাগৰ যান-বাহন শাখাৰ আৰক্ষীয়ে অভিশপ্ত স্কুটীখন জব্দ কৰি থানালৈ নিয়াৰ লগতে তদন্ত আৰম্ভ কৰিছে। স্মৰ্তব্য যে, শেহতীয়াকৈ অনুষ্ঠিত যুৱ অলিম্পিকতো কাৰাটে খেলুৱৈ তথা প্ৰশিক্ষক শিৰোমণিৰ নেতৃত্বাধীন দলটোৱে পদক বুটলি শিৱসাগৰলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

## বিধায়ক বিশ্বজিৎ ফুকনৰ

কেইবাবছৰৰ বৰষুণৰ পৰিমাণ কম হোৱা বাবে মহকুমাটোৰ কৃষক ৰাইজে কৃষি কৰি উৎপাদন বৃদ্ধি কৰিব পৰা নাছিল যদিও যোৱাটো বৰ্ষত সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৰ ধনশিৰি মহকুমাত বৰষুণৰ অভাৱত খৰাং হোৱা বাবে কৃষক ৰাইজে ধান খেতি কৰিবলৈ সক্ষম হোৱা নাছিল। যাৰ ফলত কৃষি কৰ্ম জৰিয়তে পোহপাল দিয়া মহকুমাটোৰ ৯০ শতাংশ কৃষকৰ বাবে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। খৰাং পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সময়তে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে মহকুমাটোৰ কৃষক ৰাইজৰ দুখ-দুৰ্দশাৰ প্ৰতি লক্ষ্য ৰাখি ধনশিৰি মহকুমাক খৰাং অঞ্চল হিচাপে ঘোষণা কৰিবৰ বাবে আলোচনা কৰে আৰু বিষয়টো কেবিনেটত অনুমোদন কৰোৱাৰ চেষ্টা চলায়। বিধায়কজনে কৃষক আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, জলসিঞ্চন মন্ত্ৰী অশোক সিংঘল আৰু সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ প্ৰচেষ্টাত অসম চৰকাৰৰ মন্ত্ৰী দুগৰাকীয়ে খৰাংপীড়িত ধনশিৰি মহকুমালৈ আহি মহকুমাটোৰ বিভিন্ন অঞ্চলত ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰাৰ লগতে ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ লয়। মন্ত্ৰী দুগৰাকীয়ে পৰিদৰ্শনৰ অন্তত খুব কম সময়ৰ ভিতৰতে খৰাংপীড়িত কৃষকসকলক পৰিয়ালসমূহে চৰকাৰৰ বিভাগীয় নিয়ম অনুসৰি ক্ষতিপূৰণ লাভ কৰিব বুলি আশ্বাস প্ৰদান কৰে। জানিব পৰা মতে অসম চৰকাৰে ধনশিৰি মহকুমাক খৰাংপীড়িত অঞ্চল হিচাপে ঘোষণা কৰাত প্ৰায় ৫ কোটি টকা অনুমোদন জনাইছিল। যদিও কাৰিকৰী অসুবিধাৰ বাবে উক্ত টকা পুনৰ চৰকাৰৰ ঘৰলৈ ঘূৰি যায়। ফলত মহকুমাটোৰ কৃষক ৰাইজৰ মাজত এক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। এই প্ৰতিক্ৰিয়াৰ মাজতে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে বিশেষ তৎপৰতা গ্ৰহণ কৰি মন্ত্ৰী যোগেন মহনৰ সৈতে সঘনাই যোগাযোগ কৰাৰ লগতে বিত্ত বিভাগৰ পৰাও পুনৰ অনুমোদন কৰাই উক্ত ধন পুনৰ ঘূৰাই আনিবলৈ সক্ষম হয়। খৰাংপীড়িত কৃষকসকলক ক্ষতিপূৰণ দিয়াৰ উদ্দেশ্যে শনিবাৰে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাট জিলা উপায়ুক্ত পি উদয় প্ৰবীণ, কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰীকে ধৰি কেইবাগৰাকী ব্যক্তিৰ উপস্থিতিত খৰাংপীড়িত মহকুমাটোৰ চল্লিছগৰাকী কৃষকক চেক বিতৰণ কৰে আৰু বাকীসকলে নিজা নিজা বেংক একাউণ্টত পোনপটীয়াকৈ পাবলৈ সক্ষম হ'ব। অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত তথা ধনশিৰি মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি দিনচেংফা বৰুৱা, সৰুপথাৰ ৰাজহ চক্ৰ বিষয়া হেমাংগ নাথ, সীমান্ত দণ্ডাধীশ প্ৰাঞ্জিল গগৈ, নিৰ্বাচনী বিষয়া কৃষ্ণ ডেকা, ভালেকেইগৰাকী চৰকাৰী উচ্চপদস্থ বিষয়া উপস্থিত থাকে। উল্লেখ্য যে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ কৰ্মতৎপৰতাৰ বাবে ধনশিৰি মহকুমাৰ ২৫৭৬০ গৰাকী কৃষকক মুঠ ৯ কোটি ৯২ লাখ টকা ক্ষতিপূৰণ হিচাপে পাবলৈ সক্ষম হ'ব। ক্ষতিপূৰণ লাভ কৰি কৃষক ৰাইজে বিধায়ক বিশ্বজিৎ ফুকনক কৃতজ্ঞতা জনাইছে।

## মুছলপুৰত ৫৯১জন শিক্ষকক

শিক্ষকসকলক ২০০৮ চনত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিটিচি চৰকাৰৰ শিক্ষা বিভাগে চাকৰিৰ পৰা অব্যাহতি দিছিল। কিন্তু ২০১৫ চনত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে পুনৰ প্ৰায় ১৩০০ শিক্ষকক চাকৰিত যোগদানৰ নিৰ্দেশ দিয়ে যদিও বৰ্তমানলৈকে প্ৰাপ্য দৰমহাৰ পৰা বঞ্চিত আছিল। শেহতীয়াকৈ এই শিক্ষকসকলে পুনৰ আদালতৰ কাষ চপাত ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে এই শিক্ষকসকলক নিয়মীয়াকৰণ পত্ৰ প্ৰদান কৰে বি টি চি পৰিষদে। প্ৰথম পৰ্যায়ত বিটিচিৰ শিক্ষা বিভাগে ৩০১জন শিক্ষকক নিয়মীয়াকৰণ পত্ৰ প্ৰদান কৰাৰ পিছত আজি পুনৰ ৫৯১গৰাকী শিক্ষকক নিয়মীয়াকৰণ পত্ৰ প্ৰদান কৰে। এই উপলক্ষে বাক্সা জিলাৰ মুছলপুৰস্থ সাংস্কৃতিক প্ৰকল্প চৌহদত আয়োজিত এক অনুষ্ঠানত শিক্ষকসকলক নিয়মীয়াকৰণ পত্ৰসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। প্ৰণিধানযোগ্য যে বিশেষ অসুবিধাৰ বাবে ৮৪গৰাকী শিক্ষকক আজি নিয়মীয়াকৰণ পত্ৰ দিব নোৱাৰিলে যদিও পৰৱৰ্তী সময়ত প্ৰদান কৰিব। ইফালে বিটিচি অঞ্চলত ২০১৫ চনত নিযুক্তিপ্ৰাপ্ত ছমহীয়া টে'ট শিক্ষকসকলক নিয়মীয়াকৰণৰ বাবে অচিৰে বিশেষ টে'ট পৰীক্ষা অনুষ্ঠিত কৰিব বুলি জানিবলৈ দিয়ে বিটিচি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। বিশেষ টে'ট অনুষ্ঠিত কৰাৰ বাবে ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু অতি সোনকালেই এই প্ৰক্ৰিয়া সমাপ্ত হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। আনহাতে, বিটিআৰৰ বহু প্ৰাথমিক বিদ্যালয়ত এতিয়াও শিক্ষকৰ নাটনি হৈ থকাৰ কথাও উল্লেখ কৰে প্ৰমোদ বড়োৱে। বিশেষ টে'ট নিযুক্তিৰ দ্বাৰা সেই সমস্যাবোৰ সমাধান কৰা হ'ব বুলি তেওঁ আশাবাদী । আনহাতে, চৰকাৰৰ আন আন বিভাগতো অতি সোনকালে নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন হ'ব বুলি তেওঁ ঘোষণা কৰে । আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিধায়ক জলেন দৈমাৰী, বিটিচিৰ উপাধ্যক্ষ অভিৰাম মহানায়ক, কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, ঘনশ্যাম দাস, ৰঞ্জিত বসুমতাৰী, ধনঞ্জয় বসুমতাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

## মেৰাপানী সীমাত পিষ্টলসহ

এফৰ যুটীয়া অভিযানত এটা পিষ্টলসহ তিনিজনকৈ নগা যুৱকক আটক কৰিবলৈ সক্ষম হয়। নগা যুৱকৰ দলটোৰ পৰা এ এছ-01 ইউ-1223 নম্বৰৰ মাৰুতি এল্ট' আৰু এ এছ-03 জে-5423 নম্বৰৰ এখন বাজাজ ডিস্ক'ভাৰ বাহন জব্দ কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ পম খেদি তিনিচুকীয়াৰ পৰা ভাৰতীয় সেনাৰ চোৰাংচোৱা বাহিনীয়ে দুৰ্বৃত্তৰ দলটোক পিছা কৰি আহি মেৰাপানীৰ পৰা নাগালেণ্ডলৈ যোৱা অৱস্থাতেই মেৰাপানী ডি চেক্টৰৰ চি আৰ পি এফৰ তালাচী চকীৰ সন্মুখত মাছান্দ অডিঅ' (৪২), ছেম টকপি (৩৭) আৰু কামলেং থাং (৩৪) নামৰ নাগালেণ্ডৰ ভাণ্ডাৰীৰ তিনি নগা যুৱকক আটক কৰিবলৈ সক্ষম হয়। নগা দুৰ্বৃত্তৰ দলটোৰ পৰা নিৰাপত্তা বাহিনীৰ দলটোৱে বহু আপত্তিজনক তথ্য লাভ কৰাৰ লগতে নগদ ধন আৰু কেইবাটাও মোবাইল ফোন জব্দ কৰিছে। ঘটনা সন্দৰ্ভত অভিযানকাৰী দলটোৱে অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। ইফালে মেৰাপানী থানা এলেকাৰ ভিতৰত তিনি নগা যুৱকক সেনাৰ চোৰাংচোৱা আৰু চি আৰ পি এফে পিষ্টলসহ আটক কৰি মেৰাপানী আৰক্ষীৰ জিম্মাত প্ৰদান কৰাৰ পিছতো মেৰাপানী আৰক্ষীয়ে ৰহস্যজনকভাৱে মেৰাপানী থানাৰ এলেকাৰ নহয় বুলি কৈ নাগালেণ্ড প্ৰশাসনক গতাই দিবলৈ যো-জা চলোৱা ঘটাত আশ্চৰ্য প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। অৱশ্যে বাতৰি লিখা সময়লৈকে তিনি দুৰ্বৃত্তক মেৰাপানী আৰক্ষীৰ জিম্মাত ৰাখিয়েই জেৰা অব্যাহত ৰাখিছে।

## 'ৰাঘৱ' নামৰ নৈশ বাছত গৰু

আচৰিত কৰি তুলিছে আৰক্ষী তথা জনসাধাৰণক। যোৱা ২২ ছেপ্টেম্বৰৰ নিশা জখলাবন্ধাত নৈশ বাছত গৰু জব্দ হোৱাৰ পিছত পুনৰ নৈশ বাছত গৰু সৰবৰাহৰ চেষ্টা সৰবৰাহকাৰীৰ। কলিয়াবৰত পোহৰলৈ আহিছে ক্ৰমাগত দ্বিতীয়টো নৈশ বাছত গৰু সৰবৰাহৰ ঘটনা। এই নতুন কৌশল অৱলম্বন কৰি ৩৪টাৰো অধিক গৰু কঢ়িয়াই আনিছিল 'ৰাঘৱ' নামৰ নৈশ বাছখনে। আজি পুৱতি নিশা উজনি অসমৰ পৰা মেঘালয় অভিমুখী মিছা আৰক্ষীয়ে জব্দ কৰা বাছখনৰ নম্বৰ এ এছ-০১ ডি চি-৪৪৪২। আৰক্ষীৰ তালাচীৰ উমান পাই তালাচী চলি থকা স্থানৰ আগতেই বাছখনৰ পৰা পলায়ন কৰে সৰবৰাহকাৰী, চালক-হেন্দিমেন।



## ধেমাজি জিলাক ব্ৰেণ্ড হিচাপে

ধেমাজি জিলাৰ কিছুমান অনন্য বৈশিষ্ট্য আছে। ধেমাজিৰ মুগা-শিল্পৰ এটি বিশেষ সুনাম আছে। অনুপম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ জিলাখনত পৰ্যটনৰ বিকাশৰো যথেষ্ট সুযোগ আছে বুলি মন্তব্য কৰি ধেমাজি বিধানসভা সমষ্টিৰ বিধায়কগৰাকীয়ে জিলাখনক এই দিশতো আগবঢ়াই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাষণত তেওঁ কয় যে, অসম চৰকাৰে জিলা দিৱসৰ লগতে এইবাৰৰ পৰা প্ৰতিখন গাঁৱৰো প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ ব্যৱস্থা কৰিছে। শিক্ষা-মন্ত্ৰীগৰাকীয়ে প্ৰতিখন শিক্ষানুষ্ঠানতো প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ বাবে মুকলি আহ্বান জনায়। সভাত বিশিষ্ট অতিথি হিচাপে দিয়া ভাষণত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই কয় যে, ধেমাজি জিলাৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথ ফ'ৰলেনলৈ উন্নীত কৰাৰ কাম অচিৰেই আৰম্ভ হ'ব। তদুপৰি ঘাইপথচোৱা মেৰামতিৰ কামো ইতিমধ্যে আৰম্ভ হৈছে বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ পূৰ্বে দিয়া আদৰণী ভাষণত উপায়ুক্ত অসীম কুমাৰ ভট্টাচাৰ্যই জিলাখনৰ গৌৰৱময় ঐতিহ্য আৰু প্ৰকৃতিক সৌন্দৰ্যৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ বিষয়ে উল্লেখ কৰে। জিলাখনৰ ধেমাজি জিলাৰ বিভিন্ন গৌৰৱময় ঐতিহ্য, কৃষ্টি-সংস্কৃতি আৰু মনোৰম প্ৰাকৃতিক পৰিৱেশক প্ৰতিফলিত কৰি জিলা প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা এখন সচিত্ৰ গ্ৰন্থ মন্ত্ৰী ডাঃ পেগুৱে আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই সভাতে জিলাখনৰ বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় সেৱা আগবঢ়োৱা ব্যক্তিসকলক সম্বৰ্ধনা প্ৰদান কৰাৰ উপৰি জিলা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজিত কুইজ আৰু তৰ্ক প্ৰতিযোগিতাৰ বিজয়ীসকলৰ মাজত বঁটা বিতৰণ কৰা হয়। উল্লেখ্য যে, পুৱা ৪.৩০ বজাতে মাৰাথন দৌৰ প্ৰতিযোগিতাৰে আৰম্ভ হোৱা ধেমাজি জিলাৰ প্ৰতিষ্ঠা দিৱসৰ দিনজোৱা বিস্তৃত কাৰ্যসূচী আজি নিশা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে সম্পন্ন কৰা হয়। ধেমাজি জিলাৰ বৰদলনি খণ্ড তিনিআলিৰ পৰা আৰম্ভ হোৱা প্ৰায় ১৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰাইজমানী হাফ মাৰাথন দৌৰ প্ৰতিযোগিতাত অভিলেখসংখ্যক সাত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ইয়াৰে পুৰুষৰ শাখাত গোলাঘাটৰ তীখেশ্বৰ কুৰ্মীয়ে ১ ঘণ্টা ৩ মিনিট সময়ত অতিক্ৰম কৰি প্ৰথম, মাজুলীৰ সঞ্জীৱ দলে ১.০৩.১০ ঘণ্টাত দ্বিতীয় আৰু তিনিচুকীয়াৰ বিকাশ চাম্থালে ১.০৪.৩০ ঘণ্টাত তৃতীয় স্থান লাভ কৰে। মহিলাৰ শাখাত চৰাইদেউৰ ৰূপালী মুণ্ডাই ১.১৩.৫২ ঘণ্টাত প্ৰথম, চিমেন চাপৰিৰ ৰেখামণি শইকীয়াই ১.১৯.০২ ঘণ্টাত দ্বিতীয় আৰু চৰাইদেউৰ সবিতা কুৰ্মীয়ে ১.২৩.২৩ ঘণ্টাত তৃতীয় স্থান অধিকাৰ কৰে। উভয় শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰতিযোগীয়ে যথাক্ৰমে নগদ ১৫০০০, ১০০০০ আৰু ৫০০০ টকাৰ লগতে একোটা ট্ৰফী লাভ কৰে। ইয়াৰ পিছতে পুৱা ৮ বজাত জিলাৰ পতাকা উত্তোলন কৰে লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই। তেওঁৰ লগতে উপায়ুক্ত অসীম কুমাৰ ভট্টাচাৰ্যও স্মৃতি তৰ্পণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। সাংসদগৰাকীয়ে পুৱা ন বজাত এটি সাংস্কৃতিক সমদলো পতাকা জোকাৰি শুভাৰম্ভ কৰে। এই শোভাযাত্ৰাত তিৱা, মিছিং, গোৰ্খা, সোণোৱাল কছাৰী, বড়ো, ৰাভা, চাহ-জনগোষ্ঠী আৰু দেউৰী লোক কৃষ্টিৰ দলৰ উপৰি এটি বিহু নৃত্যৰ দলেও অংশগ্ৰহণ কৰি জিলাখনৰ বাৰেৰহণীয়া কৃষ্টি-সাংস্কৃতিক প্ৰতিফলিত কৰে। সন্ধিয়া কাছাৰী ময়দানতে অনুষ্ঠিত হোৱা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত ভালেসংখ্যক স্থানীয় শিল্পীৰ উপৰি ৰাজ্যৰ বিশিষ্ট কণ্ঠ শিল্পী তৃষ্ণা দেৱী, ৰাকেশ ৰিয়ান আৰু মৌচম গগৈয়ে সংগীতানুষ্ঠান পৰিৱেশন কৰে। ইয়াকে লৈ জিলাখনত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়।

## ১৪২ বছৰৰ কাৰাদণ্ড

কাৰাদণ্ড বিহিলে আদালতে। এখন স্থানীয় আদালতে এগৰাকী নাবালিকাক দুবছৰ ধৰি বলাৎকাৰ কৰি থকাৰ অপৰাধত এজন ৪১বছৰীয়া লোকক ১৪২ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। পাথানামথিট্টাৰ অতিৰিক্ত জিলা আৰু সত্ৰ আদালতৰ (পকচো) ন্যায়াধীশ জয়কুমাৰে আনন্দন পি আৰ নামৰ অপৰাধীজনক ১৪২ বছৰৰ কাৰাদণ্ড বিহে। লগতে তেওঁক ৫ লাখ টকাৰ জৰিমনাও আৰোপ কৰা হয়। জিলাখনত পকচো গোচৰত অভিযুক্তক ইমান বছৰৰ শাস্তি প্ৰদানৰ ঘটনা এয়াই প্ৰথম। তেওঁৰ বিৰুদ্ধে যৌন অপৰাধৰ পৰা শিশুক সুৰক্ষা (পকচো) আইন আৰু ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৫০৬ (অপৰাধমূলক ভাবুকি)ৰ অধীনত গোচৰ ৰুজু হৈছিল। আদালতে কয় যে অভিযুক্তজনে ২০১৯-২০২১ বৰ্ষত শিশুটোক নিৰ্মমভাৱে যৌন নিৰ্যাতন কৰিছিল।

## কাছুমাৰাত নৈৰ কোবাল

ওপৰত থকা লোক নিৰ্মাণ বিভাগৰ কৌটিটকীয়া ব্যয়ৰে নিৰ্মাণ কৰা বৃহৎ কাঠৰ দলংখন হঠাৎ নৈৰ কোবাল সোঁতে দলংখনৰ মাজৰ অংশ উটুৱাই নিয়াত বৃহত্তৰ কাছুমাৰা অঞ্চলত এক হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হৈছে । উল্লেখ্য যে যোৱা বছৰ প্ৰায় কোটি টকা ব্যয় কৰি লোক নিৰ্মাণ বিভাগে কাঠৰ দলংখন নিৰ্মাণ কৰাৰ তিনি মাহমান পিছতে বানপানীয়ে উটুৱাই লৈ গৈছিল যদিও বিভাগটোৱে দলংখন পুনৰ মেৰামতি কৰি ৰাইজৰ চলাচলৰ ক্ষেত্ৰত সুচল কৰি তুলিছিল। হঠাৎ কালি নিশাৰ ভাগত পথচাৰীয়ে যাতায়াত কৰাৰ সময়তেই নৈৰ কোবাল সোঁতে পুনৰ উটুৱাই নিয়াত কথমপি প্ৰাণ ৰক্ষা পৰে কেইবাজনো পথচাৰী আৰু ব্যাহত হৈ পৰে যাতায়াত। অঞ্চলটোৰ প্ৰায় ২০খনকৈ গাঁৱৰ হাজাৰ হাজাৰ লোক, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু ৰুগীয়া লোকসকলৰ যাতায়াতৰ একমাত্ৰ মাধ্যম এই কাঠৰ দলংখন হঠাৎ নৈৰ কোবাল সোঁতে উটুৱাই নিয়াৰ ফলত সম্প্ৰতি টুলুঙা নাৱেৰে বিপদসংকুলভাৱে যাতায়াত কৰিবলগীয়া হৈছে। ইপিনে কোটিটকীয়া কাঠৰ দলংখন নৈৰ কোবাল সোঁতে বাৰে বাৰে উটুৱাই নিয়াত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে যদিও এই ঘটনাৰ খবৰ পাই তাৎক্ষণিকভাৱে সমষ্টিটোৰ বিধায়ক আশ্ৰাফুল হুছেইন, বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত লখিমী দত্ত, লোক-নিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা জাকিৰ হুছেইন, জলসম্পদ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা সুবল দাস উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। শীঘ্ৰে উক্ত স্থানত এখন স্থায়ী পকী দলং নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ৰাইজে দাবী জনাইছে।

## দেৱীৰ বোধনেৰে মুখৰ ৰাজ্য

হয়। কাইলৈ মহাসপ্তমী। মহাসপ্তমীত দেৱীক ষোড়শ উপচাৰ অৰ্থাৎ ১৬টা উপাদানেৰে পূজা কৰা হ'ব। সেইদৰে মহাঅষ্টমী আৰু মহানৱমীত বিধি-বিহিত পূজা-অৰ্চনাৰে দেৱীক আৰাধনা কৰা হ'ব। ৫ অক্টোবৰ বুধবাৰে বিজয়া দশমীত দেৱীয়ে নাৱত বিদায় ল'ব। দেৱী দুৰ্গাৰ আৰাধনাক কেন্দ্ৰ কৰি অনুষ্ঠিত হয় হিন্দু সম্প্ৰদায়ৰ বৃহত্তম ধৰ্মীয় আৰু সামাজিক উৎসৱ দুৰ্গা পূজা। শাস্ত্ৰ মতে, আহিন মাহৰ শুক্ল পক্ষত বা চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গা পূজা পালন কৰা হয়। চ'ত অৰ্থাৎ বসন্ত কালৰ দুৰ্গা পূজাক বাসন্তী দুৰ্গা পূজা আৰু আহিন অৰ্থাৎ শৰৎ কালৰ দুৰ্গা পূজাক শাৰদীয় দুৰ্গা পূজা নামে জনাজাত। সাধাৰণতে আহিনৰ শুক্ল পক্ষৰ ষষ্ঠতম দিন তথা ষষ্ঠীৰ পৰা আৰম্ভ হৈ দশমী পৰ্যন্ত থাকে এই দুৰ্গোৎসৱ। এই পাঁচ দিন যথাক্ৰমে দুৰ্গা ষষ্ঠী, মহাসপ্তমী, মহাষ্টমী, মহানৱমী আৰু বিজয়া দশমী নামে জনাজাত। এই পক্ষটোক দেৱীপক্ষ নামেৰেও জনা যায়। পূৰ্বৱৰ্তী অমাৱস্যাৰ দিনা এই দেৱীপক্ষৰ সূচনা হয় আৰু ইয়াক মহালয়া বুলিও জনা হয়। আনহাতে, পূৰ্ণিমাৰ দিনাক লক্ষ্মী পূজাৰ দিন হিচাপে গণ্য কৰা হয়। ৰাজ্যৰ এখন ঐতিহ্যমণ্ডিত পূজা বিল্বেশ্বৰ দেৱালয়ৰ দুৰ্গা পূজাৰো ব্যাপক আয়োজন চলিছে। নলবাৰীৰ বিল্বেশ্বৰ দেৱালয়ৰ দুৰ্গা পূজা এখন ঐতিহ্যমণ্ডিত পূজা। বিল্বেশ্বৰ দেৱালয়ৰ দুৰ্গা পূজাৰ কথা এতিয়া সমগ্ৰ দেশতেই জনাজাত হৈ পৰিছে। কামৰূপ বুৰঞ্জীত উল্লেখ থকা মতে কোঁচ ৰজা নাগাক্ষই ১৫২১ খ্ৰীষ্টাব্দত মহা আড়ম্বৰেৰে এই দেৱালয়ত পূজা আৰম্ভ কৰিছিল। প্ৰবাদ আছে যে এতিয়াৰ বিল্বেশ্বৰ দেৱালয় থকা ঠাইত তাহানিতে এজনী কপিলী গায়ে বিৰিণাৰ তলত অবিৰতভাৱে গাখীৰ দি আছিল। এই দৃশ্য দেখি স্থানীয় লোকসকল হতভম্ব হৈ পৰিছিল আৰু গাইজনীয়ে গাখীৰ দিয়া ঠাইখিনিত ভগৱানে থিতাপি লৈছে বুলি অনুমান কৰি সেই ঠাইৰ মাটি খান্দিবলৈ লৈছিল। এনেদৰে মাটি খান্দোতে মাটিৰ তলত আৱিষ্কাৰ হৈছিল এটা শিৱলিংগ। অৱশ্যে মানুহে হাতী আদি লগায়ো সেই শিৱলিংগ ওপৰলৈ তুলিবলৈ সক্ষম হোৱা নাছিল। পিছত সেই স্থানতেই বিল্বেশ্বৰ দেৱালয় স্থাপন কৰা হৈছিল। বিল্বেশ্বৰ দেৱালয়ত শৈৱ, শক্তি আৰু বৈষ্ণৱ পন্থাৰ পূজা-অৰ্চনা কৰি অহা হৈছে। বিল্বেশ্বৰ দেৱালয়ৰ দুৰ্গা পূজাত কোনো মূৰ্তি নাথাকে। ঐতিহ্যমণ্ডিত পূজাখন সন্দৰ্ভত বিল্বেশ্বৰ দেৱালয়ৰ বৰদেউৰী সমিতিৰ উপ-সভাপতি তথা অঞ্চলটোৰ এগৰাকী সৰবৰহী ব্যক্তি মানৱেন্দ্ৰ নাৰায়ণ শৰ্মাই কয়— 'বিল্বেশ্বৰ দেৱালয়ত প্ৰতিপদৰ পৰা পূজাৰ যাৱতীয় প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই পূজাত কোনো মূৰ্তি নাথাকে। এজোপা বিশেষ কলগছক দেৱী সজাই পূজা কৰা হয়। কলগছজোপা যিকোনো কল গছ নহয়। সেয়া ৰামকল। অঞ্চলটোৰ কেৱল এঘৰতহে তেনে ৰামকল পোৱা যায় বুলি বিশ্বাস কৰা হয়। ককয়াৰ ঢকুৱাবন্ধাৰ উমেশ ভাগৱতীৰ ঘৰত পোৱা ৰামকল বিগত ২৯ বছৰ ধৰি সংগ্ৰহ কৰি অহা হৈছে। এইবাৰো আজি হাতীৰে সমদল কৰি ৰামকল অনা হয় আৰু সেই কলগছকেই দেৱী সজাই পূজা কৰা হ'ব। এইবাৰ দেৱালয়ত ৪৫টা ম'হ বলি হ'ব আৰু ২৫টা উচৰ্গা কৰা হ'ব। দশমীৰ দিনা সাহপুৰ ৰাজঘাটত বুঢ়াদিয়া নদীত দেৱীক বিসৰ্জন দিয়া হ'ব'। দুৰ্গাপূজা উপলক্ষে গুৱাহাটী মহানগৰীতো ব্যাপক প্ৰস্তুতি চলিছে। পাঁচ শতাধিক পূজা মণ্ডপ দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে সাজু হৈ উঠিছে। আজি সন্ধিয়াৰে পৰাই পূজা মণ্ডপসমূহত ভক্তৰ লানি লাগিব। ইপিনে, বহু পূজাস্থলীত পৰম্পৰাগত লোকনাট্য, ওজাপালিকে ধৰি সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ক'ভিডকালীন পৰিস্থিতিৰ পিছত প্ৰথমবাৰৰ বাবে মুকলিমূৰীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এইবাৰৰ শাৰদীয় দুৰ্গা পূজাত যথেষ্ট ভিৰ হোৱাৰ সম্ভাৱনা আছে। আনহাতে, পূজাৰ দিনকেইটাত যান-জঁটৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰীৰ যান-বাহন আৰক্ষীয়ে বাহন চলাচলৰ পথ নিৰ্দেশনা কিছু সলনি কৰিছে। শংখ, ঘণ্টা, বৈদিক মন্ত্ৰোচ্চাৰণেৰে মুখৰ হৈছে ৰাজ্যৰ আকাশ-বতাহ। পূজাৰ বেদীত প্ৰতিষ্ঠা কৰা হৈছে দুৰ্গতিনাশিনীক। শাৰদীয় দুৰ্গা পূজাক লৈ এতিয়া ৰাজ্যৰ চৌদিশে বিৰাজ কৰিছে এক উখল-মাখল পৰিৱেশ । আনহাতে, আটকধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে ৰাজ্যৰ পূজা মণ্ডপসমূহ । ন ন আৰ্হিত সজাই তোলা হৈছে পূজা মণ্ডপসমূহ। যোৰহাটত লালকিল্লাৰ আৰ্হিত পূজা মণ্ডপ, আজাদী কা অমৃত মহোৎসৱৰ সৈতে সংগতি ৰাখি যোৰহাট টাউন ষ্টেচনত লালকিল্লা আৰ্হিত পূজা মণ্ডপ নিৰ্মাণ কৰা হৈছে । দেশৰ স্বাধীনতা আন্দোলনত কাৰাবাস খাটি আৰু প্ৰাণ আহুতি দিয়া স্বাধীনতা সংগ্ৰামীসকলৰ ফটোসম্বলিত প্ৰতিচ্ছবি অংকন কৰা হৈছে। তদুপৰি অমৰ জোৱানৰ স্মাৰকো নিৰ্মাণ কৰা হৈছে। ৰাষ্ট্ৰীয় পতাকা লালকিল্লাত উৰি থকা দৃশ্যই সকলোৰে মন-প্ৰাণ চুই গৈছে। লগতে টাউন ষ্টেচনত লালকিল্লাৰ লগতে অমৰ জোৱানসকলক শ্ৰদ্ধা জনাই অমৰ জোৱান স্মাৰক নিৰ্মাণ কৰা হৈছে।

**কোচবিহাৰৰ মধুপুৰ সত্ৰত গুৰু জয়ন্তীৰ ব্যাপক প্ৰস্তুতি**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ অক্টোবৰ ঃ** মধুপুৰ সত্ৰ সমিতিৰ উদ্যোগত জগত গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পৱিত্ৰ তীৰ্থভূমি উত্তৰবংগৰ কোচবিহাৰৰ মধুপুৰ সত্ৰত গুৰুজনাৰ ৫৭৪সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ ৫ অক্টোবৰ তাৰিখে দিনজোৱা কাৰ্যসূচীৰে বিস্তৃত আৰু বৰ্ণাঢ্য ৰূপত পালন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনোৱা মতে সত্ৰ সমিতিৰ স্থানীয় তদাৰক সমিতিৰ সহযোগত উত্তৰবংগৰ জলপাইগুৰি, দিনহাতা, তুফানগঞ্জ, হৰিপুৰ আদি অঞ্চলৰ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ অনুৰাগী সহস্ৰাধিক ভকত-বৈষ্ণৱৰ উপস্থিতিত বিভিন্ন বৰ্ণিল কাৰ্যসূচীৰে মধুপুৰ সত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম-জয়ন্তী পালন কৰা হ'ব। ৫ অক্টোবৰ তাৰিখে পুৱা প্ৰভাত ফেৰীৰে জন্ম-জয়ন্তীৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত, ডেকা সত্ৰাধিকাৰ পীতাম্বৰ ভকতকে ধৰি উত্তৰবংগৰ বিভিন্ন সত্ৰ আৰু নামঘৰৰ সত্ৰাধিকাৰৰ লগতে নামঘৰীয়াসকলে অংশগ্ৰহণ কৰিবলগীয়া অন্যান্য কাৰ্যসূচীৰ লগত আছে ভাগৱৎ পাঠ, আইসকলৰ নাম আৰু বন্তি প্ৰজ্বলন। ইয়াৰ লগতে যোৱা জুলাই মাহত সত্ৰ চৌহদত অনুষ্ঠিত হোৱা সত্ৰীয়া নৃত্য আৰু বৰগীতৰ প্ৰশিক্ষণ কৰ্মশালাত প্ৰশিক্ষণ গ্ৰহণ কৰা উত্তৰবংগৰ বিভিন্ন অঞ্চলৰ বংগভাষী প্ৰশিক্ষাৰ্থীসকলে সত্ৰীয়া নৃত্য আৰু বৰগীতৰ এক আকৰ্ষণীয় সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠান পৰিৱেশন কৰিব। ইয়াৰ উপৰি জন্ম-জয়ন্তীৰ লগত সংগতি ৰাখি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ কৰ্মৰাজিৰ লগতে জীৱন দৰ্শনৰ ওপৰত এক নিৰ্মোহ বিশ্লেষণ কৰাৰ উদ্দেশ্যে গুৰুত্বপূৰ্ণ আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। এই আলোচনা-চক্ৰত উত্তৰবংগৰ সত্ৰসমূহৰ ভকত-বৈষ্ণৱৰ লগতে কোচবিহাৰ অঞ্চলৰ কেইবাগৰাকীও বিশিষ্ট বুদ্ধিজীৱী আৰু ধৰ্ম প্ৰচাৰকে অংশগ্ৰহণ কৰিব। মধুপুৰ সত্ৰ সমিতিয়ে গুৰু জয়ন্তীৰ সকলো কাৰ্যসূচীত ৰাইজক সহায়-সহযোগ আগবঢ়াবলৈ আহ্বান জনাইছে।

**সম্প্ৰীতিৰ পীঠস্থান শিৱসাগৰতো দুৰ্গা পূজা আৰম্ভ ঃ অত্যধিক মূল্যবৃদ্ধিৰ মাজতো দেৱী দুৰ্গাক আদৰিবলৈ সাজু শিৱসাগৰীয়া ঃ ঠায়ে ঠায়ে স্থাপন হৈছে দেৱী দুৰ্গাৰ মঞ্চ মণ্ডপ**

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১ অক্টোবৰ ঃ** পৰম্পৰা অনুসৰি আকৌ আহিল শাৰদীয় দুৰ্গা পূজা। অতিমাৰী ক'ভিডৰ ফলত দেশৰ জনগণৰ লগতে সম্প্ৰীতিৰ পীঠস্থান শিৱসাগৰীয়া ৰাইজেও বিৰত আছিল ব্যাপকভাৱে দেৱী দুৰ্গাক আদৰি অনাৰ প্ৰস্তুতিৰ পৰা। কিন্তু এতিয়া সময়ৰ গতি কিছু সলনি হৈছে। মানুহবিলাকে ক'ভিডৰ এই ভয়ংকৰ দিনবিলাকৰ পৰা কিছু পৰিমাণে মুক্তি পাইছে। এনে প্ৰেক্ষাপটত ধৰাৰ বুকুলৈ সংগোপনে নামি আহিল দেৱী দুৰ্গা। দেশত অত্যধিকভাৱে বৃদ্ধি পোৱা মূল্যবৃদ্ধিয়ে এক প্ৰকাৰ কোঙা কৰি ৰঙা দেশৰ জনগণৰ লগতে শিৱসাগৰীয়া ৰাইজেও অধিক উছাহৰ মাজেৰে এইবাৰ দেৱী দুৰ্গাক আদৰাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। পৰম্পৰা ৰক্ষা কৰিয়েই শিৱসাগৰৰ পূজাৰ মণ্ডপসমূহত সম্পূৰ্ণ বৈদিক নীতি-নিয়মৰ মাজেৰে দেৱী দুৰ্গাক অধিষ্ঠিত কৰা হয়। পূজাৰীৰ মন্ত্ৰশ্লোকৰ বাণী আৰু বেল বোধনেৰে নিশা ৭ বাজি ৪৫ মিনিটত মা দেৱী দুৰ্গাক বেদীত প্ৰতিষ্ঠা কৰাৰ লগে লগেই আনুষ্ঠানিকতা আৰম্ভ হ'ল শাৰদীয় দুৰ্গোৎসৱৰ। ইতিমধ্যে শিৱসাগৰ সদৰৰ মুঠ ১৮টা স্থানত ব্যাপক জাকজমকতাৰে আয়োজক সমিতিয়ে চৰকাৰী এছ অ' পি মানি প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলাৰ পিছতেই আৰম্ভ হয় দেৱী দুৰ্গাক বেদীত প্ৰতিষ্ঠা কৰাৰ পৰ্ব। আনহাতে, নিশা ৭ বাজি ৪৫ মিনিটত জিলাৰ আটাইবোৰ মণ্ডপতেই একে সময়তেই ষষ্ঠীৰ বিধি মানি দুৰ্গাক প্ৰতিষ্ঠা কৰাৰ পিছতেই সৃষ্টি হয় এক উচৰমুখৰ পৰিৱেশৰ । ষষ্ঠীৰ দিনা দেৱী দুৰ্গাৰ আশিস বিচাৰি ভক্তৰ সমাগম পৰিলক্ষিত হৈছে। ইফালে পূজা বুলিলে সততে পৰিয়াল, আত্মীয়ক এযোৰ নতুন কাপোৰ প্ৰদান কৰাৰ এক পৰম্পৰা আছে যদিও মূল্যবৃদ্ধিয়ে বহু পৰিয়ালক এই পৰম্পৰা ৰক্ষা কৰাত হেঙাৰ হৈ পৰিছে। বস্ত্ৰ বিপণীৰ পৰা অত্যাৱশ্যকীয় সামগ্ৰীলৈকে সকলোতে মূল্যবৃদ্ধি । তথাপি বছৰেকৰ পূজা। ধাৰ-নিৰ হ'লেও পূজাক আদৰিব লাগিব। চৰকাৰী কৰ্মচাৰীৰ বাদে মেহনতি কৃষক-শ্ৰমিকৰ বাবে এসাঁজ নতুন কাপোৰে পুঁজা পালন কৰাটো এক প্ৰত্যাহ্বান হিচাপে থিয় দিছে। তথাপি পূজা আদৰিব লাগিব।

## ভাৰতত ৫জি মোবাইল সেৱা

ইউৰোপত এখন গাড়ী ভাৰ্চুৱেলী চলায়। ভাৰতীয় ম'বাইল কংগ্ৰেছ ২০২২ৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থকাৰ সময়ত প্ৰধানমন্ত্ৰীয়ে এই ৫ জি সেৱা আৰম্ভ কৰে। নতুন সেৱাসমূহৰ ব্যৱহাৰ প্ৰদৰ্শন কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানটোত এৰিক্সন বুথত বহি থকা সময়ত ইউৰোপত থকা এখন গাড়ী চলায়। নতুন ম'বাইল সেৱাৰ বাবে, ভাৰতত থকা ডিভাইচবোৰৰ সৈতে গাড়ীৰ নিয়ন্ত্ৰণ সংযোগ কৰিবলৈ উচ্চ গতিৰ নেটৱৰ্ক ব্যৱহাৰ কৰা হৈছে। সেয়েহে গাড়ীখনৰ ৰিম'ট কণ্ট্ৰোলৰ জৰিয়তে মোদীয়ে চলাবলৈ সক্ষম হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গাড়ীখন চলাই থকাৰ ফটো কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰীয়ে শ্বেয়াৰ কৰিছে। ভিডিঅ'টোৰ শিৰোনামটোত কোৱা হৈছে, 'মোদীজীয়ে ভাৰতৰ ৫জি প্ৰযুক্তি ব্যৱহাৰ কৰি দিল্লীৰ পৰা দূৰৱৰ্তী ইউৰোপত গাড়ী চলাই পৰীক্ষা কৰে।' ইফালে, প্ৰগতি ময়দানত চলি থকা চাৰিদিনীয়া ইণ্ডিয়া ম'বাইল কংগ্ৰেছ উদ্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কেইবাটাও বুথ পৰিদৰ্শন কৰে। তেওঁ ভাৰতৰ ষ্টাৰ্টআপসমূহক ৫জি ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিছিল। লক্ষণীয় যে মোবাইল সেৱাসমূহ নিয়োজিত কৰাৰ প্ৰথম পৰ্যায়ত এই সেৱাসমূহ ১৩খন চহৰত উপলব্ধ হ'ব। তদুপৰি, ২০২৪ চনৰ ভিতৰত সমগ্ৰ দেশক ৫জি নেটৱৰ্কৰ দ্বাৰা সামৰি লোৱা হ'ব। প্ৰধানমন্ত্ৰীয়ে কয় যে জিঅ' অভিযন্তাসকলৰ এটা দলে স্থানীয়ভাৱে এণ্ড-টু-এণ্ড ৫জি প্ৰযুক্তি বিকশিত কৰি আছে আৰু নগৰ তথা গ্ৰাম্য অঞ্চলৰ মাজত স্বাস্থ্যসেৱা প্ৰদানৰ ব্যৱধান কেনেদৰে কমোৱাত সহায় কৰিব সেয়া চেষ্টা কৰা হৈছে। নতুন দিল্লীৰ প্ৰগতি ময়দানত ১ৰ পৰা ৪ অক্টোবৰলৈ অনুষ্ঠিত হ'ব ইণ্ডিয়া ম'বাইল কংগ্ৰেছ। ইয়াৰ পৰাই প্ৰধানমন্ত্ৰীয়ে দেশত ৫ জি প্ৰযুক্তি উদ্বোধন কৰে। দেৱালীৰ পৰা চহৰসমূহত ৫ জি সেৱা আৰম্ভ কৰা হ'ব। টেলিকম খণ্ডৰ বিশেষজ্ঞসকলে দাবী কৰিছে যে ৫জি প্ৰযুক্তি ভাৰতৰ বাবে যথেষ্ট লাভজনক প্ৰমাণিত হ'ব। ২০২৩ৰ পৰা ২০৪০ চনৰ ভিতৰত ভাৰতৰ অৰ্থনীতিত কেৱল ৫ জি প্ৰযুক্তিৰ বাবে অতিৰিক্ত ৫০ কোটি ডলাৰ আহিব।

## অসম আৰক্ষী দিৱস উদ্‌যাপন

কৰে। মুখ্য সচিবগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে অসম আৰক্ষী দেশৰ এক শক্তিশালী বাহিনী হিচাপে সমাদৃত হৈ আহিছে আৰু বিভিন্ন সন্ত্ৰাসবাদী গোটে অসম আৰক্ষীৰ শক্তিক স্বীকাৰ কৰি অস্ত্ৰ সম্বৰণ কৰিবলৈ বাধ্য হৈছে। এখন সন্ত্ৰাসমুক্ত অসম গঢ়াৰ লক্ষ্য আগত ৰাখি অসম আৰক্ষীয়ে সফলতাৰে আগবাঢ়ি যাবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি মুখ্য সচিব বৰঠাকুৰে লগতে কয় যে বাহিনীটোৱে ৰাজ্যখনৰ স্বাৰ্থত বিভিন্ন ক্ষেত্ৰত প্ৰদৰ্শন কৰা বিশেষ পাৰদৰ্শিতাৰ স্বীকৃতিস্বৰূপে দেশৰ 'ৰাষ্ট্ৰপতিৰ নিচান' লাভ কৰাটো ৰাজ্যখনৰ বাবে গৌৰৱৰ কথা। প্ৰসংগক্ৰমে তেওঁ উল্লেখ কৰে যে অসম আৰক্ষীত নিয়োজিত মহিলাসকলক বিভিন্ন দিশত আগবঢ়াই নিয়া আৰু তেওঁলোকৰ সবলীকৰণৰ ক্ষেত্ৰতো বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু অসম আৰক্ষীত 'সুৰঞ্জনা' নামেৰে নতুনকৈ সংযোজন কৰা 'অসম আৰক্ষী মহিলা বেণ্ড'-এ মহিলা আৰক্ষীসকলক নিশ্চয়কৈ গৌৰৱান্বিত কৰিব বুলিও মুখ্য সচিবগৰাকীয়ে মন্তব্য কৰে। উল্লেখ্য, আজিৰ এই অনুষ্ঠানতে 'সুৰঞ্জনা' নামেৰে নতুনকৈ গঠন কৰা 'অসম আৰক্ষী মহিলা বেণ্ড'টোৰ শুভ আৰম্ভণি কৰা হয়। অনুষ্ঠানত ভাষণ দি আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই বিভিন্ন ক্ষেত্ৰত অসম আৰক্ষীৰ সফলতাৰ দিশসমূহ উল্লেখ কৰি কয় যে বৰ্তমানৰ চৰকাৰে আৰক্ষী বাহিনীটোক অধিক শক্তিশালী, দক্ষ আৰু ৰাইজৰ বন্ধু হিচাপে গঢ়ি তোলাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে আৰু এই বছৰতে চৈধ্য হাজাৰতকৈও অধিক অসমৰ নিবনুৱা যুৱক-যুৱতীক আৰক্ষীৰ বিভিন্ন বৰ্গৰ পদত নিযুক্তি দিয়া হৈছে। মহিলা আৰক্ষীক লৈ নতুনকৈ গঠন কৰা 'সুৰঞ্জনা' নামৰ 'অসম আৰক্ষী মহিলা বেণ্ড'টো দেশৰ আৰক্ষী বাহিনীসমূহৰ ভিতৰতেই প্ৰথম বুলি উল্লেখ কৰি সঞ্চালকপ্ৰধান মহন্তই আৰু কয় যে অসমৰ মুখ্যমন্ত্ৰীৰ বলিষ্ঠ উদ্যোগত সম্প্ৰতি অত্যাধুনিক প্ৰযুক্তি-কৌশল ব্যৱহাৰৰ যোগেদি কাৰিকৰী দিশতো অসম আৰক্ষীক অধিক শক্তিশালী কৰাৰ বাবে ইতিমধ্যেই দৃঢ় পদক্ষেপ গ্ৰহণ কৰা হৈছে। অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান মুকেশ আগ্ৰৱাল, আৰক্ষী অনাতাঁৰ সংগঠনৰ বিশেষ সঞ্চালকপ্ৰধান এছ এন সিং, আৰক্ষী আয়ুক্ত হৰমিত সিঙৰ লগতে উচ্চপদস্থ আৰক্ষী বিষয়াসকল, গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, আয়ুক্ত সচিব দিগন্ত বৰা আৰু অন্যান্য বিষয়াসকলো উপস্থিত থকা এই অনুষ্ঠানত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰে আৰক্ষীৰ কেইবাটাও দলৰ আনুষ্ঠানিক কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। ইয়াৰ উপৰি অনুষ্ঠানত আৰক্ষীৰ অশ্বাৰোহী বাহিনীৰ অশ্বাৰোহণৰ বিভিন্ন কলা-কৌশল আৰু আজি শুভাৰম্ভ কৰা 'মহিলা আৰক্ষী বেণ্ড'ৰ মুকলি প্ৰদৰ্শনো কৰা হয়। আনহাতে, আজিৰ এই অনুষ্ঠানতে পূৰ্বতে ঘোষণা কৰা আৰক্ষীৰ বিভিন্ন পদক লাভ কৰিবলৈ সক্ষম হোৱা মুঠ ৩৭গৰাকী আৰক্ষীৰ লোকক পদকসমূহো প্ৰদান কৰা হয়। অনুষ্ঠানৰ পূৰ্বে মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, গৃহ বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মাৰ উপৰি অন্যান্য উচ্চপদস্থ বিষয়াসকলে 'শ্বহীদ বেদী'ত পুষ্পাঞ্জলি নিবেদন কৰে।

**অসম আৰক্ষী দিৱস ঃ ২৬১গৰাকী আৰক্ষী আৰু প্ৰশাসনিক বিষয়ালৈ ২০২১-২২ বৰ্ষৰ আৰক্ষী সঞ্চালকপ্ৰধানৰ প্ৰশংসা পদক ঃ কলিয়াবৰৰ দুগৰাকী আৰক্ষী বিষয়ালৈ এই সন্মান**

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১ অক্টোবৰ ঃ** ২০২১-২২ বৰ্ষৰ আৰক্ষী সঞ্চালকপ্ৰধানৰ প্ৰশংসা পদকৰ ৰূপৰ পদক কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া মৃন্ময় দাস আৰু চুলুং আৰক্ষী টহলদাৰী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল দেৱনাথলৈ আগবঢ়োৱা হৈছে। কলিয়াবৰ মহকুমাৰ আৰক্ষী বিষয়া হিচাপে কৰ্মৰত মৃণ্ময় দাসে মহকুমা আৰক্ষী প্ৰশাসনৰ অন্তৰ্গত সকলো আৰক্ষী নিৰেশ তথা চকীৰ আৰক্ষীৰ কৰ্ম তৎপৰাতত বিশেষ অৰিহণা যোগোৱাৰ ফলত এই সন্মান প্ৰদান কৰা হৈছে। আনহাতে, চুলুং আৰক্ষী টহলদাৰী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সহকাৰী আৰক্ষী উপ-পৰিদৰ্শক মৃদুল দেৱনাথলৈ আৰক্ষী সঞ্চালকপ্ৰধানৰ প্ৰশংসা পদকৰ ৰূপৰ পদক আগবঢ়োৱা হৈছে। ১৯৯৪ চনত অসম আৰক্ষীৰ কনিষ্টবল পদত যোগদান কৰি পৰৱৰ্তী কালত নিজ কৰ্ম দক্ষতাৰ ২০১৫ চনত সহকাৰী আৰক্ষী উপ-পৰিদৰ্শক পদোন্নতি লাভ কৰে। উল্লেখ্য যে, ১৯৫১ চনৰ ১ অক্টোবৰত ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া কে আৰ চৌধুৰীয়ে প্ৰথম ভাৰতীয় বিষয়া হিচাপে ব্ৰিটিছ আৰক্ষী বিষয়া জে এইচ ৰীডৰ পৰা আনুষ্ঠানিকভাৱে অসম আৰক্ষীৰ মুখ্য বিষয়াৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিল। তেতিয়াৰে পৰা এই দিনটোত অসম আৰক্ষীক কৃতজ্ঞতা প্ৰকাশৰ বাবে উদ্‌যাপন কৰি অহা হৈছে অসম আৰক্ষী দিৱস। ১৮২৬ চনত ব্ৰিটিছসকলে অসমত আধিপত্য বিস্তাৰ কৰাৰ পিছত অসমত আৰক্ষী হৈছে এক নিৰন্তৰ উন্নয়ন প্ৰক্ৰিয়াৰ ফলাফল। ১৮৬১ চনৰ আৰক্ষী আইন ১৮৬২ চনত অসমত প্ৰৱৰ্তন কৰা হৈছিল আৰু একে বছৰতে ফৌজদাৰী প্ৰক্ৰিয়া বিধি পুনৰ কাৰ্যকৰী কৰা হৈছিল। ইয়াৰ পূৰ্বে, ছাৰ চৈয়দ মহম্মদ ছাদুল্লাৰ অধ্যক্ষতাত ১৯২৯ চনত অসম অসামৰিক আৰক্ষী সমিতি গঠন কৰা হৈছিল।

**কামৰূপ জিলাত 'আৰক্ষী দিৱস' উদ্‌যাপন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১ অক্টোবৰ ঃ** শনিবাৰৰ দিনটোত উদ্‌যাপন কৰা হয় 'অসম আৰক্ষী দিৱস'। ৰাজ্যখনৰ জিলা আৰক্ষী সদৰৰ লগতে বিভিন্ন থানা আৰু আৰক্ষী শিবিৰসমূহত পালন কৰা হ'ল আৰক্ষী দিৱস, দেশ আৰু জনগণৰ সেৱা নিষ্ঠাৰে পালন কৰি যিসকল আৰক্ষী শ্বহীদ হ'ল, তেওঁলোকক জনোৱা হ'ল গভীৰ শ্ৰদ্ধাঞ্জলি। কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়ে জিলাখনৰ অভয়পুৰস্থিত আৰক্ষী নিৱেশত অনুষ্ঠিত কৰিলে 'আৰক্ষী দিৱস'। শ্বহীদ আৰক্ষী জোৱানৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে গ্ৰহণ কৰে আৰক্ষী জোৱানসকলৰ অভিবাদন। জিলাখনৰ আৰক্ষী জোৱানসকলক কৰ্তব্যনিষ্ঠাৰ দায়বদ্ধতাৰ জ্ঞান দিয়াৰ লগতে উত্থাপন কৰে জনহিত-জনসেৱাৰ্থে প্ৰকৃত তত্ত্ব।

## ৰাজ্যসভাৰ বিৰোধী

কৰে। খাৰ্গেই দলটোৰ সভাপতি নিৰ্বাচনৰ বাবে প্ৰায় ৩০জন কংগ্ৰেছ নেতাৰ পৰা সমৰ্থন লাভ কৰিছে। তেওঁক সমৰ্থন কৰাসকলৰ ভিতৰত আছে দ্বিপেন্দ্ৰ হুদা, চলমান খুৰ্দ্ধি, অশোক গেহলট, দিগ্বিজয় সিং, মনীষ তিৱাৰী, পৃথ্বীৰাজ চৱন আৰু অন্যান্য কেইবাজনো নেতা। কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন কৰ্তৃপক্ষৰ অধ্যক্ষ মধুসূদন মিস্ত্ৰীয়ে কয় যে কাইলৈ মনোনয়ন-প্ৰপত্ৰবোৰ পৰীক্ষা কৰা হ'ব আৰু কাইলৈ সন্ধিয়া বৈধ প্ৰপত্ৰ আৰু প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হ'ব। ইফালে, মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী দিগ্বিজয় সিঙে কংগ্ৰেছৰ সভাপতি পদৰ দৌৰৰ পৰা আঁতৰি গৈছে। তেওঁ খাৰ্গেলৈ সমৰ্থন আগবঢ়াই কয় যে খাৰ্গেৰ দৰে এজন জ্যেষ্ঠ নেতাৰ বিৰুদ্ধে তেওঁ 'নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ভাবিব নোৱাৰে'। ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটেও সভাপতিৰ নিৰ্বাচনৰ পৰা বাহিৰ হৈ গৈছে। গেহলটে কালি কৈছিল যে তেওঁ খাৰ্গেৰ নাম প্ৰস্তাৱক হ'ব। কংগ্ৰেছ সভাপতি পদৰ বাবে মনোনয়ন দাখিলৰ পৰ্ব শুকুৰবাৰে আবেলি ৩ বজাত বন্ধ হৈছিল। ১৯ অক্টোবৰত সভাপতি নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

**কংগ্ৰেছৰ সভাপতি নিৰ্বাচনত মূল যুঁজ হ'ব মল্লিকাৰ্জুন খাৰ্গে আৰু শশী থাৰুৰৰ মাজত, কে এন ত্ৰিপাঠীৰ মনোনয়ন নাকচ**

কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন কৰ্তৃপক্ষৰ অধ্যক্ষ মধুসূদন মিস্ত্ৰীয়ে ঘোষণা কৰিছে যে কংগ্ৰেছৰ সভাপতি পদৰ বাবে চূড়ান্ত প্ৰতিদ্বন্দ্বিতা মল্লিকাৰ্জুন খাৰ্গে আৰু শশী থাৰুৰৰ মাজতে হ'ব। ঝাৰখণ্ডৰ প্ৰাক্তন মন্ত্ৰী কে এন ত্ৰিপাঠীৰ কংগ্ৰেছৰ সভাপতি নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰিছিল যদিও আজি তেওঁৰ মনোনয়ন নাকচ হয়। ফলত মল্লিকাৰ্জুন খাৰ্গে আৰু শশী থাৰুৰৰ মাজতে যুঁজ হোৱাটো নিশ্চিত হৈ পৰিল। তিনিওজনে মনোনয়ন দাখিলৰ অন্তিম দিন শুকুৰবাৰে মনোনয়ন দাখিল কৰিছিল। মধুসূদন মিস্ত্ৰীয়ে দিল্লীত কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত এখন সংবাদ মেল সম্বোধন কৰি কয়, 'মনোনয়ন প্ৰক্ৰিয়াত সময়ত মুঠ ২০খন প্ৰ-পত্ৰ লাভ কৰা হৈছিল আৰু তাৰে চাৰিখন নাকচ কৰা হৈছে'। উল্লেখ্য, কংগ্ৰেছ সাংসদ শশী থাৰুৰে শনিবাৰে নাগপুৰৰ দীক্ষাভূমি স্মৃতিস্তম্ভ পৰিদৰ্শন কৰি দলৰ সভাপতি নিৰ্বাচনৰ বাবে তেওঁৰ প্ৰচাৰ আৰম্ভ কৰে। ১৯৫৬ চনত ড° বি আৰ আম্বেদকাৰে তেওঁৰ অনুগামীসকলৰ সৈতে বৌদ্ধ ধৰ্ম পালন কৰা দীক্ষাভূমিত শনিবাৰে থাৰুৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই কথা প্ৰকাশ কৰিছে মহাৰাষ্ট্ৰৰ কংগ্ৰেছ নেতা আশিস দেশমুখে। উল্লেখ্য, দেশমুখেই তিৰুৱন্তপুৰমৰ সাংসদজনৰ উক্ত ভ্ৰমণসূচীৰ আয়োজন কৰিছে। ৬৬ বছৰীয়া থাৰুৰে শুকুৰবাৰে দিল্লীত মনোনয়ন-পত্ৰ দাখিল কৰে। কংগ্ৰেছৰ নতুন সভাপতি বাছনিৰ বাবে ২০ বছৰ পিছত নিৰ্বাচন অনুষ্ঠিত হ'ব। লক্ষ্মীয়ভাৱে এই নিৰ্বাচনত অন্তৰ্ভুক্ত নাই গান্ধী পৰিয়ালৰ কোনো সদস্য। দুবাৰকৈ লোকসভা নিৰ্বাচনত পৰাজয়ৰ বৰণ কৰাৰ পিছত ৰাহুল গান্ধীয়ে কংগ্ৰেছ সভাপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত লোৱাৰ পিছত এনেদৰে নিৰ্বাচনী প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। শশী থাৰুৰৰ লগতে কালি মনোনয়ন-পত্ৰ দাখিল কৰিছে মল্লিকাৰ্জুন খাৰ্গেই।




শাৰদীয় দুৰ্গোৎসৱৰ ষষ্ঠীৰ কেইখনমান স্থিৰ চিত্ৰ— প্ৰথমখনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুৰ্গা প্ৰতিমাৰ সন্মুখত নৱৰাত্ৰিৰ আৰতিত ভাগ লৈছে আহমেদাবাদত, দ্বিতীয় ছবিত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কলকাতাত ঢাক বজোৱাৰ দৃশ্য, তৃতীয় ছবিত জীৱন্ত দুৰ্গা প্ৰতিমা প্ৰদৰ্শন কৰিছে পাটনাৰ স্কুলীয়া শিক্ষাৰ্থীয়ে আৰু শেষৰ ছবিত ভূপালত নৱৰাত্ৰি উদ্‌যাপনত ৰাইজৰ ভিৰ দেখা গৈছে

# দেশত ৫জি ম'বাইল সেৱা মুকলি কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

## দিল্লী, মুম্বাই, চেন্নাই আৰু কলকাতাত প্ৰথম অৱস্থাত প্ৰয়োগ

**নতুন দিল্লী, ১ অক্টোবৰ ঃ** শনিবাৰে ভাৰতত ৫জি প্ৰযুক্তি মুকলি কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অত্যাধুনিক মোবাইল প্ৰযুক্তিৰ শুভাৰম্ভ কৰে। আৰম্ভণিতে দেশৰ কিছুমান চহৰত ৫জি সেৱা আৰম্ভ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰ আশাবাদী যে অহা দুবছৰৰ ভিতৰত সমগ্ৰ দেশতে ৫জি আৰম্ভ কৰা হ'ব।টেলিকম বিভাগে জানিবলৈ দিছে যে প্ৰথম পৰ্যায়ত ভাৰতৰ কেইবাখনো চহৰত ৫জি সেৱা উপলব্ধ হ'ব। কলকাতা, দিল্লী, মুম্বাই, চেন্নাই আৰু আন কে'বাখনো চহৰ এই তালিকাত আছে। অৱশ্যে সম্পূৰ্ণ তালিকাখন এতিয়াও ৰাজহুৱা কৰা হোৱা নাই। নতুন দিল্লীৰ প্ৰগতি




ময়দানত ১ৰ পৰা ৪ অক্টোবৰলৈ অনুষ্ঠিত হ'ব ইণ্ডিয়া ম'বাইল কংগ্ৰেছ। ইয়াৰ পৰাই প্ৰধানমন্ত্ৰীয়ে দেশত ৫জি প্ৰযুক্তি উদ্বোধন কৰে। দেৱালীৰ পৰা চহৰসমূহত ৫জি সেৱা আৰম্ভ কৰা হ'ব। টেলিকম খণ্ডৰ বিশেষজ্ঞসকলে দাবী কৰিছে যে ৫জি প্ৰযুক্তি ভাৰতৰ বাবে যথেষ্ট লাভজনক প্ৰমাণিত হ'ব। ২০২৩ৰ পৰা ২০৪০ চনৰ ভিতৰত ভাৰতৰ অৰ্থনীতিত কেৱল ৫জি প্ৰযুক্তিৰ বাবে অতিৰিক্ত ৫জি কোটি ডলাৰ আহিব। মুকেশ আম্বানীৰ কোম্পানী ৰিলায়েন্স জিঅ'ই ৫জি স্পেকট্ৰামৰ সৰ্বাধিক আবন্টন লাভ কৰিছে। তেওঁলোকে ফিফ্‌থ জেনেৰেচন বা ৫জি স্পেকট্ৰামৰ বাবে ৮৮ হাজাৰ ৭৮ কোটিৰ চুক্তি লাভ কৰিছে। বিশেষজ্ঞসকলৰ মতে ৫জি সেৱাত ইণ্টাৰনেটৰ গতি যথেষ্ট বৃদ্ধি হ'ব। ফলস্বৰূপে যিকোনো ডাঙৰ ফাইল, চিনেমা বা গান কেইটিমান মুহূৰ্তৰ ভিতৰতে ডাউনলোড হ'ব।

## কংগ্ৰেছৰ সভাপতিৰ নিৰ্বাচনত মনোনয়ন দাখিল জ্যেষ্ঠ নেতাজনৰ

# ৰাজ্যসভাৰ বিৰোধী দলপতিৰ পদ এৰিলে মল্লিকাৰ্জুন খাৰ্গেই



**নতুন দিল্লী, ১ অক্টোবৰ ঃ** কংগ্ৰেছৰ সাংগঠনিক নিৰ্বাচনত সভাপতি পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে দলটোৰ জ্যেষ্ঠ নেতা মল্লিকাৰ্জুন খাৰ্গেই। দীৰ্ঘদিন ধৰি সংসদীয় ৰাজনীতিত পৰিপক্ব হৈ উঠা খাৰ্গে বৰ্তমান ৰাজ্যসভাত বিৰোধী দলপতি হিচাপে অধিষ্ঠিত হৈ আছে। শুকুৰবাৰে সভাপতি নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিনা জ্যেষ্ঠ নেতাজনে দলীয় নিৰ্বাচনী সমিতিৰ ওচৰত মনোনয়ন দাখিল কৰিছে। ইয়াৰ লগে লগে তেওঁ ৰাজ্যসভাৰ বিৰোধী দলপতিৰ পদ ত্যাগ কৰিছে। কিয়নো কংগ্ৰেছৰ এক ব্যক্তি, এক পদ নীতি বাহাল আছে। সভাপতি পদৰ বাবে কোনোধৰণৰ আগতীয়া প্ৰচাৰ নচলোৱাকৈ থকা খাৰ্গেই হঠাতে এই সিদ্ধান্ত কিয় ল'লে বুলিও একাংশই চৰ্চা কৰিছে। কিয়নো শশী থাৰুৰ, অশোক গেহলট আৰু দিগ্বিজয় সিঙে নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি ইতিমধ্যে সাজু হৈছিল। শশী থাৰুৰে শুকুৰবাৰে মনোনয়ন পত্ৰ দাখিল কৰিছে। অশোক গেহলটে শেষ সময়ত নিৰ্বাচনী যুঁজৰ পৰা আঁতৰি আহিল। কিয়নো ৰাজস্থান কংগ্ৰেছত দেখা দিয়া বিসম্বাদ আৰু একাংশ বিধায়কে অশোক গেহলটৰ পৰিৱৰ্তে অন্য কোনো ব্যক্তিক মুখ্যমন্ত্ৰী হিচাপে গ্ৰহণ নকৰে বুলি স্পষ্ট কৰি দিয়াৰ পিছত স্বাভাৱিকতে সংকটত পৰিছিল গেহলট। গতিকে সভাপতি নিৰ্বাচনৰ পৰা নিজকে আঁতৰাই আনিবলৈ বাধ্য হ'ল পাঁচ দশকৰ সংসদীয় ৰাজনীতিৰ অভিজ্ঞ গেহলটে। ইফালে মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ৰাজ্যসভাৰ সাংসদ দিগ্বিজয় সিঙে তিনিবাৰকৈ সিদ্ধান্ত সলনি কৰিব লগা হ'ল। প্ৰথম অৱস্থাত সভাপতি নিৰ্বাচনৰ বাবে সাজু হোৱা বুলি প্ৰচাৰ কৰিছিল যদিও পিছৰ পৰ্যায়ত প্ৰতিদ্বন্দ্বিতাৰ পৰা নিজকে আঁতৰাই ৰাখে। মাজতে পুনৰ সভাপতি নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল উদ্দেশ্যৰে দলৰ হাইকমাণ্ডক সাক্ষাৎ কৰিছিল। আনকি মনোনয়ন দাখিলৰ অন্তিম তাৰিখৰ এদিন পূৰ্বে দিগ্বিজয় সিঙে সাক্ষাৎ কৰিছিল শশী থাৰুৰক। দুয়োজনে বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতা কৰিব বুলিও প্ৰকাশ কৰিছিল। অৰ্থাৎ দিগ্বিজয় সিঙে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ইংগিত দিছিল। কিন্তু শেষ সময়ত তেওঁ দলৰ হাইকমাণ্ডৰ পৰা অনুমতি লাভ নকৰিলে বুলি জানিব পৰা গৈছে। কিয়নো গান্ধী পৰিয়ালৰ আশীৰ্বাদ অবিহনে এই নিৰ্বাচনত কোনেও অৱতীৰ্ণ হ'ব নোৱাৰে আৰু জয়লাভৰ মুখ দেখিব নোৱাৰে বুলি নিশ্চিত হৈ আছে। তথাপি শশী থাৰুৰে গান্ধী পৰিয়ালৰ আশীৰ্বাদ অবিহনেই সভাপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে সাহসেৰে আগুৱাই আহিছে আৰু শুকুৰবাৰে মনোনয়নপত্ৰ দাখিল কৰা দেখা গ'ল। আনহাতে শনিবাৰে মল্লিকাৰ্জুন খাৰ্গেই সাক্ষাৎ কৰে কংগ্ৰেছৰ সভাপতি ছোনিয়া গান্ধীক। তেওঁ হাইকমাণ্ডৰ ওচৰত ৰাজ্যসভাৰ বিৰোধী দলপতিৰ পৰা ইস্তফা দিয়াৰ পত্ৰ দাখিল কৰিছে। আনহাতে কংগ্ৰেছৰ ত্ৰিশজন জ্যেষ্ঠ নেতাৰ সমৰ্থন লাভ কৰা বুলি খাৰ্গেই প্ৰকাশ কৰিছে। উল্লেখ্য যে ৰাজস্থানৰ উদয়পুৰত কংগ্ৰেছৰ চিন্তন বৈঠক অনুষ্ঠিত হৈছিল আৰু এই বৈঠকতে এক ব্যক্তি আৰু এক পদ নীতি গ্ৰহণ কৰা হৈছিল। খাৰ্গেক সমৰ্থন কৰাসকলৰ মাজত আছে জ্যেষ্ঠ নেতা দিপেন্দৰ হুদা, ছলমান খুৰ্ছিদ, অশোক গেহলট, মনীষ তিৱাৰী, পৃথ্বিৰীৰাজ চাৱন আদিৰ লগতে দিগ্বিজয় সিঙৰ নামো সংযোজিত হৈছে। ইফালে কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ অধ্যক্ষ মধুসুদন মিস্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি মল্লিকাৰ্জুন খাৰ্গেৰ সমৰ্থনত ১৪ খন মনোনয়নপত্ৰ দাখিল কৰা হৈছে। আনহাতে শশী থাৰুৰৰ সমৰ্থনত পাঁচখন মনোনয়নপত্ৰ দাখিল কৰা হৈছে। অন্য এজন প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী হ'ল ঝাৰখণ্ডৰ কংগ্ৰেছ নেতা কে এন ত্ৰিপাঠী। তেওঁৰ নামত কেৱল এখন মনোনয়ন পত্ৰহে দাখিল কৰা হৈছে। কাইলৈ এই মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ পৰীক্ষাৰ পিছত কাইলৈ অৰ্থাৎ দেওবাৰে কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে মনোনয়ন পত্ৰৰ বৈধতা সম্পৰ্কে ঘোষণা কৰিব। এই পৰীক্ষাৰ সময়ছোৱাত কাৰোপাৰ মনোনয়ন পত্ৰ বাতিল হৈছে নেকি সেই বিষয়টো পৰীক্ষা কৰা হ'ব। ইফালে দিগ্বিজয় সিঙে নিৰ্বাচনৰ পৰা কিয় আঁতৰি আহিল তাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। এইজন চতুৰ নেতাই আগন্তুক সময়ত ৰাজ্যসভাত বিৰোধী দলপতিৰ আসন দখল কৰিবলৈ কৌশলেৰে মল্লিকাৰ্জুন খাৰ্গেক সমৰ্থন জনোৱা বুলিও চৰ্চিত হৈছে। গান্ধী পৰিয়ালৰ আশীৰ্বাদত মল্লিকাৰ্জুন খাৰ্গে কংগ্ৰেছৰ সভাপতি হ'ব বুলি ইতিমধ্যে দলটোৰ জ্যেষ্ঠ কৰ্মকৰ্তাই প্ৰকাশ কৰিছে। ফলত দিগ্বিজয় সিঙে পৰাজয়ৰ আশংকাতে নিৰ্বাচনৰ পৰা আঁতৰি আহিল। সেয়েহে তেওঁৰ এই স্থিতিৰ বিষয়ে কয় যে খাৰ্গেৰ দৰে এজন জ্যেষ্ঠ নেতাৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ ইচ্ছা আৰু উদ্দেশ্য নাই। ইয়াৰ বাবেই প্ৰতিদ্বন্দ্বিতা পৰা নিজকে আঁতৰাই ৰখা বুলি ঘোষণা কৰিছে। ইয়াৰ উপৰিও অশোক গেহলটে নিৰ্বাচনৰ পৰা আঁতৰি অহাৰ পিছত তেওঁ নিজে মল্লিকাৰ্জুন খাৰ্গেক সমৰ্থন জনোৱা বুলি ঘোষণা কৰিছে। লগতে মল্লিকাৰ্জুন খাৰ্গেৰ নাম সভাপতি পদৰ বাবে গেহলটে প্ৰথমে প্ৰস্তাৱ কৰা বুলিও চৰ্চিত হৈছে। অহা ১৭ অক্টোবৰ তাৰিখে সভাপতি পদৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ১৯ অক্টোবৰ তাৰিখে ভোট গণনা কৰা হ'ব। বিগত ২৫ বছৰৰ পিছত কংগ্ৰেছৰ নেতৃত্ব গান্ধী পৰিয়ালৰ বাহিৰলৈ অহাটো নিশ্চিত হৈ পৰিছে। কিয়নো এইবাৰ ছোনিয়া গান্ধী, ৰাহুল গান্ধী বা প্ৰিয়ংকা গান্ধীৰ কোনো এগৰাকীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে আগ্ৰহ প্ৰকাশ নকৰিলে। গতিকে মনোনয়ন পত্ৰ দাখিল নকৰিলে গান্ধী পৰিয়ালৰ এইসকল নেতাই।

## দুদিনীয়া ভ্ৰমণসূচীৰে জম্মু-কাশ্মীৰলৈ যাব গৃহমন্ত্ৰী অমিত শ্বাহ

### অসমলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ লগতে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি আহিব ৮, ৯ অক্টোবৰত



**নতুন দিল্লী, ১ অক্টোবৰ ঃ** দুৰ্গা পূজাৰ ধামখুমীয়াৰ মাজতে কেন্দ্ৰীয় শাসিত প্ৰদেশ জম্মু আৰু কাশ্মীৰ ভ্ৰমণ কৰিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। লগতে বৈষ্ণ দেৱী মন্দিৰত প্ৰাৰ্থনা কৰাৰ কথা। কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে দুখনকৈ ৰাজহুৱা সভাত সম্বোধন কৰাৰ কথা। প্ৰাপ্ত তথ্য মতে অহা ৪ অক্টোবৰত শ্ৰীনগৰত উপস্থিত হ'ব কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে। প্ৰথম দিনটোতে ৰাজৌৰী জিলাত এখন ৰাজহুৱা সভাত ভাগ ল'ব। কেন্দ্ৰীয় চৰকাৰৰ উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে জম্মুত অন্য নতুন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অৱশ্যে পুৱাৰ ভাগতে বৈষ্ণদেৱী মন্দিৰ দৰ্শন কৰাৰ লগতে সেৱা আৰু প্ৰাৰ্থনা কৰিহে দিনটোৰ কাৰ্যসূচী আৰম্ভ কৰিব বুলি প্ৰকাশ পাইছে। আনহাতে ৫ অক্টোবৰ তাৰিখে ৰাজ্যখনৰ আইন-শৃংখলাৰ পৰিস্থিতি আৰু প্ৰশাসনৰ অভাৱ-অভিযোগ বিষয়ত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে এখন চৰকাৰী বৈঠকত অংশ গ্ৰহণ কৰিব। শ্ৰীনগৰত অৱস্থিত ৰাজভৱনত আয়োজন কৰা হৈছে এই চৰকাৰী বৈঠকৰ। উপ-ৰাজ্যপাল মনোজ সিনহাৰ উপৰিও সেনাবাহিনীৰ শীৰ্ষ বিষয়া, অৰ্ধ সামৰিক বাহিনীৰ শীৰ্ষ কাৰ্যবাহী, আৰক্ষীৰ শীৰ্ষ বিষয়া আদিৰ উপৰিও অসামৰিক প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব। সেইদিনাই বিয়লি বাৰামুল্লা জিলাত অন্য এখন ৰাজহুৱা সভাত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে ভাগ লোৱাৰ কথা। এই সভাতো কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কেবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ কথা। প্ৰণিধানযোগ্য এয়ে যে পূজাৰ উলহ-মালহৰ মাজতে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ চৰকাৰী কাৰ্যসূচী ৰূপায়ণৰ বাবে ব্যস্ত হৈ পৰা দেখা গৈছে। জম্মু-কাশ্মীৰ ভ্ৰমণৰ পিছত অসমলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে। অহা ৮ আৰু ৯ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে অসমত উপস্থিত থাকি আইন-শৃংখলা আৰু অন্যান্য উন্নয়নমূলক কাম-কাজৰ বিষয়ে ৰাজ্য চৰকাৰৰ লগতে বিজেপি দলৰ কাৰ্যসূচীত ভাগ ল'ব বুলি প্ৰকাশ পাইছে। লগতে বিজেপি দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডায়ো একে সময়তে অসম ভ্ৰমণ কৰিব বুলি কোৱা হৈছে।

## মহিলাৰ চেণ্ডেলৰ ভিতৰত ৪.৯ কোটি মূল্যৰ কোকেইন, বিমান বন্দৰতে গ্ৰেপ্তাৰ



**মুম্বাই, ১ অক্টোবৰ ঃ** শনিবাৰে মুম্বাই বিমান বন্দৰত এগৰাকী মহিলাৰ এযোৰ চেণ্ডেলক লৈ ব্যস্ত হৈ পৰিল নিৰাপত্তাৰক্ষীৰ লগতে শুল্ক বিভাগৰ বিষয়া আৰু কৰ্মচাৰী। কিয়নো গোপন সূত্ৰৰ পম খেদি অভিযানকাৰী দলে ধৰা পেলালে প্ৰায় পাঁচ কোটি টকা মূল্যৰ নিষিদ্ধ ড্ৰাগছ কোকেইন। এই সামগ্ৰীখিনি এগৰাকী মহিলাই নিজৰ চেণ্ডেলৰ ভিতৰত সংযোজিত কৰি কঢ়িয়াই আনিছিল। চেণ্ডেলৰ ভিতৰত ৪৯০ গ্ৰাম ওজনৰ এই সামগ্ৰীখিনি কঢ়িয়াই অনা বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে মুম্বাইৰ চত্ৰপতি শিৱাজী মহাৰাজ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত এই ঘটনা সংঘটিত হৈছে। গোপন সূত্ৰই সদৰী কৰা তথ্যৰ ভিত্তিত মহিলা যাত্ৰীগৰাকীক প্ৰথমে সোধাপোছা কৰা হৈছে। নিৰাপত্তাৰক্ষী আৰু শুল্ক বিষয়াৰ ওচৰত এই সামগ্ৰী সৰবৰাহ কৰাৰ তথ্য স্বীকাৰ কৰা নাছিল। কিন্তু পিছত মহিলা বিষয়াৰ দ্বাৰা যাত্ৰীগৰাকীক বিশেষ কোঠালৈ নি তেওঁৰ সৈতে থকা সকলো সামগ্ৰী তন্ন তন্নকৈ পৰীক্ষা কৰোৱা হয়। তেতিয়াই তেওঁ পৰিধান কৰা চেণ্ডেলৰ ভিতৰত বিশেষ পদ্ধতিৰে ভৰাই অনা এই সামগ্ৰীখিনি ধৰা পৰে। পিছত মহিলাগৰাকীক গ্ৰেপ্তাৰ কৰা হয় আৰু কাৰাগাৰলৈ প্ৰেৰণ কৰা বুলি প্ৰকাশ পাইছে।

## ধনৰ অবৈধ সৰবৰাহৰ গোচৰৰ বিচাৰপতি সলনিৰ আৱেদন নাকচ কৰিলে দিল্লী উচ্চ ন্যায়ালয়ে

**নতুন দিল্লী, ১ অক্টোবৰ ঃ** দিল্লী উচ্চ ন্যায়ালয়ে শনিবাৰে দিল্লী চৰকাৰৰ স্বাস্থ্যমন্ত্ৰী তথা কাৰাৰুদ্ধ সত্যেন্দৰ জৈনৰ এখন আবেদন নাকচ কৰিছে। ন্যায়াধীশ যোগেশ খান্নাৰ আদালতে এই আবেদন নাকচ কৰিছে। আম আদমীৰ নেতা তথা দিল্লীৰ স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে যোৱা ২৩ ছেপ্টেম্বৰ তাৰিখে দিয়া ন্যায়ালয়ৰ এক নিৰ্দেশনা বাতিলৰ বাবে আবেদন জনাইছিল। কিয়নো জিলা আৰু চেছন ন্যায়াধীশৰ আদালতে ধনৰ অবৈধ লেনদেনৰ গোচৰ এখন আদালতৰ পৰা অন্য এখন আদালতলৈ হস্তান্তৰ কৰিছিল। এই নিৰ্দেশৰ বিৰুদ্ধে সত্যেন্দৰ জৈনে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। কিন্তু এই আবেদন গ্ৰাহ্য কৰা দেখা নগ'ল। উল্লেখ্য যে এই নিৰ্দেশনাত কোৱা হৈছে যে এনফোৰ্চমেণ্ট বিভাগে গোচৰৰ শুনানি আৰু তদন্তৰ ক্ষেত্ৰত কোনোধৰণৰ অবৈধ হস্তক্ষেপ বা হাৰাশাস্তি কৰা নাই। আনকি কাৰাৰুদ্ধ স্বাস্থ্যমন্ত্ৰীগৰাকীৰ স্বাস্থ্য পৰীক্ষা নিয়মীয়াকৈ কৰি আছে কাৰাগাৰ কৰ্তৃপক্ষই। জ্যেষ্ঠ অধিবক্তা ৰাহুল মেহৰাই যুক্তি প্ৰদৰ্শন কৰা এই গোচৰত এনফোৰ্চমেণ্ট বিভাগে গোচৰটোৰ বাবে ন্যায়াধীশ সলনি কৰাৰ নিৰ্দেশনা বাতিল কৰিবলৈ দাবী কৰা হৈছিল। প্ৰণিধানযোগ্য এয়ে যে যোৱা ৬ জুন তাৰিখে এনফোৰ্চমেণ্ট বিভাগে তালাচী চলোৱাৰ সময়ত সত্যেন্দৰ জৈনৰ পৰা ২.৮৫ কোটি নগদ ধন আৰু ১৩৩টা সোণৰ মুদ্ৰা উদ্ধাৰ কৰিছিল। দিল্লী আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশৰ বিভিন্ন অঞ্চলত একাদিক্ৰমে তালাচী চলোৱাৰ পিছত এই সামগ্ৰীসমূহ উদ্ধাৰ কৰিছিল। ইয়াৰ পিছতে মন্ত্ৰী সত্যেন্দৰ জৈনক এনফোৰ্চমেণ্টে গ্ৰেপ্তাৰ কৰি পিছৰ পৰ্যায়ত কাৰাগাৰলৈ নিক্ষেপ কৰিছিল।



## ইউক্ৰেইনৰ চাৰিটা অঞ্চল দখল কৰাৰ বাবে ৰাছিয়াক সমালোচনা আমেৰিকাৰ

**ৱাশ্বিংটন, ১ অক্টোবৰ ঃ** ৰাছিয়াৰ সমালোচনাত মুখৰ হৈ পৰিছে আমেৰিকা। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে শুকুৰবাৰে পশ্চিমক সতৰ্ক কৰি দিছিল যে মস্কো অধিকৃত ইউক্ৰেইনৰ চাৰিটা অঞ্চলৰ লোকসকল "চিৰদিনৰ বাবে আমাৰ নাগৰিক"। তেওঁ ক্ৰেমলিনৰ এক অনুষ্ঠানত তেওঁলোকক আনুষ্ঠানিকভাৱে সংযুক্ত কৰাৰৰ সময়তে এনেদৰে কয়। পুটিনে কয়, "মই কিয়েভৰ শাসক আৰু পশ্চিমৰ প্ৰভুসকলক ক'ব বিচাৰো যে লুহানস্ক, ডনেটস্ক, খেৰচন আৰু জাপোৰিজজিয়াত বাস কৰা লোকসকল চিৰদিনৰ বাবে আমাৰ নাগৰিক হৈ পৰিল"। পুটিনে শুকুৰবাৰে চাৰিটা আংশিক ভাৱে অধিকৃত ইউক্ৰেইন অঞ্চলৰ সংযুক্তিৰ বিষয়ত স্বাক্ষৰ কৰে। পুটিনে গ্ৰেণ্ড ক্ৰেমলিন পেলেছৰ ছেইণ্ট জৰ্জ হলত এক টেলিভিছন অনুষ্ঠানত পূব ডনেটস্ক আৰু লুহানস্ক অঞ্চলৰ লগতে দক্ষিণ জাপোৰিজজিয়া আৰু খেৰচন অঞ্চলৰ সংযুক্ত কৰে।অধিকৃত ইউক্ৰেইনৰ অঞ্চলসমূহত ৰাছিয়াই চাৰিটা 'গণভোট'ত জয়ী হোৱাৰ দাবী কৰিছিল, যি জয় মস্কোৱে অধিক ভূ-খণ্ড নিজৰ অধিগ্ৰহণ কৰাৰ ভিত্তি হিচাপে ব্যৱহাৰ কৰিব পাৰে। আমেৰিকাই ৰাছিয়াৰ এনে পদক্ষেপক হঠকাৰী আখ্যা দিয়াৰ লগতে এনে কাৰ্যৰ পৰা আঁতৰি থাকিবলৈ সকিয়াই দিছে।



# গুজৰাটৰ চুৰাটত এখন এম্বুলেন্সত ২,০০০টকীয়া বাণ্ডিলৰ পাহাৰ

## আৰক্ষীৰ নিয়মীয়া তালাচীত উদ্ধাৰ হ'ল গোপন ধন

**চুৰাট, ১ অক্টোবৰ ঃ** গোপন সূত্ৰৰ পৰা এম্বুলেন্সত টকা ভৰ্তি কৰিলৈ গৈ থকাৰ খবৰ পোৱা গৈছিল। সূত্ৰৰ পৰা তথ্য পোৱাৰ পিছতেই ততাতয়াকৈ আৰক্ষী গৈ ঘটনাস্থলীত উপস্থিত হয়। এম্বুলেন্সখন ৰখাই দি দৰ্জা খুলিয়েই স্তম্ভিত হৈ পৰে আৰক্ষী।খাপে খাপে সজাই ৰখা ২,০০০ টকাৰ নোট। গণনা কৰি দেখা গ'ল মুঠ ২৫ কোটি ৮০ লাখ টকা আছে। অৱশ্যে সকলোবোৰ নোটত লিখা আছিল 'ৰিভাৰ্চ বেংক অফ ইণ্ডিয়া' গুজৰাটৰ চুৰাটত এই অদ্ভুত ঘটনাটো সংঘটিত হৈছে। কামৰেজ আৰক্ষী থানাই গোপন সূত্ৰৰ পৰা এম্বুলেন্সেৰে নোট ভৰ্তি কৰিলৈ গৈ থকাৰ তথ্য লাভ কৰিছিল। সেইদৰে, আৰক্ষী গৈ আহমেদাবাদ-মুম্বাই পথত অপেক্ষা কৰিছিল। এম্বুলেন্সে এখন আহি থকা দেখি ৰখাই দিয়া হয়। চালক আৰু হেণ্ডিমেনক জেৰা কৰাৰ পিছত আৰক্ষীৰ সন্দেহ গভীৰ হয়। এজন আৰক্ষীয়ে চালকজনক পিছফালৰ দৰ্জাখন খুলিবলৈ কয়। দৰ্জাখন খোলাৰ লগে লগে থৰ লাগে আৰক্ষী। খাপে খাপে সজাই ৰখা হৈছে দুই হাজাৰ টকাৰ নোট। আৰক্ষী অধীক্ষক হিতেশ জয়ছাৰে কয় যে ছয়টা কাগজৰ বাকচত মুঠ ১,২৯০ টা নোটৰ বাণ্ডোল পোৱা গৈছে। যাৰ মুঠ মূল্য হৈছে ২৫ কোটি ৮০ লাখ টকা। কিন্তু সকলোবোৰ নোটত 'ৰিভাৰ্চ বেংক অফ ইণ্ডিয়া' লিখা ৰৈছে। কিন্তু তাত থাকিব লাগিছিল 'ৰিজাৰ্ভ বেংক অফ ইণ্ডিয়া'হে। বাণ্ডোলটোৰ তলত লিখা আছে যে এই নোট কেৱল চিনেমাৰ দৃশ্যগ্ৰহণত ব্যৱহাৰৰ বাবেহে। শেহতীয়াকৈ কেতিয়াবা পশ্চিমবংগ, কেতিয়াবা উত্তৰ প্ৰদেশ, কেতিয়াবা মহাৰাষ্ট্ৰ আদিত বহুতো টকা উদ্ধাৰ হোৱা দেখা গৈছিল। এয়া সকলো আছিল আচল নোট। কিন্তু কেৱল চিনেমাৰ দৃশ্যগ্ৰহণত ব্যৱহাৰ হোৱা বাণ্ডোল বাণ্ডোল নকল নোট ক'ৰ পৰা আহিল?



### ইউক্ৰেইনৰ দখলীকৃত অঞ্চল নিজৰ অধীনলৈ আনিলে ৰাষ্ট্ৰপতি পুটিনে

# ৰাছিয়াৰ বিৰুদ্ধে ভোট নিদিলে ভাৰতে

**ৱাশ্বিংটন, ১ অক্টোবৰ ঃ** ৰাষ্ট্ৰসংঘৰ মজিয়াত আজি পুনৰ ৰাছিয়াৰ বিৰুদ্ধে ভোটদানৰ পৰা বিৰত থাকিল ভাৰত। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ইউক্ৰেইনৰ অঞ্চল দখল কৰিবলৈ ৰাছিয়াই অনুষ্ঠিত কৰা গণভোটক গৰিহণা দি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু আলবেনিয়াই দাখিল কৰা এখন খচৰাৰ প্ৰস্তাৱত ভাৰতে ভোটদানৰ পৰা বিৰত থাকে। প্ৰস্তাৱটোৱে ৰাছিয়াই ইউক্ৰেইনৰ পৰা নিজৰ বাহিনী প্ৰত্যাহাৰ কৰিব লাগিব বুলি কোৱা হৈছিল। নিৰাপত্তা পৰিষদৰ সদস্য ১৫খন দেশে এই প্ৰস্তাৱক লৈ ভোট দান কৰিব লাগিছিল। কিন্তু ৰাছিয়াই ইয়াৰ পূৰ্বে ভেটো ব্যৱহাৰ কৰে। ফলত প্ৰস্তাৱটো গৃহীত কৰিব পৰা নগ'ল। দহখন দেশে প্ৰস্তাৱৰ সমৰ্থনত ভোট দিছিল আৰু চাৰিখন দেশ ভোটদানৰ পৰা বিৰত আছিল। ৰাষ্ট্ৰসংঘৰ মহাসচিব এণ্টনিঅ' গুটেৰেছে কয় যে ভাবুকি বা বল প্ৰয়োগৰ দ্বাৰা আন এখন দেশৰ ভূখণ্ড দখল কৰাটো আন্তঃৰাষ্ট্ৰীয় আইনৰ নীতিৰ উলংঘন। উল্লেখ্য পুটিনে গ্ৰেণ্ড ক্ৰেমলিন পেলেছৰ ছেইণ্ট জৰ্জ হলত এক টেলিভিছন অনুষ্ঠানত পূব ডনেটস্ক আৰু লুহানস্ক অঞ্চলৰ লগতে দক্ষিণ জাপোৰিজজিয়া আৰু খেৰচন অঞ্চলৰ সংযুক্ত কৰে।অধিকৃত ইউক্ৰেইনৰ অঞ্চলসমূহত ৰাছিয়াই চাৰিটা 'গণভোট'ত জয়ী হোৱাৰ দাবী কৰিছিল, যি জয় মস্কোৱে অধিক ভূ-খণ্ড নিজৰ অধিগ্ৰহণ কৰাৰ ভিত্তি হিচাপে ব্যৱহাৰ কৰিব পাৰে। আমেৰিকাই ৰাছিয়াৰ এনে পদক্ষেপক হঠকাৰী আখ্যা দিয়াৰ লগতে এনে কাৰ্যৰ পৰা আঁতৰি থাকিবলৈ সকীয়াই দিছে।





## বিশ্বনাথৰ কৃতী শিক্ষক অৰুণ বৰদলৈক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১ অক্টোবৰ ঃ** বিশ্বনাথ জিলাৰ পূব নাগশংকৰ মণ্ডল সমল কেন্দ্ৰৰ শৈক্ষিক সভাখন বালিজান প্ৰাথমিক বিদ্যালয়ত কালি অনুষ্ঠিত হয়। জনতা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক টংকেশ্বৰ বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত বহুকেইটা গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে বালিজান প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ এটি সমবেত সংগীত পৰিবেশন কৰে। বিশ্বনাথ জিলা প্ৰশাসনৰ তৰফৰ পৰা ২০২২ চনত কৃতী শিক্ষকৰ বঁটা লাভ কৰা ১নং গোৰেকী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণ বৰদলৈক এখন গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সভাত সমন্বয়ক জিতেন পাতৰৰ লগতে ডিপলোঙা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক বীৰেন বসুমতাৰী, পূব নাগশংকৰ সমলকেন্দ্ৰৰ অধীনৰ বিদ্যালয়সমূহৰ শিক্ষক শিক্ষয়িত্ৰীসকল উপস্থিত আছিল। সভাত বিদ্যাঞ্জলী প'ৰ্টেলত, বিদ্যালয়ত আৰু স্বেচ্ছা সেৱক ৰেজিষ্ট্ৰেচন, বিদ্যালয়ৰ বাবে চিলিং ফেন আৰু বিদ্যালয়ৰ প্ৰয়োজনীয় অন্যান্য সামগ্ৰী ৰাজহুৱা দান বৰঙণি সংগ্ৰহ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি পৰ্যবেক্ষণ নিয়মীয়াকৰণ, ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ নিপুণ অসম আৰু এফ এল এন সম্পৰ্কে আলোচনা, ২০২২বৰ্ষৰ গুণোৎসৱৰ সম্পৰ্কে, ছাত্ৰ-ছাত্ৰীৰ বেংক একাউন্ট, আধাৰ কাৰ্ড, স্বচ্ছতা পৰিকল্পনা প্ৰস্তুতকৰণ সম্পৰ্কীয়, দ্বিতীয় মূল্যায়ন আৰু ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতি ওপৰত পৰ্যালোচনা, আদৰ্শ পাঠদান বিষয়লৈ সভাত আলোচনা কৰা হয়। অৰুণ বৰদলৈয়ে কয় যে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান দিয়াৰ লগতে বিদ্যালয়ৰ অঞ্চলসমূহৰ ৰাইজৰ লগত সহযোগিতা আগবঢ়াই শিক্ষা কলা-সংস্কৃতি, ক্ৰীড়াৰ দিশত কেনেকৈ আগবঢ়াই নিব পাৰি তাৰ চেষ্টা কৰিব লাগে। সমাজৰ অপসংস্কৃতি, মদ, ভাং, ড্ৰাগ্ছৰ বিৰুদ্ধে সজাগতা সভাবোৰ আয়োজন কৰাত শিক্ষকসকলেই বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগে বুলি কয়।

### ■ নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি পূৰ কৰিলে বিধায়ক বিশ্বজিৎ ফুকনে ■

# বৰপথাৰত ঘৰে ঘৰে ৰন্ধন গেছ যোগানৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ১ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টিৰ বাবে আজি এক ঐতিহাসিক দিন পৰিগণিত হ'ল। সমষ্টিটোৰ বিধায়ক বিশ্বজিৎ ফুকনৰ তৎপৰতাত বৰপথাৰ নগৰত অসম গেছ কোম্পানীৰ অধীনত ঘৰে ঘৰে পাইপেৰে ৰন্ধন গেছ যোগানৰ শুভাৰম্ভ কৰা হয়। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ উপস্থিতিত ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচাই বৰপথাৰ পৌৰসভাৰ পৌৰপতি সঞ্জীৱ বৰুৱা আৰু স্থানীয় ব্যক্তি পদ্ম বৰাৰ বাসগৃহত নাৰিকল ভাঙি, চৌকা জ্বলাই আঁচনিখনৰ শুভাৰম্ভ কৰে। ঘৰে ঘৰে পাইপেৰে ৰন্ধন কাৰ্যৰ শুভাৰম্ভণি অনুষ্ঠানত অসম গেছ কোম্পানীৰ পৰিচালন সঞ্চালক মনোজ বৰুৱা, ধনশিৰি মহকুমাৰ মহকুমাধিপতি দিনেছফা বৰুৱাৰ লগতে শতাধিক স্থানীয় লোক উপস্থিত থাকে। আনহাতে, আঁচনিখনৰ সুবিধা গ্ৰহণ কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা আৰু স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনে। উল্লেখ্য যে বিধায়কগৰাকীয়ে নিৰ্বাচনৰ পূৰ্বে ঘৰে ঘৰে ৰন্ধন গেছ যোগান ধৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি পূৰ হোৱাত সমষ্টিটোৰ ৰাইজে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে বিধায়ক গৰাকীৰ তৎপৰতাক শলাগ লৈছে।



## ৰাজধানী এক্সপ্ৰেছ ৰখোৱাৰ দাবীত ৰঙিয়া ছাত্ৰ সন্থাৰ স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১ অক্টোবৰ ঃ** ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাই ৰঙিয়া মাণ্ডলিক ৰে'ল প্ৰবন্ধক ৰাজধানী এক্সপ্ৰেছ ১২৪২৩-২৪ ৰে'লখন দৈনিক ৰখোৱাৰ লগতে স্থানীয় ৰে'লসমূহ চলোৱাৰ দাবী জনাই স্মাৰক-পত্ৰ প্ৰদান কৰে। ৰঙিয়া ছাত্ৰ সন্থা, ৰে'ল ডিভিজন সংগ্ৰাম পৰিষদ আৰু ৰঙিয়াবাসীৰ অশেষ কষ্ট, ত্যাগ আৰু আন্দোলনৰ ফলত ৰে'ল ডিভিজন পাবলৈ সক্ষম হৈছিল ৰঙিয়াবাসীয়ে। দুৰ্ভাগ্যজনক কথা যে ৰঙিয়াত ৰাজধানী এক্সপ্ৰেছ ৰে'লখন এতিয়ালৈকে দৈনিক ৰখোৱাৰ ব্যৱস্থা নকৰাত ৰাইজৰ মাজত ক্ষোভৰ উদ্গিৰণ হোৱা পৰিলক্ষিত হৈছে। চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ লোকসকলেও ৰে'লৰ সংযোগস্থলী ৰঙিয়া ৰে'ল ষ্টেচন। এই ষ্টেচনৰ পৰা বিভিন্ন ঠাইলৈ ৰে'লৰ জৰিয়তে অহা-যোৱা কৰে, কিন্তু বৰ্তমানেও ৰঙিয়া ৰে'ল ষ্টেচনত ৰাজধানী এক্সপ্ৰেছ ৰে'লখন দৈনিক নৰখোৱাৰ ফলত যাত্ৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে।

# চেঁচাপানীত চেঁচাপানী আঞ্চলিক মাইনাও পূজাৰ সোণালী জয়ন্তী উৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ অক্টোবৰ ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত চেঁচাপানীত চেঁচাপানী আঞ্চলিক মাইনাও পূজা সমিতিৰ উদ্যোগত ৯ অক্টোবৰৰ পৰা ১৫ অক্টোবৰলৈ সাতদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মাইনাও পূজাৰ সোণালী জয়ন্তীৰ আয়োজন কৰা হৈছে। উদ্‌যাপন সমিতিৰ সভাপতি তথা দৰঙ্গাজুলি সমষ্টিৰ এমচিএলএ বিজিৎ গৌৰা নাৰ্জাৰীয়ে জনোৱা মতে ৯ অক্টোবৰৰ পুৱা ৭.৩০ বজাত হেলেন বসুমতাৰী সোঁৱৰণী মুখ্য দ্বাৰ উন্মোচনেৰে সোণালী জয়ন্তীৰ আৰম্ভণি কৰিব শিক্ষক হীৰেন্দ্ৰ কুমাৰ নাৰ্জাৰীয়ে। ৮ বজাত শান্তিৰ বাবে শুকুলা পাৰ উৰুৱাব গোপীনাথ বসুমতাৰী আৰু বাবুলাল বড়োৱে। ইয়াৰ পিছত ব্ৰহ্ম মন্দিৰ আৰু বাথৌ মন্দিৰৰ দ্বাৰ উন্মোচন কৰাৰ উপৰিও থানেশ্বৰ নাৰ্জাৰী, ইৰখং গৌৰা বসুমতাৰী প্ৰমুখ্যে একাংশ বিশিষ্ট ব্যক্তিৰ দ্বাৰা গছপুলি ৰোপণ কৰা হ'ব। ৯.১৫ অখণ্ড যজ্ঞ প্ৰজ্বলন কৰিব গোপীনাথ বসুমতাৰী আৰু ৯.৩০ পৱিত্ৰ বাথৌ পূজা মুকলি কৰিব বাবুলাল বড়োৱে। ইয়াৰ পিছত পতাকা উত্তোলন, বাথৌ আ'ৰজ, মূল ৰভা উদ্বোধন, খেৰাই নৃত্য, বাথৌ আৰ'জ সম্পন্ন হ'ব। সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন কৰিব সমাজকৰ্মী ৰংজা খুংগুৰ বসুমতাৰীয়ে। ইয়াৰ পিছত ৬.৩০ বজাত একক কেছেৎ নৃত্য প্ৰতিযোগিতা আৰু নিশা ১১ বজাৰ পৰা বিনামূলীয়া চিনেমা প্ৰদৰ্শন। ১০ অক্টোবৰৰ পুৱা স্বচ্ছ ভাৰত অভিযানেৰে কাৰ্যসূচী মুকলি। ৮.৩০ বজাত পৱিত্ৰ বাথৌ শুদ্ধিকৰণ, বাথৌ আৰ'জ, অখণ্ড যজ্ঞ প্ৰজ্বলন, খেৰাই নৃত্য, একক কেছেৎ নৃত্য, স্মৃতি গ্ৰন্থ 'মাইনাও' উন্মোচন। উন্মোচন কৰিব তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে। ১১অক্টোবৰৰ পুৱা স্বচ্ছ ভাৰত, অখণ্ড যজ্ঞ প্ৰজ্বলন, বাথৌ আৰ'জ, খেৰাই নৃত্য, কেছেৎ নৃত্য প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ড আৰু পুৰস্কাৰ বিতৰণ। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব সমাজকৰ্মী গীতানন্দ নাৰ্জাৰী। নিশা ১০ বজাত দিলীপ বড়ো সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া মুকলি কৰিব শিক্ষক কমল উজিৰে। সাংস্কৃতিক সন্ধিয়াত অংশগ্ৰহণ কৰিব নিজৰা ৰামচিয়াৰী আৰু হৃদয় পৰশে। ১২ অক্টোবৰত খেৰাই, বাথৌ আৰ'জ আৰু নিশা প্ৰয়াত অপেশ্বৰ নাৰ্জাৰী সোঁৱৰণী চনা মাইনাও থিয়েটাৰ প্ৰদৰ্শন। মুকলি কৰিব জনপ্ৰিয় যুৱনেতা তথা দৰঙ্গাজুলি ব্লক টিচিএলচিচিৰ অধ্যক্ষ ফণীন্দ্ৰ নাৰ্জাৰীয়ে। ১৩ অক্টোবৰত পৰিৱেশ নিকাকৰণ, বাথৌ আৰ'জ, খেৰাই নৃত্য, অখণ্ড যজ্ঞ প্ৰজ্বলন আৰু নিশা চনা মাইনাও থিয়েটাৰ। ১৪ অক্টোবৰ শুকুৰবাৰে পৰিৱেশ নিকাকৰণ, বাথৌ আৰ'জ, খেৰাই নৃত্য, আৰু নিশা সাংস্কৃতিক সন্ধিয়া। তামুলপুৰৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মছাহাৰীয়ে উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক সন্ধিয়াত অংশগ্ৰহণ কৰিব বি বয়জ, পদুমী বড়ো আৰু ৰবিসিং দৈমাৰীয়ে। ১৫ অক্টোবৰত পৰিৱেশ নিকাকৰণ, বাথৌ আৰ'জ, অখণ্ড যজ্ঞ প্ৰজ্বলন, লটাৰী খেল আৰু নিশা সাংস্কৃতিক সন্ধিয়া। কুমাৰীকাটা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষা বিভাৰাণী নাৰ্জাৰীয়ে উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক সন্ধিয়াত আমন্ত্ৰিত শিল্পী হিচাপে অংশগ্ৰহণ কৰিব নয়ন বৰগয়াৰী, দেৰহাচাৰ নাৰ্জাৰী আৰু আশিস চক্ৰৱৰ্তীয়ে।

## দেৰগাঁৱৰ সেউজপুৰৰ অৰনী ঠাকুৰৰ বিয়োগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১ অক্টোবৰ ঃ** গোলাঘাটৰ দেৰগাঁৱৰ এজন ধৰ্মপ্ৰাণ ব্যক্তি অৰনী ঠাকুৰৰ (৭৮) কালি বিয়লি ৫.১০ বজাত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত দেহাৱসান ঘটে। সুদীৰ্ঘ দিনধৰি ৰোগগ্ৰস্ত হৈ থকা অৰনী ঠাকুৰৰ কিছুদিনৰ পূৰ্বে শাৰীৰিক অৱস্থা অধিক অৱনতি ঘটাত তেওঁক যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। আৰু আজি তেওঁৰ দেহাৱসান ঘটে। তেওঁ ইহসংসাৰত পত্নী, এজন পুত্ৰ, দুগৰাকী বিবাহিতা জিয়াৰী, নাতি-নাতিনীক এৰি গৈছে। তেওঁৰ মৃত্যুত সমগ্ৰ এলেকাতে শোকৰ ছাঁ পৰে।

## মৰিয়নিত ১৬ খনকৈ পূজাৰ সাজু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ১ অক্টোবৰ ঃ** দুৰ্গা পূজালৈ মাজত মাথোঁ এটা দিন বাকী। ৰাইজৰ মাজত যথেষ্ট উল্লাস উদ্দীপনা। শাৰদীয় দুৰ্গোৎসৱক আদৰিবলৈ সকলো সাজু। ইয়াৰ ব্যতিক্ৰম নহয় মৰিয়নিবাসীও। এইবাৰ মৰিয়নি নগৰত ১৬ ঠাইত দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে। নগৰখনত ১৬ খনকৈ দুৰ্গাপূজাৰ আয়োজনক লৈ ব্যস্ত হৈ পৰিছে পূজা সমিতি সমূহে। মৰিয়নি নগৰত অনুষ্ঠিত হ'বলগীয়া দুৰ্গা পূজাসমূহ হৈছে - জয়মতী নগৰ দুৰ্গা পূজা, দৈনিক বজাৰ দুৰ্গাপূজা, কেনেডি পাৰ্ক দুৰ্গাপূজা, ছিগনেল ক'লনী দুৰ্গাপূজা, বিষ্ণু মন্দিৰ দুৰ্গাপূজা, গান্ধী নগৰ দুৰ্গাপূজা, বিৰলা ক'লোনী দুৰ্গাপূজা, ঠাকুৰবাৰী দুৰ্গাপূজা, এএছটিচি দুৰ্গাপূজা ৰেষ্ট কেবিন দুৰ্গাপূজা, কালিবাৰী দুৰ্গাপূজা, ৰে'লৱে ইন্সষ্টিটিউট দুৰ্গাপূজা, সত্যনাৰায়ন সেৱা কেন্দ্ৰ দুৰ্গাপূজা, নিউ বিল্ডিং দুৰ্গাপূজা, ৰাইজিং ইয়ুথ দুৰ্গাপূজা আৰু সুভাস ময়দান দুৰ্গাপূজা সমিতিয়ে পূৰ্ণগতিত আয়োজন চলাইছে। এইবাৰ পঞ্চাশ বছৰত ভৰি দিলে বিৰলা ক'লোনী দুৰ্গাপূজা ভাগ। সকলো দুৰ্গাপূজা সমিতি সমূহে দৰ্শকক আদৰি দেৱী দুৰ্গাৰ আৰাধনা কৰিবলৈ সম্পূৰ্ণ সাজু হৈছে । সকলো পূজা সমিতিসমূহৰ সদস্য সদস্যাসকলে দিন ৰাতি একাকাৰ কৰি দুৰ্গা পূজাৰ আয়োজনত নামি পৰিছে ।মৰিয়নিৰ সকলো দুৰ্গাপূজা সমিতিৰ এখন সমন্বয় সমিতি গঠন কৰা হৈছে। দীপেন দাসক সভাপতি আৰু তনয় বেনাৰ্জীক সম্পাদক হিচাপে লৈ মৰিয়নি কেন্দ্ৰীয় দুৰ্গোৎসৱ সমন্বয় সমিতি গঠন কৰা হৈছে। মৰিয়নি নগৰৰ আটাইকেইখন দুৰ্গাপূজাৰ মাজত সমন্বয় স্থাপন কৰাৰ লগতে বিভিন্ন বিষয়ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা, বিসৰ্জনৰ ব্যৱস্থা কৰা আদি দিশ সমূহ চোৱাচিতা কৰিব। মৰিয়নি নগৰৰ আটাইকেইখন দুৰ্গা পূজা সমিতিৰ বিষয়ববীয়াৰ সদস্য সদস্যাকঢ়কেন্দ্ৰীয় সমন্বয় সমিতিত ৰখা হৈছে। মৰিয়নিৰ অসামৰিক প্ৰশাসন আৰু আৰক্ষীয়ে শান্তি শৃংখলা বজাই আনন্দ উল্লাসেৰে শাৰদীয় দুৰ্গোৎসৱ উদযাপন কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে।

# নাজিৰা মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ত মাতৃ দুগ্ধপান কক্ষ মুকলি



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১ অক্টোবৰ ঃ** ১ ছেপ্টেম্বৰৰ পৰা মাহজোৰা কাৰ্যসূচীৰে চলি থকা পোষণ মাহৰ লগত সংগতি ৰাখি আজি অন্তিম দিনা মহকুমাধিপতি কাৰ্যালয়ত কৰ্মৰত মহিলাসকলৰ লগতে মহকুমাখনত বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন কামৰ বাবে সন্তানসহ অহা মহিলাসকলৰ সুবিধাৰ্থে মহকুমাধিপতি কাৰ্যালয় প্ৰাংগণত এক মাতৃ দুগ্ধপান কক্ষ মুকলি কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে নাজিৰাৰ জ্যেষ্ঠ অধিবক্তা মহেন্দ্ৰ ভূএগাই। লগতে নাজিৰা মহকুমাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপে মাতৃ দুগ্ধপান কক্ষটোৰ ফিটা কাটি আনুষ্ঠানিকভাৱে মুকলি কৰে। নিজৰ শুভেচ্ছামূলক বক্তব্যত মহকুমাধিপতিগৰাকীয়ে নাজিৰা সংহত শিশু উন্নয়ন প্ৰকল্প বিভাগৰ প্ৰত্যেকগৰাকী বিষয়া-কৰ্মচাৰীক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে কৰ্তব্যৰত মহিলাসকলৰ লগতে বিভিন্ন কামত মহকুমাধিপতি কাৰ্যালয়লৈ অহা মহিলাসকলৰ সুবিধাৰ্থে এই বিশেষ কক্ষটো মুকলি কৰা হৈছে। নাজিৰা মহকুমা প্ৰশাসনৰ উদ্যোগত তথা নাজিৰা সংহত শিশু উন্নয়ন প্ৰকল্প বিভাগৰ সহযোগত আৰম্ভ হোৱা এই সেৱাৰ দ্বাৰা মহিলাসকলে সন্তানক স্তনপানকে আদি কৰি প্ৰয়োজনীয় পৰিচৰ্যা প্ৰদান কৰাৰ সুবিধা লাভ কৰাৰ লগতে তেওঁলোকৰ প্ৰাপ্য সন্মান আৰু মৰ্যাদা সুৰক্ষিত হ'ব। উক্ত অনুষ্ঠানত নাজিৰা মহকুমাৰ সহকাৰী আয়ুক্ত প্ৰীতম গগৈ, নাজিৰা নিৰ্বাচনী বিষয়া অংশুলেখা দত্ত পাঠক, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্ত, নাজিৰা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া তৰুণ কুৰ্মী, জেষ্ঠ্য নাগৰিক সন্থাৰ সম্পাদক বিজয় বৰা, নাজিৰা মহকুমা প্ৰশাসনৰ কৰ্মচাৰী সকলৰ লগতে নাজিৰা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ৰসমূহ কৰ্মচাৰীসকল উপস্থিত থাকে।

## ডিমৰুগুৰি চেঁচামুখ নামঘৰৰ ৰূপালী জয়ন্তী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ অক্টোবৰ ঃ** নগাঁও চহৰৰ সমীপৰ ডিমৰুগুৰি চেঁচামুখ শংকৰী কলা কৃষ্টি বিকাশ কেন্দ্ৰ আৰু প্ৰাথমিক শাখা নামঘৰৰ ৰূপালী জয়ন্তী উৎসৱ আৰু মহাপুৰুষ শ্ৰমন্ত শঙ্কৰদেৱৰ ৫৭৪সংখ্যক জন্মজয়ন্তী উৎসৱ ৫ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপনৰ দিহা কৰা হৈছে। সেই অনুসৰি পুৱা প্ৰাতঃ প্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, নাম প্ৰসংগ, মুকলি সভা আদি অনুষ্ঠানত হ'ব। উল্লেখ যে এই নামঘৰৰ বাবে ভূমিদান কৰিছিল সোমেশ্বৰ বৰাই। তদুপৰি চাকিৰাম বৰা, বৃন্দাবতি শইকীয়া, ডিম্বেশ্বৰ বৰা, দুৰ্গেশ্বৰ বৰা, পুনিৰাম শইকীয়াকে ধৰি কেইবাগৰাকী স্থানীয় ব্যক্তিৰ সহযোগিতাৰ বাবেই এই নামঘৰে বৰ্তমানৰ ৰূপ পাইছে।

## সদৌ অসম কবি সন্মিলনৰ ২০১৯-২০২২ বৰ্ষৰ সন্মান প্ৰাপকসকলৰ নাম ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ অক্টোবৰ ঃ** ৭, ৮ আৰু ৯ অক্টোবৰৰ পৰা যোৰহাটৰ ড° কুতুবুদ্দিন আহমেদ ক্ষেত্ৰত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব লগীয়া সদৌ অসম কবি সন্মিলৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক পূৰ্ণাংগ যোৰহাট অধিৱেশনৰ অন্তিম দিনাৰ মুকলি সভাত অসমৰ কাব্য আৰু সাহিত্যৰ পথাৰলৈ অনন্য অৱদান আগবঢ়োৱা বিশিষ্ট কবি-সাহিত্যিকসকলক তেখেতসকলৰ জীৱনজোৰা সাধনাৰ বাবে সদৌ অসম কবি সন্মিলনে প্ৰদান কৰিব লগা ২০১৯-২০২২ বৰ্ষৰ বঁটাসমূহৰ প্ৰাপকসকলৰ নাম ঘোষণা কৰিছে। সেই অনুসৰি সাহিত্যাচাৰ্য ড° নাহেন্দ্ৰ পাদুনক 'সাহিত্য ভাস্কৰ', প্ৰথিতযশা কবি, সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাক 'কাব্যৰত্ন', বিশিষ্ট কবি, সাহিত্যিক তথা সমালোচক ড° মাণিক শইকীয়াক 'কবিপ্ৰাণ', বিশিষ্ট কবি, আবৃত্তিকাৰ জুলিয়ানা বেগমক 'কাব্য মহীয়সী', বিশিষ্ট কবি, কাব্য সংগঠক তথা সমালোচক পৰাগজ্যোতি মহন্তক 'ড° কুতুবুদ্দিন আহমেদ কাব্য বঁটা' প্ৰদান কৰিব । ইয়াৰ উপৰিও 'পৃথিৱীৰ কবি ৰাম গগৈ বঁটা', 'কবিপ্ৰাণ আনন্দ দত্ত কাব্য বঁটা,'কাব্যপ্ৰাণ চুজাউদ্দিন আহমদ বঁটা', 'অৰনী চক্ৰৱৰ্তী বঁটা', 'বেণু চিৰিং বঁটা', 'সমাজকৰ্মী ইন্দ্ৰেশ্বৰ মিলি বঁটা', 'জনাৰ্দন শইকীয়া আৰু জয়মতী শইকীয়া সোঁৱৰণী বছৰৰ শ্ৰেষ্ঠ কবিৰ সন্মান', 'সম্প্ৰীতি (টুকটুক) শইকীয়া সোঁৱৰণী বছৰৰ শ্ৰেষ্ঠ যুৱ কবিৰ সন্মান', মিলাৰাম নাথ আৰু অমূল্য শইকীয়া সোঁৱৰণী এককালীন আৰ্থিক সাহায্য' আৰু 'কাব্যশ্ৰী হাজৰিকা বঁটা', প্ৰদান কৰা হ'ব বুলি সদৌ অসম কবি সন্মিলনৰ প্ৰচাৰ সম্পাদক হেমন্ত ভাৰতী আৰু বিশাল অনুৰাগে এই প্ৰতিবেদকক জানিবলৈ দিয়ে।

## ডিব্ৰুগড় জিলা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১ অক্টোবৰ ঃ** কালি ডিব্ৰুগড়ত জিলা প্ৰশাসনৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে 'জিলা দিৱস' উদ্‌যাপনৰ শুভাৰম্ভ কৰা হয়। আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগীয়া ডিব্ৰুগড় জিলাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে অবিভক্ত লক্ষীমপুৰ জিলাৰ পৰা ফালৰি কাটি ১৯৭১ চনৰ ২ অক্টোবৰত স্বতন্ত্ৰ জিলা হিচাপে প্ৰতিষ্ঠা হোৱা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় জিলাৰ দিৱস আজি বাৰেবৰণীয়া কাৰ্যসূচীৰে আৰম্ভ কৰা হয়। ১০.৩০ বজাত চৌকিডিঙ্গী খেলপথাৰত সাংস্কৃতিক শোভাযাত্ৰা আৰম্ভ হয়। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে উদ্যোগ, বাণিজ্য আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়াই। এই শোভাযাত্ৰাত ডিব্ৰুগড় বিধায়ক প্ৰশান্ত ফুকন, জিলা উপায়ুক্ত বিশ্বজিৎ পেগু, আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰৰ লগতে বিভিন্ন বিভাগৰ বিষয়াসকল কৰ্মচাৰীসকলে অংশ গ্ৰহণ কৰে । চৌকিডিঙ্গী খেলপথাৰৰ পৰা আৰম্ভ কৰা এই সাংস্কৃতিক শোভাযাত্ৰাত অসমৰ বিভিন্ন জাতি,জনজাতি, জনগোষ্ঠীৰ যেনে টাই আহোম, মিচিং, বড়ো, নেপালী,মটক, চাহ জনগোষ্ঠী, ইত্যাদি নিজৰ পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰি নৃত্য প্ৰদৰ্শন কৰি আৰু লগতে পুৰণি আৰ্হিৰ গাড়ী, ঘোঁৰাৰে কঢ়িওৱা যাত্ৰা-বাহন, তেল উদ্যোগৰ টেংকাৰ ইত্যাদিৰ শোভাযাত্ৰা ডিব্ৰুগড় টাউনৰ মাজমজিয়াৰে অতিক্ৰম কৰে। কাৰ্য্যসূচীৰ আটাইতকৈ আকৰ্ষণীয় কাৰ্য্যক্ৰম আছিল 'Dog Show' য'ত বিভিন্ন প্ৰজনন কুকুৰবোৰে নিজৰ গৰাকীৰ সৈতে প্ৰদৰ্শনত অংশগ্ৰহণ কৰে আৰু প্ৰতিযোগিতাত কুকুৰবোৰৰ টিকাকৰণ স্বাস্থ্য ইত্যাদি পৰীক্ষা কৰি প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়। ইয়াৰ উপৰিও উপায়ুক্ত কাৰ্যালয়ৰ চৌহদত ডিব্ৰুগড়ৰ ঐতিহ্যৰ ওপৰত আলোকচিত্ৰ প্ৰদৰ্শন, চাহ আৰু তেল উদ্যোগৰ প্ৰদৰ্শন গেলেৰি স্থাপন কৰা হয়। 'ডিব্ৰুগড়ক জানো আহক' শীৰ্ষক মুকলি কুইজ প্ৰতিযোগিতা, কবি-সাহিত্যিকসকলৰ ভাব-বিনিময় জিলা উপায়ুক্ত কাৰ্যালয়ৰ চৌহদত অনুষ্ঠিত কৰা হয়। আৰু নিশা ৬ বজাৰ পৰা 'তোৰে মোৰে আলোকৰে যাত্ৰা' শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠ শিল্পী বিপিন চাউদাঙে গীতৰ শৰাই আগবঢ়ায়। কাইলৈ চাইকেল ৰেলী, বেডমিন্টন প্ৰতিযোগিতা, টেবুল টেনিছ প্ৰতিযোগিতা, ছবি আঁকা, থলুৱা ক্ৰীড়া, আকস্মিক বক্তৃতা, স্বাস্থ্য শিবিৰ, ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সন্দৰ্ভত তথ্যচিত্ৰ প্ৰদৰ্শন, জলক্ৰীড়া প্ৰদৰ্শনী, মহিলা ফুটবল, সুৰৰ সন্ধিয়া অনুষ্ঠিত কৰা হ'ব।

# সৰ্বভাৰতীয় স্বচ্ছতা প্ৰতিযোগিতাত অসমলৈ গৌৰৱ কঢ়িয়ালে নগাঁও-ৰহা পৌৰসভাই

### দুয়োখন পৌৰসভাৰ বিষয়ববীয়া আৰু ৰাইজক ধন্যবাদ জনালে বিধায়ক ৰূপক শৰ্মাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ অক্টোবৰ ঃ** ৩০ছেপ্টেম্বৰ: সৰ্বভাৰতীয় স্বচ্ছতা লীগত অসমলৈ গৌৰৱ কঢ়িয়াইছে নগাঁও, ৰহা, মঙলদৈ, অভয়াপুৰি আৰু হাউলী পৌৰসভাই। স্বচ্ছ ভাৰত অভিযানে দেশৰ সমগ্ৰ পৌৰসভা সমূহক সামৰি ইণ্ডিয়ান স্বচ্ছতা লীগ নামৰে আয়োজন কৰা এই প্ৰতিযোগিতাত হাউলী আৰু মঙলদৈ পৌৰসভাই বিজয়ী হোৱাৰ লগতে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে নগাঁও, মঙলদৈ আৰু ৰহা পৌৰসভাই। কেন্দ্ৰীয় চৰকাৰৰ গৃহনিৰ্মাণ আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশল কিশোৰে বুধবাৰে দিল্লীৰ তালকোটৰা ষ্টেডিয়ামত নগাঁও আৰু ৰহা পৌৰসভাক বটা মানপত্ৰ প্ৰদান কৰে। এই বটা প্ৰদান অনুষ্ঠানত নগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত ডিম্পল বৰাৰ লগতে নগাঁও পৌৰসভাৰ পৌৰপতি অম্বিকা মজুমদাৰ আৰু ৰহা পৌৰভাৰ পৌৰপতি বন্তি হাজৰিকা উপস্থিত থাকি বঁটা গ্ৰহণ কৰে। ইপিনে স্বচ্ছতা লীগত নগাঁও পৌৰসভাই লাভ কৰা সফলতাৰ বাবে বিধায়ক গৰাকীয়ে কয় যে নগাঁও পৌৰসভাৰ সফলতাত আমি



গৌৰান্বিত ।তেওঁ নগাঁও পৌৰসভাৰ প্ৰতিগৰাকী সদস্যক অভিনন্দন জনোৱাৰ লগতে চহৰখনক পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰাখি নগাঁও পৌৰসভাক এই পুৰস্কাৰ লাভ কৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে নগাঁও চহৰবাসীকো ধন্যবাদ জনাই ।লগতে বিধায়ক গৰাকীয়ে ৰহা পৌৰসভাৰ বিষয়ববীয়া আৰু পৌৰসভাৰ ৰাইজকো বিশেষ বঁটা লাভৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

## ছিপাঝাৰত চুলাইৰ ব্যাপক বেহা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ১ অক্টোবৰ ঃ** দৰং জিলাৰ গুৰুত্বপূৰ্ণ চহৰ চহৰ ছিপাঝাৰত চুলাইৰ ব্যাপক সৰবৰাহে সামাজিক পৰিৱেশ বিষাক্ত কৰি তুলিছে। সন্ধিয়াৰ লগাৰ লগে লগেই ছিপাঝাৰ মটৰ ষ্টেচনৰ কেইখনমান বিশেষ ঠাইত অবৈধ চুলাইৰ ব্যৱসায়ীয়ে প্ৰায় মুকলিভাৱেই প্লাষ্টিকৰ ঠোঙাত বন্ধা চুলাইৰ টোপোলা বিক্ৰী কৰি আহিছে। আনকি ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ছিপাঝাৰ পাথৰিঘাট পথৰ পদপথৰ কাষতে কে'বাজনো ব্যৱসায়ীয়ে বিক্ৰী কৰি আহিছে এই অবৈধ চুলাই। একেদৰে ছিপাঝাৰ মটৰ ষ্টেচনৰ বাহিৰেও ইয়াৰ ঢেকীপাৰা, লাউজান চাৰিআলি, বিজুলীবাৰী, জনসেৱা, বালিপাৰাৰ বেং নৈৰ দলং, নায়কপাৰাৰ বলদেৱ পুখুৰীৰ পাৰ, দুৰাহাটী, হাজৰিকাপাৰা আৰু বৰদৌলগুৰিত নিতৌ বৃহৎ পৰিমাণৰ চুলাই বিক্ৰী হৈ আহিছে। ফলত সন্ধিয়া হোৱাৰ পিছত ঠাই বিশেষে সাধাৰণ মানুহৰ যাতায়াত অগম্য হৈ পৰিছে। একেদৰে চুলাই খাই মাতাল হৈ সঘনে কাজিয়া-পেচালেৰে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰি আহিছে একাংশ চুলাই সেৱনকাৰীয়ে । যাৰ বাবে সামাজিক পৰিৱেশ বিনষ্ট হৈ পৰিছে বৃহত্তৰ ছিপাঝাৰ অঞ্চলৰ কে'বাখনো গাঁৱত। ইপিনে, অবৈধ চুলাই ব্যৱসায়ীৰ অবাধ বেহা আনহাতে, সেৱনকাৰীৰ সংখ্যা বৃদ্ধিয়ে সামাজিক পৰিৱেশ বিনষ্ট কৰি অহাৰ পিছতো বিয়াগোম আবকাৰী বিভাগটোৱে ছিপাঝাৰ অংশত গভীৰ টোপনিত নিমগ্ন হৈ আছে। মাজে মাজে চমক দিবলৈ চুলাই মদৰ ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান চলাই যদিও কোনো এক অদৃশ্য শক্তিৰ প্ৰভাৱত ই চলিয়েই থাকে। প্ৰসংগক্ৰমে উল্লেখ্য যে আজিৰে পৰা আৰম্ভ হোৱা দুৰ্গা পূজাৰ উছাহৰ সমান্তৰালভাৱে চুলাই ব্যৱসায়ী আৰু গ্ৰাহকসকলৰ মাজতো নিশ্চিতভাৱেই আহি পৰিছে উৎসৱকালীন তৎপৰতা।





# নতুন বলাইত শাৰদীয় গ্ৰন্থমেলাৰ প্ৰস্তুতি সম্পূৰ্ণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১ অক্টোবৰ ঃ** ডিব্ৰুগড় জিলাৰ বৃহত্তৰ বলাই অঞ্চলৰ বৌদ্ধিক স্বেচ্ছাসেৱী সংগঠন আলোকসন্ধানী অধ্যয়ন চক্ৰৰ উদ্যোগত তথা বলাই বাসীৰ সহযোগত বিগত চৈধ্যবছৰীয়া পৰম্পৰা অনুসৰি শাৰদীয় বতৰত অনুষ্ঠিত হৈ অহা পঞ্চদশ বাৰ্ষিক শাৰদীয় গ্ৰন্থমেলাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ২০২১ বৰ্ষৰ পৰা আলোকসন্ধানীৰ শাৰদীয় গ্ৰন্থমেলাখন সংগঠনটোৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাতে অকাল বিয়োগ ঘটা তপন হাজৰিকাৰ স্মৃতিত উচৰ্গা কৰি তপন হাজৰিকা সোঁৱৰণী শাৰদীয় গ্ৰন্থমেলা নামেৰে নামকৰণ কৰা হয়। আলোকসন্ধানীয়ে বছৰটোৰ ভিন্ন সময়ত উদ্‌যাপন কৰা কাৰ্যসূচীসমূহৰ অন্যতম এই গ্ৰন্থমেলা অহা ২, ৩ আৰু ৪ অক্টোবৰত নতুন বলাইস্থিত বলাই জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। তপন হাজৰিকা সোঁৱৰণী শাৰদীয় গ্ৰন্থমেলা, ২০২২ৰ কাৰ্যসূচী অনুসৰি ২ অক্টোবৰৰ পুৱা ৭.৫০ বজাত পুৰণি বলাই নিৱাসী লোকশিল্পী পুণেশ্বৰ শইকীয়াই অক্ষয় বন্তি প্ৰজ্বলন কৰাৰ পিছতে ৮ বজাত বলাই লাট গাঁওবুঢ়া বাবুৰাম সোণোৱালে গ্ৰন্থ সমদল উদ্বোধন কৰিব। নতুন বলাই গাঁৱৰ গায়ন-বায়ন দলৰ সহযোগত উলিওৱা গ্ৰন্থ সমদলৰ সামৰণিৰ পিছতে ৯.৩০ বজাত বলাই জনজাতি উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত বলাই জনজাতি মধ্য ইংৰাজী বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ ভাস্কৰজ্যোতি সোণোৱালে আলোকসন্ধানীৰ পতাকা উত্তোলন কৰাৰ লগতে খামতিঘাট থানগাঁও নিৱাসী সমাজকৰ্মী চাতিস্বৰ চুতীয়াই স্মৃতি তৰ্পণৰ শুভাৰম্ভ কৰিব। পূৰ্বাহ্ন ১০ বজাত আলোকসন্ধানীৰ সদস্যা মনালিছা সোণোৱালে সংগঠনটোৰ প্ৰাচীৰ পত্ৰিকা আলোকৰ একত্ৰিংশ সংখ্যাটি উন্মোচন কৰিব। ১০.৩০ বজাত তেজপুৰ নিৱাসী, বৰ্তমান দুলীয়াজানৰ সমীপস্থ শ্ৰীপুৰীয়া প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰক্তিম গোস্বামীয়ে গ্ৰন্থমেলাৰ দুৱাৰ মুকলি কৰিব। দিনৰ ১১ বজাৰ পৰা বলাই জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ তপন হাজৰিকা সোঁৱৰণী মঞ্চত বসন্ত কুমাৰ খাউন্দ সোঁৱৰণী প্ৰতিভাসন্ধানী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। গ্ৰন্থমেলাৰ দ্বিতীয় দিৱস ৩ (তিনি) অক্টোবৰত বলাই জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত সোৱণ গোস্বামী সোঁৱৰণী মঞ্চত আলোকসন্ধানী অধ্যয়ন চক্ৰৰ জন্মলগ্নৰ প্ৰেৰণাদাতাত্ৰয়ৰ অন্যতম নগেন কাকতি আৰু ৰজনী শইকীয়াৰ স্মৃতিত স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত হ'ব। খোৱাং মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ বিভীগীয় প্ৰধান প্ৰতীম শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিতব্য নগেন কাকতি আৰু ৰজনী শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য ড° জিতেন হাজৰিকাই উদ্বোধন কৰিব আৰু অৱসৰপ্ৰাপ্ত বেংক বিষয়া, সাহিত্যসেৱী আব্দুল খালেকে 'সুস্থ ৰুচিবোধ আৰু আমাৰ সমাজ' শীৰ্ষক বক্তৃতা প্ৰদান কৰিব। গ্ৰন্থমেলাৰ তৃতীয় দিৱস ৪(চাৰি) অক্টোবৰ তাৰিখে পুৱা ১০ বজাত শান্তনু বৰুৱা সোঁৱৰণী মঞ্চত 'শিশুৰ স'তে শৰতৰ এবেলা' শীৰ্ষক এক বিচিত্ৰানুষ্ঠান অনুষ্ঠিত হ'ব। সেইদিনা বিয়লি ১(এক) বজাত অনুষ্ঠিতব্য সমাপন সমাৰোহত ইতিমধ্যে আলোকসন্ধানীৰ উদ্যোগত সম্পন্ন হোৱা তপন হাজৰিকা সোঁৱৰণী গ্ৰন্থবীক্ষণ প্ৰতিযোগিতা আৰু সেউজ আখৰা শীৰ্ষক তপন হাজৰিকা সোঁৱৰণী বৃক্ষৰোপণ প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব। লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী, বিশিষ্ট পৰিৱেশ কৰ্মী, বৃক্ষৰোপণৰ ক্ষেত্ৰত এককভাৱে লাগি থাকি গত ২০২০ খ্ৰীষ্টাব্দৰ ৫ (পাঁচ) জুন তাৰিখৰ পৰা নিয়মীয়াকৈ প্ৰতিদিনে ভিন্ন স্থানত এজোপাকৈ গছপুলি ৰোপণ কৰিবলৈ আৰম্ভ কৰি আজিৰ তাৰিখলৈকে অবিৰতভাৱে বৃক্ষৰোপণ কাৰ্য চলাই থকা এই গৰাকী সেউজ সেনানীক ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। গ্ৰন্থমেলাথলীত প্ৰতিদিনে সন্ধ্যা ৫ বজাত বন্তি প্ৰজ্বলন আৰু প্ৰাৰ্থনা পৰিৱেশন কৰা হ'ব। মৰাণৰ বুনিয়াদ গ্ৰন্থ বিপণীৰ সহযোগত বিভিন্ন বিষয়ৰ নিৰ্বাচিত গ্ৰন্থৰ সমাৰোহত অনুষ্ঠিতব্য এই গ্ৰন্থমেলাত গ্ৰন্থপ্ৰেমীসকলক দহ শতাংশ ৰেহাই মূল্যত পচন্দৰ গ্ৰন্থ ক্ৰয় কৰিবলৈ সুবিধা আগবঢ়োৱা হ'ব। আলোকসন্ধানী অধ্যয়ন চক্ৰৰ এই বিস্তৃত কাৰ্যসূচীৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত সদাশয় ৰাইজৰ উপস্থিতি তথা সক্ৰিয় সহযোগিতা কামনাৰে আলোকসন্ধানীৰ সভাপতি গকুল চন্দ্ৰ খাউন্দ আৰু সম্পাদক গৌৰৱ শইকীয়াই বিবৃতিযোগে সকলোকে নিমন্ত্ৰণ জনাইছে।

## বঙাইগাঁও মহাবিদ্যালয়-কন্যা মহাবিদ্যালয় ছাত্ৰ একতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১ অক্টোবৰ ঃ** বঙাইগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অসম গণ পৰিষদৰ ছাত্ৰ সংগঠন অসম ছাত্ৰ পৰিষদে বৃহৎ জয়লাভ কৰে। শুকুৰবাৰে মহাবিদ্যালয়খনত অনুষ্ঠিত হৈছিল ছাত্ৰ একতা সভাৰ নিৰ্বাচন আৰু ফলাফলো একেদিনাই ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি সভাপতি পদক বাদ দি আটাইকেইটা পদত অসম ছাত্ৰ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থীসকলে জয়লাভ কৰে। অসম ছাত্ৰ পৰিষদ সমৰ্থিত জয়লাভ কৰা প্ৰাৰ্থীসকল ক্ৰমে— উপ-সভাপতি পদত থাপা সিদান, সাধাৰণ সম্পাদক পদত তন্ময় ৰায়, ক্ৰীড়া সম্পাদক পদত কন্দৰ্প সূত্ৰধৰ, সাহিত্য সম্পাদক পদত সান্ময় দে', কলা আৰু সাংস্কৃতিক সম্পাদক পদত সুৰজিত পাল, তৰ্ক সম্পাদক পদত জাকিৰ হুছেইন, ছোৱালী জিৰণি কোঠা সম্পাদিকা পদত মানসী দাস আৰু সমাজসেৱা সম্পাদক পদত অজয় শ্বাহ। ইপিনে, মহাবিদ্যালয়খনত ঘোষিত ফলাফল অনুসৰি সভাপতি পদত জয়লাভ কৰে এবছু সমৰ্থীত প্ৰাৰ্থী নিউটন নাৰ্জাৰী। উল্লেখ্য যে এই বেলি বঙাইগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা নিৰ্বাচনত এবছু, এবিভিপি , আক্ৰাছু আৰু সদৌ অসম বেংগলী যুৱ-ছাত্ৰ ফেডাৰেচন যুটীয়াভাৱে অৱতীৰ্ণ হৈছিল। এই জোঁটৰ একমাত্ৰ সভাপতি পদতহে প্ৰাৰ্থীয়ে জয়লাভ কৰে। ইপিনে, বঙাইগাঁও বীৰঝৰা কন্যা মহাবিদ্যালয় ছাত্ৰী একতা সভা নিৰ্বাচনত আটাইকেইটা পদতে জয়লাভ কৰে অসম ছাত্ৰ পৰিষদ সমৰ্থিত প্ৰাৰ্থীসকল। জয়লাভ কৰা প্ৰাৰ্থীসকল ক্ৰমে—সাধাৰণ সম্পাদিকা পদত দীপশিখা সিংহ, সহকাৰী সম্পাদিকা পদত হিয়ামণি সৰকাৰ, আউটডোৰ ক্ৰীড়া সম্পাদিকা পদত অঞ্জু ৰায়, ইণ্ডোৰ ক্ৰীড়া সম্পাদিকা পদত মধুস্মিতা ৰায় , সাংস্কৃতিক সম্পাদিকা পদত ধৃতিমণি ৰায়, সাহিত্য আৰু আলোচনী সম্পাদিকা পদত অনুশিখা ৰায় , কলা বিভাগ সম্পাদিকা পদত হৃদয়া সিংহ , সমাজ সেৱা সম্পাদিকা পদত ফুলমণি সিংহ, জিৰণি চৰা সম্পাদিকা পদত বনিতা বৰ্মন আৰু তৰ্ক বিভাগ সম্পাদিকা পদত হিয়ামণি ৰায়।



*কাইলৈ গুৱাহাটীত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত হ'বলগীয়া টি-২০ খেলৰ পূৰ্বে খেলুৱৈৰ অনুশীলন*

## ১০০ মিটাৰত সোণ অসমৰ অম্লানৰ, হিমা ব্যৰ্থ

# গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ তৃতীয় দিনা অসমৰ সাতটা পদক

**গান্ধীনগৰ, ১ অক্টোবৰ ঃ** চলিত ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি অসমে চমকপ্ৰদ প্ৰদৰ্শন কৰি তিনিটা সোণ, তিনিটা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ সাতটা পদক লাভ কৰিছে। মহাষষ্ঠীৰ দিনা অসমক প্ৰথমটো সোণৰ পদক দিয়ে ভাৰতীয় এথলেটিকছৰ নৱাগত চাঞ্চল্য অম্লান বৰগোহাঁয়ে। গান্ধীনগৰৰ আই আই টি ক্ৰীড়া প্ৰকল্পত আজি অনুষ্ঠিত হোৱা পুৰুষৰ ১০০ মিটাৰ দৌৰৰ ফাইনেলত অসম সন্তান অম্লানে ১০.৩৮ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি সোণ অৰ্জন কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে জীৱনৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াতে সোণ অৰ্জন কৰি দেশৰ দ্ৰুত মানৰ হোৱাৰ অনন্য সফলতা অৰ্জন কৰিলে অম্লানে। ইফালে, মহিলাৰ ১০০ মিটাৰ দৌৰৰ ফাইনেলত অসমৰ হিমা দাসেও অংশ লৈছিল যদিও পদক নাপালে। ১১.৭৫ ছেকেণ্ডৰে সপ্তম স্থানত থাকে ধিং এক্সপ্ৰেছ। অৰ্জুন বঁটাৰে সন্মানিত এছিয়ান গেমছৰ পদকজয়ী হিমাৰো এয়া আছিল কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়া। এতিয়া অম্লান আৰু হিমাই ২০০ মিটাৰ দৌৰত অংশ ল'ব। অহা তিনি অক্টোবৰত হ'ব ২০০ মিটাৰ দৌৰৰ হিটছ। উল্লেখ্য যে অম্লানে ২০০ মিটাৰতো ২০.৫২ ছেকেণ্ডৰে ইতিমধ্যে ৰাষ্ট্ৰীয় অভিলেখ গঢ়িছে। আনহাতে, ২০০ মিটাৰত হিমাৰ শ্ৰেষ্ঠ সময় হ'ল ২২.৮৮ ছেকেণ্ড। ইফালে, ল'নবলত আজি অসমে দুটা সোণসহ চাৰিটা পদক লাভ কৰে। পুতুল সোণোৱাল, আনন্দ নাৰ্জাৰী আৰু মৃদুল বৰগোহাঁইৰ দ্বাৰা গঠিত অসমৰ তিনিজনীয়া পুৰুষ দলে সোণ লাভ কৰাৰ বিপৰীতে অসমক ল'নবলত দ্বিতীয়টো সোণ দিয়ে পুৰুষৰ ডাবলছত মৃদুল বৰা আৰু ৰূপতু গগৈয়ে। আনহাতে, অসমৰ তানিয়া চৌধুৰী, বনগীতা হাজৰিকা, অনন্যা শইকীয়া আৰু অদিনীতা কাকতিৰ দ্বাৰা গঠিত মহিলা দলটোৱে ফাইনেলত পৰাস্ত হৈ ৰূপ পায়। কমনৱেল্‌থ গেমছৰ স্বৰ্ণজয় অসম কন্যা নয়নমণি শইকীয়াই ব্ৰঞ্জ পদকৰ মেচত জয়ী হৈ পদক অৰ্জন কৰে। ইফালে, আজি ভাৰোত্তোলনত অসমক ৰূপৰ পদক দিয়ে ৰাজ্যৰ আন এগৰাকী তাৰকা খেলুৱৈ পপী হাজৰিকাই। আনহাতে, চাইক্লিষ্ট চয়নিকা গগৈয়ে মহিলাৰ স্কেট ৰেছত ৰূপ জয় কৰিবলৈ সক্ষম হয়।

## চাইক্লিঙত চয়নিকা-ভাৰোত্তোলনত পপীৰ ৰূপ

**আহমেদাবাদ, ১ অক্টোবৰ ঃ** গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি অসমে চমকপ্ৰদ প্ৰদৰ্শন কৰি তিনিটা সোণ, তিনিটা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ সাতটা পদক লাভ কৰিছে। আজি ভাৰোত্তোলনত অসমক ৰূপৰ পদক দিয়ে ৰাজ্যৰ আন এগৰাকী তাৰকা খেলুৱৈ পপী হাজৰিকাই। মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাত খেলা পপীয়ে স্নেছত ৮৫ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১০৮ কিলোগ্ৰাম উত্তোলন কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। পপীয়ে মুঠ ১৯৩ কিলোগ্ৰাম ওজন উত্তোলন কৰে যদিও সামগ্ৰিকভাৱে এক কিলোগ্ৰাম কম হোৱাৰ বাবেই সোণৰ পৰা বঞ্চিত হয়। উল্লেখ্য যে বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় ভাৰোত্তোলন দলক প্ৰতিনিধিত্ব কৰা অসম কন্যা পপীয়ে ইংলণ্ডত ব্যৰ্থ হোৱাৰ পাছত নতুন আশাৰে অংশ লৈছিল চলিত গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত। লক্ষ্য সোণ আছিল যদিও ভাগ্যই সংগ নিদিয়াত ৰূপৰ পদকতে সন্তুষ্ট থাকিব লগা হ'ল। উল্লেখ্য যে পপীৰ লগতে অসমৰ ছজনীয়া দলে চলিত ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ভাৰোত্তোলনত অংশ লৈছে। ইফালে, চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি অসমক ৰূপৰ পদক দিয়ে দেশৰ নৱাগত চাইক্লিষ্ট চয়নিকা গগৈয়ে। এছিয়ান চাইক্লিং প্ৰতিযোগিতাত পদক জয়ৰে ঐতিহাসিক সফলতা লাভ কৰা চয়নিকাই মহিলাৰ ১০ কিলোমিটাৰ স্কেট ৰেছত ৰূপ জয় কৰি অসমৰ পদক তালিকাত সংখ্যা বৃদ্ধি কৰে। অসমৰ ক্ৰীড়াবিদৰ এই সফলতাৰ বাবে অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱাল আৰু সম্পাদক লক্ষ্য কোঁৱৰে সকলো পদকজয়ী খেলুৱৈক অভিনন্দন জনোৱাৰ লগতে যিসকল খেলুৱৈয়ে নিজৰ মেচ খেলিবলৈ বাকী আছে তেওঁলোকক সুন্দৰ প্ৰদৰ্শনৰ বাবে শুভেচ্ছা জনাইছে।



## মহেন্দ্ৰ-ৰীতেন্দ্ৰ এককালীন প্ৰাইজমানী ফুটবলত কোকৰাঝাৰ ছাই একাদশ চূড়ান্ত বিজয়ী

**বঙাইগাঁও, ১ অক্টোবৰ ঃ** বঙাইগাঁৱৰ পুৰণি বঙাইগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত দেউৰীপাৰাৰ নৰনাৰায়ণ খেলপথাৰত অনুষ্ঠিত প্ৰয়াত মহেন্দ্ৰ চন্দ্ৰ পাঠক আৰু ৰীতেন্দ্ৰ চন্দ্ৰ ৰায় সোঁৱৰণী এককালীন প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত হোৱা চূড়ান্ত খেলখন কোকৰাঝাৰ ছাই একাদশ আৰু দোলাইগাঁৱৰ জনতা ক্লাবৰ মাজত অনুষ্ঠিত হয়। তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখনত কোকৰাঝাৰ ছাই একাদশে জনতা ক্লাবক ১-০ গ'লত পৰাজিত কৰি চূড়ান্ত বিজয়ী হয়। খেলৰ শেষত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত বিজয়ী দলক মহেন্দ্ৰ চন্দ্ৰ পাঠক সোঁৱৰণী ট্ৰফীৰ সৈতে নগদ ২৫ হাজাৰ টকা আৰু বিজিত দলক ৰীতেন্দ্ৰ চন্দ্ৰ ৰায় সোঁৱৰণী ট্ৰফীসহ নগদ১৫ হাজাৰ টকাৰ পুৰস্কাৰ আগবঢ়োৱা হয়।

## ল'নবলত অসমে পালে দুটা সোণসহ চাৰিটা পদক

**আহমেদাবাদ, ১ অক্টোবৰ ঃ** চলিত ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি ল'নবলত অসমে চমক সৃষ্টিৰে দুটা সোণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জ অৰ্জন কৰি প্ৰত্যাশিত সফলতা অৰ্জন কৰে। পুতুল সোণোৱাল, আনন্দ নাৰ্জাৰী আৰু মৃদুল বৰগোহাঁইৰ দ্বাৰা গঠিত অসমৰ তিনিজনীয়া পুৰুষ দলে আজি ফাইনেলত বংগক ২৫-৬ৰ ব্যৱধানত হেলাৰঙে পৰাস্ত কৰি সোণ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰপূৰ্বে অসমে ছেমিফাইনেলত ২৬-৮ৰ ব্যৱধানত দিল্লীক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, ল'নবলত অসমক দ্বিতীয়টো সোণ দিয়ে পুৰুষৰ ডাবলছত মৃদুল বৰা আৰু ৰূপতু গগৈয়ে। ৰোমাঞ্চকৰ ফাইনেলত অসমে দিল্লীক ১৮-১৬ৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, অসমৰ তানিয়া চৌধুৰী, বনগীতা হাজৰিকা, অনন্যা শইকীয়া আৰু অদিনীতা কাকতিৰ দ্বাৰা গঠিত মহিলা দলটোৱে আজি ফাইনেলত ঝাৰখণ্ডৰ মুখামুখি হয় যদিও ১১-২৩ৰ ব্যৱধানত পৰাজয় স্বীকাৰ কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে অসমে ছেমিফাইনেলত ২২-৮ৰ ব্যৱধানত দিল্লীক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ইফালে, ল'নবলৰ মহিলাৰ একক শাখাৰ খেলত কমনৱেল্‌থ গেমছৰ স্বৰ্ণজয় অসম কন্যা নয়নমণি শইকীয়াই কালি ছেমিফাইনেলত ঝাৰখণ্ডৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত আজি ব্ৰঞ্জ পদকৰ বাবে খেলি সফলতা লাভ কৰে আৰু অসমক পদক দিবলৈ সক্ষম হয়। নয়নমণিয়ে ২১-১০ৰ ব্যৱধানত পৰাস্ত কৰে বংগৰ প্ৰতিদ্বন্দ্বীক। ল'নবলত অসমে আৰু পদক পোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।



*গুৱাহাটীত অসম ক্ৰিকেট সন্থাৰ সংবাদ মেলৰ ছবি*

## অম্বা মেধি ফুটবলত অসম ৰেজিমেন্টেল চেন্টাৰ চেম্পিয়ন

**গুৱাহাটী, ১ অক্টোবৰ ঃ** শ্বিলঙৰ অসম ৰেজিমেন্টেল চেন্টাৰে মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত ৪১সংখ্যক অম্বা মেধি সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিছে। মঙলদৈ ষ্টেডিয়ামত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ আজি হোৱা ফাইনেলত ৰেজিমেন্টেল চেন্টাৰে বিদ্যুৎ পৰিষদক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ৰেজিমেন্টেল চেন্টাৰৰ হৈ মেইটচাফৰাং নেংনেঙে এটা আৰু এল ৰবাৰ্টে দটা গ'ল দিয়াৰ বিপৰীতে বিদ্যুৎ পৰিষদৰ হৈ আশিস লাংঠাচা আৰু জিজ্ঞাস ডেকাই এটাকৈ গ'ল দিয়ে। খেলখন পৰিচালনা কৰে ক্ৰমে আব্দুল হান্নান, মোবাৰক হুছেইন, ৰাহিদুৰ ৰহমান আৰু হিতেশ কলিতাই। খেলৰ অন্তত বিজয়ী দলক অম্বা মেধি সোঁৱৰণী ট্ৰফীসহ নগদ ৫০ হাজাৰ টকা আৰু বিজিত দলক ২৫ হাজাৰ টকা প্ৰদান কৰে। খেল উদ্বোধন কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। উদ্বোধনী অনুষ্ঠানত দৰঙৰ আৰক্ষী অধীক্ষক প্ৰশান্ত শইকীয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ইফালে, বিৰতিত অম্বা মেধি পৰিয়ালৰ সদস্য তথা অসম ফুটবল সন্থাৰ এক দীঘলীয়া সময়ৰ কোষাধ্যক্ষ, প্ৰবীণ খেলুৱৈ তথা ফুটবল ৰেফাৰী বীৰেন মেধিক দৰং জিলা ফুটবল ৰেফাৰী কল্যাণ সংস্থাই সম্বৰ্ধনা জনায়।

## আন্তঃক্লাব ফুটবলত টাইগাৰ ক্লাব চেম্পিয়ন

**গুৱাহাটী, ১ অক্টোবৰ ঃ** নগাঁও জিলাৰ ধিং ক্ৰীড়া সন্থাৰ উদ্যোগত ধিং ষ্টেডিয়ামত সফলতাৰে সামৰণি পৰা চলিত বৰ্ষৰ আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাত আহোমগাঁৱৰ টাইগাৰ ক্লাবে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। মুঠ দহটা ক্লাবৰ যোগদানৰে আয়োজিত এই প্ৰতিযোগিতাৰ ফাইনেলত টাইগাৰ ক্লাবে এছ ডি ট্ৰাইবেল ক্লাবক ৫-০ গ'লত পৰাজিত কৰে। খেলখনত টাইগাৰ ক্লাবৰ হৈ ভবেন পাটৰে দুটা, হীৰুজ্যোতি দেউৰী, অৰূপ দেউৰী আৰু ডেনিছ বড়োৱে এটাকৈ গ'ল দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী ছাহজাহান আলী চৌধুৰীক সহায় কৰে চুক্সচাং আও, মতিউৰ ৰহমান আৰু মোজাহিদুল ইছলামে। খেলৰ অন্তত সন্থাৰ সম্পাদক বলেন মেধিয়ে আঁত ধৰা সামৰণি অনুষ্ঠানত সমীৰ হাজৰিকা, তৈয়বুদ্দিন আহমেদ, লাহোৰ আলী ফাৰুকী, ধৰ্ম শইকীয়া, অমিধৰ বড়ো, জে ইছলাম আৰু হাচিমউদ্দিন হাজৰিকা আদিয়ে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে। টাইগাৰ ক্লাবৰ ভবেন পাটৰে ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু হিৰুজ্যোতি দেউৰীয়ে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। উল্লেখ্য যে, ছেমি ফাইনেলত টাইগাৰ ক্লাবে নিজ ধিঙৰ নৱজ্যোতি ক্লাবক ৬-২ গলত আৰু ধিঙৰ এছ ডি ট্ৰাইবেল ইয়ুথ ক্লাবে বাৰোৱাটিৰ ন-জোৱান প্ৰগতি সংঘক ১-০ গলত হৰুৱাই ফাইনেলত উপনীত হৈছিল।

## চাহ বাগিচাত ফুটবল

**গুৱাহাটী, ১ অক্টোবৰ ঃ** বিশ্বনাথ জিলাৰ উত্তৰ চতিয়াৰ ঘিলাধাৰী চাহ বাগিচাৰ ইয়ংষ্টাৰ ক্লাবৰ উদ্যোগত আৰু ঘিলাধাৰী চাহ শ্ৰমিকৰ সহযোগত প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা ঘিলাধাৰী চাহ বাগিচা আৰু বিহালী বৰাজুলি ফুটবল দলৰ মাজত অনুষ্ঠিত হয়। ফুটবল খেলৰ বিশিষ্ট অতিথিসকল আছিল অসম চৰকাৰৰ মন্ত্ৰী গৰুখুঁটি প্ৰকল্পৰ অধ্যক্ষ তথা চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মা, বিশ্বনাথ জিলা ক্ৰীড়া ভাৰতীৰ সভাপতি বানেশ্বৰ বৰা, দলংগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নিৰঞ্জন শইকীয়া, বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰবক্তা গৌতম গুৱালা, কৃতি শিক্ষকৰ বঁটা লাভ কৰা শিক্ষক, সমাজ সেৱক অৰুণ বৰদলৈ, মাজুলীগড় চাহ বাগিচাৰ প্ৰধান পৰিচালক তৰুণ চান্দা, ঘিলাধাৰী চাহ বাগিচাৰ পৰিচালক হেম চন্দ্ৰ গগৈ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ জগানন্দ কুৰ্মী, নাগশংকৰ জিলা পৰিষদৰ সদস্য হিতেশ বৰুৱা, চতিয়া জিলা পৰিষদৰ সদস্যা ধনদা গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক, প্ৰদীপ বৰুৱা আদি। ফাইনেলৰ বিজয়ী বিহালী বৰাজুলি ফুটবল একাদশ দলক জখু চাহ সোঁৱৰণী ট্ৰফী আৰু সমিতিয়ে নগদ ৪০ হেজাৰ টকা প্ৰদান কৰে। ঘিলাধাৰি ফুটবল একাদশক ত্ৰিনাথ বাউৰী সোঁৱৰণী ট্ৰফী লগতে পাপু পানতাঁতী সোঁৱৰণী চলন্ত ট্ৰফী ঘিলাধাৰী দলৰ মন্টু ভূএঙাক শ্ৰেষ্ঠ গ'লকীপাৰৰ ট্ৰফী আৰু নগদ ধন প্ৰদান কৰা হয়। খেল পৰিচালনা কৰে শ্যাম নাগ আৰু শত্ৰুঘ্ন নাগে।

## ডিগবৈ প্ৰিমিয়াৰ লীগত চেম্পিয়ন হাৰকিউলিচ ১১

**গুৱাহাটী, ১ অক্টোবৰ ঃ** ডিগবৈ সমন্বয় সংঘ আৰু ডিগবৈ ক্ৰিকেট কোচিং চেণ্টাৰৰ উদ্যোগত অনুষ্ঠিত স্বৰ্গীয় পংকজ তামুলি সোঁৱৰণী ডিগবৈ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাখনি আজি সামৰণি পৰে। ডিগবৈ মুলীয়াবাৰী খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত হাৰকিউলিচ দলে ডিবিচি ১১ক চাৰি উইকেটত পৰাস্ত কৰি বিজয়ীৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাৰ অন্তত আয়োজন কৰা বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি ৰূপে থাকে ডিগবৈ আই অ চিৰ মানৱ সম্পদ বিভাগৰ মহাপ্ৰবন্ধক কমল বসুমতাৰী, বিশিষ্ট অতিথি ৰূপে বিশিষ্ট সাহিত্যিক পুণ্য শইকীয়া, ইণ্ডিয়া ক্লাবৰ সম্পাদক সুৰজ গোঁহাই, প্ৰাক্তন ক্ৰিকেটৰ নাজিবুৰ ৰহমান, ডিব্ৰুগড় সঞ্জিৱনী নাৰ্ছিং হোমৰ ডাঃ ৰাণা বৰুৱা, এন আই এছ প্ৰশিক্ষক সুশান্ত দত্তগুপ্ত, সাংবাদিক বিনন্দ কোঁৱৰ, প্ৰয়াত পংকজ তামুলিৰ সহধৰ্মিণী ৰুমি তামুলি আদি। প্ৰতিযোগিতাৰ চেম্পিয়ন দলক ট্ৰফীসহ নগদ ৫০ হেজাৰ টকা আৰু ৰাণাৰ্চআপ দলক নগদ ৩৫ হেজাৰ টকা প্ৰদান কৰা হয়। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ আৰু শ্ৰেষ্ঠ বলাৰৰ বঁটা লাভ কৰে ৰজত খানে। আজিৰ চুড়ান্ত খেলখনৰ শ্ৰেষ্ঠ বঁটা লাভ কৰিবলৈ সক্ষম হয় পংকজ কোঁৱৰে।



*গুৱাহাটীত এক সংবাদমেলত ভাৰতীয় ক্ৰিকেট দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়*



# ফেৰী বা নাও দুৰ্ঘটনা ৰোধৰ বাবে ধুবুৰী জিলা উপায়ুক্তৰ নিৰ্দেশনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১ অক্টোবৰ ঃ** ধুবুৰী জিলাত ব্ৰহ্মপুত্ৰ আৰু আন উপ-নৈসমূহত সংঘটিত ফেৰী বা নাও দুৰ্ঘটনা ৰোধ কৰি যাত্ৰী আৰু সামগ্ৰীৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে আৰু ফেৰী সেৱা সূচাৰুৰূপে চলাটো নিশ্চিত কৰাৰ বাবে ধুবুৰী জিলা উপায়ুক্তই ফৌজদাৰী বিধিৰ ১৪৪ ধাৰাৰ অধীনত আজি এক জাননীযোগে কেতবোৰ নিৰ্দেশনা প্ৰদান কৰিছে। সেইসমূহ হৈছে কাৰ্গো বা সামগ্ৰী কঢ়িওৱা নাও বা ফেৰীত আভ্যন্তৰীণ জলপৰিবহণ বিভাগে নিৰ্ধাৰণ কৰা নাও বা ফেৰীৰ সৰ্বাধিক চাৰিজন কৰ্মচাৰীৰ বাহিৰে কোনো লোক বা যাত্ৰী যাব নোৱাৰিব। সকলো নাও বা ফেৰীত জীৱন ৰক্ষাকাৰী সামগ্ৰী যেনে লাইফ জেকেট, অগ্নিনিৰ্বাপক যন্ত্ৰ, ফাৰ্ষ্ট এইড বক্স আদি থাকিব লাগিব। আভ্যন্তৰীণ জলপৰিবহণ বিভাগে নিৰ্ধাৰণ কৰি দিয়া ওজন বা আসন সংখ্যাৰ অতিৰিক্ত সামগ্ৰী বা যাত্ৰী কোনো সামগ্ৰী কঢ়িওৱা বা যাত্ৰীবাহী নাও বা ফেৰীয়ে নিব নোৱাৰিব। আভ্যন্তৰীণ জলপৰিবহণ বিভাগে নিৰ্ধাৰণ কৰি দিয়া সময় যাত্ৰীবাহী বা মালবাহী ফেৰীয়ে কঠোৰভাৱে মানি চলিব লাগিব। সূৰ্যাস্তৰ পিছত বা কুঁৱলী থাকিলে কোনো ফেৰী সেৱা চলিব নোৱাৰিব। নাৱত যাত্ৰা কৰাৰ সময়ত ছেলফি লোৱাটো সম্পূৰ্ণৰূপে নিষিদ্ধ। আভ্যন্তৰীন জলপৰিবহণৰ বিষয়াই নিয়মীয়াকৈ যাত্ৰীবাহী বা সামগ্ৰী কঢ়িওৱা নাও বা ফেৰীৰ ফিটনেছৰ পৰীক্ষণ কৰিব। আভ্যন্তৰীণ জলপৰিবহণ বিভাগে নাও বা ফেৰীৰ চালক আৰু কৰ্মচাৰীক নিয়মীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰিব।



*গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত দক্ষিণ এছিয়া আঞ্চলিক জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ ২০২২ৰ বিজয়ীসকলক স্মৃতিচিহ্ন প্ৰদান কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই*

## ফকিৰগঞ্জ আঞ্চলিক যুৱ সমাজৰ আৰক্ষী দিৱস উপলক্ষে সম্বৰ্ধনা

### খহনীয়া প্ৰতিৰোধৰ বাবে স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১ অক্টোবৰ ঃ** ধুবুৰী জিলাৰ ফকিৰগঞ্জ থানাৰ আৰক্ষী বিষয়া-জোৱানক আজি আৰক্ষী দিৱসৰ লগত সংগতি ৰাখি ফকিৰগঞ্জ আঞ্চলিক যুৱ সমাজৰ উদ্যোগত সম্বৰ্ধনা জনোৱা হয়। ফকিৰগঞ্জ আঞ্চলিক যুৱ সমাজৰ বিষয়া-কৰ্মীয়ে থানা চৌহদত উপস্থিত হৈ আৰক্ষী বিষয়া-জোৱানক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। আনকি ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ স্বাৰ্থত বালি মাফিয়াই ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা কাটি নিয়া মাটি কটা বন্ধ কৰিবলৈ আৰু নিচাজাতীয় সামগ্ৰীৰ ধ্বংসৰ কবলৰ পৰা যুৱ-প্ৰজন্মক ৰক্ষা কৰিবলৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাই ফকিৰগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোকমান আলীৰ হাতত এখন স্মাৰক-পত্ৰ প্ৰদান কৰে।

### শ্ৰদ্ধাঞ্জলি



**প্ৰয়াত মনোহৰি দাস**

যোৱা ৩ আহিন (২০ ছেপ্টেম্বৰ ২০২২ চন) মঙলবাৰে মোৰ স্বামী /আমাৰ দেউতা/শহুৰ/ককা শ্ৰীযুত মনোহৰি দাস পৰলোকগামী হয়।

তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তিৰ অৰ্থে আজি ১৫ আহিন (২ অক্টোবৰ, ২০২২ চন) দেওবাৰে আদ্যশ্ৰাদ্ধ উপলক্ষে তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। তেওঁৰ আত্মাই যেন চিৰশান্তি লাভ কৰে আৰু সৰগত বাস কৰে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

*শোকসন্তপ্ত পৰিয়ালবৰ্গৰ হৈ—*

*শ্ৰীমীৰা দাস (পত্নী)*

*শ্ৰীপাৰ্থজ্যোতি দাস (পুত্ৰ)*
*শ্ৰীশশীমা দাস (বোৱাৰী)*
*শ্ৰীৰাজু চৌধুৰী (জোঁৱাই)*
*শ্ৰীনমিতা দাস চৌধুৰী (কন্যা)*
*শ্ৰীপ্ৰশান্ত পাঠক (জোঁৱাই)*
*শ্ৰীপ্ৰণীতা দাস পাঠক (কন্যা)*
*শ্ৰীমণিদীপ সন্দিকৈ (জোঁৱাই)*
*শ্ৰীনিবেদিতা দাস সন্দিকৈ (কন্যা)*

*নাতি-নাতিনী*

*অনুৰাগ, অংশ্ৰুতা, প্ৰতীক্ষা, দীপাঞ্চী, কৃতিকা, জিয়ানা, মৃদুপৱন*


## মূঢ়ানী গাঁও বৰনামঘৰত সদৌ গহপুৰ শ্ৰীমন্ত শংকৰগুৰুৰ ৫৭৪সংখ্যক জয়ন্তীৰ প্ৰস্তুতি তুংগত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ১ অক্টোবৰ ঃ** গহপুৰ নগৰৰ লগতে সমীপৰ্তী একত্ৰিশখন গাঁও একত্ৰিত হৈ বিগত বৰ্ষবোৰৰ দৰে এইবেলিও অহা ১৮ আৰু ১৯ আহিন (৫ আৰু ৬ অক্টোবৰ) বুধ আৰু বৃহস্পতিবাৰে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সদৌ গহপুৰ ৫৭৪সংখ্যক শ্ৰীমন্তশংকৰদেৱৰ জন্ম জয়ন্তী উৎসৱ ভাগ উদ্‌যাপন কৰাৰ মানসেৰে গহপুৰৰ ধৰ্মপ্ৰাণ ৰাইজে উঠি-পৰি লাগিছে। নগৰখনৰ সমীপৰ্তী মূঢ়ানী গাঁও বৰনামঘৰত অনুষ্ঠিতব্য সমাৰোহভাগ সাফল্যমণ্ডিত কৰি তুলিবলৈ ইতিমধ্যে মূল সমিতিৰ লগতে বিত্ত, সম্বৰ্ধনা, কৃষ্টি আৰু অভ্যৰ্থনাকে ধৰি মুঠ পাঁচখন সমিতিয়ে অতি ক্ষিপ্ৰতাৰে যুদ্ধংদেহিভাৱে কামত লাগি পৰা পৰিলক্ষিত হৈছে। উৎসৱ ভাগৰ মূল সমিতিৰ প্ৰধান সম্পাদক মাধৱ ডেকা, সম্পাদক শোভন বৰুৱা, সহঃ সম্পাদক পিংকু শইকীয়া, সভাপতি ৰবীন্দ্ৰ নাৰায়ণ গোস্বামী, কাৰ্যকৰী সভাপতি অতুল শইকীয়া, কোষাধ্যক্ষ ৰবীন শইকীয়া, হিচাপ পৰীক্ষকদ্বয় মাণিক চন্দ্ৰ বৰা আৰু দিলীপ হাজৰিকাই জনোৱা মতে, ইতিমধ্যে দুৰ্গেশ্বৰ বৰাক সভাপতি, বসন্ত বৰা আৰু অজিত শইকীয়াক সম্পাদকদ্বয় হিচাপে লৈ বিত্ত উপ-সমিতি, সুৰেন বৰাক সভাপতি আৰু পবিত্ৰ হাজৰিকাক সম্পাদক হিচাপে লৈ সম্বৰ্ধনা উপ- সমিতি, বিপিন শইকীয়াক সভাপতি আৰু ৰাতুল বৰাক সম্পাদক হিচাপে লৈ কৃষ্টি উপ-সমিতি, কুমুদ হাজৰিকাক সভাপতি, দেহেশ্বৰ বৰা আৰু কেশৱ হাজৰিকাক সম্পাদক হিচাপে লৈ অভ্যৰ্থনা সমিতি গঠন কৰি ইতিমধ্যে ভাগে ভাগে দায়িত্ব অৰ্পণ কৰা হৈছে। উল্লেখ্য যে উৎসৱভাগৰ প্ৰথম দিনা পুৱা ৫ বজাত প্ৰভাত ফেৰী, ৫.৩০ বজাত ঊষা কীৰ্তন, ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি ৰবীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে। ১০ বজাত নাম প্ৰসংগ আৰু ভাগৱত পাঠ। নামাচাৰ্য এলেঙী মদাৰগুৰি সত্ৰৰ ডকা সত্ৰাধিকাৰ দুৰ্লভ মহন্ত আৰু পাঠক ডেওনাবড়িৰ ফণী গগৈ। ১ বজাৰ পৰা অনুষ্ঠিতব্য ধৰ্মালোচনী আৰু সম্বৰ্ধনা অনুষ্ঠানত পৌৰোহিত্য কৰিব উদ্‌যাপন সমিতিৰ সভাপতি ৰবীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে। ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড° দুলাল চন্দ্ৰ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশ গ্ৰহণ কৰিব লগা ধৰ্মালোচনী সভাখনিৰ উদ্বোধন কৰিব শ্ৰীশ্ৰী কাৰৈমাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ উপেন গোস্বামীয়ে। সন্ধ্যা ৬ বজাত সদৌ গহপুৰৰ গাঁওসমূহৰ নামঘৰীয়াসকল ক্ৰমে-বাবুল গগৈ, ভোগেশ্বৰ ফুকন, বদন হাজৰিকা, টংক বৰুৱা, গোলাপ বৰা, হৃদয়া শইকীয়া, দুৰ্গেশ্বৰ বৰা, গোপাল গগৈ, জিতেন বৰুৱা, অৰুণ শইকীয়া, ভীম গগৈ, দীপ্তি দিহিঙ্গীয়া আৰু দুলাল কাকতিকে ধৰি সমূহ নামঘৰীয়াসকলৰ দ্বাৰা বন্তিপ্ৰজ্বলন অনুষ্ঠান অনুষ্ঠিত হ'ব। আনহাতে, দ্বিতীয় দিনা দিনৰ ১১ বজাৰ পৰা অঞ্চলটোৰ আইসকলৰ মাজত অনুষ্ঠিত হ'ব দিহানাম প্ৰতিযোগিতা, সঞ্চালনা কৰিব অজিত শইকীয়াই। উক্ত দিনা নিশাৰ প্ৰায় ৮ বজাৰ পৰা আৰম্ভ হ'ব লগা 'সীতা হৰণ বালি বধ' ভাওঁনাৰ শুভ উদ্বোধন কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি অতুল শইকীয়াই। উল্লেখ্য যে উৎসৱ ভাগ সাফল্যমণ্ডিত কৰি তুলিবলৈ গহপুৰ নগৰবাসীৰ লগতে অঞ্চলটোৰ সকলো ভাষা-ভাষী, সকলো ধৰ্মালম্বী আৰু সকলো জাতি-জনগোষ্ঠী লোকৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে সমাৰোহ ভাগৰ উদ্‌যাপন সমিতিয়ে।









শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি